বারুদ

বারুদ

কামাখ্যা সভাপণ্ডিত

DIRECTORATE OF LIBRARY SERVICES • ASSAM, GUWAHATI •

চন্দ্র প্রকাশ
তিহু : অসম

প্ৰকাশক :
শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্ম্মা
চন্দ্ৰ প্ৰকাশ
টিহু

প্ৰচ্ছদপট : শ্ৰীহৰকুমাৰ ডেকা

প্ৰথম প্ৰকাশ
ফেব্ৰুৱাৰী /৮৭ চন

মূল্য : ৩০.০০ টকা

মুদ্ৰক :
অৰুণোদয় প্ৰেছ
যোগেন বৰুৱা লেন
পিলপুখুৰী, গুৱাহাটী-

অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত যিসকলে নিজৰ অমূল্য জীৱন উছৰ্গা কৰিলে সেই শ্বহীদসকলৰ পৰিয়ালবৰ্গলৈ।

মনৰ কথা ঃ

কেইবা বছৰৰ আগতে অসমৰ এখন আলোচনীত পঢ়িবলৈ পাইছিলোঁ— 'অসমখন এটা উদ্‌গীৰণমুখী অৱস্থাত উপনীত হৈছে। মাটিত কাণপাতি শুনিলে শুনা যাব এটা গুৰু-গুৰু শব্দ।' কিহৰ শব্দ আছিল সেইটো? সেই শব্দই কিহৰ সংকেত দিছিল? এটা বিস্ফোৰণৰ? এটা প্ৰবল ভূমিকম্পৰ?

হয়তো লেখকজনে ঠিকেই অনুভৱ কৰিছিল। লেখকজনৰ সেই ভৱিষ্যৎ-বাণী তথা আশংকা আলোচনীৰ পাতত প্ৰকাশ হোৱাৰ কিছুদিনৰ পিচতেই অসমৰ বাইজে ভূমিকম্পৰ জোকাৰণি অনুভৱ কৰিলে। প্ৰথমে মৃদুভাৱে, তাৰ পিচত তাণ্ডৱকৈ। ক্ৰমে ক্ৰমে সেই জোকাৰণি ইমান প্ৰবল হৈ আহিল যে অসমৰ ইমূৰৰপৰা সিমূৰলৈ তোলপাৰ লাগি পৰিল। লাহে লাহে সেই জোকাৰণিয়ে গোটেই দেশখনকে কঁপাই তুলিলে। অসমৰ ডা-ডাঙৰীয়াসকলৰতো কথাই নাই, দিল্লীৰ ৰাজ-দৰবাৰো তলমল লাগি পৰিল। ৰথী-মহাৰথীসকলে প্ৰমাদ গণিলে।

বিদেশীৰ প্ৰশ্ন লৈ আৰম্ভ হোৱা ছাত্ৰ-অন্দোলনটো এদিন ব্যাপক গণ-আন্দোলনলৈ ৰূপান্তৰিত হ'ল। অসমৰ বুকুত ৰচিত হ'ল এক ৰক্ত-ৰঞ্জিত, বৰ্ণাঢ্য ইতিহাস। এক বহল বুৰঞ্জী।

অৱশ্যে মোৰ এই উপন্যাসখনত সুদীৰ্ঘ গণ-আন্দোলনটোৰ সম্পূৰ্ণ ইতিহাস বা বুৰঞ্জী সামৰিবলৈ চেষ্টা কৰা নাই; মই মাত্ৰ সেই দিনবোৰৰ এছোৱা নিৰ্দিষ্ট সময়ৰ ঘটনাহে ইয়াত ৰূপায়িত কৰিবলৈ প্ৰয়াস কৰিছোঁ। খুব সম্ভৱ ইমান এটা দীঘলীয়া, ঘটনাবহুল আন্দোলনৰ এখন পূৰ্ণাঙ্গ ছবি এখন কম পৰিসৰৰ উপন্যাসত চিত্ৰায়িত কৰাটো মোৰ দৰে এজন সাধাৰণ লেখকৰ পক্ষে সম্ভৱো নহয়।

তদুপৰি বৰ্ত্তমানৰ ছপা-খৰচ, কাগজ-পত্ৰৰ উৰ্দ্ধগামী মূল্য আৰু পাঠক-সমাজৰ সময়ৰ নাটনিলৈ লক্ষ্য ৰাখিও মোৰ কলমৰ স্বাধীনতাৰ ওপৰত তাকৰী সৰঞ্জাম প্ৰয়োগ কৰা হৈছে।

কিতাপখন ছপাবলৈ আগ্ৰহেৰে আগবাঢ়ি অহা বাবে 'চন্দ্ৰ প্ৰকাশ'ৰ স্বত্বাধিকাৰী শ্ৰীৰাজেন শৰ্মালৈ মোৰ মৰম আৰু কৃতজ্ঞতা ৰ'ল। লগতে অতি কম দিনৰ ভিতৰতে কিতাপখন ছপাই দিয়া বাবে শিলপুখুৰীৰ অৰুণোদয় প্ৰেছৰ মালিক শ্ৰীজয়ন্ত শৰ্মা আৰু কৰ্মীবৃন্দলৈ মোৰ হিয়াভৰা মৰম থাকিল। বেটুপাতৰ শিল্পী হৰকুমাৰ ডেকাও মোৰ শলাগৰ পাত্ৰ হৈ ৰ'ল।

মোৰ প্ৰতিটো লেখাৰ প্ৰথম পঢ়ুৱৈ হ'ল মোৰ সহধৰ্মিনী শ্ৰীমতী কিৰণ। এই কিতাপখন লিখোঁতেও তেওঁ মোক যথেষ্ট সহায় কৰিছে। গতিকে এই সুযোগতে তেওঁৰ কথাও মৰমেৰে সুঁৱৰিছোঁ।

শেষত অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা-প্ৰাৰ্থনাৰে। ইতি—

গুৱাহাটী
৩ ফেব্ৰুৱাৰী/৮৭
(শ্ৰীপঞ্চমী)

একে লেখকৰে :

জীৱনায়ন
চিনাকি মানুহ
এখন বিয়াৰ ছবি
জন্ম মৃত্যু বিবাহ
এক প্ৰহৰৰ খেলা
ফাগুনৰ জুই
এপাহ ফুলিল এপাহ সৰিল
পঙ্কতিলক
পলাশ পলাশ ৰঙ
নগৰৰ ধূলি
চকুলোৰে পৃথিৱী নিতিকে
ৰহস্যৰ অন্ধকাৰত
জাহ্নৱী-যমুনা
দৰিদ্ৰতাৰ স্বাক্ষৰ
আশা-আকাংক্ষা
উপকণ্ঠত যৌৱন
বন-কুকুহাৰ জুই
ৰাজপথৰ নায়ক
বিষাক্ত সুবাস
ৰাজকন্যাৰ সপোন
নতুন অধ্যায়
অজান পথীৰ গান
স্মৃতিৰ শ্ৰুতলিপি
নেপথ্যৰ নায়ক
গাভৰু পৃথিৱী
ভগা ডেউকাত জুই
আন্ধাৰত আপোন সত্তা
মায়াবী লগ্ন
শেষ অংকৰ নায়ক
হে আকাশ হে মৃত্যু
দেৱতাৰ ফুল
জীৱনৰ দাবী—১ম আৰু ২য় খণ্ড
[পৰিবৰ্তিত নতুন সংস্কৰণ]

॥ এক ॥

এক্‌কেইদিন মহেন্দ্ৰ চলিহাৰ ঘৰলৈ যেন মানুহৰ ধল নিছিগা সোঁত বৈছে

কাৰণটো যে ইমানবোৰ মানুহ আহিছে কি প্ৰয়োজনত আহিছে, তাৰ-চুৰবীণেৰে একো অনুসন্ধান কৰিব পৰা নাই।

চলিহাই অৱশ্যে সকলোকে লগ ধৰা নাই; দেখাও কৰা নাই। সকলোকে যে দেখা কৰিব লাগিব তাৰ কি মানে আছে? তেওঁৰ ঘৰতো কোনো বিহু বা উৎসৱ পতা নাই।

গতিকে কোনো কোনোৱে চলিহাৰ সাক্ষাৎ লাভ নকৰাকৈয়ে হতাশ মনেৰে উভতি যাবলগীয়া হৈছে। নহ'লে কৰিব কি? চলিহাৰ একান্ত ব্যক্তিগত সচিব অনিল শৰ্মাই যেতিয়া একো একোবাৰ ভিতৰৰ পৰা ওলাই আহি কৈছে: 'আপোনালোক মিছাকৈ বহি থাকি কোনো লাভ নাই, তেখেত ব্যস্ত, আজি আটাইবোৰকে দেখা কৰিব নোৱাৰে'—তেতিয়া আৰু বহি থকাৰ জানো কিবা সাৰ্থকতা থাকে?

চলিহাৰ ঘৰত কিছুমানৰ অৱশ্যে অবাধ গতি। গেটৰ মুখত স্কুটাৰ, মটৰ চাইকেল বা এম্বেছেদৰথন ৰাখি কোনোফালে নোচোৱাকৈ ফোঁ-ফোঁকৈ ভিতৰ সোমাই যোৱা কেইজনলে বাহিৰত বোন্দাপৰ দি বহি থকা কেইজনে একোবাৰ শঙ্কিত আৰু ঈৰ্ষাপূৰ্ণ দৃষ্টিৰে চাই ক্ষোভৰ হুমুনিয়াহ এটা কঢ়াৰ বাহিৰে কৰিবলৈ একো নেপাকে।

নিজৰ অনুগত বা দলৰ মানুহৰ বাহিৰে চলিহাই সচৰাচৰ যাৰে-তাৰে লগত বেছি কথা পাতিব নোখোজে, নেপাতে। দলীয় স্বাৰ্থৰ গোন্ধ থকা কথাৰ বাহিৰে অইন কথা পাতিবলৈ বা চিন্তা কৰিবলৈ তেওঁৰ সময় নাই। আগতে আছিল যদিও আজিকালি নাই।

সমস্ত ধৰিব পৰাকৈ; এইবিলাকৰপৰা তেওঁ কম ঘূৰা-পকা কৰিব-লগীয়া হৈছেনে? যোৱা পাঁচ-ছমাহৰ ভিতৰত দিল্লীলৈকে কেইবাৰ গ'ল! দিছপুৰলৈ বিমানযাত্ৰা যাৰা-অহা কৰিছে তাৰতো লেখ নাই!

অৱশ্যে দিছপুৰলৈ যোৱাটো বৰ্তমান ঠাইখিনি পাতলিছে। ৰাজ্যিক প্ৰশাসনৰ প্ৰায়বোৰ উচ্চ পৰ্যায়ৰ বিষয়া আজিকালি তেওঁৰ ঘৰলৈকে আহে। পুলিচৰ উচ্চতম বিষয়াসকলো আহে। তদুপৰি গড়কাপ্তানি, বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চন, পথ নিগম, পৰিবহন নিগম আদি বিভাগকে ধৰি আন কেইটামান গুৰুত্বপূৰ্ণ বিভাগৰ বৰমূৰীয়াসকলে বিভিন্ন কামৰ অজুহাতত আজিকালি চলিহা চাহাবৰ ঘৰলৈ আহে।

অকল সেয়ে নহয়, চলিহা চাহাবৰ সহযোগী বা সতীৰ্থসকল, প্ৰশাসনীয় মুৰব্বীসকল আৰু পুলিচৰ উচ্চতম বিষয়াসকলৰ উপস্থিতিত মাজে মাজে তেওঁৰ ঘৰত এবিধৰ মিটিঙো বহে। কেতিয়াবা তেনেকুৱা এখন মিটিঙতে একোটা গুৰুত্বপূৰ্ণ সিদ্ধান্তও গ্ৰহণ কৰা হয়।

'চলিহা ভৱন' নামেৰে নামাংকিত এই ঘৰটোত উপৰোক্ত ব্যক্তিসকল সমবেত হোৱাৰ প্ৰধান কাৰণ হ'ল— ঠাইখিনি নগৰৰপৰা ভালেখিনি আঁতৰত। সেইবুলি আওহতীয়া নহয়। নগৰৰ ভিতৰৰ আলি-পদূলিতকৈ ইয়াৰ আলি-পদূলিও বেছ উন্নত বুলি কব পাৰি। বাইজে ইয়াৰ আগৰ আচহুৱা নামটো উঠাই দি সম্প্ৰতি এটা নতুন নাম দিছে: 'ৰূপানগৰ'। এই নামটো কিয় দিয়া হ'ল সেইটো অৱশ্যে জনা নেযায়। এতিয়া 'ৰূপানগৰ' এখন সৰু-সুৰা নগৰেই হৈ পৰিছে। ডাঙৰ ডাঙৰ চাকৰিয়ালৰপৰা সাধাৰণ তৰফৰ চাকৰি কৰা, ব্যৱসায় কৰা বিভিন্ন শ্ৰেণীৰ মানুহ ইয়াত বহিছেহি। সেয়ে হলেও চলিহাইতৰ চুবুৰীটোত যি কেইঘৰ মানুহ আছে তেওঁলোক সকলোকালেদি চলিহাইতৰ লগত মিলা।

অঞ্চলটোত দোকান-পোহাৰো বহুত হ'ল। কিছু দূৰৈত এখন বজাৰো আছে। তাৰ বাসিন্দাসকল অৱশ্যে বাৰে-মিহলি। সেইকালে চলিহাইতৰ বেছি আহ-যাহ নাই।

আজি গধূলিও 'চলিহা ভৱন'ত তেওঁৰ জনচেৰেক সতীৰ্থ আৰু উচ্চ প্ৰশাসনীয় বিষয়াৰ উপস্থিতিত এখন 'গোপন বৈঠক' অনুষ্ঠিত হোৱাৰ কথা আছে। হয়তো সেই বৈঠকতে ৰাজ্যৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কেইবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হব।

তেতিয়া সন্ধ্যা লাগো লাগো হৈছে।

চলিহাক লগ পাবলৈ অহা প্ৰায়বোৰেই বিদায় লৈ গৈছে। মাত্ৰ ড্ৰইং ৰুমত বহি চলিহাৰ সৈতে এটা গম্ভীৰ বিষয়ৰ ওপৰত আলোচনা কৰিছে দেৰগাঁৱৰ প্ৰাক্তন সংসদী সদস্য ত্ৰিদিবনন্দন বৰুৱাই। সংসদীয় ৰাজনীতিত নাই যদিও বৰুৱা এতিয়াও চলিহাৰ দলৰে সক্ৰিয় সদস্য হৈ আছে।

হঠাৎ দুয়োৰে আলোচনাত বাধা জন্মাই চলিহাৰ ব্যক্তিগত সচিব অনিল শৰ্মাই কলেহি : 'ছাৰ, নিতাই সৰকাৰৰ ঘৈণীয়েকজনী এতিয়াও যোৱা নাই। মই আপুনি আজি দেখা কৰিব নোৱাৰে বুলি বাৰে বাৰে কোৱাসত্ত্বেও তাই নগৈ বাহিৰতে বহি আছে। আপোনাক হেনো তাই আজি দেখা কৰিহে যাব ছাৰ ...'

'কি ক'লা অনিল? তাই এতিয়াও যোৱা নাই? মোক দেখা কৰিহে যাব? Hopeless। তুমি তাইক দাৰোৱানৰ হতুৱাই গেটৰ বাহিৰ কৰি দিয়া নাই কিয়?'

চলিহাৰ মাতত খং, বিৰক্তি, ঘৃণা, অৱজ্ঞা কেউটা অভিব্যক্তি ফুটি উঠিল।

তেওঁৰ সেই হুংকাৰত কিছু খত্‌মত খালে যদিও অনিলে ভিতৰি ভয় খোৱা যেন নেদেখুৱাই স্বাভাৱিক সুৰতেই ক'লে, 'নহয় ছাৰ..... মানুহজনীক আপুনি এবাৰ দেখা দিয়াটো ভাল হ'ব নেকি। তাইৰ কোলাত এটা কেঁচুৱাও আছে।'

হঠাৎ চলিহাই কিবা এটা চিন্তা কৰিলে। অনিলক ধমকি দিয়াৰ দৰে কিবা এটা কব খুজিও থমকি ৰ'ল।

ত্ৰিদিবনন্দন বৰুৱাই চলিহাৰ মুখৰ দুৰ্বোধ্য অভিব্যক্তিটো এবাৰ সতৰ্কভাৱে নিৰীক্ষণ কৰিলে। অনিলেও সন্তৰ্পণে এবাৰ চলিহাৰ মুখলৈ চালে। চলিহাৰ মুখত থিত লোৱা আকস্মিক গাম্ভীৰ্য্যৰ ৰহস্যটো বুজিবলৈ তেওঁৰ যেন অলপ টান লাগিল।

'বাক বৰা, মই নিজেই গৈছোঁ।... বৰুৱা, আপুনি খন্তেক বহকচোন দেই। মই এতিয়াই আহিম।'

এইখিনি অনিল শেষ হৈ অহা চিগাৰেটটো ছাইদানীত পেলাই চলিহা উঠি গ'ল। অনিলেও তেওঁক অনুসৰণ কৰিলে।

আগফালৰ গাড়ী বাৰাণ্ডাতে এজনী মানুহ তুল এখনত বহি আছিল। খটখটিৰণৰাই চলিহাই মানুহজনীক দেখিলে। মানুহজনীৰ বেশভূষা আগৰ দৰেই অতি সাধাৰণ। এটা শুদপীয়া ৰঙৰ পুৰণি ব্লাউজ আৰু সেই ৰঙৰে এখন কমদামী শাড়ী। ভৰিত এযোৰ পুৰণি হাৱাই চেণ্ডল। পাৰ্শ্বকাৰ ভিতৰত কেৱল কোলাৰ কেঁচুৱাটো।

আগৰ কেইদিন দেখা কৰিবলৈ অহাতে মানুহজনীৰ কোলাত কোনো কেঁচুৱা নাছিল।

চলিহাক দেখাৰ লগে লগে মানুহজনী থিয় হ'ল আৰু সংকোচপূৰ্ণ ভাৱ এটাৰে কেঁচুৱাটো কোলাত লৈ থকা অৱস্থাতেই হাত দুখন কোনোমতে কপালত লগাই 'নমস্কাৰ চাহেব' বুলি কলে।

কিন্তু চলিহাই তাৰ কোনো প্ৰত্যুত্তৰ নিদি গভীৰ বিৰক্তিৰে কেৱল তাইৰ মুখখনলৈ চালে। মানুহজনীৰ মূৰৰ ওপৰত জ্বলি থকা নিয়ন লাইটৰ অনুজ্জ্বল পোহৰতে চলিহাই দেখিলে তাইৰ করুণ মুখখনত দুশ্চিন্তা আৰু উদ্বিগ্নতাৰ স্পষ্ট আভাস।

এজনী খুনীয়া গাভৰু মানুহ। কিন্তু নিষ্ঠুৰ বিপৰ্য্যয়ে তাইৰ সৰ্বস্ব যেন কাঢ়ি লৈ গ'ল।

'তোমাক মই সেইদিনাখনেই কৈছিলোঁ। নহয় ইয়ালৈ আৰু নাহিবা বুলি; আজি আকৌ কিয় আহিলা? তুমি নাহি অইন কোনোবা এটাক পঠাই দিয়া হলে নহলহেঁতেন জানো?'

চলিহাৰ ঠিক কেইখোজমান পিছতেই অনিল থিয় হৈ আছিল। মানুহ-জনীৰ অসহায় অৱস্থাটোক লৈ আমোদ কৰিব লগা একো নাই বুলি অনুভৱ কৰিও তেওঁ ভাবিলে: চলিহাই ঠিক কথাকে কৈছে। ইয়াৰ উত্তৰ দিয়া মানুহজনীৰ পক্ষে নিশ্চয় সহজ নহব।

কিন্তু চলিহাৰ তীক্ষ্ণ বাক্যবানলৈ ভ্ৰূক্ষেপ নকৰি মানুহজনীয়ে যেতিয়া ক'লে—'মই কাক পঠাম চাহেব? মোৰ ঘৰতো আৰু বেলেগ মানুহ নাই। তাৰৰ লুৰাটোৰ বয়স ৮/৯ বৎসৰ হৈছে। হি আপোনাক কি কথা কইব?—শুনি অনিল ঠাইতে জঠৰ হৈ গ'ল।

চলিহাই এইবাৰ ভাঙৰবৈয়ে ক'লে, হলেও তুমি এনেকৈ আহি থকাটো মই পছন্দ নকৰো। এতিয়া মোৰ সময়ো খুব কম।··· বাৰু আজি কিয় আহিছিলা কোৱাচোন? পাহৰি নেমেলিবা; কি কৰলৈ আছে সোনকালে কোৱা।'

অকণো ইতস্ততঃ নকৰি মাহুহজনীয়ে ক'লে, 'মোৰ কাৰণে কিছু বেবস্থা কৰিছে নাকি চাহেব? এই ৰকম আৰু কিমান দিন চলিম?

চলিহাই যেন উচপ্ খাই গ'ল।

'মানে? তোমাৰ কাৰণে মই আকৌ কি ব্যৱস্থা কৰি দিব লাগে? কিহৰ ব্যৱস্থা হে?'

'কিয়? মোৰ কথা পাহৰি গৈছে নাকি? সেই দিনতো আপুনি নিজেই কৈছিল—মোৰ ওচৰলৈ এই ৰকম আহি নথাকিবা। কিছু একটা বেলেগ বেবস্থা কৰা। মই বাৰু কি কৰিবৰ পাৰু চাও... আপুনি কোৱা নাছিল চাহেব?'

চলিহাই ভাবিলে, এতিয়া নিবোধটো হৈ থাকিলে মাহুহজনীয়ে নিশ্চয় সন্দেহ কৰিব, হয়তো তেওঁক অপদস্থও কৰিব পাৰে। গতিকে আত্মসন্মান বজাই ৰাখিবলৈ সেই মুহূৰ্তত যিখিনি সচেষ্টতাৰ প্ৰয়োজন ঠিক সিমানখিনিৰ প্ৰতি তৎপৰ হৈ তেওঁ উত্তৰ দিলে—

'এতিয়া বুজিছোঁ, তোমাক মই কিবা এটা সংস্থানৰ কথা কৈছিলোঁ। হবলা নহয়? বাৰু ঠিক আছে, মই কি কৰিব পাৰোঁ। চাওঁ। কিন্তু কিছুদিন পলম হব। তুমি তিনিমাহমানৰ পিচত খবৰ লবাচোন।'

তিন মাহৰ পিচত?' মাহুহজনীৰ মুখত যেন এক দুৰ্বোধ্য অভিব্যক্তি ফুটি উঠিল—'তেনেহলে মই ইমানদিন চলিম কেনেকৈ চাহেব? মোকতো চলিবাৰ কাৰণে কিছু একটা উপায় লাগিব। মই চলিম কেনেকৈ?'

চলিহাই দেখিলে, মাহুহজনীক বেছি আগবাঢ়িবলৈ দিয়া উচিত নহব। ব্যৱধানটো কমি গলে তাই আসৈ পাব।

গতিকে ক'লে, 'সেইবোৰ কথা মোৰ আগত কৈ কি লাভ? তোমাৰ দুৰ্ভাগ্যৰ বাবেতো মই দায়ী নহয়!'

কিন্তু নিজক বেছি বুদ্ধিমান আৰু ভাঙৰ দেখুৱাবলৈ গৈ চলিহা বিপদতহে পৰিল। মাহুহজনীয়ে ক'লে, 'আপুনি দায়ী নহয় কোন দায়ী চাহেব? মই কি আচল কথা নাজানো বুলি ভাবিছে নাকি?'

'কি? কি ক'লা তুমি? তুমি কি আচল কথা জানাহে?'

চলিহা যেন ভিতৰি সন্ত্ৰস্ত হৈ উঠিল। বুকুৰ মাজত তেওঁ এটা কঁপনি অনুভৱ কৰিলে।

বেছ সাহসেৰেই মাহুহজনীয়ে ক'লে, 'মই কৈ দিবাৰ পাক চাহেব! কিন্তু কইলে পৰে আপনাৰেং বিপদ হব। কাৰণ .'

চলিহাই লক্ষ্য কৰিলে—মাহুহজনীয়ে যেন কথাবিলাক প্ৰয়োজনতকৈ বেছি ডাঙৰ ডাঙৰকৈ কৈছে। হয়তো তাইৰ এই প্ৰগলভতাৰ অন্তৰালত কিবা অসৎ মতলব লুকাই আছে। হয়তো কোনোবাই তাইক উচটাই দিছে তেওঁক

চলিহাই কিছু কড় সুৰত কলে, 'তুমি কাৰ আগত মুখ তুলি ইমান ডাঙৰ ডাঙৰকৈ কথা কৈছা জানা? চাইছানে? যদি বেলেগ কথা নাই—'

কিন্তু মাহুহজনীয়ে যে চলিহাৰ ধমকিলৈ ভ্ৰূক্ষেপেই নকৰিলে। তেওঁৰ কথাৰ ওপৰতে তাই ক'লে, 'অহো আপনি ডাঙৰ মানুহ চাহেব। টাকা থাকিলেই আজিকালি মানুহে সব কাম কৰিবাব পাৰে। আমাৰ মতন গৰীব লোকে—'

'তোমাৰ আৰু বেলেগ কিবা কথা আছে?' প্ৰায় অধৈৰ্য্য ভাবেৰেই চলিহাই তীক্ষ্ণ স্বৰত কথাষাৰ সুধিলে। -

'আছে চাহেব', অকণো জড়তা নথকাকৈ মাহুহজনীয়ে কলে—'মোক কিছু টাকাও দৰকাৰ।'

'আকৌ টকা? কিয় সিদিনা ত্ৰিশ টকা নিয়া নাছিলা জানো?'

মাহুহজনীৰ নিভীক উত্তৰ—'দুই সপ্তাহৰ মধ্যে ত্ৰিশ টাকা কি বহুত চাহেব?'

'কিন্তু তোমাক মোৰ হোৱাই নোহোৱাই টকা দি থকাৰ প্ৰয়োজন কি? তুমি মোক বুৰ্বক বনাব খুজিছা নেকি?'

'তাৰ জবাব আপনি মোৰপৰা না বিচৰাই ভাল চাহেব! আপনি মোৰ কি সৰ্বনাশ কৰিলে নিজেই ভাবি দেখক।'

'হুঁ?' চলিহাৰ বুকুৰ স্পন্দনটো এইবাৰ কিছু দ্ৰুততৰ হ'ল। মাহুহ-জনীয়ে এনে ধৰণে জব কৰিব পাৰিব বুলি তেওঁ যেন এক মুহূৰ্তৰ আগলৈকে ভাবিব পৰা নাছিল।

হঠাৎ চলিহাই ঠিক কৰিলে—মাল্লহজনীক আৰু ৰাখি নোথোৱাই ভাল। ইয়ানতে তাইৰ মুখ বন্ধ নকৰিলে তেওঁৰ মান-সন্মান সকলো হয়তো তাই···

চলিহাই তীক্ষ্ণ দৃষ্টিৰে মাল্লহজনীৰ ফালে চালে।

'ঠিক আছে, টকা এপ বৈ থোৱা। আৰু তুমি ইয়ালৈ কেতিয়াও নাহিবা। দৰকাৰ হ'লে ময়ে তোমাক লগ ধৰিম।'

কৈয়ে তেওঁ তৎক্ষণাৎ ভিতৰ সোমাই আহিল।

॥ দুই ॥

'আপোনালোকে ভেস্তে নির্বাচন পাতিবই নেকি দেউতা?'

'তই দেওখাৰ কথাবাৰ কিবা বেলেগ ধৰণে সুধিছি ৰঞ্জিত? নির্বাচন জানো আমি পাতিম? চৰকাৰেহে পাতিব'

'চৰকাৰে কেনেকৈ পাতিব? সংবিধান মতে নির্বাচন পতাৰ একমাত্র এক্তিয়াৰ আছে নির্বাচনী আয়োগৰহে। মুখ্য নির্বাচনী আয়ুক্তৰ অনুমোদন নেপালে চৰকাৰে কেতিয়াও নির্বাচন পাতিব নোৱাৰে।'

'তেতিয়া হ'লে আমি পাতিব খুজিছোঁ বুলি তই কি অর্থত ক'লি? চৰকাৰে তো নির্বাচন পতা-নপতা সম্পৰ্কত এতিয়ালৈকে চুড়ান্ত ঘোষণা দিয়া নাই। যেতিয়ালৈকে নির্বাচনী আয়োগে -'

ৰঞ্জিতে ক'লে, 'জানো দেউতা, আপোনালোকেও নির্বাচনী আয়োগৰ চুড়ান্ত অনুমোদনৰ বাবেই অপেক্ষা কৰি আছে। অৱশ্যে এনে অপেক্ষা কৰি থকা হ'লেও কথা নাছিল, অসমৰ ৰাইজৰ প্রবল জনমতৰ বিৰুদ্ধে গৈ, অসমত নির্বাচনৰ উপযোগী পৰিবেশ সৃষ্টি হৈছে বুলি আপোনালোকে দিল্লীতো তালফাল লগাই আছেগৈ। অসমলৈ নহাকৈয়ে অসমৰ ৰাইজৰ নাড়ী-নক্ষত্ৰ নজনা দিল্লীৰ ৰথী-মহাৰথীসকলেও আপোনালোকৰ ৰহণ সনা কথাত পতিয়ন গৈ বিভিন্ন প্রচাৰ মাধ্যমেৰে নির্বাচনৰ আখৰা কৰিছে। মই ভুল কৈছোঁ নেকি দেউতা?'

কেবাটাও অর্থপূর্ণ কাৰণত সততে তুমলীয়া পুতেকৰ মুখা-মুখী হবলৈ সাহস নকৰা মানবেন্দ্র চলিহাই এইবাৰ সতৰ্কভাৱে ৰঞ্জিতৰ মুখলৈ চালে।

'চা বঙ্কিত, তইতে আমাৰ প্ৰতি যি ধাৰণাকে পোষণ নকৰ লাগে এটা কথা কিন্তু তইতে মানিবই লাগিব।... আজি তিনি বছৰৰো অধিক কাল অসমত ৰাষ্ট্ৰপতিৰ শাসন চলিল। মাজতে যি বা এখন মন্ত্ৰীসভা গঠন কৰা হ'ল সিও বেছিদিন নিটিকিল। এতিয়া অৱশ্যে আমিয়েই কিয়, অসমৰ প্ৰতিজন শুভবুদ্ধিসম্পন্ন, সচেতন নাগৰিকে বাঞ্ছা কৰিছে—সুদীৰ্ঘ ৰাষ্ট্ৰপতি শাসনৰ পৰিবৰ্তে অসমত এখন সুসংগঠিত মন্ত্ৰীসভা গঠন হওক। এইটো খুব যুক্তিসঙ্গত কথা; কাৰণ কোনো গণতান্ত্ৰিক দেশত ইমান দীঘলীয়াকৈ ৰাষ্ট্ৰপতিৰ শাসন নচলে। অসমৰ ক্ষেত্ৰত এইটো এটা ব্যতিক্ৰম। কিন্তু এই ব্যতিক্ৰমৰ ম্যাদ আকৌ বঢ়াবলগীয়া হলে সংবিধান আকৌ শুধৰাব লাগিব। তইতে জানো সেইটো বিচাৰ?'

বঙ্কিতে ক'লে, 'মুখেৰে আপোনালোকে কিমানে সাকৰা কথা নকওক দেউতা, আপোনালোকৰ প্ৰকৃত অভিপ্ৰায় বুজিবলৈ আমাৰ আৰু বাকী নাই। দলীয় স্বাৰ্থ আৰু ক্ষমতাৰ লোভত আপোনালোকে কি কৰা নাই কওকচোন? ক্ষমতাৰ লোভত আপুনি নিজৰ পুত্ৰ-কন্যাকো বিসৰ্জন দিয়া নাছিল? টকাৰে মগজু কিনি লৈ সাধাৰণ গুণ্ডাৰ হতুৱাই হিংসাত্মক কাণ্ড সংঘটিত কৰোৱা নাই?'

চলিহা অধৈৰ্য হৈ উঠিল।

'কি· তই এইবোৰ কি কৈছ বঙ্কিত?'

'মই মিছা কথা কৈছোঁনে দেউতা? অসমত উদ্ভৱ হোৱা অশান্তিকৰ পৰিস্থিতিবোৰ, সাম্প্ৰদায়িক সংঘৰ্ষবোৰ আপোনালোকৰেই সৃষ্টি নহয় বুলি আপুনি জোৰ দি কব পাৰিবনে? আপুনি কব পাৰিবনে, অসমৰ ভিন্ ভিন্ ঠাইত হৈ থকা বোমা বিস্ফোৰণৰ ঘটনাবোৰৰ লগত, পুলিচ, চি-আৰ-পিয়ে চলোৱা অভাৱনীয়, অমানবীয় কাণ্ড-কাৰখানাবোৰৰ লগত আপোনালোকৰ দলৰ গুপ্ত এজেন্ট জড়িত নাই বুলি?'

খং, লাজ আৰু উত্তেজনাত চলিহাৰ গাল-মুখ ৰঙা পৰি উঠিল। তেওঁ যেন ভিতৰি ভিতৰি কঁপিবলৈ ধৰিলে। তেওঁ জোৰেৰে ক'লে, 'তই বলিয়া হৈছ নেকি বঙ্কিত? নিজৰ ল'ৰা হৈ তই মোক এইদৰে—'

তেওঁৰ কথা শেষ নহ'ল, বঙ্কিতে ওপৰতে ক'লে, 'চাওক দেউতা, আজি আপোনালোক আমাৰপৰা, সৰ্বসাধাৰণ অসমীয়া ৰাইজৰপৰা বহুত আঁতৰত। হয়তো আপোনালোক আজি নিজৰ ওচৰতে ভীষণ অপৰাধী। সেয়ে সৰ্ব-

সাধাৰণৰ মাজলৈ আহিবলৈ আপোনালোকৰ আজি সাহস নাই—আপোনালোক পলাই ফুৰিছে। কিন্তু সদায় জানো এনেকৈ পলাই ফুৰিব পাৰিব দেউতা? ৰাইজখনক বাদ দি আপোনালোক কিমান দিন লুকাই ফুৰিব?'

চলিহাই ভাবিলে, এই সুবিধাতে ৰঞ্জিতক কথা দুটামান কৈ থোৱা ভাল হব; নহলে পিচত কৰলৈ হয়তো সুবিধা নোলাব পাৰে। আৰু ইয়াক কে'ৱাৰ পৰা তেওঁলোকৰ লাভো হব পাৰে।

'বুজিছো ৰঞ্জিত, তইঁতৰ আচল খং ক'ৰবাত। কিন্তু তইঁতে আমাৰ কথাবোৰ বুজিবলৈ, আমাৰ সমস্যাবোৰ বুজিবলৈ চেষ্টা কৰা নাই। তইঁতে কেৱল আমাক গালি-শপনিকে পাৰি থাকিলি। আমাক ৰাইজৰ শত্ৰু বুলি, দেশৰ শত্ৰু বুলি গণ্য কৰি থাকিলি। কিন্তু আচলতে আমি জানো ৰাইজ বা দেশৰ শত্ৰু? আমি কোনো অহিত চিন্তা কৰা নাই! অৱশ্যে ৰাজনীতি কৰোঁতে কেতিয়াবা দুই এটা ভুল-ভ্ৰান্তি হৈছেই। তাৰ কাৰণেই যদি তইঁতে আমাক ৰাইজ তথা দেশৰ শত্ৰু বুলি ভাব—'

ৰঞ্জিতে যেন ঠিক ঠাইতে কোবটো বহুৱালে—'তেতিয়াহলে দুই-এটা ভুলৰ মাজেদিয়েই যে আপোনালোকে অসমীয়া মানুহখিনিক প্ৰবঞ্চনা কৰিছে সেইটো আপুনি প্ৰকাৰান্তৰে স্বীকাৰ কৰিছে— নহয় জানো?'

চলিহাই তাৰ কোনো উত্তৰ দিব নোৱাৰিলে। ৰঞ্জিতে দেউতাকৰ মনৰ প্ৰতিক্ৰিয়াটো অনুভৱ কৰিবলৈ চেষ্টা কৰি এবাৰ সন্তৰ্পনে তেওঁৰ মুখলৈ চালে।

চলিহাই বহা পৰা উঠি এটা চিগাৰেট জ্বলালে।

চিগাৰেটটো জ্বলাই তেওঁ কিন্তু আগৰ চকীখনত নবহিল; ওচৰতে থকা আন এখন চকীত বহিল। তাৰ দ্বাৰাই তেওঁৰ অস্থিৰ মনটোৰ এটা উমান পালে ৰঞ্জিতে।

'আমাৰ আন্দোলনটোৱে আপোনালোকৰ ৰাজনৈতিক জীৱন-যাত্ৰা প্ৰায় স্থবিৰ কৰি তুলিছে। তাতোকৈ সহজ ভাষাত কবলৈ গলে আপোনালোকক দিগভ্ৰান্ত কৰি তুলিছে। কিন্তু আন্দোলনটোৰ সাংবিধানিক দিশটোৰ ফালে লক্ষ্য ৰাখি এবাৰ যদি আপোনালোকে ভাবি চালেহেঁতেন—আমি আপোনালোকৰ ৰাজনৈতিক স্বপ্ন খানবান কৰিবলৈ আন্দোলন আৰম্ভ কৰা নাছিলোঁ—কৰিছিলোঁ এটা জাতিৰ অস্তিত্ব, এটা ঐতিহ্যমণ্ডিত অথচ অভিশপ্ত জাতিৰ সামগ্ৰিক পৰিচয় ৰক্ষা কৰিবলৈহে, তেতিয়াহলে—'

এইবাৰ চলিহাই বেমেগ ৰূপ ধাৰণ কৰিলে।

'চা ৰঞ্জিত, কাৰোবাক বেয়া বুলি গালি পাৰিলেই, শত্রু বুলি নিন্দা কৰিলেই এটা জ্বলন্ত সমস্যা সমাধান হৈ নেযায়। তহঁতক সন্তুষ্ট কৰিবলৈ, অসমীয়া মানুহখিনিৰ সন্মুখত দেখা দিয়া গভীৰ সংকট দূৰ কৰিবলৈ কেন্দ্ৰই বেছ যুক্তিসঙ্গত পৰামৰ্শ আগবঢাইছিল। কিন্তু তহঁতে তাক মানি নললি। এটা অহিংস, গণতান্ত্ৰিক আন্দোলনক কেনে ধৰণৰ মূল্য বা মৰ্যাদা দিব লাগে আমি জানো নেজানো? সংবিধানৰ প্ৰতিটো নিৰ্দেশনা--'

'হৈছে দেউতা, চলাহী কথা কৈ ইমানদিনে আপোনালোকে যি কৰিলে কৰিলে, আৰু আপোনালোকৰ কথাত আমি ভোল নেযাওঁ। কেনেই, প্ৰধান মন্ত্ৰীয়ে মুকলি ভাবেই ঘোষণা কৰিছিল নহয়, বিদেশী সমস্যাৰ এটা যুক্তিসঙ্গত সমাধানি-সূত্ৰ উদ্ভাৱিত নহব মানে, ভোটাৰ তালিকা সংশোধিত নহয় মানে অসমত কোনো নিৰ্বাচনৰ আয়োজন কৰা নহব বুলি! আপোনালোকে তাৰ প্ৰতিবাদ কৰা নাই কিয়? কিয় আপোনালোকে আমাক এনে সংকটাপন্ন আন এটা সংকটলৈ ঠেলি দিব খুজিছে?'

চলিহাৰ অৱস্থা এইবাৰ বেছি সংকটাপন্ন হ'ল। স্বদলীয়া পুতেকৰ হাতত এনেভাবে বন্দী হব বুলি তেওঁ ভাবিবই পৰা নাছিল। আগতে জন হ'লে ৰঞ্জিতক কেতিয়াও এই সুবিধা নিদিলেহেঁতেন। আগতেই ঘৰৰপৰা ওলাই গ'লহেঁতেন। এতিয়া ওলাব নোৱাৰাও টান। ৰঞ্জিতে সন্মুখৰ দুৱাৰমুখখন আগচি ধৰি আছে। সি নিজে বাট এৰি নিদিলে তেওঁ যাব নোৱাৰে।

প্ৰাণজিতটো ক'লৈ গ'ল বাৰু? পুত্ৰ হলেও সি তেওঁৰ সৰ্বকালৰ, সৰ্বক্ষণৰ বন্ধুৰ দৰে। সি থকা হলে ৰঞ্জিতে তেওঁক এনেকৈ ঘেৰি ৰাখিবলৈ সুবিধা নেপালেহেঁতেন। প্ৰাণজিত নিশ্চয় অফিচৰপৰা আহি পোৱা নাই।

তথাপি চলিহা বহাৰপৰা উঠিছিল। এনেতে ৰঞ্জিতে শেষ বাক্যবাণ নিক্ষেপ কৰিলে—'আমি তাৰমানে এইবাৰ ৰাজনীতিৰ দবাখেল বুলি মানি লৈ নীৰৱে সান্ত্বনা লভিব লাগিব নহয় দেউতা? ঠিক আছে, নিৰ্বাচন পাতিব খুজিছে পাতক; কিন্তু তাৰ ফলত সৃষ্ট হব পৰা যি কোনো পৰিস্থিতিৰ বাবে যেন আপোনালোক সতৰ্ক হৈ থাকে। মনত ৰাখিব, মানুহৰ আশাৰ কোনো সীমা নাই, কিন্তু সহ্যৰ এটা সীমা আছে।'

কৈ উঠি ৰঞ্জিত নৰ'ল। সি বেগেৰে ওপৰ মহলাৰপৰা নামি আহিল।

॥ তিনি ॥

মানবেন্দ্ৰ চলিহাৰ পূৰ্ব পুৰুষত কোনোৱে কাহানিও ৰাজনীতি কৰি পোৱা নাছিল। ৰাজনীতি কৰা নেলাগে ৰাজনীতিৰ সোৱাদনো কেনেকুৱা তাৰেই কোনো ভু পোৱা নাছিল।

কিন্তু মানবেন্দ্ৰ চলিহাই ছাত্ৰ-জীৱনতে ৰাজনীতিৰ সোৱাদ পাইছিল। অৱশ্যে সেই ৰাজনীতি আছিল কলেজীয়া ৰাজনীতি। ছাত্ৰ-ইউনিয়নৰ বিভিন্ন শাখাৰ ছেক্ৰেটৰী, এছিষ্টেণ্ট ছেক্ৰেটৰী আদি পদৰ বাবে হোৱা প্ৰতিদ্বন্দ্বিতাৰ ৰাজনীতি।

কলেজৰপৰা ওলাই অহাৰ পিচত সেই ৰাজনীতিৰ ৰোমান্স হেৰাই গৈছিল। তাৰ ঠাই অধিকাৰ কৰিছিল বিভিন্ন কাৰ্যকৰী চিন্তাই—এটা উজ্জ্বল সোণালী ভৱিষ্যতৰ ৰঙীন কল্পনাই।

সুখ্যাতিৰে এম-এ পাছ কৰি মানবেন্দ্ৰ চলিহা পোনে পোনে এখন কলেজত সোমাল। চকু-চৰহা কিছুমানে খোলাখুলিকৈ মন্তব্য কৰিলে—'শিক্ষকৰ ল'ৰা শিক্ষক নহৈ কি হব? বাপেকে গোটেই জীৱন শিক্ষকতা কৰিয়েই কটালে। মানবেন্দ্ৰ যেনিবা স্কুলৰ শিক্ষক নহৈ কলেজৰ শিক্ষক হ'ল। সেইখিনিহে পাৰ্থক্য।'

পিছে এবাৰ পথাৰত নামি সন্দাল ধৰা ধানৰ কঠিয়া খাবলৈ পোৱা গৰুৱে বাৰে বাৰে সেইফাললৈকে চোচা লয়। আতৰকৈ খেদি পঠালেও সুৰুঙা পালে আকৌ ভাঁতি ভাঙি পথাৰত নামিব খোজে। ছাত্ৰ-জীৱনতে ৰাজনীতিৰ সামান্য সোৱাদ পোৱা মানবেন্দ্ৰ চলিহাৰ মনটোক আকৌ ৰাজনীতিয়ে হাত-বাউল দি মাতিলে।

কলেজৰ ডেকা অধ্যাপক ৰাজবংশী আছিল ৰাজনীতিত বিশেষ ধাপ থকা মানুহ। নিজে ৰাজনীতি নকৰিলেও ৰাজনীতি বিষয়ক আলোচনা আছিল বৰ প্ৰিয়। চলিহাৰ লগতো তেওঁ প্ৰায়ে ৰাজনীতিৰ কথা পাতিছিল। চাওঁতে চাওঁতে চলিহাৰো সেই বিষয়টো বৰ ভাল লাগি আহিল।

আৰু শেহত এদিন মঁচাকৈয়ে চলিহা নামি পৰিল ৰাজনীতিৰ সোণসেৰীয়া পথাৰত। অদ্ভুত প্ৰাণশক্তিসম্পন্ন এজন অবিবাহিত চঞ্চল ডেকা।

প্ৰথম উদ্যমতেই চলিহাৰ মনোকামনা পূৰণ হ'ল।... প্ৰফেছৰ মানবেন্দ্ৰ চলিহা শুচি তেওঁ এদিন হৈ পৰিল এম-এল-এ মানবেন্দ্ৰ চলিহা।

পিছে বিধান সভাৰ মজিয়াত থিয় হৈ চলিহাই দেখিলে—বিধান সভাৰ মজিয়াখন বৰ ঠেক, সৰু। লোকসভাৰ মজিয়াৰপৰা বাহিৰৰ পৃথিৱীখন যিমান ডাঙৰ দেখি, যিমান উজ্জ্বল আৰু পৰিপূৰ্ণ দেখি, বিধান সভাৰ মজিয়াৰপৰা সিমান নেদেখি। তাতে অসমখন একেবাৰে এমূৰীয়া ঠাই। ইয়াৰপৰা বাহিৰৰ সেন্দুৰীয়া জগতখন ভালকৈ নেদেখিয়েই।

সেয়ে পিচৰবাৰৰ নিৰ্বাচনৰ বখতত চলিহাই বিধান সভাৰ বাবে মনোনয়ন দাখিল নকৰি পোনচাতেই লোকসভালৈ বুলি দাখিল কৰিলে।

চলিহা সঁচাকৈয়ে ভাগ্যৱান মানুহ। একেপাট শৰেই লক্ষ্য ভেদ কৰিলে। ডিঙিত একোজা ফুলৰ মালা লৈ চলিহা দিল্লী পালেগৈ।

মানবেন্দ্ৰ চলিহাৰ মনত এটা ডাঙৰ দুখ হৈ গ'ল যে তেওঁৰ সেই সাফল্য দেউতাকে চাই যাবলৈ নোপালে। মাকক তো তেওঁ স্কুলীয়া জীৱনতে হেৰুৱাইছিল। বিধান সভাৰ মজিয়াত তেওঁ পদাৰ্পণ কৰাৰ আগতেই দেউতাকেও ইহ সংসাৰ ত্যাগ কৰিলে।

পিছে সংসাৰৰ বেহা সামৰাৰ আগতেই দেউতাক জ্ঞানেন্দ্ৰ চলিহাই মানবেন্দ্ৰৰ প্ৰতি শেষ কৰ্তব্য হিচাপে তেওঁৰ বন্ধন পাতি থৈ গৈছিল। নিজৰ অৱস্থাৰ লগত মিলা এঘৰ মানুহ, নিজৰ পছন্দ মতে পোৱা এজনী সৰ্বসুলক্ষণা বোৱাৰী পাই জ্ঞানেন্দ্ৰ চলিহা বেছ সুখী হৈছিল।

এটা সম্ভ্ৰান্ত পৰিয়ালৰ ওজনী আধুনিকা শিক্ষিতা ছোৱালী—দেখাতো বেছ ধুনীয়া, স্বাস্থ্যৱতী—পত্নীৰূপে পাই চলিহাও সুখী হৈছিল। অসীমাৰ সেইখন হাঁহিভৰা, উজ্জ্বল মুখ আজিও উজ্জ্বল হৈ আছে। বয়সে অসীমাক যেন অকণো নিষ্প্ৰভ কৰিব পৰা নাই। দেহৰ সৌন্দৰ্য্য অকণো হানি কৰিব পৰা নাই।

তেওঁলোকৰ দাম্পত্য জীৱনৰ প্ৰথম স্বাক্ষৰ ৰূপে যিটি সন্তান আহিল তেওঁৰ নামেই হ'ল প্ৰাণজিত। এতিয়া প্ৰাণজিত চলিহা এজন ডাঙৰ চৰকাৰী বিষয়া। মাক বিয়াৰ বাবে ব্যাকুল হৈ পৰিলেও প্ৰাণজিতে বিয়াৰ বাবে সম্মতি দিয়া নাই। কাৰণ প্ৰাণজিতৰ ধাৰণা—বিয়াৰ পিচত মানুহৰ মনৰ স্বচ্ছন্দতা বহুখিনি হেৰাই যায়। তদুপৰি তেওঁৰতো বয়সো ভাটি দিয়া নাই।

প্ৰাণজিতৰ তলৰ ৰূপৰেখাক অৱশ্যে কম বয়সতেই বিয়া দিয়া হ'ল। এতিয়া তাই গিৰিয়েকৰ লগত ভাৰতৰ বাহিৰত আছে। ল'ৰা-ছোৱালীও হৈছে।

ৰূপৰেখাৰ তলতে ৰঞ্জিত আৰু ৰঞ্জিতৰ তলত পঙ্কজা। পঙ্কজাৰ তলত তেওঁলোকৰ আৰু একো ল'ৰা-ছোৱালী নহ'ল। নহ'ল মানে তেওঁলোকে নিবিচাৰিলেই।

এতিয়া ৰঞ্জিত ডিগ্ৰী ক'র্চৰ ফাইনেল ইয়াৰৰ ছাত্ৰ। পঙ্কজাই পি-ইউ পটি আছে।

ল'ৰা-ছোৱালী ডাঙৰ হ'ল, জগতখন চিনি পোৱা হ'ল। চাকৰে-ঠাকৰে গোটেই ঘৰ বোজাল-বোজান। চাবলৈ গলে চলিহা-চলিহানীৰ দুখ বুলিবলৈ একোৱেই নাই। অভাৱেহে মানুহক দুখী কৰে। কিন্তু কোনো অভাৱ নোহোৱাকৈয়ে চলিহা-চলিহানীয়ে আজি কিছুমান দুখৰ মাজেদি দিন কটাব-লগীয়া হৈছে।

কথাটো অলপ বেলেগ ধৰণৰ।

বিধান সভাত থকাৰ চমু কালছোৱাতে চলিহাই ৰূপনগৰত কম দামতে পাই তিনি বিঘা মাটি কিনিলে। কিনিয়েই চৌদিশে সুদৃঢ় দেৱাল তুলি প্ৰকাণ্ড ঘৰ এটা নিৰ্মাণ কৰিলে। পত্নী অসীমাৰ ইচ্ছানুসৰিয়েই ঘৰটোৰ নাম দিলে 'চলিহা ভৱন'। নগৰত থকা দেউতাকৰ দিনৰ 'আছাম টাইপ'ৰ ঘৰটো ভাঙি দি তাৰ ঠাইত সজালে এটা বিৰাট অট্টালিকা।

এতিয়া সেইটো ঘৰ ডাঙৰ চৰকাৰী অফিচ এটাই ভাৰাত লৈছে। তাৰ পৰা মাহে প্ৰায় ডেৰ হেজাৰ টকা ঘৰ সোমায়হি। ইচ্ছা কৰিলে 'চলিহা ভৱন'বো তলৰ মহলাৰ কিছু অংশ ভাৰাত দিব পৰা যায়; কিন্তু চলিহানীয়ে সেইটো কৰিব খোজা নাই। মানুহে বেয়া বুলিব পাৰে।

পিছে এই বহুমূলীয়া ঘৰ আৰু মাটি-সম্পত্তি যে চলিহাই সজ উপাৰ্জনৰ ধনেৰে ঘটা নাই সেইটো ঘৰৰ সকলোৱেই জানে। কিন্তু প্ৰাণজিতে সেই বিষয় লৈ কোনোদিন মাক-দেউতাকৰ লগত তৰ্ক কৰা নাই। কিন্তু ইহঁত দুটাই— ৰঞ্জিত আৰু পঙ্কজাই—এইবোৰ কথা লৈ ইহঁত দুটাই চলিহা-চলিহানীৰ লগত সদায় তৰ্ক কৰে। সুবিধা পালেই তিৰস্কাৰ কৰে।

এদিন কিবা কথা-প্ৰসঙ্গত চলিহানীয়ে চলিহাৰ গুণানুকীৰ্তন কৰি কৈছিল— 'দেউতাৰে ইচ্ছা কৰা হলে ইমানদিনে কেন্দ্ৰীয় মন্ত্ৰী হৈ দেশ চলাব পাৰিলেহেঁতেন;

কিন্তু দুৰ্নীতিবিলৈ তেখেতে ধৰ ভয় কৰে কাৰণেই সেইবোৰলৈ হেপা মেলা নাই। তাতে তেওঁতো এতিয়া জনা-বুজা হৈছে। মন্ত্ৰী-চন্ত্ৰী হৈ দুৰ্নীতিক প্ৰশ্ৰয় দিলে তেওঁক ভাল পাবি জানো ?'

পণ্ডিতে ক'লে, 'বাৰু মা, ভাৰতবৰ্ষত এম-এল-এ আৰু এম-পিৰ মাহিলি দৰমহা কিমান জানা ? এহেজাৰৰপৰা দুহেজাৰৰ ভিতৰত। অন্যান্য সা-সুবিধাৰ কথা অৱশ্যে কোৱা নাই। হলেও এজন এম-এল-এ বা এম-পিয়ে পাঁচ বছৰৰ ভিতৰত চাৰে পাঁচ লাখ টকা খৰছ কৰি দুটা ঘৰ সজাব পাৰে কেনেকৈ ? দুখনকৈ গাড়ী কিনিব পাৰে কেনেকৈ ? সেইবোৰ টকা কি কৰ্কাদেউতাই কলহত ভৰাই মাটিৰ তলত পুতি থৈছিল ? নে দেউতাই কলেজত কাম কৰোঁতে গোটাইছিল ?'

পঙ্কজাই ক'লে, 'তুমি বিয়েই নোকোৱা মা, মোৰ হলে সঁচাকৈয়ে আজি-কালি দেউতাক দেউতা বুলি শ্ৰদ্ধা কৰিবৰ মন নোযোৱা হৈছে। মানুহ আশাবাদী হোৱা ভাল ; কিন্তু দুৰাকাংক্ষী হোৱা ঠিক নহয়। দেউতা কিন্তু অকল দুৰাকাংক্ষীয়েই নহয়, উৎকট স্বাৰ্থপৰো।'

ৰশ্মিতে আকৌ ক'লে, 'কিন্তু মা, দেউতাইঁতে কৰি যোৱা ভুল, অন্যায় আৰু ঘৃণনীয় স্বাৰ্থপৰতাৰ অৱশ্যম্ভাৱী কুফল আজি দেউতাইঁতে ভোগ কৰা নাই ; ভোগ কৰিছোঁ আমি। আৰু ভোগ কৰিব আমাৰ ভৱিষ্যত বংশধৰে।'

কবলৈ কোনো কথা বিচাৰি নেপাই মাকে ক'লে, 'তহঁতে কেৱল দেউতাৰৰ বেয়া গুণখিনিহে দেখিলি, ভাল গুণ এটা নেদেখিলি। অসম মন্ত্ৰীসভাত থাকোঁতে দেউতাৰে অসমৰ উন্নতিৰ কাৰণে কিমান খাটিলে পাহৰিলি হবলা ?'

ৰশ্মিতে হাঁহি হাঁহি ক'লে, 'নাই পাহৰা মা, কিয় পাহৰিম ! এতিয়াও অসমীয়া বাইজে কোৱা-মেলা কৰা শুনো : অসমৰ উন্নতিৰ বাবে দেউতাইঁতে কৰি যোৱা মহৎ কামবিলাকৰ ভিতৰত হেনো অন্যতম হ'ল—ভাষা-ধৰ্ম নিৰ্বিশেষে হোৰাহোৰে অসমলৈ অহা অবৈধ অনুপ্ৰবেশকাৰীক চিৰস্থায়ীভাৱে সংস্থাপন দিয়া—যাতে অসমীয়া মানুহৰ ভোট নোহোৱাকৈয়ো তেওঁলোক নিশ্চিন্তমনে নিৰ্বাচনত জিকি যাব পাৰে। ···কোৱা মা, বাইজৰ কথাবোৰ মিছা নেকি ?'

অৱশ্যে তেনেকৈ প্ৰশ্ন কৰিলেও ৰশ্মিহঁতে জানে—সেই প্ৰশ্নৰ উত্তৰ দিয়া মাকৰ পক্ষে সম্ভৱ নহয়।

॥ চাৰি ॥

ইউছুফৰ হেনো ষোল বছৰ কাৰাবাসৰ হুকুম হ'ল।

খবৰটো শুনি ৰঞ্জিতে বৰ বেয়া পালে। সি সেইদিনাই জিলা কাৰাগাৰলৈ গৈ ইউছুফক দেখা কৰিলে।

তাক দেখি ইউছুফৰ খুব খং উঠিছিল। খঙতে সি ৰঞ্জিতক ঢেৰ কিবা-কিবি গালি পাৰিলে। তাৰ পিচত হুকহুককৈ কান্দি উঠিল।

ইউছুফে কান্দি কান্দি ক'লে, 'শুন ৰঞ্জিত, তহঁতৰ দেউতাৰহঁতৰ দৰে ডাঙৰ ডাঙৰ মানুহবোৰেহে আমাৰ নিচিনা সৰু সৰু মানুহবোৰক ধ্বংস কৰে।'

কথাষাৰৰ তাৎপৰ্য্য বুজিবলৈ ৰঞ্জিতৰ অলপো অসুবিধা হোৱা নাছিল। তাৰ চকুহাল চল্‌চলীয়া পৰি গৈছিল।

'অৱশ্যে ইয়াত মোৰ নিজৰ ফালৰ দোষ আছে। পঢ়া-শুনা বাদ দি বেলেগ ধান্দা ললোঁ। তহঁতৰ লগত ঠিকমতে পঢ়া-শুনা চলাই যোৱা হলে ইউছুফ হুছেইন ইউছুফ গুণ্ডা নহ'লহেঁতেন। কিন্তু গুণ্ডামিত নামি মই কি পালোঁ?'

সি আকৌ কান্দি উঠিল। কিবাকিবি কৈ ৰঞ্জিতে তাক প্ৰবোধ দিবলৈ চেষ্টা কৰিলে

'আজি মই জেলৰ কয়দী। ১৬ বছৰৰ পিচত মই কিজানি আকৌ পুৰণি দুনীয়াখন দেখা পাম।... কিন্তু মোৰ ডাঙৰ দুখ কি বৈ গ'ল জান ৰঞ্জিত? যিহৰ আশাত চাদিনৰ কথামতে মই সেই কামটো কৰি দিলোঁ। সেই আশা মোৰ পূৰণ নহ'ল। তিনি হেজাৰৰ এক পইচাও মই পাবলৈ নেপালোঁ। যদি সেই টকাৰে দুই বটল মদকে খাবলৈ পালোহেঁতেন তবু…'

ৰঞ্জিত আৰু বেছিপৰ তাত থাকিব নোৱাৰিলে।

ইপিনে ইউছুফৰ ওচৰত থিয় হৈ থকা চিপাহীটোৱেও বিৰক্তি বোধ কৰিছিল। 'ঠিক আছে, মই যাওঁ ইউছুফ' বুলি মাত লগাই ডাঙৰ গেটখনৰ কাষৰপৰা আঁতৰি আহিবৰ সময়ত ইউছুফে আকৌ ক'লে, 'হা ৰঞ্জিত, তই যে মোক জেলৰ ভিতৰতো দেখা কৰিবলৈ আহিলি তাৰ বাবে মই খুব

খুচী হৈছোঁ।''' যা, আন্দোলন কিন্তু এৰি নিদিবি। শেষত কিবা এটা হবই। মানুহে ভাল কাম কৰিলে আল্লাই ভাল ফল দিয়ে ...।'

জেলৰ চৌহদৰপৰা ওলাই বিস্মৃত উঠাৰ পিচতো বহুত সময়লৈকে ইউছুফৰ শেষৰ কথাকেইষাৰ ৰঞ্জিতৰ কাণত বাজি আছিল।

ৰূপানগৰৰ যিখিনি ঠাইত চলিহাঁইতৰ ঘৰ তাৰপৰা কিছু নিলগেদি যোৱা ৩৭নং ৰাষ্ট্ৰীয় পথৰ ফালে মুখ কৰি কিছুদূৰ গৈ বজাৰখন। বজাৰ-খন পোৱাৰ আগে আগে এটা তিনিআলি। তিনিআলিটোৰ এদাঁতিতে নিতাই সৰকাৰৰ পাণ দোকানখন।

নামত পাণ দোকান হ'লেও নিতাইৰ দোকানত তেল, চাবোন-ছাৰ্ফ টুথপেষ্ট-টুথব্ৰাছৰপৰা ব্লেড, আৰ্চি-ফণী, গুলিসূতা, ফাউণ্টেন পেন, বিস্কুট-কটি-লুজেন-টফি আৰু গৰমৰ দিনত কল্ডড্ৰিংক, ডাবৰ পানীলৈকে প্ৰায় সকলো বস্তু পোৱা যায়।

সুন্দৰকৈ অসমীয়া কব পৰা নিতাই সৰকাৰৰ মাক-বাপেক যে দেশ বিভাজনৰ আগতেই অসমলৈ আহিছিল সেই কথাটো বহুতেই জানে। নিতাইৰ জন্মও ইয়াতেই। বিয়া-বাৰুও কৰাইছে ইয়াতেই। অৱশ্যে দোকান-খনৰ আৰম্ভণি আছিল নিতাইৰ বাপেকৰহে।

যিটো সময়ত নিতাইৰ বাপেক সতীশ সৰকাৰে দোকানখন আৰম্ভ কৰিছিল সেই সময়ত তিনিআলিৰ কাষত এনে ধৰণৰ দোকান মাত্ৰ দুখনহে আছিল। আইন দোকানো খুব কম আছিল। এতিয়াহে কেউফালে দোকানেই দোকান হৈছে। তেতিয়া ওচৰে পাজৰে মানুহৰ বসতিও আছিল বৰ সেৰেঙা। অ'ত এঘৰ ত'ত এঘৰ। মানবেন্দ্ৰ চলিহাঁইতৰ চুবুৰিটোও আছিল তেতিয়া এখন খানিনি পথাৰ।

অৱশ্যে বিজুলী চাকি কেতিয়াবাৰপৰাই জ্বলিছিল এই অঞ্চলত। কাষৰ বজাৰখনো বহুত পুৰণি। ওচৰতে থকা হাইস্কুল আৰু এল-পি স্কুলখনৰ ল'ৰা-ছোৱালীবোৰে নিতাইৰ দোকানখন বৰ ভাল পায়। কাৰণ তাৰ দোকানখনত লিহঁতে বিচৰা চব বস্তু আছে। নিতাইৰ মুখখনো বৰ ভাল। কথাবোৰ মিঠা। মানুহটোৱে হাঁহিয়েই থাকে। ল'ৰা-ছোৱালীবোৰে কেতিয়াবা

কিবা কিনিব খুজি 'পইচা নাই' বুলি ক'লে সি বাকীকৈয়ো দি দিয়ে : 'লৈ যোৱা, পইচা কালিলৈ লৈ আহিবা।'

ডাঙৰ মানুহবোৰেও নিতাইক ভাল পায়। পান দোকানী হলেও মানুহটো বৰ ভদ্ৰ। বঙালী হলেও অসমীয়া মানুহৰ লগতহে তাৰ হলিগলি বেছি।

তেনে এটা মানুহৰ যে তেনে গতি হব কোনে ভাবিছিল বাৰু?

ডিচেম্বৰ মাহ। অনবৰতে ফেৰ্‌ফেৰীয়া বতাহ এজাক মাৰি থকা কাৰণে দুদিনমানৰপৰা বেছ ঠাণ্ডা পৰিছে। তাতে দেশৰ পৰিস্থিতি বেয়া। নিৰ্বাচন পতা-নপতা কথা লৈ গণ্ডগোল হোৱা কাৰণে চৰকাৰে সকলোতে ৰাজহুৱা সভা-সমিতি পতা নিষিদ্ধ কৰি দিছে। শান্তি-শৃংখলাৰ নামত সতৰ্কতামূলক ব্যৱস্থা হিচাবে ১৪৪ ধাৰা নিষেধাজ্ঞা জাৰি কৰিছে।

গতিকে সন্ধ্যা লাগি ভগাৰ পিচতে ৰূপানগৰ অঞ্চলটোও শান্ত হৈ যায়। বজাৰখন সোনকালে ভাগে। গ্ৰাহক পাতলি যোৱা কাৰণে দোকানবোৰো সোনকালে বন্ধ কৰিবলগীয়া হয়। মাজে মাজে পুলিচ, চি-আৰ-পিয়ে দোকান-বজাৰৰ আগেদি একোটা টহল দি যায়।

বতৰ বেয়া হোৱা কাৰণে আৰু দেশৰ পৰিস্থিতিৰ কাৰণে মানুহৰ সমাগম পাতলি যোৱাত নিতায়েও দোকানখন বন্ধ কৰিব খুজিছিল। এনেতে তাৰ দোকানৰ সমুখত থিয় হ'ল ইউছুফ।

ইউছুফক নিতায়ে ভালকৈয়ে চিনি পায়। কিন্তু ল'ৰাটোৰ স্বভাৱ-চৰিত্ৰ ভাল নহয় কাৰণে আৰু কথাই পতি অবাইচ মাত মাতে কাৰণে তাৰ উপস্থিতি নিতায়ে সহ্য নকৰে।

সেইদিনাও তাক সোনকালে দোকানৰ মুখৰপৰা আঁতৰাবৰ কাৰণে নিতায়ে সুধিলে —'কি লাগে?'

'চাণ্ড চিগাৰেট এটা দে। বৰ ঠাণ্ডা বে। চুয়েটাৰ জেকেট পিন্ধিও (অবাইচ) ৰক্ষা পোৱা নাই। তোৰ দোকানৰ চিগাৰেট এটা খালে কিছু ঠাণ্ডা কমে নেকি?'

মুখেৰে কোনো শব্দ নকৰি নিতায়ে কেপষ্টেন চিগাৰেট এটা তাৰ ফালে আগবঢ়াই দিলে। সি কেপষ্টেন খায় বুলি নিতায়ে জানে।

চিগাৰেটটো দুই ওঁঠৰ মাজত গুজি লৈ ইউছুফে দোকানৰ জুইৰেই জ্বলাই ললে। তাৰ পিচত চিগাৰেটত আৰামেৰে টান দুটামান মাৰি ক'লে, 'পইচা আজি নিদিওঁ বে। পিচত লবি।'

বিশেষ চিনাকি বা স্থায়ী গ্ৰাহক নহ'লে নিতায়ে বিড়ী-চিগাৰেট কাকো বাকী নিদিয়ে। ত'তে ইউছুফ তাৰ দোকানলৈ তেনেকৈ নাহেই ; কেতিয়াবাহে আহে। আহিলে কেপষ্টেন চিগাৰেট এটা বা দুটা কিনে।

নিতায়ে ক'লে, 'পইচা নিদিয় যদি আগতে নকলি কিয় ?'

'আগতে কোৱা হলে জানো চিগাৰেট দিলিহেঁতেন বঙাল ?'

'বঙা-' শব্দটোৱে নিতাইৰ মনত বেয়াকৈ আঘাত কৰিলেও সি সেই বিষয়ে একো নৈক মন্তব্য ক'লে, 'দিওঁ-নিদিওঁ সেইটো বেলেগ কথা ; তই কব লাগিছিল। আজি-কালি বিড়ী চিগাৰেট মই কাকো বাকী নিদিওঁ। তোৰ পকেটত দশ পইচা এটাও নাইনে ?'

'থকা হ'লে তোক নিদিলোঁ হয় নেকি বে ?' তাৰ পিচত হাঁহিনে শিকাই দিয়া বুদ্ধিমতেই ইউছুফে কাম কৰিলে। পেণ্টৰ বেক পকেটৰপৰা থমথমীয়া দহটকীয়া নোট এখন উলিয়াই নিতাইক দেখুৱাই ক'লে, 'খুচুৰা পইচাহে নাই, টকা নাই বুলি ভাবিছ নেকি ? ল এইখন...৯'৯০ পইচা ফিৰাই দে।'

কেচ-বক্সত চকু নিদিয়াকৈয়ে নিতায়ে জানিলে যে তাৰ হাতত সিমান-খিনি খুচুৰা নহব। পাঁচটকীয়া দহটকীয়া নোট অৱশ্যে কেইবাখনো আছে। এটকীয়া দুটকীয়াহে নাই। মুদ্ৰাও কম আছে। আছিল, কিন্তু অলপ আগতে জগদীশ কম্পাউণ্ডাৰে দহ টকাৰ খুচুৰা লৈ গ'লহি।

'নলৱ কিয় বে ? বেঙাৰ দৰে নোটখনলৈ কি চাই আছ ? দশ পইচা কাটি বাকীখিনি ফিৰাই দে। জলদি দে, মই তোৰ ইয়াতে বৈ থাকিলে নহব নহয় ; মোৰ বেলেগ কাম আছে।'

'নাই ভাই, খুচুৰা একদম নাই।'

'তেন্তে কি হব ? তইতো চিগাৰেট বাকী নিদিওঁ বুলিয়ে কৈছ ! গতিকে বাকী নকৰোঁ। পইচা ল।'

নিতাই সমস্যাত পৰিল। ইউছুফে যে পইচা নিদিয়াৰ বুদ্ধিৰেই সেইখন কৰিছে সি বুজি পালে। তথাপি সি ক'লে, 'ঠিক আছে, পইচা দশটা কালিলৈ দিবি। নোটখন পকেটত ভৰাই থ।'

কিন্তু হিতেই বিপৰীত হ'ল। ইউছুফে তাৰ বিনয়তাক তীব্ৰভাৱে উপহাস কৰি ক'লে, 'দশ টকাৰ ভংতি নাই, তোৰ আকৌ লম্বা লম্বা কথা। মই লেইচৰ নেজানো (অবাইচ) ; ভংতি নাই বদি ক'ৰবাৰপৰা ভৰাই আনি দে।

দশ পইচা এটাৰ কাৰণে মই ইমান অপমান সহ্য কৰিম নেকি বে? যা, টকা ভঙাই লৈ আহ।’

কিন্তু এটা অভদ্ৰ, বদমাচ লৰাৰ হাতত দোকান এৰি থৈ সি ক’ত টকা ভঙাবলৈ যাব? তাতে ওচৰৰ প্ৰায়বোৰ দোকানেই বন্ধ হৈ গৈছে। যি দুই-এখন খোলা আছে সিহঁতে নিশ্চয় সেইখন নোট ভঙাই দিব নোৱাৰিব। তদুপৰি দোকানকিখনো আঁতৰত। তিনিআলিটোৰ সিটো পাৰে।

অৱশেষত নিতায়ে এটা কাম কৰিলে। চিগাৰেটটো ইউছুফক এনেয়ে খুৱালে বুলি কৈ তাক হাঁহি মাৰি বিদায় দিবলৈ যত্ন কৰিলে। কিন্তু অসৎ অভিপ্ৰায় লৈ অহা ইউছুফে নিতাইৰ সেই উদাৰতাৰ প্ৰত্যুত্তৰ দিলে অশ্লীল গালিৰে। নিতাইৰ আত্মসন্মানত বেয়াকৈ আঘাত কৰি সি জঘন্য ভাষাৰে গালি পাৰি তাৰ থং তুলি ললে।

সদায়ে হাঁহি-মাতি কথা কোৱা নিতাই ইউছুফৰ ব্যৱহাৰত বৰ ক্ষুন্ন হ’ল। ব্যতিব্যস্ত হ’ল। শেষত সিও ওলোটাই ইউছুফক কিবাকিবি কৈ দিলে।

দুয়োৰো ভিতৰত তৰ্ক বাঢ়ি গ’ল। সংযম টুটি আহিল। এসময়ত ইউছুফে তাক দোকানৰ গাদীৰপৰা চোচোৰাই টানি আনিলে। নিতায়ে চকুৰ আগত দেখিবলৈ পালে এখন চিক্‌মিকীয়া তীক্ষ্ণধাৰ ছুৰী।

নিতাইৰ কলিজা চমকি উঠিল। কিন্তু আত্মৰক্ষাৰ বাবে কিবা অৱলম্বন বিচাৰিবলৈ পোৱাৰ আগতেই ছুৰীখন তাৰ পেটত সোমাল।

এটা বিকট আৰ্তনাদে ঠাইখিনি কঁপাই তুলিলে। ছুৰীবিদ্ধ পেটত হাত এখন দি নিতাই মাটিত বাগৰি পৰিল। লগে লগে এটা হুলস্থুল। নিতাইক সেই অৱস্থাতে এৰি থৈ ইউছুফ দৌৰি পলাব খুজিছিল; কিন্তু পলোৱা সম্ভৱ নহল।

এটা অভাৱনীয় কাণ্ড ঘটাৰ কিবা সন্দেহ পায়ে বোধহয় ওচৰৰ কেই-জনমান মানুহ উধাতু খাই নিতাইৰ দোকানৰ ফালে দৌৰি আহিছিল। কিন্তু তেওঁলোক যথাস্থানত উপস্থিত হোৱাৰ আগতেই ইউছুফে তাৰ কাম হাছিল কৰি পেলাইছিল। কাম হাছিল কৰি সি দৌৰি পলাবলৈ উদ্যোগ কৰোঁতেই নতুন ঘটনাটো ঘটিল।

মুহূৰ্ততে গোটেই ঘটনাটো প্ৰত্যক্ষ কৰি ললে মানুহখিনিয়ে। সকলোৱে ইউছুফক চিনি পালে। ঘটনাটো বুজি পালে। এনেকুৱা কিছুমান মানুহ

আছে যিবোৰে সমুখত নিজৰ বা আন কাৰোবাৰ চৰম বিপদ হোৱা দেখিলে থৰ-কাচুটি হেকৰাই পেলায়। হতভম্ব হৈ কি কৰিম কি নকৰিম কৰি থাকোঁতেই যায়। আকৌ কিছুমান আছে যিবোৰে হেজাৰ বিপদতো ধৈৰ্য্য নেহেকৰাই উপস্থিত বুদ্ধিৰ সহায়েৰে সমাগত বিপদৰ সমুখীন হব পাৰে। অৱশ্যে তেনে মানুহৰ সংখ্যা বৰ কম।

নিতাইক ধৰাশায়ী কৰি আগন্তুক বিপদৰপৰা সাৰিবলৈ ইউছুফে দৌৰি-বলৈ উদ্যোগ কৰোঁতেই কোনোবা এজনে দোকানৰ আগখন থিয় কৰি থোৱা বাঁহডালকে টান মাৰি আনি কণা-মুনাকৈ তাৰ ভৰিত এটা মাৰ সোধালে। মাৰটো সম্ভৱ ঠিক ঠাইতেই পৰিল। আ-স্ আল্লা—হ বুলি বিকট চিঞৰ এটা মাৰি তিনি তেলেঙনি খাই ইউছুফ কেইফুটমান আঁতৰত লুটি খাই পৰিল। লগে লগে তাৰ কঁকালত আৰু এটা কোব পৰিল। ইউছুফ ঠাণ্ডা হৈ গ'ল।

কিন্তু হুলস্থুল বাঢ়ি গ'ল।

খুন...খুন...ডাক্তৰ...পানী...হস্পিটাল...পুলিচ আদি আতংকিত শব্দেৰে ঠাইডোখৰ ৰজনজনাই গ'ল। কোনোবা এজনে দৌৰি গৈ তিনিআলিৰ চকৰপৰা ৰিক্সা এখন মাতি আনিলে আৰু দুজনমানৰ সতে ধৰাধৰিকৈ নিতাইৰ ৰক্তাক্ত দেহাটো তাত তুলি দিবলৈ উদ্যোগ কৰিলে। কিন্তু দুজনমানে বাধা দিলে।

পাগল নেকি? এনেকুৱা এটা মানুহক ৰিক্সাত তুলি হস্পিটাললৈ নিব পাৰি? মানুহটোক ধৰি যাবলৈকে দেখোন দুজন মানুহ লাগিব! এখন ৰিক্সাত কেইজন মানুহ উঠিব পাৰে?

কিন্তু উপায় ওলাই গ'ল পিচ মুহূৰ্ততে।

নগৰৰ ফালৰপৰা উৰি অহা পুলিচৰ গাড়ী এখন ঠিক ঘটনাস্থলীৰপৰা কেইহাতমান আঁতৰতে ৰৈ গ'লহি। পুলিচৰ গাড়ী দেখি ঘটনাস্থলীত গোট খোৱা মানুহবিনিৰ মাজত এটা বেছ উদ্বিগ্নতা আৰু সন্ত্ৰাসৰ ভাব সৃষ্টি হৈ গ'ল। আনফালৰপৰা কিছু স্বস্তিও অনুভৱ কৰিলে।

নিষেধাজ্ঞা ভঙ্গ কৰি হুলস্থুল সৃষ্টি কৰা মানুহবিনিৰ ফালে এজন দণ্ডাধীশ আৰু এজন পুলিচ বিষয়াৰ সতে কেইজনমান সাধাৰণ পুলিচ আগবাঢ়ি আহিল। তেওঁলোকৰ মুখত এটাই প্ৰশ্ন: 'কি হৈছে? ইয়াত কি হৈছে?'

মুহূৰ্ততে মানুহৰ জুমটো কিছু পাতলি গ'ল। কিছুদিনৰপৰা এই বাৰা-

খনত চলিবলৈ ধৰা পুলিচ, চি আৰ-পিৰ অবাঞ্চনীয় কাৰ্য্য-কলাপ আৰু অবাধ স্বেচ্ছাচাৰিতাত বিশেষ ধৰণে ক্ষুব্ধ আৰু বিক্ষুব্ধ হৈ থকা কেইজন পুলিচৰ গাড়ী দেখিয়েই ফৰিং ছিটিকাদি ছিটিকি গৈছিল। যি কেইজন আছিল তেওঁলোকৰ ভিতৰৰে কোনোবা দুজনে ঘটনাটো সংক্ষেপে বিৱৰি ক'লে। তেওঁলোকৰ জবানবন্দীৰ ওপৰতে ঘটনাটো নোট কৰি লোৱা হ'ল।

পুলিচে ইতিমধ্যে নিতাই সৰকাৰ আৰু ইউচুফকো দেখিছিল। বাইজে নোকোৱাকৈয়ে পুলিচে তেওঁলোকৰ কৰণীয় কাম ভীষণ তৎপৰতাৰে আৰম্ভ কৰি দিলে।

নিতাই আৰু ইউচুফক পুলিচৰ গাড়ীৰেই লৈ যোৱাৰ ব্যৱস্থা কৰা হ'ল।

॥ পাঁচ ॥

ঘটনাটো সিমানতে ইতি পৰা হলে ভাল আছিল; কিন্তু নপৰিল।

নিতাই আৰু ইউচুফক ঘটনাস্থলীৰপৰা পুলিচে আঁতৰাই লৈ যোৱাৰ কিছু সময়ৰ পিচতে বজাৰ অঞ্চলটোত এটা অশান্ত পৰিস্থিতি উদ্ভৱ হৈ গ'ল। কোনোবা দুজনমানে ঘোষণা কৰি দিলেহি যে নিতাই সৰকাৰ হস্পিটাল নেপালেগৈয়ে—আদবাটতে মৰিল।

খবৰটোৱে নিতাইহঁতৰ চুবুৰীটোত দাৰুণ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। ইউচুফৰ গুণ্ডামি তল পৰিল। ঘটনাটোক তেতিয়াই সাম্প্ৰদায়িক বুলি অভিহিত কৰা হ'ল। কাৰোবাৰ উচটনিত ইউচুফে সাম্প্ৰদায়িক অশান্তিৰ বীজ সিঁচি দিছে। খবৰটো বিকৃত ৰূপত প্ৰচাৰ হোৱাৰ লগে লগে মানুহবোৰৰ মনবোৰ উত্তপ্ত হৈ উঠিল। উত্তেজনা বাঢ়ি গ'ল।

ঠাণ্ডা বতৰ আৰু নিষেধাজ্ঞা ভঙ্গ হোৱাৰ ভয়ত ঘৰৰ ভিতৰত, দোকানৰ ভিতৰত সোমাই থকা মানুহবোৰ ক্ষুব্ধ-সন্ত্ৰস্ত হৈ বাহিৰলৈ ওলাই আহিল। কাৰোবাৰ হাতত দা, কাৰোবাৰ হাতত টোকোন, কাৰোবাৰ হাতত খাঠী আৰু কাৰোবাৰ হাতত বা নিষিদ্ধ বিস্ফোৰক পদাৰ্থ।

সেইবোৰ অস্ত্ৰ-শস্ত্ৰ লৈ তেওঁলোকে কাক আক্ৰমণ কৰিব, কাৰ ওপৰত প্ৰতিশোধ লব, সেইবোৰ কিন্তু একো নিৰ্ণয় কৰিব পৰা নাছিল। কেৱল

একোটা আক্ৰোশ আৰু প্ৰতিহিংসামূলক মনোভাৱ লৈ আগুৱাইহে আহিছিল।

নতুন বস্তীৰ নিয়াজ দৰ্জীৰ ঘৈণীয়েকে মাটিৰপৰা মাত্ৰ ছফুট ওখ পাক-ঘৰৰ চালিখনৰ তলত ভাত ৰান্ধি আছিল। জৰাজীৰ্ণ ইকৰাৰ বেৰৰ ভৰনা-ভমল বিন্ধাইদি সোমাই অহা কোঁকেণীয়া বতাহজাকৰ উৎপাতত মানুহ-জনীয়ে সুখেৰে ভাতকিটা ৰান্ধিব পৰা নাছিল। তাতে কেঁচা চাৰিমহীয়া কেঁচুৱাটোৱেও বৰ আমনি কৰি আছিল। উপায় নেপাই মানুহজনীয়ে কেঁচুৱাটো শুৱাই থৈ আহি বন্ধা-বঢ়াত ভালকৈ লাগিবহি বুলি পাকঘৰৰ-পৰা ওলাই মূল ঘৰলৈ গ'ল। মূল ঘৰটোও পাকঘৰৰ লগতে লগা—মাত্ৰ চালীখনহে বেলেগ।

চৌকাৰ জুইকুৰা তেনেকৈয়ে এৰি থৈ নিয়াজ দৰ্জীৰ ঘৈণীয়েকে কেঁচুৱা শুৱাবলৈ যাওঁতেই চৌকাৰ জুই গৈ কেনেবাকৈ পাকঘৰৰ চালীত লাগিল। তাৰপৰা বতাহে পাই তৎক্ষণাৎ মূল ঘৰলৈ বিয়পাই দিলে। তেতিয়ালৈকে কথাটো ঘৰৰ কোনেও গমেই নেপায়। আলিবাটৰপৰা দুটামানে 'জুই জুই' বুলি চিঞৰ-বাখৰ লগোৱাতহে আৰু ঘৰৰ চালৰ ওপৰত বেলেগ ধৰণৰ শব্দ হোৱাতহে কথাটো গম পালে। কিন্তু ইতিমধ্যে জুয়ে ঘৰৰ একাল শেষ কৰিছিলেই।

আলিবাটৰপৰা কেইটামানে আটাহ পাৰিছিল: 'জুই. .জুই...নিয়াজ দৰ্জীৰ ঘৰত জুই .। কোনোবাই নিয়াজ দৰ্জীৰ ঘৰত জুই লগাই দিছে।'

আৰু কোনে পায়? কাৰোবাৰ আক্ৰোশত কোনোবাই তেনে কাম কৰা বুলি সহজেই প্ৰতীয়মান হ'ল। চিঞৰ-বাখৰ লগাই জুই নুমুৱাবলৈ যোৱা কাৰোবাৰ গাত কোনোবাই খুন্দা মাৰিলে। তাকো কোনোবাই আখেজতে কৰা বুলি ভাবিলে। খুন্দা খোৱাটোৱে হয়তো চিঞৰি দিলে—'ঐ, ইয়েই জুই দিছে।...জুই দি এতিয়া পলাব খুজিছে। ধৰ, ধৰ তাক...এৰি নিদিবি... ধৰ...'

খন্তেকতে পৰিস্থিতিয়ে বেলেগ ৰূপ ললে। এটা উত্তেজনাৰপৰা আন এটা উত্তেজনা সৃষ্টি হ'ল। মানুহবোৰৰ মনবোৰ হিংস্ৰ হৈ উঠিল। আচল কথা একো নজনাকৈয়ে, একো নুবুজাকৈয়ে চিঞৰ-বাখৰ লগোৱাৰ ফলত হিংসাত্মক ঘটনাৰ প্ৰতি মানুহবোৰৰ মনবোৰ আপোনা-আপুনি প্ৰৰোচিত হোৱাৰ কুলক্ষণ বিৰাজ কৰিলে।

এটা সময়ত উত্তেজনাই চৰম ৰূপ ললে। কাৰোবাৰ গালৈ, কাৰোবাৰ

ঘৰলৈ কোনোবাই শিলগুটি মাৰিলে, ইটাৰ টুকুৰা দলিয়ালে। কাৰোবাৰ মুৰ ফাটিল, কাৰোবাৰ কপাল ফুটি তেজৰ নৈ বলে, কাৰোবাৰ ঘৰৰ দুৱাৰ-খিৰিকী-ভেণ্টিলেটৰৰ আইনা ভাগি ঠন্‌ঠন্‌ শব্দ হ'ল।

অঞ্চলটোৰ চিনাকি মানুহবোৰ অচিনাকি হৈ গ'ল। ইটোৱে সিটোক চিনি নোপোৱা হ'ল। ইজনে সিজনৰ প্ৰতি থকা বন্ধুত্বৰ কথা পাহৰিলে; শ্ৰদ্ধাৰ কথা পাহৰিলে।

নিতাই সৰকাৰৰ অপঘাত মৃত্যুৰ লগত নতুন বস্তীৰ নিয়াজ দৰ্জীৰ ঘৰত জুই লগাৰ কোনো সম্পৰ্ক নাছিল, কিন্তু কোনোবাই তাক সাম্প্ৰদায়িক প্ৰতিক্ৰিয়াৰ বুলি অপপ্ৰচাৰ চলাই দিয়াৰ ফলত পৰিস্থিতিৰ অভাৱনীয় অবনতি ঘটিল। নিয়াজ দৰ্জীৰ ঘৰত জুই লগাইছিল বতাহে, কিন্তু বাবু-পাৰাৰ গোবিন্দ শৰ্মা, পৰিতোষ গাঙ্গুলীৰ ঘৰত জুই লগালে মানুহে। পৰি-তোষ গাঙ্গুলীৰ দোকানৰ বস্তুবোৰ লণ্ডভণ্ড কৰা দলটোক আন এদল অস্ত্ৰ-ধাৰী উন্মত্ত লোকে আক্ৰমণ কৰি ধৰাশায়ী কৰিলে।

হয়তো পৰিস্থিতি আৰু ভয়াবহ, আৰু শোকাবহ হৈ উঠিলহেঁতেন যদিহে সেই সময়তে পুলিচ আহি ঘটনা নিয়ন্ত্ৰণ কৰিবলৈ যত্ন নকৰিলেহেঁতেন। তেতিয়াও পুলিচৰ গালৈ শিলগুটি দলিওৱা এদল লোকক ছত্ৰভঙ্গ দিয়াবলৈ পুলিচে কন্দুৱা গেছ প্ৰয়োগ কৰিবলগীয়া হ'ল। সিমানতো পৰিস্থিতি নিয়ন্ত্ৰণৰ ভিতৰলৈ নহাত বিক্ষিপ্তভাৱে লাঠীচালনা কৰিবলগীয়া হ'ল।

লাঠী চালনাৰ দ্বাৰা পৰিস্থিতি নিয়ন্ত্ৰণাধীন কৰিব পৰা গ'ল যদিও উত্তেজনা শাম নকটা দেখি জিলা কৰ্তৃপক্ষই অনিৰ্দিষ্ট কালৰ বাবে সান্ধ্য আইন ঘোষণা কৰিলে। সান্ধ্য আইনৰ ঘোষণাই উপ-নগৰী অঞ্চলগৰলৈ নমাই আনিলে গভীৰ উদ্বেগ, আতংক, ভয়।

কিন্তু হঠাৎ এনেকুৱা এটা পৰিস্থিতি উদ্ভৱ হ'ল কিয়? নিতাই সৰকাৰক কিয় হত্যা কৰা হ'ল? ইটচুকে জানো নিতাইক হত্যা কৰাৰ কিবা পৰি-কল্পনা কৰিছিল? সেই হিংসাত্মক ঘটনাৰ লগত কাৰো কোনো গোপন স্বাৰ্থ পূৰণৰ সম্পৰ্ক নাছিল নে?

নিশ্চয় আছিল। সেই নৃশংস হত্যাকাণ্ডৰ লগত, আৰু সেই হত্যাকাণ্ডৰ প্ৰতিক্ৰিয়া স্বৰূপে উদ্ভৱ হোৱা পৰৱৰ্তী ঘটনাসমূহৰ আঁৰত নিশ্চয় কাৰো-বাৰ গোপন স্বাৰ্থ নিহিত আছিল।

পুলিচৰ তত্বাৱধানত চাৰিদিন চৰকাৰী হস্পিটালত ৰাখি চিকিৎসা দিয়াৰ

পিচত ইউছুফক জেল-হাজোতলৈ লৈ যোৱা হ'ল। জেল-হাজোতৰপৰা আদালতত প্ৰথম থিয় কৰাবৰ দিনাই ইউছুফে সকলো কথা অকাতৰে স্বীকাৰ কৰিলে।

কিন্তু সি এটা ডাঙৰ কাণ্ড কৰিলে। হাকিমৰ আগত দিয়া স্বীকাৰোক্তিত সি চলিহাৰ ড্ৰাইভাৰটোৰ নামটোও কৈ দিলে। সি ক'লে, 'মোৰ লগত সিও আছিল।'

॥ ছয় ॥

মানবেন্দ্ৰ চলিহাৰ ডেকা ড্ৰাইভাৰ হাসিনক গ্ৰেপ্তাৰ কৰিবলৈ পুলিচ আহোঁতে চলিহা ঘৰতে আছিল।

কিন্তু তেওঁ পুলিচক সেই কামত কোনো বাধা দিব নোৱাৰিলে। মাত্ৰ ক'লে, 'সি যে তেনেকুৱা ঘটনাৰ লগত জড়িত থাকিব পাৰে মোৰ বিশ্বাস নহয়। তথাপি আপোনালোকে নিব খুজিছে যেতিয়া নিয়ক। কিন্তু সি নহলে মোৰ বৰ অসুবিধা হব। গতিকে সোনকালে যাতে 'বেইল'ত আহিব পাৰে তাৰ ব্যৱস্থা আপোনালোকে কৰিব।'

হাসিনে কিন্তু তেনেকুৱা এটা অৱস্থা হব বুলি ভাবিব পৰা নাছিল। সি ভাবিছিল, চাহাব আছে যেতিয়া তাৰ একো নহয়। সেই নিৰ্ভয়তাতে সি নিশংক-নিশ্চিন্তভাবে চলিহাৰ লগত অলৈ তলৈ গৈ আছিল। কিন্তু অপ্ৰত্যাশিতভাবে পুলিচে তাক বিচাৰি অহাত সি প্ৰমাদ গণিলে।

হাসিনক হেণ্ডকাফ্ লগাই লৈ যাওঁতে প্ৰাণজিতো ঘৰতে আছিল। তেওঁ চলিহাক ক'লে, 'আপোনাৰ দায়িত্ব এতিয়া বহুত বাঢ়িল দেউতা। সি যাতে ওলটা-পাল্টা কথা নেগায় তাৰ কাৰণে সাৱধান হৈ থাকিব।'

হাসিনক নহ'লে চলিব নোৱৰা কাৰণেই হওক বা আন যি কাৰণেই হওক, চলিহাই প্ৰাণজিতৰ হতুৱাই পিচদিনাই তাক জামিনত মুক্ত কৰাই আনিলে। পুলিচৰ জিম্মাত এদিন থাকিয়েই চফল ডেকা ল'ৰাটোৰ চকু-মুখ তেনেই সোমাই গৈছিল।

কথাটো বজিতে গম পাইছিল।

তাৰ মনত বহুত প্ৰশ্নই ভুমুৰি দি ধৰিলে। হাসিন যদি সঁচাকৈয়ে কোনো হত্যাকাণ্ডত লিপ্ত নাই তেন্তে দেউতাক আৰু ককায়েক তাৰ বাবে ইমান চিন্তিত হোৱাৰ কাৰণ কি?

অৱশেষত অৰুণ্ধে ৰঞ্জিতে সকলো কথাৰ গুলানলা পালে। হাসিনক সংগোপনে লগ ধৰি তাৰ মুখৰপৰা ৰঞ্জিতে বহুত কথা উলিয়ালে।

ৰঞ্জিতে তাক সুধিলে—'নিতায়েতো তোমাৰ একো অপকাৰ কৰা নাছিল, তুমি কিয় তাৰ সৰ্বনাশ কৰালা? দেউতাই তোমাক কি বুদ্ধি শিকাই দিছিল?'

হাসিনে ক'লে, 'চাহাবে কৈছিল, সি হেনো তলে তলে কিবা বেয়া কামত লিপ্ত আছে। আপোনালোকৰ দৰে আন্দোলন কৰা ল'ৰা কিছুমানৰ লগ লাগি সি আমাৰ দেশৰপৰা অহা মুছলমানবোৰক খেদিবলৈ ষড়যন্ত্ৰ চলাইছে। বাৰু কওকচোন ৰঞ্জিত বাবু, আপোনালোকে জানো আমাক খেদিবলৈ আন্দোলন কৰিছে?'

ৰঞ্জিতে অকণমান ইহা যেন কৰিলে। তাৰ পিচত ক'লে, 'চোৱা হাসিন, আমি এনেকুৱা কিছুমান মানুহৰ বিৰুদ্ধে আন্দোলন কৰিছোঁ যিবোৰে আইন-সঙ্গত ভাবে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব পৰা নাই আৰু যিবোৰক ভাৰতৰ নাগৰিকত্ব আইনে কেতিয়াও বৈধ নাগৰিকত্ব প্ৰদান কৰিব নোৱাৰে। এই ক্ষেত্ৰত হিন্দু-মুছলমান বুলি কোনো কথা নাই।'

'তেনেহলে নিতাই সৰকাৰে কিয় আপোনালোকৰ নিচিনা ল'ৰা বিছুমানৰ লগ লাগি আমাক খেদিবলৈ চক্ৰান্ত কৰিছিল?'

'সেইটো তেনেই মিছা কথা হাসিন। দেউতাই তোমাৰ মনত কেলেই যেনেকুৱা এটা ভুল কথা সুমুৱাই দিলে মই অৱশ্যে কব নোৱাৰোঁ। অৱশ্যে আমাৰ আন্দোলনটোক বিপথে নিবলৈ দেউতাইতৰ দলটোৱে অহৰহ চেষ্টা চলাইছে।... বাৰু, নিতাই সৰকাৰক মাৰিবলৈ দেউতাই তোমাক কিমান টকা দিছিল?'

হাসিনে অকণমান ইতস্ততঃ বোধ কৰিলে। তাৰ পিচত কণ্ঠ-নকণ্ঠৈকৈ ক'লে, 'তিনি হেজাৰ—'

ৰঞ্জিতে সুধিলে, 'তুমি তাৰে ইউছুফক কিমান দিলা?'

'ডেৰ হেজাৰ দিছিলোঁ; বাকী ডেৰ হেজাৰ কাম হৈ গলে দিয়াৰ কথা আছিল।'

বঞ্জিত হঠাতে বৰ গহীন হৈ গ'ল।

'শুনা হাসিন, হাকিমৰ আগত তুমি কোনো কথা লুকুৱাব নোৱাৰিবা। দেউতাই যি কৈছিল, যি কৰিবলৈ শিকাই দিছিল, সেই মতেই সকলো কথা কৈ দিবা। নহলে তোমাৰ বিপদ আছে।'

তাৰ পিচত বঞ্জিত গ'ল নিতাই সৰকাৰৰ ঘৰলৈ।

ইতিমধ্যে নিতাইৰ শ্ৰাধ-বিধি হৈ গৈছে। যুগীজানৰ ফালে থকা নিতাইৰ ভায়েক এটাই অগ্নী-বগুহীৰ সতে আলোচনা কৰি নিতাইৰ দোকানখনৰ এটা ব্যৱস্থা কৰাৰ কথা চিন্তা কৰিলে। যুগীজানত তাৰ বহুত মাটি-বাৰী আছে। ককায়েকৰ দৰে সক-সুৰা এখন দোকানো আছে। গতিকে সেইবোৰ এৰি সি ইয়ালৈ গুচি আহিব নোৱাৰে। তাৰ ভায়েকটোৱে বেলৱেত কাম কৰে। চাকৰি এৰি দৈ দিয়ে বা আহে কেনেকৈ? অৱশ্যে বোৱেকে দোকানখন চলাব পৰা হলে কোনো কথা নাছিল। কিন্তু বোৱেকে নোৱাৰো বুলি কৈ দিছে।

গতিকে মানুহ এটা ঠিক কৰি দোকানখন ভাৰাত দিয়াটোকে ঠিক কৰা হ'ল। অৱশ্যে ভাৰাৰ পইচাকিটাৰেই পাঁচোটা প্ৰাণীৰ পৰিয়ালটো চলা সম্ভৱ নহব, গতিকেই ভায়েকহঁতে মাজে সময়ে যি পাৰে সহায় কৰিব।

বঞ্জিতে নিতাইৰ ঘৈণীয়েকৰ লগত বহুত ফিৰাকিৰি কথা পাতিলে। কথা-প্ৰসঙ্গত সি ক'লে, 'দেউতাৰ সেই অক্ষমনীয় স্বাৰ্থপৰতাৰ বাবে মযে আপোনাৰ ওচৰত ক্ষমা বিচাৰিছো। আপুনি দেউতাক ক্ষমা কৰিব।... আৰু শুনক, আপুনি মোৰ আগত কোনো লাজ বা সংকোচ কৰিব নেলাগে। ধৰি লওক, মই আপোনাৰ এটা ভায়েক।'

তিনিটা ল'ৰা ছোৱালীৰ মাক নিতাইৰ ঘৈণীয়েক আলপৰা বঞ্জিতহঁতকৈ বয়সত কিজানি কেইবছৰমানহে ডাঙৰ হব। মানুহজনী যে এসময়ত বেছ ধুনীয়া আৰু বঢ়ীয়াল আছিল সেইটো তেওঁৰ মুখখন দেখিলেই ধৰিব পাৰি।

প্ৰবল ধুমুহাই বগৰাই পেলাব নোৱাৰিলেও ডাল-পাতবোৰ মোহাৰি মুচৰি থৈ যোৱাৰ পিচত এজোপা গছৰ যি অৱস্থা হয় আলপনাৰ অৱস্থাও যেন সেইটোৱেই। মানুহজনীয়ে প্ৰথমতে বঞ্জিতৰ উপস্থিতিটোকে সহজভাবে লব পৰা নাছিল। কোনো বিশেষ স্বাৰ্থ নথকাকৈ যে তাৰ দৰে এটা ডেকা ল'ৰা তাইৰ ওচৰলৈ যাব নোৱাৰে সেইটো তাই ভালকৈয়ে বুজি পাইছিল।

অৱশ্যে তাইৰ জীৱনলৈ অহা এই আকস্মিক দুৰ্যোগৰ বাবে যে বঞ্জিতৰ

দেউতাকেই একমাত্ৰ দায়ী সেই কথাটোও তাই বঞ্জিতে কৈ নিদিয়া হলে গম নেপালেহেঁতেন। বঞ্জিতৰ মুখত শুনিও প্ৰথমে তাই বিশ্বাস কৰিবলৈ টান পাইছিল। পিচতহে লাহে লাহে বিশ্বাস কৰিলে।

বঞ্জিত যে কোনো বেয়া উদ্দেশ্য লৈ তাইৰ ওচৰলৈ যোৱা নাই, সেই-টোও তাই লাহে লাহে বিশ্বাস কৰিলে।

বঞ্জিতৰ কথাৰ উত্তৰত আল্‌পনাই ক'লে, 'ঠিক আছে, আপ্‌নি কৈছে যেতিয়া মই আপ্‌নাক নিজেৰ ভাই হিচাবেই ধৰি লৈছো বাৰু। কিন্তু আপ্‌নি মোৰ ওচৰত অহাৰ কাৰণ কি? আপ্‌নি মোক কি কৰ বিচাৰিছে?'

'ক'ম, কিন্তু তাৰ আগতে আপুনি মোক কথা দিব লাগিব মোৰ কথা-মতে আপুনি কাম কৰিব বুলি। কওক, কৰিব আপুনি মোৰ কথামতে কাম?'

আল্‌পনাই তীক্ষ্ণ দৃষ্টিৰে বঞ্জিতৰ মুখলৈ চালে।

'আগতে কওকচোন কি কৰ খুজিছে?'

বঞ্জিতে তাইৰ উকা কপালখনলৈ চাই আছিল। তাৰপৰা চকু নাতবোৱা-কৈয়ে ক'লে, 'আপুনি এদিন আমাৰ ঘৰলৈ যাব লাগিব।'

'কেন? কি কাৰণে?' আল্‌পনা যেন উচপ্‌ খাই উঠিল।

'দেউতাক লগ ধৰি আপুনি কৰ লাগিব যে আপোনাৰ ভৰণ-পোষণৰ সম্পূৰ্ণ দায়িত্ব তেখেতে লব লাগিব।'

আল্‌পনাই লগে লগে ক'লে, 'নাই নাই, মই সেই কাম কৰিব নোৱাৰো বঞ্জিত বাবু! আপোনাৰ দেউতা কি ৰকম মানুহ মই আজি পৰ্য্যন্ত দেখা নাই।'

বঞ্জিতে জোৰ দি ক'লে, 'নেদেখিলেও আপুনি যাব লাগিব। দৰকাৰ হ'লে মইয়ে আপোনাক লৈ যাম। কিন্তু কথাকিটা আপুনি দেউতাৰ আগত কৰ লাগিব। কওক, আপুনি কোনদিনা যাব পাৰিব?'

মানুহজনী ভালেখিনি পৰ মনে মনে থাকিল। তাৰ পিচত হঠাতে প্ৰশ্ন কৰিলে—'কিন্তু মোক যদি খেদি দিয়ে? যদি মোৰ সন্মান হানি কৰে?'

'আপোনাৰ হাতত অস্ত্ৰ আছে নহয়! যেতিয়া যিপাট অস্ত্ৰ দৰকাৰ হয় প্ৰয়োগ কৰিব।'

'কিন্তু প্ৰমাণ? আপোনাৰ কথা যে সত্য মই সেইটো প্ৰমাণ কৰিম কেনেকৈ?'

'তাৰ ব্যৱস্থা মই কৰিম। মুঠতে আপুনি কোনদিনা যাব পাৰিব কওক?'

ৰঞ্জিতৰ কথামতেই আল্পনা এদিন ৰঞ্জিতহঁতৰ ঘৰলৈ আহিল। তলৰ মহলাতে এটা কোঠালীত ৰখিতে তাইক ৰহিবলৈ দি দাৰোৱানৰ হতুৱাই দেউতাককো খবৰ দিয়ালে।

চলিহাই মানুহজনীক চিনি পোৱা নাছিল। আল্পনাই যেতিয়া নিজৰ পৰিচয় দি দুৰ্ভাগ্যৰ সকলো কথা কলে তেতিয়া চলিহা বেছ চিন্তিত হৈ পৰিল।

কিন্তু তেওঁ কি কৰিব? কোনোবা গুণ্ডা-দগাবাজে তাইৰ গিৰিয়েকৰ জীৱনটো ললে, কোনোবা মহাপাতকীয়ে হীন প্ৰতিহিংসা চৰিতাৰ্থ কৰি তাইৰ জীৱনলৈ বিপৰ্য্যয় চপাই আনিলে, তাতেতো তেওঁৰ চিন্তা কৰিবলগীয়া বিশেষ একো নাই! খুব বেছি তাইৰ এই বিপদৰ সময়ত কেইটামান টকা দি তাইক সহানুভূতি জনাব পাৰে। তাতকৈ বেছি তেওঁ আৰু কি কৰিব?

কিন্তু আলপনাই ৰঞ্জিতৰ কথাত যথেষ্ট সাহস পাইছিল। তাই সাহসেৰে সকলো কথা কৈ দিবলৈ যত্ন কৰিলে।

চলিহাৰ গাল-মুখ ৰক্তিম হৈ উঠিল। তেওঁ বুজি পালে, কোনোবাই তাইক কথাবোৰ বুজি পোৱাত সহায় কৰিছে। কিন্তু কোনে? কোনে তাইক ইমান গোপন কথাবোৰ কৈ দিবলৈ সুকণ্ঠা পালে?

ইচ্ছা কৰা হলে চলিহাই সেই বিষয়ে তাইক সুধিব পাৰিলেহেঁতেন; কিন্তু তেনেকুৱা নিজৰেই কিবা বিপদ হব পাৰে বুলি তেওঁ কৌতুহল সম্বৰণ কৰিলে। তাইৰ কথাবোৰ যে সম্পূৰ্ণ অসত্য আৰু তাইৰ বিপদত কোনোবাই কপট সহানুভূতি জনাবলৈ গৈ তাইক ভুল পথে পৰিচালিত কৰিব খুজিছে, সেইটোকে তাইক বুজাবলৈ চেষ্টা কৰি তেওঁ ক'লে, 'তুমি যি শুনিছা আৰু বিশ্বাস কৰিছা সেই সকলোবোৰ ভুল। মোৰ কোনোবা গুপ্ত শত্ৰুৱে তোমাক মোৰ বিৰুদ্ধে উচটাই দি তোমাৰপৰা সুবিধা আদায় কৰাৰ চেষ্টা কৰিছে। যি নহওক, তোমাক ৰক্ষা কৰাৰ উপায় তুমি নিজেই বিচাৰি উলিয়াব পাৰিবা।'

তাৰ পিছত অকস্মাৎ সদয় যেন হঠাতে দয়াৰ প্ৰতিমূৰ্ত্তি হৈ চলিহাই আকৌ ক'লে, ঠিক আছে, তুমি মোৰ ওচৰলৈ আহিছা যেতিয়া তোমাক খুদাহাতে ঘূৰাই পঠোৱা ঠিক নহব। এই টকা কেইটা লৈ যোৱা। অসুবিধাত

পৰিলে আকৌ কেতিয়াবা আহিবা।'

আলপনা গ'লগৈ। কেইদিনমানৰ পিচত আকৌ আহিল। সেইদিনাও চলিহাই তাইৰ হাতত টকা দুশ দিলে। মাতৃহৰনীয়ে কিন্তু অকল টকা নিম বুলিয়েই অহা নাছিল। বস্তিত পিকাই দিয়ামতে তাই এটা বেলেগ কথাও কম বুলি আহিছিল। কথাটো কলেও।

চলিহাই উত্তৰ দিলে—'তোমাক অনুষ্ঠে কিবা এটা সংস্থান লাগিবই; নহলে সদায় এনেকৈ চলিবা কেনেকৈ? ঠিক আছে, মই কি কৰিব পাৰোঁ চাওঁ। সদায় মোৰ ওচৰলৈ আহি থাকিলে মাতৃহেও তোমাক ভাল নুবুলিব।'

কিন্তু মুখেৰে তেনেকৈ ক'লেও চলিহাই আচলতে নিতাইৰ পৰিবাৰৰ বিষয়ে বিশেষ একো চিন্তা কৰা নাই। চিন্তা কৰিবলৈ তেওঁৰ সময় ক'ত?

কিন্তু সেইদিনা আলপনাৰ কথাত তেওঁ সঁচাকৈয়ে বৰ ভয় খালে। মাতৃহৰনীয়ে সঁচাকৈয়ে কথাবোৰ কাবোবাৰপৰা গম পাইছে নেকি? তেওঁৰ কিবা অপকাৰ কৰিব পাৰিব নেকি মাতৃহৰনীয়ে? কিন্তু তেওঁ যে তাইক লগ ধৰিম বুলি কৈছিল?

॥ সাত ॥

১৯৭৯ চন।

দেশৰ অন্যান্য ঠাইৰ দৰে অসমতো সপ্তম লোকসভা নিৰ্বাচনৰ চৰকাৰী প্ৰস্তুতি চলিছে।

সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত নিজৰ নিজৰ প্ৰাৰ্থীৰ অনুমোদন বিচাৰি জনোৱা আবেদন আৰু সেই সংক্ৰান্তত চলা ব্যাপক কাৰ্য-তৎপৰতাই গোটেই দেশতে খলকনি তুলিছিল।

নিৰ্বাচনৰ সেইজাক কোবাল বতাহ অসমতো বলিল।

কিন্তু অসমত ইতিমধ্যেই এটা নতুন জনমত গঢ়ি উঠিছে। বিভিন্ন সূত্ৰৰ পৰা আহি ইয়াত বসবাস কৰিবলৈ লোৱা এক বৃহৎ সংখ্যক অবৈধ অনুপ্ৰৱেশকাৰী, তথা বিদেশীৰ ভোটেৰে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ যোৱাটো সম্পূৰ্ণ অসাংবিধানিক আৰু আপোনঘাতী কাম হব বুলি বিভিন্ন মহলে

নিৰ্বাচনী কৰ্তৃপক্ষৰ ওচৰত আপত্তি জনালে।

কিন্তু চলিহাই সেই কথালৈ ভ্ৰূক্ষেপেই নকৰিলে।

আনকি কোনো কোনো অনুষ্ঠান, বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ প্ৰতিনিধিৰ দ্বাৰাইপৰা অসমৰ প্ৰাৰ্থীসকলে ৰাজ্যখনৰ এটা ভয়াবহ ভবিষ্যতৰ কথা চিন্তা কৰি নিৰ্বাচনত অৱতীৰ্ণ নহবলৈ জনোৱা অনুৰোধো প্ৰত্যাখ্যান কৰিলে। দুজনমানে একান্ত অনিচ্ছাৰে হ'লেও ৰাইজৰ কণ্ঠত সঁহাৰি দিব খুজিছিল; কিন্তু চলিহাই তেওঁলোকক ইতিকিং কৰিলে।

চলিহাই আনকি প্ৰাৰ্থীসকলে স্বইচ্ছাই নিৰ্বাচন বৰ্জন নকৰিলে জোৰকৈ তেওঁলোকক প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰাবলৈ বাধ্য কৰোৱা হ'ব বুলি দিয়া সতৰ্ক বাণীলৈকো ভ্ৰূক্ষেপ নকৰিলে।

কিন্তু ই-কি। নিৰ্বাচনী আয়োগৰ নিৰ্দেশ, গৃহমন্ত্ৰী দপ্তৰৰ সতৰ্ক-বাণী আদি একোলৈকে কৰ্ণপাত নকৰি সদৌ অসমীয়া ৰাইজে দৃঢ়কণ্ঠে ঘোষণা কৰিছে: 'অসোৱাহপূৰ্ণ ভোটাৰ তালিকা সংশোধন নহয় মানে অসমত কোনো নিৰ্বাচন অনুষ্ঠিত হ'ব নোৱাৰে।'

এদিন ৰঞ্জিতেও চলিহাক ক'লেহি—'সময় এতিয়াও উকলি যোৱা নাই দেউতা! ইচ্ছা কৰিলে এতিয়াও আপোনালোকে নিৰ্বাচন স্থগিত ৰখাৰ কাৰণে সমূহীয়া সিদ্ধান্ত লব পাৰে।'

চলিহাই ক'লে, 'তইনো পাগল হৈছ নেকি? নিৰ্বাচনৰ সকলো আয়োজন প্ৰায় সম্পূৰ্ণ, এতিয়া আৰু স্থগিত ৰখাৰ প্ৰশ্ন উঠিব কেনেকৈ? তদুপৰি নিৰ্বাচনটো হৈ যোৱাৰ পিচতো জানো সমস্যাটো সমধান কৰিব পৰা নেযাব?'

ৰঞ্জিতে কাঠ-হাঁহি এটা মাৰি ক'লে, 'দেউতা, ডাক্তৰে ৰোগী চাই উঠি প্ৰেছক্ৰিপচন লিখেনে প্ৰেছক্ৰিপচন লিখি উঠি ৰোগী চায়? তাৰ মানে সমস্যাৰ জটিলতা বুজিবলৈ আপোনালোকে এতিয়াও কোনো চেষ্টা কৰা নাই? অথচ এইবোৰ সমস্যাৰ কঠীয়া এদিন আপোনালোকেই পাৰিছিল।'

প্ৰাণজিতে কিন্তু সেই ক্ষেত্ৰত সম্পূৰ্ণ বেলেগ ভূমিকা গ্ৰহণ কৰিছিল। দেউতাকৰ মনোবল যাতে কোনো ক্ষেত্ৰতে ভাগি নপৰে তাৰ কাৰণে প্ৰাণজিতে অহৰহ চেষ্টা কৰিছিল।

তেওঁ দেউতাকক কৈছিল—'নগাঁৱেটো, বালিচাপৰি, জামতলা, ৰূপহী আদি গাঁৱৰ ৰাইজে আপোনাৰ মুখলৈকে চাই আছে। ভোটাৰ তালিকাৰ

পৰা সিঁইতৰ নামবোৰ বাদ পৰিলে বা নির্ধাৰিত সময়ত নির্বাচন অনুষ্ঠিত নহ'লে সিঁইতে বোলে গণ্ডগোল আৰম্ভ কৰি দিব।'

চলিহাই ক'লে, 'নাই নাই, নির্বাচন নোহোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। মইতো অসমীয়া মানুহ কেইটাৰ ভোটৰ ওপৰত আশা কৰি নির্বাচন খেলিবলৈ ওলোৱা নাই। সিঁইতে মোক ভোট নিদিলেও হব। নগাভেটা, বালিচাপৰি আদি ১৪/১৫ খন গাওঁ আৰু সিফালে সুৰঞ্জন মাইতি, ভূপতি ঘোষালহঁতৰ গোটেই এলেকাটো মোৰ হাতৰ মুঠিত আছে। সিঁইতৰ ভোটেৰেই মই জিকি যাম।'

তথাপি নিজৰ ৰবীয়া সকলো বন্দবস্ত পকা কৰিবলৈ চলিহা আকৌ এবাৰ দিল্লীলৈ যাবলগীয়া হ'ল।

দুদিন পিচত দিল্লীৰপৰা উলটি আহি চলিহাই কিন্তু অসমত এটা নতুন পৰিস্থিতি দেখিবলৈ পালে। বিদেশী নাগৰিকৰ প্ৰশ্ন লৈ অসমৰ ইমূৰৰপৰা সিমূৰলৈকে যেন তোলপাৰ লাগি গৈছে। জাতি-বর্ণ-ধর্ম-সম্প্ৰদায়ৰ আবেগিক দ্বন্দ্ব পাহৰি গৈ সকলোৱে যেন একেমুখে চিঞৰি উঠিছে: 'আমাক যি সকলে ভুৱা দেশপ্ৰেমেৰে প্ৰবঞ্চনা কৰিলে, শোষণ কৰিলে, আমাৰ মুখৰ ভাত কাঢ়ি নি আনক খুৱালে, ঘেটি-মাটি, পথাৰৰ শস্য আনক বিলালে, সেইসকল মহান 'দেশপ্ৰেমিক'ক আমি চিনি পাইছোঁ।'

চলিহাক বেছি ক্ষুব্ধ, বেছি ক্ৰোধান্বিত কৰি তুলিলে আন এটা নতুন অৱাঞ্ছনীয় খবৰে: নির্বাচন স্থগিত ৰখাৰ দাবীত ইতিমধ্যে একাধিক বন্ধ, প্ৰতিবাদ দিৱস, কৰ্ম-বিৰতি দিৱস আৰু দীঘলীয়া গণ-সমাবেশকে ধৰি অসংখ্য বন্ধ আৰু বিক্ষোভ পালন কৰাৰ পিচত এইবাৰ আকৌ ৰাজ্যৰ সমূহ কর্মচাৰী আৰু বিষয়াসকলে হেনো ঘোষণা কৰিছে--নির্বাচন সম্পৰ্কীয় কোনো কামত তেওঁলোকে চৰকাৰক সহায় নকৰে।

আন এটা দুঃসংবাদ: নির্বাচন সাময়িকভাৱে স্থগিত ৰখাৰ সন্দৰ্ভত যিহেতু অসমৰ কোনো এজন নেতাই, কোনো এজন প্ৰাৰ্থীয়ে ৰাইজক সঁহাৰি নিদিলে, চৰকাৰেও সেই ক্ষেত্ৰত নির্বিকাৰ ভূমিকা গ্ৰহণ কৰি থাকিল, গতিকে ৰাইজ তথা দেশৰ স্বাৰ্থ ৰক্ষাৰ বাবে মনোনয়ন-পত্ৰ দাখিলৰ দিনকেইটাত ছাত্ৰ আৰু ৰাইজে প্ৰাৰ্থীসকলৰ বাসভৱনে ঘেৰাও কৰি ৰাখিব—যাতে কোনো ক্ষেত্ৰতেই তেওঁলোক বাহিৰ ওলাই যাব নোৱাৰে।

পিচৰ খবৰটোৱে মানবেন্দ্ৰ চলিহাক বেছি সন্ত্ৰস্ত কৰি তুলিলে। অসলো

সময় নষ্ট নকৰি তেওঁ প্ৰশাসনীয় বিষয়াবৰ্গ আৰু পুলিচৰ উচ্চতম বিষয়া-সকলক লগ ধৰি সেই ক্ষেত্ৰত তেওঁলোকে তেওঁক কি ধৰণে সহায় কৰিব পাৰিব সেই সম্পৰ্কে খৰচি মাৰি আলোচনা কৰিলে। সকলোৱে তেওঁক নিশ্চিন্ত থাকিবলৈ পৰামৰ্শ দিলে যদিও তেওঁলোকৰ মৌখিক প্ৰতিশ্ৰুতিত চলিহা সম্পূৰ্ণ আশ্বস্ত হব নোৱাৰিলে। যদি কিবা কাৰণত তেওঁলোক নিজৰ কৰ্তব্য পালনত ব্যৰ্থ হয়?

উচ্চপদস্থ পুলিচ বিষয়া জীৱন কৌৰ আৰু প্ৰাণজিতে আগবঢ়োৱা বিকল্প পৰামৰ্শটো চলিহাৰ বেছ মনত লাগিল। চলিহাৰ সংকট দূৰ কৰিবৰ বাবে তেওঁলোক দুজনে বহুত গমি-পিটি চাই সেই বুদ্ধিটো আৱিষ্কাৰ কৰিছিল।

ভাষাৰ মাধ্যম লৈ চলা ছাত্ৰ-আন্দোলনৰ পটভূমিত অসমত ইতিমধ্যে ব্যাপকৰূপে সাম্প্ৰদায়িক অশান্তি সৃষ্টি হৈ গৈছে। অসমৰ বঙলাভাষী বাইজ তথা খলুৱা লোকৰ মাজত এতিয়াও ঠায়ে ঠায়ে সন্দেহ আৰু তিক্ততাৰ ভাব সঞ্চাৰিত—যাৰ ফলত সেই দিনা লামডিং নে ক'ত এজন নিৰীহ পুলিচ কৰ্মচাৰীৰ কৰুণ মৃত্যু ঘটিল। আৰু বহুতো অবাঞ্ছনীয় নৃশংস ঘটনা ঘটি গৈছে। ৰূপানগৰ আৰু তাৰ আশে-পাশেও বিক্ষিপ্তভাৱে তেনে দুই-এটা ঘটনা ঘটি গৈছে।

এতিয়াও যদি তেনে এটা অশান্তি কিবা প্ৰকাৰে সৃষ্টি কৰি দিব পৰা যায়...

প্ৰাণজিতে চলিহাক ক'লে 'আপোনাৰ হাতত এপাট সুন্দৰ অস্ত্ৰ আছে লেউতা! আপুনি যদি তাক ঠিকমতে প্ৰয়োগ কৰিব পাৰে তেন্তে তাৰ দ্বাৰা বহুত কাম হব।'

চলিহাই কথাটো বুজাই কবলৈ কোৱাত প্ৰাণজিতে ক'লে, 'হাসিন আমাৰ ঘৰত বহুতদিন থাকিলেও তাৰ মনত এটা অজান সংশয় সদায়ে আছে; যিহেতু সি মুছলমান। তাতে যথোচিত ভাৰতীয় নাগৰিকত্বৰ প্ৰমাণ-পত্ৰও পোৱা নাই। গতিকে তাকে শিখণ্ডীৰূপে লৈ এটা খেল খেলি চোৱাত অসুবিধা নাই।'

চলিহাক আৰু কবলগীয়া নহল। বাকীখিনি তেওঁ নিজেই ঠিক কৰি ললে। নিজৰ গোপন অভিপ্ৰায়ৰ কথা লেশমানো প্ৰকাশ হ'বলৈ নিদি তেওঁ আন্দোলনটোৰ এটা বিকৃত ব্যাখ্যা হাসিনৰ আগত দাঙি ধৰি তাৰ মন সন্দেহ, সংশয় আৰু দুশ্চিন্তাৰে ভৰাই তুলিলে। প্ৰকাৰান্তৰে, তেওঁ নিতাই সৰকাৰৰ কথাও ক'লে।

নিজৰ অন্নদাতা প্ৰভুৰ মুখত শুনা আসন্ন ভৱিষ্যতৰ গভীৰ সংশয় আৰু নিৰাপত্তাহীনতাই হাসিনক অকল চঞ্চলেই নহয়, বিভ্ৰান্তও কৰি তুলিলে। পৰম অসহায়ভাৱে সি চলিহাৰ মুখলৈ চালে। চলিহাই তাৰ মনৰ অৱস্থা বুজি পালে। ভাল বুজি তেওঁ তাক প্ৰৰোচিত কৰিলে নিতাই সৰকাৰৰ ওপৰত প্ৰতিশোধমূলক ব্যৱস্থা লবলৈ।

চলিহাৰ ইঙ্গিত মতেই হাসিনে ইউছুফক লগ ধৰিলে।

হাসিনৰ কথাত ইউছুফো শঙ্কিত আৰু সন্ত্ৰস্ত হ'ল। তাতে হাসিনে দেখুওৱা টকাৰ প্ৰলোভনে তাক উত্তাৱল কৰি তুলিলে। নিতাইক হত্যা কৰাটো তাৰ বাবে অনন্য প্ৰয়োজনীয় কথা হৈ পৰিল।

॥ আঠ ॥

গোটেই ৰাজ্যজুৰি বিয়পি পৰা এটা অশান্তিজনক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ অন্যান্য ঠাইৰ দৰে ৰূপানগৰ অঞ্চলতো সাধাৰণ সতৰ্কতামূলক ব্যৱস্থা হিচাপে জিলা কৰ্তৃপক্ষই ১৪৪ ধাৰা নিষেধাজ্ঞা জাৰি কৰি থৈছিল। নিতাই সৰকাৰৰ দোকানত ঘটা সেই হিংসাত্মক ঘটনাৰ পিচত ইয়াত অনির্দিষ্ট কালৰ বাবে সান্ধ্য আইন জাৰি কৰা হ'ল।

অকল সেয়ে নহয়, ভিতৰৰ উত্তেজনা যাতে কোনো স্বৰূপে গা কৰি উঠিব নোৱাৰে তাৰ বাবেও স্থানীয় কৰ্তৃপক্ষ বিশেষভাৱে সতৰ্ক হৈ থাকিল।

সেই ব্যৱস্থাই অইনৰ মনত যেনে ধৰণৰ প্ৰতিক্ৰিয়াই সৃষ্টি নকৰক, মানবেন্দ্ৰ চলিহাৰ মন কিন্তু এক অভাৱনীয় অনুভূতিত উজ্জ্বল হৈ উঠিল। নুঠিব কিয় ? এই পৰিস্থিতিৰ আচল নায়ক যে তেৱেঁই।

কিন্তু ই-কি! দিনে-নিশাই সান্ধ্য আইন বলবৎ থকা সত্বেও আন্দোলনকাৰীসকলৰ মনোবল অকণো ভগা নাই। নিৰ্ধাৰিত দিনবোৰত তেওঁৰ ঘৰ অৱৰোধ কৰি ধৰ্ণাৰ সংকল্প লৈহঁতে অব্যাহত ৰাখিছে।

চলিহাৰ পেটে-পেটে বৰ খং উঠিল। চিন্তাও লাগিল। চিন্তা লাগিল আইন কাৰণত নহয়; ৰক্ষিত আৰু পঙ্কজৰ কাৰণেহে। কাৰণ নিতৌ ৰাতিপুৱাৰপৰা দুই-এঘন্টাৰ বাবে সান্ধ্য আইন শিথিল কৰি দিলেও দিনটোৰ সৰহভাগ সময় অঞ্চলটো সান্ধ্য আইনৰ কবলত থাকে। ৰূপানগৰৰ কেৰাজলো

বিশিষ্ট নাগৰিকৰ লিখিত আবেদনৰ প্ৰতি সঁহাৰি জনাই কৰ্তৃপক্ষই দিনৰ ভাগত দুঘন্টাৰ বাবে সান্ধ্য আইন শিথিল কৰি দিবলৈ মান্তি হৈছে যদিও ১৪৪ ধাৰা সম্পূৰ্ণ অব্যাহত থাকিল।

তেনেহলে সান্ধ্য আইন উলংঘা কৰি অৱৰোধ কাৰ্য্য অব্যাহত ৰাখিব কেনেকৈ ? অথচ ৰঞ্জিত-বেগমিন-ছাইদুল-পঙ্কজাইতৰপৰা তেওঁ পৰিষ্কাৰকৈ গম পাইছে—সান্ধ্য আইন উলংঘা কৰি হ'লেও সিইঁতে অৱৰোধ কাৰ্য্য চলাই যাব।

সেই ক্ষেত্ৰত আঞ্চলিক ছাত্ৰ সংগঠনৰ সম্পাদক ৰঞ্জিতক সকলোতকৈ বেছি উৎসাহিত হৈ উঠা দেখা গ'ল।

এটা অবাঞ্চনীয় পৰিস্থিতিৰ অশুভ পৰিণতিৰপৰা ৰঞ্জিত আৰু পঙ্কজক ৰক্ষা কৰিবলৈ চলিহাই উপায় চিন্তা কৰিলে। বাকীবোৰৰ যি হয় হব, তেওঁৰ ল'ৰা-ছোৱালীহালৰ কোনো অঘটন নঘটিলেই হ'ল।

ইতিমধ্যে ৰাইজৰ দাবীত বিৰোধী পক্ষৰ কেবাজনো প্ৰাৰ্থীয়ে মনোনয়ন দাখিল নকৰাৰ সিদ্ধান্ত ৰাজহুৱাভাৱে ঘোষণা কৰিছিল। চলিহাৰ দলৰো দুজনমানে একে সিদ্ধান্তকে লৈছিল।

কিন্তু চলিহা অ'লে অটল। পূৰ্বৰ সিদ্ধান্তৰপৰা তেওঁ এক বিন্দুও লৰচৰ হোৱা নাই। সেয়ে বাকী কেইজন প্ৰাৰ্থীলৈ আঙুলিয়াই ৰঞ্জিত আৰু পঙ্কজাই তেওঁক ক'লে, 'সময় এতিয়াও পাৰ হৈ যোৱা নাই দেউতা। অসমীয়া মানুহ-খিনিৰ ভবিষ্যতৰ কথা এবাৰ চিন্তা কৰি চাওক। আমাৰ বিশ্বাস, বাকী কেইজন প্ৰাৰ্থীয়েও আপোনাৰ পিছতীয়া সিদ্ধান্তলৈকে বাট চাই আছে।'

পত্নী অসীমায়ো চলিহাক অনুৰোধ কৰিছিল : 'গোটেই ৰাইজখনৰ বিৰুদ্ধে গৈ আপুনি কি ৰাজভোগটো খাবগৈ ? ৰাইজতকৈ ৰাজনীতি ডাঙৰ নহয়। নিজৰ মানুহখিনিক অসন্তুষ্ট কৰি পাৰ জোৰেৰে কিবা এটা কৰিবলৈ যোৱাৰ পৰিনাম কেতিয়াও ভাল হব নোৱাৰে।'

চলিহাই ভেকাহি মাৰি ক'লে, 'তুমি মাইকী মানুহজনীয়ে এইবোৰ কথা লৈ ইমান মূৰ ঘমাব লাগিছে কিয় ? তুমি নেজানা নেকি, মানবেন্দ্ৰ চলিহাই সিদ্ধান্ত সদায় এবাৰেই লয়।'

চলিহানীয়ে নিৰুপায় হৈ ক'লে, 'তেতিয়াহলে ৰঞ্জু আৰু পঙ্কজাৰ অৱস্থা কি হব ? এই কেইদিন পুলিচ অফিচাৰ কেইজনৰ লগত আপুনি যি গুজগুজীয়া মেল পাতিছে তাৰপৰা অনুমান হৈছে কিবা এটা ডাঙৰ অঘটনেই ঘটিব।'

কিন্তু প্ৰাণজিতে কোনো মুহূৰ্ত্ততে দেউতাকক নিৰুৎসাহ হবলৈ দিয়া নাছিল। তেওঁৰ দৃঢ় বিশ্বাস আছিল—পুলিচ বাহিনীটো হাতত আছে যেতিয়া দেউতাকৰ উদ্দেশ্য সফল হবই। কিন্তু… …

॥ ন ॥

সান্ধ্য আইনৰ কটকটীয়া ব্যৱস্থাৰ মাজতো ল'ৰাইতে পৰম নিষ্ঠাৰে, পৰম উৎসাহেৰে নিজৰ কাৰ্য্য সম্পাদন কৰি গৈছিল।

মনোনয়ন দাখিলৰ প্ৰথম দিনটোৰপৰা তৃতীয় দিনালৈকে ছাত্ৰ-ছাত্ৰীইঁতে অশেষ কষ্ট ভোগ কৰিবলগীয়া হ'ল। কাৰণ ৰাতিপুৱা ছঘন্টাৰ বাবে সান্ধ্য আইন শিথিল থকা সময়খিনিৰ বাহিৰে বাকীছোৱা সময় চলিহাৰ চৌহদৰপৰা বাহিৰ ওলোৱাৰ কোনো উপায় নাই। চৌহদৰ বাহিৰত চাৰিওফালে, আনকি গেটৰ মুখতো সশস্ত্ৰ পুলিচ, চি-আৰ-পিৰ চোকা পহৰা। বাহিৰ ওলালেই বিপদ। চৌহদৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীইঁতে খোৱা-লোৱা, বিশ্ৰাম আদি সমাধা কৰিবলগীয়া হৈছিল।

ডিচেম্বৰ মাহৰ উৎকট জাৰ আৰু কুঁৱলীয়েও অৱৰোধকাৰীসকলৰ মনোবল আৰু দেহবল ক্ষুন্ন কৰিব পৰা নাছিল। কিন্তু তৃতীয় দিনা?

আগৰেপৰা 'চলিহা ভৱন'লৈ সঘনে অহা-যোৱা কৰি থকা উচ্চপদস্থ পুলিচ বিষয়া জীৱন কৌৰৱ আৰু টেলিফোন যোগে চলিহা আৰু প্ৰাণজিতৰ সতে যোগাযোগ কৰি থকা জিলা দণ্ডাধীশ বিবেকানন্দ চলিহা—দিনৰ ঠিক এক বজাত 'চলিহা ভৱন'ৰ গেটৰ মুখত উপস্থিত হ'লহি। অকলে নহয়, লগত আৰু কেবাজনো পুলিচ কৰ্মচাৰী আৰু বন্দুকধাৰী চিপাহী।

গাড়ীৰপৰা নামিয়েই দণ্ডাধীশ চলিহাই সমবেত ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দেশ দিলে—'তোমালোকক এই ঠাই এৰি যাবলৈ দহ মিনিট সময় দিয়া হ'ল। দহ মিনিটৰ পিচত আমি আৰু চাই নাথাকোঁ।'

কিন্তু দহ মিনিটৰ ঠাইত বিশ মিনিট পাৰ হৈ গ'ল। নিমানতো অৱ-ৰোধকাৰী ছাত্ৰ-ছাত্ৰীসকলে সেই ঠাই ত্যাগ কৰাৰ কোনো লক্ষণ নেদেখুৱালে। অধৈৰ্য্য আৰু অপ্ৰতিভ হৈ চলিহা আৰু কৌৰৱে পুনৰ হুংকাৰ দিলে। নিমানতো সবাইতে অলৰ-অচৰ হৈ থকা দেখি তেওঁলোকে আৰু সময় নষ্ট কৰিব

হুখুজিলে! শেষবাৰৰ কাৰণে এবাৰ সতর্ক-বাণী শুনাই তেওঁলোকে পৰিকল্পিত ভাবে নিজৰ কাম কৰি গ'ল।

প্ৰথমে বন্দুৰা গেছ প্ৰয়োগ, তাৰ পিচত লাঠী চালনা। দুয়োটাতে বহুতো ছাত্ৰ-ছাত্ৰী আহত হ'ল। পুলিচৰ দল তাতো ক্ষান্ত নহ'ল। আহত অৱস্থাতেই বহুতো ছাত্ৰ-ছাত্ৰীক আটক কৰিলে।

অশুভ খবৰটো চহৰৰ চাৰিওফালে বিয়পি পৰিবলৈ বেছি সময় নেলাগিল। পুলিচৰ সেই নিন্দনীয়, অগণতান্ত্ৰিক কাৰ্য্যৰ প্ৰতিবাদ কৰিবলৈ নগৰ আৰু চুবুৰীয়া গাঁৱৰ বিভিন্ন প্ৰান্তৰপৰা জাকে জাকে ডেকা-গাভৰু, মুনিহ-তিৰোতা চলিহাৰ ঘৰৰ ফালে আগুৱাই আহিল। ১৪৪ ধাৰা নিষেধাজ্ঞা সাধাৰণ কথা, দুৰ্লংঘ্য সান্ধ্য আইনলৈকো কেৰেপ নকৰি মানুহবোৰ গুড়ি-পৰুৱাৰ দৰে জাকে জাকে লানি পাতি বাজআলিলৈ ওলাই অহা কাৰ্য্যই সকলোকে স্তবধ মনালে।

কোনো ধৰণৰ অশান্তিজনক পৰিস্থিতি সৃষ্টি নকৰাকৈ কেৱল মুখেৰে ধ্বনি দি দি আগুৱাই অহা সমদলটোক বাধা দিবলৈ পুলিচে অৱশ্যে সাধাৰণভাবে চেষ্টা নকৰাকৈ থকা নাছিল। কিন্তু তাতকৈ বেছি আগবাঢ়িবলৈ পুলিচ বিভাগ সক্ষম নহ'ল।

আইন-শৃংখলাৰ পৰিস্থিতিৰ বিশেষ অৱনতি নঘটিলে পুলিচে সততে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। তথাপি আইন ভঙ্গকাৰী জনতাক বাধা দিবলৈ যাওঁতে ঠায়ে ঠায়ে দুই-এটা অপ্ৰীতিকৰ ঘটনা নঘটাকৈ নাথাকিল। দুই-এঠাইত লাঠী চালনাও হ'ল। বহুতকে গ্ৰেপ্তাৰো কৰিলে।

মানবেন্দ্ৰ চলিহাৰ চৌহদৰ বাহিৰে-ভিতৰে লোকে লোকাৰণ্য হ'ল। ক'ৰপৰা যে ইমানবোৰ মানুহ ওলাই আহিল, কাৰ ইঙ্গিতত কঠোৰ চৰকাৰী আইন ভঙ্গ কৰিবলৈ সাহস কৰিলে, কোনেও একো বুজিব নোৱাৰিলে।

ৰাইজৰ সমূহীয়া শক্তিৰ ওচৰত হাৰ মানিয়েই হওক বা যি কাৰণেই হওক, পৰিস্থিতিৰ দোমোজাত পৰি জিলা দণ্ডাধীশে সান্ধ্য আইন প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হ'ল।

কিন্তু অৱৰোধ?

অৱৰোধ-কাৰ্য্য একেদৰেই চলি থাকিল। ঠিক সিও নহয়, এইবাৰ অৱৰোধ কাৰ্য্যত ছাত্ৰ-ছাত্ৰীৰ লগত ৰাইজেও সহযোগ কৰিলে।

চলিহাৰ ভীষণ অস্বস্তি লাগিল। তেওঁ দণ্ডাধীশৰপৰা সাধাৰণ পুলিচ

কৰ্মচাৰীজনলৈকে সকলোকে কটু ভাষাৰে গালি পাৰিলে। কাৰোবা কাৰোবাক চাকৰিৰ মূদা মাৰিম বুলিও হুমিয়ালে।

চলিহাৰ খং কিছু পাতলিলত চলিহানীয়ে আকৌ ক'লে, 'আপুনি মিছামিছিকৈ জেদ ধৰি আছে কিয় ? ইমান বাধা-বিঘিনি অতিক্ৰম কৰি আপুনি গেটৰ বাহিৰলৈকে বা যাব কেনেকৈ ? বাদ দিয়ক, ভাল-কুশলে থাকিলে পিচতো কিবা এটা কৰিব পাৰিব। নিৰ্বাচন তো আৰু নহৈ নাথাকে।'

চলিহাৰ কিন্তু একেই উত্তৰ: 'মানবেন্দ্ৰ চলিহাই সিদ্ধান্ত সদায় এবাৰেই লয় অসীমা ! মই আজিলৈকে ক'তো বিফল হোৱা নাই ; ক'তো পৰাজিত হোৱা নাই। দৰকাৰ হলে হাতত বন্দুক লৈ হলেও মই ঘৰৰপৰা ওলাই যাম। মাত্ৰ আৰু এটা দিন বাট চাই ছোঁ। পৰহিলৈ নমিনেচন ছাবমিটৰ শেষ দিন।'

পঙ্কজাই ক'লে, 'ৰাইজক অবুজ্ঞা বা প্ৰতাৰণা কৰাতকৈ ৰাইজক সন্মান কৰাটোহে বেছি ভাল কথা দেউতা। তাৰপৰা কিজানি আপোনাৰ মঙ্গলেই হব।'

ৰশ্মিতে ক'লে, 'আপুনি যে ভয়ংকৰ জেদী, অহংকাৰী আৰু স্বাৰ্থপৰ মানুহ সেইটো সকলোৱে জানে দেউতা। ৰাইজৰ বুকৰ ওপৰেদি খোজ কাঢ়ি যোৱাৰ দুঃসাহসো আপোনাৰ আছে। কিন্তু এই ক্ষেত্ৰত দুঃসাহসতকৈ ৰাইজৰ আশীৰ্বাদেহে আপোনাৰ পথ সুগম কৰিব।'

প্ৰাণজিতে ক'লে, 'মই এতিয়াই বোমা এটা ফুটাই দি মানুহবোৰক ছেদেলিভেদেলি কৰি দিব পাৰোঁ। কিন্তু শুভ কাম এটা আগত লৈ অন্যায়ক প্ৰশ্ৰয় দিয়া ভাল নহয় কাৰণেহে সিহঁতৰ আলেখ-লেখ চাই আছোঁ। কাইলৈকো যদি পুলিচে একো কৰিব নোৱাৰে তেন্তে মই নিজেই কিবা এটা কৰিম।'

পিছে প্ৰাণজিতে একো কৰিবলগীয়া নহ'ল ; যি কৰিবলৈ আছিল চলিহাৰ শুভাকাংক্ষীসকলেই কৰিলে।

পিচদিনা দিনৰ বাৰমান বজাত পুলিচৰ দল লৈ জিলা দণ্ডাধীশ মিঃ চলিহা আৰু 'চলিহা ভৱন'ৰ সমুখত হাজিৰ হ'ল। দণ্ডাধীশ আৰু পুলিচ বিষয়া কেইজনক দেখিয়েই ৰশ্মিহঁতে বুজিলে—আজি শেষৰ এজাত। নহলে তিনি-চাৰি গাড়ী ৰাইফলধাৰী পুলিচৰ দৰকাৰ নাছিল।

এটা শান্তিপূৰ্ণ পৰিবেশৰ মাজত চলিহাৰ বাসভৱন ঘেৰাও কৰি থকা ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ ৰাইজৰ সমাবেশটোত এটা বিশৃংখলা আৰু সন্ত্ৰাসৰ

ভাৱ সৃষ্টি কৰি দিবলৈকে দণ্ডাধীশে সমাবেশৰ সমুখত থিয় হৈ ক'লে, 'বাইজ, দহ মিনিটৰ ভিতৰত যদি আপোনালোকে এই ঠাই পৰিত্যাগ নকৰে তেন্তে আমি যিকোনো কঠোৰ ব্যৱস্থা লবলৈ বাধ্য হম। কাৰণ আপোনালোকে জনা উচিত, আপোনালোকে যি কাম কৰিছে সি সম্পূৰ্ণ যুক্তিহীন, অমানবীয় আৰু অগণতান্ত্ৰিক। দেশৰ এজন আগশাৰীৰ নেতাক, এজন গণ্য মান্য বিশিষ্ট নাগৰিকৰ ঘৰ এইদৰে অৱৰোধ কৰি ৰাখি, তেওঁক তথা তেখেতৰ পৰিয়ালবৰ্গক অশেষ মানসিক অশান্তি দি আপোনালোকে ঘোৰ অন্যায় কৰিছে। ডাঙৰ অপৰাধ কৰিছে। গতিকে আমি ভালেৰে কৈছোঁ আপোনালোক ইয়াৰপৰা আঁতৰি যাওক। দহ মিনিটৰ ভিতৰত ইয়াৰপৰা আঁতৰি নগলে আমি আইনমতে যি কৰিব লাগে তাকেই কৰিম।'

সমাবেশৰ একেবাৰে আগ শাৰীত আছিল ৰঞ্জিত, পঙ্কজা, বেঞ্জামিন, ছাইফুল, হৰিদাস ললিত আৰু কৃপাঞ্জলীহঁত। দলটোৰ হৈ বেঞ্জামিনেই প্ৰথমে মাত লগালে—'আপোনালোকে যি ব্যৱস্থাই নলওক, আমি ইয়াৰপৰা নাতৰোঁ। কাৰণ আমি যি কৰিছোঁ ন্যায়সঙ্গত কামেই কৰিছোঁ। মনোনয়ন দাখিলৰ সময় উকলি নোযোৱালৈ পাৰ্থ চলিহাদেৱক আমি ঘৰৰপৰা ওলাবলৈ নিদিওঁ।'

দণ্ডাধীশৰ ফালৰপৰা সেই কথাৰ প্ৰতিবাদ কৰা হ'ল। ৰাইজেও সেই প্ৰতিবাদৰ সমুচিত উত্তৰ দিলে। তৰ্ক বাঢ়ি গ'ল।

এটা সময়ত আন এজন পুলিচ বিষয়াৰ সৈতে জীৱন কোঁৱৰ চলিহাৰ ঘৰত সোমাল। প্ৰাণজিত আৰু চলিহাৰ সৈতে তেওঁলোকে থিতাতে কিবা এটা আলোচনা কৰিলে। তাৰ পিচত তেওঁলোক ওলাই গৈ দুজন পুলিচ কৰ্মচাৰীক ইঙ্গিতেৰে কিবা ক'লে। কেইঘণ্টামান ভিতৰ সোমাল।

ইতিমধ্যে দণ্ডাধীশ আৰু আন এজন প্ৰশাসনীয় বিষয়াই সমাবেশটোত এটা উত্তেজনা সৃষ্টি কৰিবৰ কাৰণে কিছুমান অবাস্তৱ, অপ্ৰাসঙ্গিক কথাৰ অৱতাৰণা কৰিছিল। যাৰ ফলত শান্তিপূৰ্ণ সমাবেশটোত এটা বিশৃংখলাজনক বাতাবৰণে গা কৰি উঠিবলৈ চেলু বিচাৰিলে।

দহ মিনিটৰ ঠাইত পোন্ধৰ মিনিট সময় যেতিয়া উকলি গ'ল তেতিয়া দণ্ডাধীশে পুলিচ বাহিনীক সমাগত কৰ্তব্যৰ প্ৰতি সক্ষম হবলৈ নিৰ্দেশ দিলে। ইতিমধ্যে দুজন পুলিচ বিষয়াই দণ্ডাধীশৰ নিৰ্দেশৰ বাবে অপেক্ষা কৰি আছিল। নিৰ্দেশ পোৱাৰ লগে লগে তেওঁলোক প্ৰায় উন্মাদলেই হৈ উঠিল।

কোনোফালৰপৰা কোনো এজন যাতে পলাই সাৰিব নোৱাৰে তাৰ বাবে পুলিচ আৰু চি-আৰ-পি বাহিনীৰ দ্বাৰা তৎক্ষণাতে এটা বেহু ৰচনা কৰি অৱৰোধকাৰীসকলক তেওঁলোকে আগুৰি ধৰিলে। লগে লগে আৰম্ভ হৈ গ'ল লাঠীচালনা আৰু গ্ৰেপ্তাৰ।

বোধহয় মানবেন্দ্ৰ চলিহাৰ পৰামৰ্শক্ৰমেই ৰঞ্জিত আৰু পঙ্কজাকে ধৰি তিনি-জন ছাত্ৰ আৰু দুজনী ছাত্ৰীক প্ৰথমে গ্ৰেপ্তাৰ কৰি লোৱা হ'ল। গ্ৰেপ্তাৰ কৰি তেওঁলোকক পোনে পোনে গাড়ীলৈ নৈ যোৱা হ'ল। গাড়ীৰে লৈ যোৱা হ'ল ক'ৰবালৈ।

গাড়ীলৈ আগবঢ়াই লৈ যোৱা হৈছিল মানবেন্দ্ৰ চলিহাকো।

অৱৰোধকাৰীসকলৰ ওপৰত লাঠী, বেয়নেট আৰু গ্ৰেপ্তাৰেৰে ব্যাপক সন্ত্ৰাসৰ ৰাজত্ব চলাই থকা সময়তে এদল পুলিচৰ দ্বাৰা পৰিবেষ্টিত কৰি জীৱন কৌৰৱ-হঁতে মানবেন্দ্ৰ চলিহা আৰু প্ৰাণজিতক ঘৰৰপৰা উলিয়াই লৈ গৈছিল।

জীৱন কৌৰৱ আৰু আনজন পুলিচ বিষয়াই নিশ্চয় ভাবিছিল—চলিহাক কিবা প্ৰকাৰে উলিয়াই নি দণ্ডাধীশৰ গাড়ীত বহুৱাই দিব পাৰিলেই তেওঁলোকৰ জয় সুনিশ্চিত হব, অৰ্থাৎ অৱৰোধকাৰীহঁতৰ কৱলৰপৰা মুক্ত কৰি তেওঁক চৌহদৰ বাহিৰ উলিয়াই নিব পাৰিলেই বাকীখিনি কাম অচিৰেই সমাধা হৈ যাব।

কিন্তু তেওঁলোকে আশা কৰামতে সেই কাম সম্পন্ন কৰা সহজ নহ'ল। জীৱন কৌৰৱৰ দলটোৰ দ্বাৰা আবৃত হৈ চলিহা আৰু প্ৰাণজিত গেটৰ মুখ নৌ পাওঁতেই বেঞ্জামিন আৰু ছাইহুলকে ধৰি পুলিচৰ আক্ৰোশমূলক আক্ৰমণৰপৰা তেতিয়াও গা বচাই থকা কেইটামান ল'ৰাই জীৱন কৌৰৱৰ দলটোক আগ-ভেটি ধৰিলে। সিহঁতক ওকৰাই দিবলৈ জীৱন কৌৰৱৰ দল হিংস্ৰ হৈ উঠিল। দণ্ডাধীশ চলিহায়ো নিজৰ ক্ষমতাৰে যিমানখিনি পাৰিলে কৰিলে। কিন্তু কোনোজনেই কৃতকাৰ্য্য নহ'ল।

অৱশেষত পাশৱিক শক্তিৰে বেঞ্জামিন-ছাইহুলহঁতক মহতিয়াই জীৱন কৌৰৱৰ দল আগবাঢ়ি গ'ল। প্ৰবল বাধা অতিক্ৰম কৰি গেট পাৰ হ'ল। কিন্তু তাৰ পিচতেই ঘটিল চৰম বিপৰ্য্যয়।

॥ দুই ॥

লাঠীৰ কোব আৰু বেয়নেটৰ খোচত বেয়াকৈ ঘূণীয়া হোৱা আৰু আহত হোৱা কেইজনৰ বাহিৰে প্ৰায় গোটেই সমাবেশটোৱে ডি-এছ-পি কোঁৱৰ চাহাবৰ দলটোক আগুৰি ধৰিলে। প্ৰবল বাধা মষিমূৰ কৰি ডি-এছ-পি চাহাবৰ দল এটা সময়ত গাড়ীত উঠিবলৈকো সমৰ্থ হ'ল।

আগে-পাচে সশস্ত্ৰ চিপাহী দি চলিহা আৰু প্ৰাণজিতক দণ্ডাধীশৰ গাড়ীত তুলি দি আন দুজন বিষয়াৰ সতে ডি-এছ-পি কোঁৱৰ চাহাব নিজৰ জীপত উঠিল। ৮ নম্বৰস্তু পাহিল, মনোনয়ন দাখিল কৰি দণ্ডাধীশৰ গাড়ীতেই চলিহা আকৌ ঘূৰি আহিব।

দণ্ডাধীশৰ গাড়ীখন আছিল সকলোৰে আগত। সেইখন পিচুৱাই আন এখন গাড়ী আগত দিবলৈ তেতিয়া সময় নাছিল। সুবিধাও নাছিল। কাৰণ মানুহবোৰে ইতিমধ্যে তেওঁলোকৰ গাড়ী আগুৰি ধৰিছিলেই।

সকলো ঠিক-ঠাক হোৱাৰ পিচত দণ্ডাধীশে গাড়ী ষ্টাৰ্ট দিবলৈ পুলিচ ড্ৰাইভাৰক নিৰ্দেশ দিলে। কিন্তু পুলিচ-ড্ৰাইভাৰ প্ৰেমকান্ত নিৰ্বিকাৰ। ইমান-বোৰ মানুহে, ছাত্ৰ-ছাত্ৰীয়ে আগুৰি থকা অৱস্থাত সি গাড়ী চলাব কেনেকৈ? কেনি চলাব?

ইপিনে বাট ভেটি ধৰা ছাত্ৰ-ছাত্ৰী আৰু ৰাইজ কঠোৰ কণ্ঠে চিঞৰি উঠিছে—'চলিহা চাহাব থকা গাড়ী আমি যাবলৈ নিদিওঁ। যদি যাব খুজিছে আমাৰ গাৰ ওপৰেদি যাওক।' সেয়া বেঞ্জামিন আৰু ছাইদুলৰ মাত।

ল'ৰাহঁতৰ দৃঢ়তা দেখি আগৰপৰাই খঙত উতলি থকা দণ্ডাধীশ বিবেকানন্দ চলিহা এইবাৰ বাৰুদৰ দৰে জ্বলি উঠিল। তেওঁ কঠোৰ স্বৰত সতৰ্ক-বাণী শুনালে—'তোমালোকৰ উদণ্ডালি মই বহুত সহ্য কৰিলোঁ, আৰু নকৰোঁ। যদি প্ৰাণলৈ মায়া আছে তেন্তে তৎক্ষণাৎ ৰাস্তা এৰি দিয়া। মই কি কৈছোঁ শুনিছানে নাই?'

এইবাৰ ছোৱালীহঁতৰ মাজৰপৰা বেঞ্জামিনৰ বায়েক মলয়া দত্তই উত্তৰ দিলে—'আপুনি আমাক মৰণৰ ভয় দেখুৱাই লাভ নাই চাৰ! আমি মৰণ-পণ লৈহে সংগ্ৰামত নামিছোঁ। চকুৰ আগতে এটা তাণ্ডৱ অন্যায় আমি কেতিয়াও কৰিবলৈ নিদিওঁ।'

মলয়াৰ নগৰ কেইজনীয়েও একেলগে চিঞৰি উঠিল—'নিশ্চয়, নিশ্চয়, বিদেশীৰ ভোটেৰে ইলেকচন খেলি ওভত-গোৰে নাচিব খোজা চলিহাদেৱক আমি কেতিয়াও যাবলৈ নিদিওঁ। তেখেতক নমাই থৈ আপোনালোক যাবপে পাৰে।'

আনবিলাকেও একে ধৰণৰে প্ৰতিবাদৰ ধ্বনি তুলি ৰাজপথ কঁপাই তুলিলে। তাকে দেখি দণ্ডাধীশৰ হৃৎ কম্পিত হ'ল। পিচৰ গাড়ীৰপৰা ডি-এছ-পি কোঁৱৰ চাহাবেও দাঁত-মুখ কৰচি কিবাকিবি ক'লে। কিন্তু কোনোফালৰ-পৰা কোনো লাভ নহ'ল।

এইবাৰ দণ্ডাধীশে প্ৰেমকান্তক বজ্ৰ-গৰ্জনেৰে ক'লে, 'কি চাই আছ? ইহঁতক গাড়ীৰে মহতিয়াই লৈ নেযাৱ কিয়?'

দণ্ডাধীশে তেনেকৈ কবলৈহে পালে, তৎক্ষণাৎ দহ-পোন্ধৰজনমান ল'ৰা গাড়ীৰ আগত ৰাস্তাত শুই পৰিল। দণ্ডাধীশে সিহঁতৰ ওপৰত লাঠিচালনা কৰিবলৈ নিৰ্দেশ দিলে। কিন্তু তাৰপৰাও বিশেষ লাভ নহ'ল; লাঠীৰ কোব খায়ো ল'ৰাহঁতে বাট এৰি নিদিলে।

অগত্যা হিতাহিত জ্ঞান হেৰুৱাই দণ্ডাধীশে দাঁত কামুৰি ড্ৰাইভাৰক হুকুম দিলে—'চিন্তা কৰিব নালাগে, ইহঁতৰ গাৰ ওপৰেদি গাড়ী চলাই লৈ যা। এটামানৰ গাত চকা উঠিলেই চব ঠিক হৈ যাব।'

কিন্তু পুলিচৰ ড্ৰাইভাৰী কৰিলেও প্ৰেমকান্ত মানুহ। তাৰো কাণ্ডজ্ঞান বোলা বস্তু এটা আছে। মৰম-চেনেহ-দয়া-কৰুণা তাৰো আছে। এই ল'ৰা-হঁতৰ দৰে ডেকা পুতেক এটা, গাভৰু জীয়েক এজনী তাৰো আছে। সিহঁতৰ গাৰ ওপৰেদি সি গাড়ী চলাই দিব পাৰিব নে? তদুপৰি এই ল'ৰা-ছোৱালীবোৰে, এই মানুহবোৰে কোনো অসঙ্গত কথা লৈ আন্দোলন কৰা নাই; দেশৰ মাটিৰপৰা বিদেশীক খেদিবলৈ বিচৰাটো অতি ন্যায়সঙ্গত কথা। মঙ্গলৰ কথা।

বুকুত সাহস গোটাই লৈ প্ৰেমকান্তই দীপ্তকণ্ঠে উত্তৰ দিলে—'মই তেনে কাম কৰিব নোৱাৰোঁ ছাৰ! লাগিলে মই এই চাকৰিকে এৰি দিম।'

খঙত অগ্নিশৰ্মা হৈ দণ্ডাধীশে কি কৰিলে নিজেই যেন ধৰ নোৱাৰিলে। প্ৰেমকান্তৰ গালত ঠাচকৈ এটা শব্দ হ'ল। লগে লগে বাহুত এটা কোব। ওপৰা-উপৰিকৈ পোৱা দুটা প্ৰচণ্ড আঘাতে প্ৰেমকান্তৰ বহিঃচেতনা যেন কাঢ়ি নিলে। তাৰ সকলো অনুভূতি খন্তেকতে শিল হৈ গ'ল।

'তোৰতো চাকৰি যাবই, আৰু কি শাস্তি পাব ঠিক নাই। চলা...গাড়ী চলা...'

বাহুত আকৌ এটা খুন্দা খাই প্ৰেমকান্ত এইবাৰ সতৰ্ক হ'ল। বাহ্যিক জ্ঞান লুপ্ত হৈ সি কি কৰিলে নিজেই যেন কব নোৱাৰিলে। হঠাৎ গাড়ীৰ তলত হোৱা এটা বিকট শব্দত সি জিকাৰ খাই উঠিল। লগে লগে আৰু এটা বিকট চিঞৰ তাৰ কাণত পৰিল।

প্ৰেমকান্ত একেজাপে গাড়ীৰপৰা নামিল। লগে লগে বহুতো বীভৎস চিঞৰে তাক আগুৰি ধৰিলে। কিবা এক ভয়াবহ আশংকাত উচপ্ খাই উঠি দণ্ডাধীশো গাড়ীৰপৰা নামি পৰিল। লগে লগে নামি পৰিল ডি-এছ-পি কৌৰৰ চাহাব আৰু আন দুজনমান। চলিহা আৰু প্ৰাণজিত কিন্তু গাড়ীৰ ভিতৰতে থাকিল।

এক মৰ্মান্তিক করুণ দৃশ্যই সকলোকে হতবাক কৰি তুলিলে। বিশৃংখল চিঞৰ-বাখৰৰ মাজত কেঁকনি-গোঙনিৰ শব্দ খন্তেকলৈ তল পৰিছিল যদিও পুনৰ স্পষ্ট হৈ উঠিল। কেইজনমানে ভীষণ তৎপৰতাৰে দণ্ডাধীশৰ গাড়ীৰ তলৰপৰা তিনিজন ল'ৰাক আলফুলকৈ টানি উলিয়াই আনিলে। গাড়ীৰ তলত ইতিমধ্যে এখন তেজৰ নৈ বৈছিল। গাড়ীৰ তলত নপৰা কেই-জনকো কোনোবাই টানি-আজুৰি থিয় কৰাই দিলে।

গাড়ীৰ তলৰপৰা প্ৰথমে উলিয়াই অনা ছাত্ৰজন হ'ল ছাইদুল। পিচৰ-জন বেঞ্জামিন আৰু তাৰ পিচৰজন গদাধৰ নামৰ ল'ৰা এটা। আঘাত প্ৰত্যেকৰে গুৰুতৰ আছিল যদিও বেছি সংকটজনক অৱস্থাত দেখা গ'ল ছাইদুলক। তাৰ মূৰটো বেয়াকৈ থেতেলা খাইছিল। গাড়ীৰ তলৰপৰা উলিওৱাৰ আগতে সি জ্ঞান হেৰুৱাইছিল।

গাড়ীৰ চকা বেঞ্জামিনৰ বাহুত উঠি হাতেদি পিচলি গৈছিল হবলা। কোনোবা এজনে বাহু আৰু হাতত ধৰোঁতেই সি ডেভাউৰি পাৰি উঠিল। সেই ডেভাউৰিতে সি জ্ঞানো হেৰুৱালে।

জীয়া মানুহৰ জীয়া তেজ দেখিলে সকলোৰে মন আতংকিত হৈ উঠে। তাতে দণ্ডাধীশৰ উদ্ভগুলিৰ বলি হোৱা এই তিনিজন নিৰ্দোষ ছাত্ৰৰ জীৱন-মৰণৰ প্ৰশ্নই সকলোকে যেন উদভ্ৰান্ত কৰি তুলিলে। পৰিস্থিতি এইবাৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাৰ উপক্ৰম ঘটিল।

হয়তো আৰু এটা সাংঘাতিক পৰিস্থিতিৰেই উদ্ভৱ হ'লহেঁতেন; কিন্তু

এনে সময়তে এটা বেলেগ ঘটনা ঘটিল।

নিজৰ ঘৰৰপৰা চিঞৰি-বাখৰি চলিহানী অসীমা উধাতু খাই ৰাস্তাৰ ফালে দৌৰি আহিছিল। হয়তো ঘৰৰ ভিতৰৰপৰাই তেওঁ সকলো ঘটনা দেখি আছিল। ভিতৰৰপৰা ওলাই আহিব খুজিও লাজ-বক্ষাৰ বাবে ওলাই আহিব পৰা নাছিল। কিন্তু এইবাৰ আৰু ধৈৰ্যৰ বান্ধ বান্ধিব নোৱাৰিলে তেওঁ। লাজ-ভয়-দ্বিধা-সংকোচ সকলো কাটি কৰি থৈ তেওঁ উন্মাদিনীৰ দৰে ৰাস্তালৈ দৌৰি আহিল।

আহিয়েই তেওঁ চলিহাৰ প্ৰতি তীব্ৰ বাক্যবাণ নিক্ষেপ কৰিলে: 'আপুনি মানুহ নে পাষাণ? ইমান সাধ-বিবিনি পায়ো আপুনি ক্ষান্ত হ'ব পৰা নাই? কাৰ কাৰণে আপুনি মনোনয়ন দাখিল কৰিবলৈ যায়? নামি আহক, গাড়ীৰ-পৰা নামি আহক বুলিছোঁ নহয়!'

অইন সময়ত বা অইন এটা পৰিস্থিতিত হোৱা হলে মিঃ চলিহাই পত্নীৰ সেই ভৰ্ৎসনাৰ উত্তৰ কেনেকৈ দিলেহেঁতেন কব নোৱাৰোঁ; কিন্তু আজি তেওঁ মুখেৰে এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলে। হয়তো চলিহানীৰ কথাকিথাৰ বাকীসকলৰ গাতো লাগিছিল। তেওঁলোক সকলোৱে তলমূৰ কৰিলে।

'আপুনি যে ঘোৰ স্বাৰ্থপৰ তাক বুজিবলৈ আৰু বাকী নাই। নিজৰ ল'ৰা-ছোৱালীহঁতৰ কিবা বিপদ হয় বুলি সিহঁতক কায়দা কৰি পুলিচৰ গাড়ীত পঠিয়াই দিলে। কিন্তু এইখোৱো জানো আপোনাৰ ল'ৰা-ছোৱালী নহয়? ইহঁতে কিহৰ কাৰণে আন্দোলন কৰিছে? কাৰ কাৰণে কৰিছে?...প্ৰাণজিত, তয়ো দেউতাৰৰ দৰে কঠোৰ হৈ গলি নহয়? তয়ো দেউতাৰৰ ৰাস্তাকে লবি নেকি?'

তাৰ পিচত মিচেছ চলিহাই বেঞ্জামিন-হাইহুলহঁতক বেৰি ধৰি হুলস্থুল লগোৱা জন-সমাবেশটোলৈ চাই কিবাকিবি কৈ কৈ কান্দিবলৈ ধৰিলে। আহত ছাত্ৰ কেইজনক ইতিমধ্যে এম্বুলেন্সেৰে হস্পিটাললৈ নিয়াৰ দিহা কৰা হৈছিল।

চলিহানীৰ নাটকীয় উপস্থিতিয়ে চলিহাক ক্ষুন্ন কৰিলেও তেওঁৰ মনৰ মাজত নতুন কিবা এটা উদয় হ'ল। হাতৰ ফাইলটো প্ৰাণজিতৰ হাতত দি হঠাতে তেওঁ গাড়ীৰপৰা নামি পৰিল আৰু দণ্ডায়মান চলিহাৰ ফালে চাই উদাত্ত কণ্ঠে ক'লে, 'মই নেযাওঁ মিঃ চলিহা! আপোনালোকেই যাওক।'

আৰু কৈয়ে কোনোফালে নোচোৱাকৈ তেওঁ ঘৰৰ ফালে খোজ ললে। হঠাৎ কাৰোবাৰ ইঙ্গিতত দণ্ডাধীশৰ গাড়ীৰ ইঞ্জিনে গৰ্জি উঠিল। চলিহা ঘৰ সোমোৱাৰ আগতে প্ৰাণজিতক লৈ গাড়ীয়ে চেকুৰ মেলিলে। পিচে পিচে চাপলি মেলিলে ডি-এচ-পি চাহাবৰ জীপখনে।

কোৱা বাহুল্য যে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হব পৰা এনে এটা অৱস্থাৰ সম্ভাৱনীয়তাৰ কথা চিন্তা কৰি চলিহাই বিকল্প ব্যৱস্থা হিচাপে তেওঁৰ অবিহনে প্ৰাণজিতেই যাতে তেওঁৰ মনোনয়ন দাখিল কৰিবলৈ পাৰে তাৰ বাবে এক লিখিত আবেদন মৰ্মে সংশ্লিষ্ট কৰ্তৃপক্ষৰপৰা যথাৰ্থ অনুমতি আদায় কৰি থৈছিল।

অৱশ্যে সেই গোপন ব্যৱস্থাৰ কথা প্ৰাণজিত, ডি-এচ-পি জীৱন কোঁৱৰ আৰু দণ্ডাধীশ চলিহাৰ বাহিৰে আন কোনেও গম পোৱা নাছিল। গম পোৱা নাছিল আনকি চলিহানীয়েও।

পিচদিনা বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাতে ডাঙৰ ডাঙৰ আখৰেৰে প্ৰকাশিত হ'ল: 'পুলিচৰ লগত আন্দোলনকাৰী ছাত্ৰ-নেতাৰ সংঘৰ্ষ : এজনৰ মৃত্যু।'

পুলিচৰ সূত্ৰই প্ৰকাশ কৰা বাতৰিটোত সম্পূৰ্ণৰূপে সত্যৰ অপলাপ কৰা হৈছিল। দণ্ডাধীশৰ গাড়ীৰ চেপাত গুৰুতৰৰূপে আহত হৈ ছাইজুলৰ হস্পিটালত মৃত্যু হ'ল; কিন্তু বাতৰি কাকতত বাহিৰে পঢ়িবলৈ পালে—পুলিচৰ গাৰৈলৈ শিকছুটি দৰিকৈ উন্মত্ত ছাত্ৰদল এটাক খেদি পঠিয়াবলৈ চেষ্টা কৰোঁতে হঠাৎ বেইজনমান ছাত্ৰ ভিলা দণ্ডাধীশৰ চলন্ত গাড়ীৰ আগত পৰি যায়। গাড়ীৰ সুদক্ষ চালক প্ৰেমকান্ত বৰ্দলৈৱাই দক্ষতাৰে গাড়ী ৰখাই দিবলৈ সক্ষম হয় যদিও দুৰ্ভাগ্যজনকভাৱে তিনিজন ছাত্ৰ বেয়াকৈ জখম হয় আৰু তাৰে এজনৰ হস্পিটালত মৃত্যু হয়।

মানবেন্দ্ৰ চলিহাই মনোনয়ন দাখিল কৰিবলৈ যাব খোজা ঘটনাৰপৰাই যে সেই দুৰ্ভাগ্যজনক ঘটনাৰ সূত্ৰপাত হৈছিল পুলিচৰ সূত্ৰই তাকো প্ৰকাশ নকৰিলে। আৰু প্ৰকাশ নকৰিলে প্ৰাণজিতে পুলিচৰ ৰক্ষণাবেক্ষণত গৈ অকলেই মনোনয়ন দাখিল কৰি অহাৰ কথা।

পিছে বাতৰি কাকতত প্ৰকাশ নহলে কি হব, মানুহে আচল সত্য অচিৰেই গম পালে। লগতে গম পালে: সৰ্বলোকে চকুত ধূলি দি প্ৰাণজিতে

পুলিচৰ ৰক্ষণাবেক্ষণত দেউতাকৰ হৈ মনোনয়ন দাখিল কৰিবলৈ সক্ষম হলেও তাৰ ফল শেহত ফুটুকাৰ ফেনহে হ'লগৈ।

মানে, নিজৰ চহীটোৰ তলত তাৰিখটো দিওঁতে এটা সাংঘাতিক ভুল হৈ গ'ল। যিটোৰ বাবে সংশ্লিষ্ট কর্তৃপক্ষই চলিহাৰ মনোনয়ন গ্ৰাহ্য নকৰিলে।

॥ এঘাৰ ॥

একমাত্র সুৰমা উপত্যকাৰ কেইটামান সমষ্টিৰ বাহিৰে অসমৰ ক'তো নির্বাচন অনুষ্ঠিত নহ'ল। গতিকে কাছাৰ জিলাৰপৰা অবৈধভাবে নির্বাচিত হোৱা দুজন লোকৰ বাহিৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কোনো প্ৰতিনিধি সেইবাৰ লোকসভালৈ যাব নোৱাৰিলে।

ৰাজ্যিক বিধান সভাৰ নির্বাচনো একে কাৰণতে অনুষ্ঠিত নহ'ল।

গতিকে ১৯৭৯ চনৰ ডিচেম্বৰ মাহত বলবৎ হোৱা ৰাষ্ট্ৰপতিৰ শাসনেই ৰাজ্যখনত বাহাল থাকিল। অৱশ্যে নির্বাচনৰ ধুমুহাজাক পাৰ হৈ যোৱাৰ পিচত অসমৰ নিষ্ক্ৰিয় বিধান সভাখন পুনৰ সক্ৰিয় কৰি তুলিবলৈ বিভিন্ন মহলত খদমদম লাগিল।

সৰু ল'ৰা হোৱা হলে সেই অভাৱনীয় ভাগ্য-বিপর্য্যয়ৰ বাবে চলিহাই হয়তো উচুপি উচুপি কান্দিলেহেঁতেন। কিন্তু ডাঙৰ মানুহ এজনে কান্দিলে বেয়া দেখি কাৰণেই চলিহাই মানুহক দেখুৱাই কান্দিব নোৱাৰিলে। মনৰ সকলো দুখ, ক্ষোভ, লাজ-অপমান সহি-সামৰি লৈ তেওঁ প্ৰায় এসপ্তাহমান ঘৰৰ ভিতৰতে সোমাই থাকিল। তেওঁৰ দুৰ্ভাগ্যত সমবেদনা জনাবলৈ অহা ঘনিষ্ঠ বন্ধু-বান্ধৱ আৰু আন শুভাকাংক্ষীসকলকো তেওঁ ভালকৈ মাত এষাৰ মাতিব নোৱাৰিলে।

আনকি নিজৰ পুত্ৰ-কন্যা ৰঞ্জিত আৰু পঙ্কজাৰ ওচৰতো তেওঁ যেন বহুত সৰু হৈ গ'ল। সিহঁতৰ হালৰ ওচৰত তেওঁ নিজকে ভীষণ অপৰাধী অনুভৱ কৰিলে। কেইদিনমানলৈ তেওঁ সিহঁতৰ আগত মুখ দেখুৱাবলৈকে সংকোচ কৰি আছিল। সেই দুৰ্দশাৰ সময়ত তেওঁক এষাৰ মিঠা মাত, একাষাৰ আশ্বাস-বাণী শুনাবলৈ ঘৰখনত মাত্ৰ দুটা প্ৰাণীয়েই আছিল। এক হ'ল মৰমৰ পত্নী অসীমা আৰু আনজন প্ৰাণজিত।

পুলিচৰ গাড়ীত উঠি প্ৰাণজিত বাপেকৰ হৈ মনোনয়ন দাখিল কৰিবলৈ যোৱাৰ কিছু সময়ৰ পিচতে চলিহাৰ ঘৰৰ চৌহদ আৰু পদূলিমুখ প্ৰায় জনশূন্য হৈ পৰিছিল। তাৰ আধাঘণ্টামানৰ পিচতে পুলিচৰ গাড়ীয়ে ৰক্তিত আৰু পঙ্কজাক গেটৰ মুখত নমাই থৈ গৈছিল। কিন্তু সিহঁত ঘৰত নোসোমাল। কাৰণ ইতিমধ্যে ছাইদুলৰ শোকাবহ মৃত্যুৰ বাতৰি চাৰিওফালে বিয়পি পৰিছিল। সিহঁত তৎক্ষণাৎ হস্পিটাল পালেগৈ।

হস্পিটাল তেতিয়া লোকে লোকাৰণ্য হৈ পৰিছিল।

সন্মুখৰ মুকলি ঠাইখিনিতে ছাইদুলক শুৱাই থোৱা হৈছিল। মৃতকৰ প্ৰতি শেষ শ্ৰদ্ধা জনাই বিভিন্ন গণ্য-মান্য ব্যক্তি, বন্ধু-বান্ধৱ, ছাত্ৰ সংগঠন আৰু বিভিন্ন অনুষ্ঠানে মৃত-দেহৰ ওপৰত নিবেদন কৰা ফুল আৰু ফুলৰ মালাৰে এটা যেন পৰ্বতহে সজোৱা হৈছিল। তদুপৰি মৃতদেহৰ মূৰ-শিতানত জ্বলি থকা ধুপ-ধুনাৰ গোন্ধতো আছেই।

কোৱা বাহুল্য যে মৃতদেহটো এখন ট্ৰাকত সজাই-পৰাই লৈ চহৰৰ সমূহ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু ৰাইজে শোভাযাত্ৰা কৰিবলৈ ইচ্ছা কৰিছিল। কিন্তু জিলা কৰ্তৃপক্ষই তাৰ অনুমতি নিদিলে। গতিকে মৃতকৰ শেষকৃত্যও অনাড়ম্বৰ আয়োজনেৰেই সম্পন্ন কৰিবলগীয়া হ'ল।

অসমৰ কোনো এখন অখ্যাত গাঁৱৰ কোনো এটি অখ্যাত চহা পৰিয়ালৰ বুকুৰ মাণিক আছিল ছাইদুল। অশেষ স্বপ্ন, অশেষ আশা বুকুত লৈ, হয়তো এসাজ খাই এসাজ লঘোনে থাকিও মাক-বাপেকে ল'ৰাক চহৰৰ কলেজত পঢ়ুৱাইছিল। কিন্তু মাক-বাপেকৰ সকলো আশা, সকলো স্বপ্ন ধূলিসাৎ কৰি ছাইদুল গুচি গ'ল।

অসমৰ জাতীয় আন্দোলনৰ শ্বহীদসকলৰ নামৰ তালিকাত আৰু এটা নতুন নাম সংযোজিত হ'ল : বিদেশী বহিষ্কাৰ আন্দোলনৰ জাতীয় শ্বহীদ ছাইদুল হুছেইন।

বেঞ্জামিনৰ জ্ঞান অহা যথেষ্ট পলম হৈছিল, কিন্তু শেহত আহিল। ডাক্তৰে নিশ্চয়তা দিলে—বেঞ্জামিন ভাল হ'ব, কিন্তু তাৰ বাওঁহাতখন বাহুৰপৰা সম্পূৰ্ণৰূপে কাটি পেলাব লাগিব। খবৰটো কাবোবাৰ মুখত শুনি ডিগ্ৰী ক'লেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ বেঞ্জামিনে হুকহুকাই কান্দি পেলালে।

প্ৰায় তেৰকুৰি বছৰৰ আগতে পশ্চিম বঙ্গৰ নদীয়া জিলাৰপৰা আহি অসমত চিৰস্থায়ীভাৱে থাকিবলৈ লোৱা অৱসৰপ্ৰাপ্ত চৰকাৰী চাকৰিয়াল

বক্তিম দত্তৰ তৃতীয় পুত্ৰ বেঞ্জামিনৰ সেই দুৰ্দশাই গোটেই ঘৰখনকে কন্দুৱালে।

আইন মহাবিদ্যালয়ৰ ছাত্ৰ গদাধৰ বৰ্মনে বুকু আৰু পিঠিতেই বেছি দুখ পাইছিল। বুকুত দুখ পাইছিল গাড়ীৰ চকাৰ চেপা খাই আৰু পিঠিত দুখ পাইছিল পুলিচৰ লাঠীৰ কোবত। চলিহাৰ চৌহদৰ ভিতৰত হোৱা লাঠী-চালনাত ভালেকেইজন ছাত্ৰ আৰু বেলেগ ল'ৰা আহত হৈছিল। অলপ গুৰুতৰ ধৰণে আহত হোৱা কেইজনৰ বাহিৰে প্ৰায় কেইজনেই গাড়ী অ'গচা কামত যোগ দিছিল। গদাধৰ আছিল তাৰ ভিতৰত অন্যতম।

বিধবা মাক আৰু বয়স খাই ঘৰতে বিয়া নোহোৱাকৈ থকা বায়েক এজনীৰ বাহিৰে গদাধৰৰ সংসাৰত আৰু কোনো নাই। গদাধৰক হস্পিটালত চাবলৈ আহি মাক আৰু বায়েকজনীয়ে যেনেকৈ কন্দা-কটা কৰিবলৈ ধৰিলে সি সঁচাকৈয়ে আছিল বৰ হৃদয়-বিদাৰক দৃশ্য।

লাঠীচালনা আৰু বেয়নেটৰ খোচত আহত হোৱা আৰু ভালেকেইজন ছাত্ৰ-ছাত্ৰীক হস্পিটালত ভৰ্তি কৰোৱা হৈছিল। ছাত্ৰসন্থা আৰু আন্দো-লনত ভাগ লোৱা সংগঠনবোৰৰ নেতাসকলৰ বাহিৰেও বহুতো বাইজে ভেওঁলোকৰ খা-খবৰ লৈছিল।

ছাইদুলৰ মৃত্যু আৰু বেঞ্জামিনৰ পঙ্গু হবলগীয়া অৱস্থাই বক্তিভইঁতক বৰ চিন্তাত পেলালে। কাৰণ ছাইদুল আছিল ৰূপানগৰ আঞ্চলিক ছাত্ৰ সংগঠনৰ কাৰ্য্যনিৰ্বাহক সদস্য। বেঞ্জামিন গণ-সংগ্ৰাম পৰিষদৰ আহবায়ক তথা প্ৰচাৰ বিভাগৰ সম্পাদক। ভালে থকা সৌহাতখনেৰে লিখা-পঢ়া কৰা কামখিনিৰ বাহিৰে সি আৰু বেলেগ কাম কৰিব নোৱাৰিব।

অশেষ দুখৰ মাজতো এটা খবৰে কিন্তু বক্তিতহঁতক বেছ আমোদ দিলে। সেইদিনা গাড়ী লৈ নিজৰ কাৰ্য্যালয় পোৱাৰ পিচতে হেনো দণ্ডাধীশৰ গাড়ীৰ ড্ৰাইভাৰ প্ৰেমকান্তই চাকৰি ইস্তফা দিয়াৰ স্থিৰ সিদ্ধান্ত ঘোষণা কৰিলে। চাকৰি ইস্তফা দিয়াৰ প্ৰধান আৰু একমাত্ৰ কাৰণ হিচাপে প্ৰেম-কান্তই ক'লে—'মই পেটৰ দায়ত সাধাৰণ চাকৰি কৰিব পাৰোঁ, সেইবুলি ওপৰৱালাৰ হুকুমত মানুহ মাৰিব নোৱাৰোঁ। এই চাকৰিত থাকিলে মই হয়তো ছাইদুলৰ দৰে আৰু ল'ৰা বধ কৰি মহাপাপ আৰ্জিব লাগিব। ল'ৰা বধ কৰিব নুখুজিলে ওপৰৱালাৰ চকু-ভুকু খাব লাগিব। তাহাতেতো মোৰ চাকৰি খাম বুলি কৈছিলেই; সেই ল'ৰাকেটাৰ গাৰ ওপৰেদি গাড়ী নচলোৱা

হলে তেতিয়াই কিজানি মোৰ চাকৰি গ'লহেঁতেন। এতিয়া সেইদেখি মই নিজেই চাকৰি এৰি দিছোঁ।'

দণ্ডাধীশৰ কাৰ্য্যালয়ৰ এজন বিষয়াই বোলে প্ৰেমকান্তক বগৰ কৰি সুধিছিল—'চাকৰি এৰি দি পিছে তুমি কি কৰিবা? আন্দোলন কৰিবা নেকি?'

প্ৰেমকান্তই ক'লে বোলে—'ভাবি চাওঁ। এনেকুৱা চাকৰি কৰাতকৈ অৱশ্যে আন্দোলনত নম'ই বেছি ভাল। বিদেশীখিনি খেদিব পাৰিলে আমাৰেই ভাল।'

॥ বাৰ ॥

কঠালগুৰি, বালিচাপৰি, জামতলা, ৰূপহী আৰু নগাভেটা গাঁৱক ধৰি ১৪।১৫ খন গাঁও চলিহাৰ নিজা সমষ্টিৰ ভিতৰত পৰে। এইবোৰ গাঁৱৰ সাধাৰণ ৰাইজৰ মাজত চলিহা যেন সাক্ষাৎ দেৱতা।

তেনেকৈ ভবাৰ কাৰণ আছে।

ৰূপানগৰৰপৰা প্ৰায় ত্ৰিশ মাইল নিলগৰ, ৩৭ নং ৰাষ্ট্ৰীয় পথৰ গা চুই যোৱা এই বিস্তীৰ্ণ অঞ্চলটোত এসময়ত মানুহৰ বসতি বৰ কম আছিল। চৈধ্য ঘৰ বা পোন্ধৰ ঘৰ মানুহ মিলিও একোখন গাঁও হৈছিল। পঁচিশ ঘৰতকৈ অধিক মানুহৰ বসতি থকা গাঁও প্ৰায় নাছিলেই বুলিব পাৰি। গোটেই অঞ্চল জুৰি আছিল বিস্তীৰ্ণ খেতিৰ পথাৰ; মাইলৰ পিচত মাইল জোৰা ডাঠ হাবি। আনকি নদীৰ চাপৰিবিলাকো বছৰৰ পিচত বছৰ ধৰি অনাবাদী হৈ পৰি আছিল। সেইবোৰ চহ কৰি খেতি কৰিবলৈ মানুহ নাছিল।

কিন্তু এদিন এনে এটা দিন আহিল, যেতিয়া এই গাঁওবোৰ, মুকলি পথাৰবোৰ, নদীৰ চৰ-চাপৰিবোৰ মানুহেৰে ভৰি পৰিল। সেইবোৰ মানুহ অৱশ্যে অসমৰ অন্য কোনো অঞ্চলৰপৰা উঠি অহা মানুহ নাছিল, ভাৰতৰ বেলেগ কোনোবা প্ৰদেশৰপৰা খেতিৰ মাটি বিচাৰি অহা মানুহো নাছিল; সেইবোৰ মানুহ আছিল ভাৰতৰ বাহিৰৰ এখন বিশেষ ঠাইৰপৰা অহা এশ্ৰেণী বিশেষ ধৰ্ম আৰু সম্প্ৰদায়ৰ মানুহ।

মানুহবোৰ আছিল নিৰক্ষৰ। নিজৰ নামটোকে ভালকৈ লেখিব নেজানে। কিন্তু বৰ পৰিশ্ৰমী। খেতিয়েই হ'ল সিহঁতৰ প্ৰকৃত জীৱন। খেতিয়েই

সিহঁতৰ জীৱন স্বপ্ন! খেতিৰ বাহিৰে সিহঁতৰ আন কোনো চিন্তা নাই। ইয়াৰ মানুহে সিহঁতক পমুৱা মুছলমান বুলিছিল।

প্ৰথমে দুই-এটাকৈ, তাৰ পিচত ছয়-সাতোটা মিলি একোটা সৰু দল হৈ সিহঁত অসমলৈ আহিছিল। পিচলৈ অৱশ্যে নিজৰ লংঘা-তিৰোতাৰ সতে একেলগে তিনি-চাৰিটা পৰিয়াল লগ হৈয়ো আহিব পৰা হ'ল।

খেতিৰ মাটিৰ সন্ধানত, এমুঠি ভাত আৰু এডোখৰ গা ঢাকিব পৰা কাপোৰৰ সন্ধানত হোৱাহোৰে অসমৰ মাটিত ভৰি দিয়া সেইদল নিৰক্ষৰ কৃষিজীৱী মানুহক সংস্থাপনৰ সকলো ব্যৱস্থা কৰি দিছিল আমাৰে এদল সুচতুৰ, সুবিধাবাদী, ধুৰন্ধৰ লোকে।

সেইদল লোকৰ মাজত শ্ৰদ্ধেয় মানবেন্দ্ৰ চলিহাও আছিল।

মানুহবোৰক নিৰাপদে খেতি কৰিবলৈ মাটি দেখুৱাই দিয়া, বসবাস কৰিবলৈ গাঁৱে-ভূঞে, পথাৰে-সমাৰে, হাবিয়ে জংঘলে ঠাই দেখুৱাই দিয়া সেইদল স্বাৰ্থপৰ ৰাজনৈতিক নেতাই যে এদিন অসমীয়া মানুহৰ জীৱনলৈ অমাবস্যাৰ অন্ধকাৰ নমাই আনিব তেতিয়া কিন্তু কোনেও ভাবিব পৰা নাছিল। ৰাজনৈতিক চেতনা নথকা সেইজাক অসমীয়া মানুহে তেওঁলোকৰ ভবিষ্যত বংশধৰসকলেই যে এদিন সেইদল ক্ষমতালিপ্সু, সুবিধাবাদী ৰাজনৈতিক নেতাৰ কুকৰ্মৰ প্ৰায়শ্চিত্ত কৰিব লাগিব, তেতিয়া জনা নাছিল।

লাহে লাহে প্ৰব্ৰজনকাৰীৰ সংখ্যা ইমানেই বাঢ়ি আহিল যে মাটিৰ কাৰণে সিহঁতে থলুৱা লোকৰ লগত কাজিয়া-পেচালো কৰিবলৈ আৰম্ভ কৰি দিলে। থলুৱা খেতিয়কৰপৰা জোৰ কৰি খেতিৰ মাটি কাঢ়ি লৈ সিহঁতে হাল বাবলৈ ধৰিলে। অকল সেয়ে নহয়, কাৰোবাৰ উচটনিত পৰি কোনো কোনোৱে অসমীয়া খেতিয়কৰ গোহালিত বান্ধি থোৱা হালোৱা গৰু হালো দা জোকাৰি ভয় দেখুৱাই কাঢ়ি নিলে। কোনোবাই দিন-দুপৰতে গৃহস্থক নোসোধাকৈ বাৰীৰ চুকৰ বাঁহ কাটি নিলে। কোনোবাই হাঁহ-ছাগলী, তামোল পাণ নাৰিকল চুৰ কৰি নি কোনোবা হাটত বেচিলেগৈ।

সিমানেই নহয়, সিহঁতৰ কিছুমান কাৰ্য্যকলাপ দেখি গাঁৱৰ জীয়ৰী-বোৱাৰী অকলে ক'লৈকো গাব-গোমাব নোৱাৰাত পৰিল।

চলিহাই অৱশ্যে নিজৰ সমৰ্থৰ বাইজৰ কাৰণে ভাল কাম নকৰাকৈ থকা নাই। উন্নত পদ্ধতিৰে খেতি কৰাৰ প্ৰণালী চৰকাৰী কৃষি বিষয়া দ্বাৰা চলিহায়ে গাঁৱৰ ৰাইজক শিকালে। গাঁৱৰ বাজহুৱা পুখুৰীত নমাই গৰু-ম'হক

গা ধুওৱা বা নিজে নামি গা ধোৱা, কাপোৰ ধোৱা আদি কু-অভ্যাসবোৰৰ দ্বাৰা যে বহুতো অপকাৰ সাধন কৰা হয় সেই কথা উপযুক্ত স্বাস্থ্য বিষয়াৰ দ্বাৰা ৰাইজক বুজাই দিলে। শিক্ষাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰতো চলিহাই যথেষ্ট-খিনি কৰিছে।

অৱশ্যে প্ৰতি গাঁৱে গাঁৱে একোখন প্ৰাথমিক পৰ্য্যায়ৰ পঢ়াশালি, তিনি-চাৰিখন গাঁৱৰ মাজত একোখন হাইস্কুল, একোটা ডাকঘৰ, একোটা প্ৰাথ-মিক স্বাস্থ্যকেন্দ্ৰৰ বাহিৰে কলেজ বা পূৰ্ণ পৰ্য্যায়ৰ চিকিৎসালয় আদি এতিয়াও গঢ়ি তুলিব পৰা নাই। গাঁৱৰ বাট-পদূলি কিন্তু চলিহাৰ দিনতহে যথেষ্ট উন্নত হ'ল বুলি কব লাগিব।

নিৰ্বাচনৰ আগে আগে চলিহাই গাঁৱৰ ৰাইজক আৰু কিবাকিবি দিম বুলি কৈছিল; কিন্তু দিবলৈ সময় নেপালে। নিৰ্বাচনটো হৈ যোৱা হলে কিজানি...

নিৰ্বাচনৰ বতাহজাক হঠাৎ স্তব্ধ হৈ যোৱাত চলিহাৰ সমৰ্থক গাঁওসমূহৰ ৰাইজেও উৎসাহ-নিশাহ বন্ধ হৈ যোৱা যেন পালে। বিশেষকৈ ছিৰাজ-আ ল, কাচিম মিঞা, ৰছিদ মিঞা, হাছমৎ আলি আৰু ৰেকিবুদ্দিন মৌলবীয়ে চলিহাৰ হৈ যথেষ্ট খাটিছিল।· তেওঁলোকৰ সকলো চেষ্টা অথলে গ'ল।

'এৰা, আন্দোলনটো কেনেবাকৈ নাইকিয়া কৰি দিব পৰা হ'লে বৰ ভাল আছিল। পিছে নাইকিয়া হ'ব ক'ত; আন্দোলনৰ তেজ বোলে দিনে দিনে বাঢ়িছেহে। আমাৰ এই অঞ্চলতে দেখা নাইনে; কেইটামানে বোলে ৰাতি ৰাতি কোনোবা অফিচত পিকেটিং কৰিবলৈ যায়। সিহঁত কেইটাক কিন্তু ছহিয়াৰ কৰি দিবৰ হৈছে দেই।

নিৰ্বাচনৰ বতাহজাক একেবাৰে শাম কটাৰ পিচত এদিন দুপৰীয়া ছিৰাজ আলি, কাচিম মিঞা আৰু ৰেকিবুদ্দিন মৌলবীকে ধৰি কেইজনমান গাঁৱৰ মুখীয়াল মানুহ ছিৰাজ আলিৰ চোতালতে বহি ৰাজ্যখনৰ সাম্প্ৰতিক পৰি-স্থিতিৰ কথাকে পাতি আছিল। মাঘ মাহৰ মিঠা ৰ'দজাক গায়ে-মুখে পেলাই লৈ মুকলি মনেৰে কথা-বতৰা পাতি তেওঁলোকে সুখ পাইছিল।

এবাৰ ছিৰাজৰ পদূলিমুখত এখন গাড়ী ৰোৱাৰ শব্দ হ'ল। মেটমেটীয়া ভৰাল ঘৰটো চোতালৰ দাঁতিতে থকা কাৰণে চোতালৰপৰা পোনে পোনে পদূলিমুখখন নেদেখি। 'কাৰ গাড়ী ৰ'ল অ' সেইখন, চাই আহগৈচোন' বুলি কোনোবা এজনে চোতালতে থকা সৰু ল'ৰা-ছোৱালী কেইটাক কোৱাত সিহঁত সেইফালে দৌৰি গ'ল।

পিছে সিহঁত ঘূৰি আহি নেপালেহিয়েই, দুজন প্ৰায় একে বয়সৰে মানুহৰ লগত চলিহা আগবাঢ়ি আহিল। মানুহ দুজনৰ এজন হ'ল মঙ্গলদৈ বিধান সভা সমষ্টিৰ বিধায়ক খন্দকাৰ মুস্তাক হুছেইন আৰু ইজন ৰবপেটা সমষ্টিৰ সদস্য শেখ মহম্মদ ৰছিদ চৌধুৰী। দুয়োজনকে ছিৰাজ আলি, কাচিম মিঞা-হঁতে চিনি পায়।

সম্মানীয় অতিথি কেইজনক দেখি চোতালত বহি থকা আটাইকেইজন থিয় হ'ল আৰু নিজৰ নিজৰ নিয়মেৰে কেউজনকে সম্মান-সম্ভাষণ জনালে। ছিৰাজ আলিয়ে আথে-বেথে তেওঁলোকক ভিতৰলৈ মাতিলে, কিন্তু তেওঁলোক ভিতৰ নোসোমাল।...'ইয়াতে হব, ইয়াতে হব' বুলি ভগা-ছিগা চকী-বেঞ্চতে বহি পৰিল। আগে-পিচেও কেতিয়াবা তেওঁলোকে এনেকুৱা কৰে। গতিকে তাত আচৰিত হবলগীয়া বা অপ্ৰস্তুত হবলগীয়া একো নাই।

ছিৰাজ-কাচিমহঁতে অভ্যাগতসকলক কি ক'ম, কি সুধিম বুলি ভাবি-গুণি থাকোঁতেই হঠাৎ চলিহাই মাত লগালে—'পিছে ছিৰাজ, কাচিম, তোমা-লোকেতো চব খবৰ শুনিছাই! নমিনেচন ছাবমিট্ কৰিও মই কৃতকাৰ্য্য হব নোৱাৰিলোঁ। মোৰ সকলো আশা-কল্পনা ধূলিসাৎ কৰি দিলে সিহঁতে।'

ছিৰাজে ঘপৰাই উত্তৰ দিলে—'হয় সায়েব, আপ্‌নাৰ সব ৰকম অনৰ্থৰ গোড়া হইল ঐ আন্দোলন। আন্দোলনটো শেষ নহলে—'

চলিহাই ক'লে, 'ময়ো সদাই এনিম বুলি ভাবিছা হবলা? সিহঁতকো মই এশিকনি দিহে এৰিম।'

ছিৰাজ আলিৰ ডাঙৰটো ল'ৰা ছিকন্দৰে দুবছৰৰ আগতে চহৰৰপৰা বি-এ পাছ কৰি নিজ গাঁও কঠালগুৰিৰ 'চলিহা উচ্চ ইংৰাজী বিদ্যালয়'ৰ ইংৰাজীৰ শিক্ষক হৈ সোমাইছে। শিক্ষক পুতেকৰ সোনকালে ঘৰখন পাতি দিবলৈ ছিৰাজ আলিৰ বৰ আগ্ৰহ; কিন্তু পুতেকে এতিয়াই বিয়া পাতিৰ খোজা নাই। ছিকন্দৰৰ পিচত ছিৰাজৰ ল'ৰা-ছোৱালী আৰু সাতোটা।

চলিহাহঁত অহা গম পাই ছিকন্দৰো ভিতৰৰপৰা ওলাই আহিল। চলিহা আৰু আন দুজনক যথানিয়মে সম্মান জনালে। চলিহাই ছিকন্দৰৰ স্কুলৰ বিষয়ে দুই-এটা খা-খবৰ ললে। তাৰ পিচত ছিকন্দৰকো তেওঁলোকৰ ওচৰতে বহিবলৈ ক'লে।

এনেতে ৰছিদ চৌধুৰীয়ে মাত লগালে—'জনক চলিহা চাহেব, মই এওঁ-লোকক মানে এই কঠালগুৰি, নগাভেটা, বালিচাপৰি, আমতলা আদি গাঁৱৰ

মুছলমান সম্প্ৰদায়ৰ লোকসকলক বুজাই কব খুজিছোঁ যে বৰ্তমানৰ আন্দোলনটোৱে আমাৰ ৰাজ্যখনলৈ ঘোৰ অনৰ্থ চপাই আনিব খুজিছে। কাৰণ ভাৰত এখন ধৰ্ম-নিৰপেক্ষ দেশ হলেও অসমৰ ক্ষেত্ৰত কথাটো অলপ বেলেগ যেন লাগে। ইয়াৰ হিন্দু অধিবাসীসকলে মুছলমানসকলক সদায় বেলেগ চকুৰে চায়। বিশেষকৈ দেশ বিভক্ত হোৱাৰ পিচত অহা মুছলমান সকলক ইয়াৰ হিন্দুসকলে যথেষ্ট অবিশ্বাস আৰু সন্দেহৰ চকুৰে চায়। পূৰ্ব বঙ্গৰপৰ অহা মুছলমানসকলক ইয়াৰ মানুহে এতিয়াও বঙালী মুছলমান বা বাংলাদেশী মুছলমান বুলি কয়।...গতিকে মোৰ বোধেৰে আন্দোলনটো কোনোবাকৈ সফল হলে তাৰ কুফল আমি ধৰ্মীয় সংখ্যালঘুসকলেই প্ৰথমে ভোগ কৰিব লাগিব।'

মুস্তাক হুছেইনে মাত লগালে—'আপুনি ঠিকেই কৈছে চৌধুৰী চাহেব, তেনে এটা আশংকা মোৰ মনতো উদয় হৈছে।'

বছিৰ চৌধুৰীয়ে কলে, 'কিন্তু মোৰ কথা এওঁলোকে মানি লব খোজা নাই। বিশেষকৈ ছিৰাজ আলি আৰু মৌলবী চাহেব মোৰ মতৰ সম্পূৰ্ণ বিৰোধী যেন লাগিছে।'

চকিতে ছিৰাজ আলি আৰু নোকবুদ্দিন মৌলবীলৈ চাই কিবা এটা সোধো সোধো কৰোঁতেই ছিৰাজে খপৰাই মাত লগালে—'হয় চাহেব, আপোনাৰ চৌধুৰী চাহেবৰ কথা আমি দুই চাৰিজন বুঢ়া লোকে সমৰ্থন কৰিব পাৰা নাই। কাৰণ, আপনাহকলে তো জানেই, আমি ইয়াত আহা ২৪।২৫ বৎসৰ হৈ গ'ল। পহিলা পহিলা ইয়াৰ মানুহৰ লগত মিলিব পাৰা নাছিলু, কিন্তু আস্তে আস্তে সব ঠিক হৈ গ'ল।...আপনি তো জানেই আমাৰ এই কাঠালগুৰি, নাগাভেটা, বালিচাপৰি আদি হকলো গাঁৱে কিছু কিছু হিন্দু মানুষ আছে। তেই বিলাকৰ লগত আমাৰ কোনও দিন কোনও ঝগড়া হোৱা নাই, কাজিয়া হোৱা নাই।'

মৌলবীয়ে যোগ দিলে—'তাৰ উপৰি আৰু এটা কথা; আমি বিদেশী নাগৰিক নহয় বুলি আপনিয়েই তো আমাক কৈছিল। ছিৰাজৰ পুৱা ছিকন্দৰেও কৈছে—বিবিলাক মানুষ নাকি বাংলাদেশ জন্ম হোৱাৰ আগতেই ভাৰতত আহিছে—তেওঁলোক হিন্দুৱেই হোক বা মুছলমানেই হোক—ভাৰত চৰ্কাৰে তেওঁলোকক ইয়াতে ৰখোৱাৰ বেবস্থা কৰিব। তাৰ ছাড়া আপনা-হকলতো আছেই।'

চলিহাই ক'লে, 'আমিতো সদায়েই তোমালোকৰ লগত আছোঁ। অসম এৰি তোমালোক যে কেতিয়াবা ক'ৰবালৈ যাব লাগিব, সেইটো ভুলতো কল্পনা নকৰিবা।'

মুস্তাক হুছেইনে মাত লগালে—'মই এটা কথা ভাবিছোঁ। আহোম যুগত বা তাৰো আগতে যি সকল মুছলমান অসমলৈ আহিছিল সেইসকলোক এতিয়া হাড়ে-হিমজুৱে অসমীয়া হৈ পৰিছে। একে ধৰ্মীয় সম্প্ৰদায়ৰ লোক হলেও তেওঁলোকে আমাৰ পূৰ্ব-বঙ্গীয় মুছলমানসকলক অলপ বেলেগ চকুৰে চায়। তাৰ ঘাই কাৰণ হ'ল ভাষা। কিন্তু তেওঁলোকে বোধহয় পাহৰি গৈছে, অসমলৈ অহাৰ আগতে তেওঁলোকৰো এটা স্বকীয় ভাষা আছিল। অসমীয়া সমাজৰ ঘাই সুঁতিটোৰ লগত মিলি যোৱা সেই মুছলমানসকলৰ এক বৃহৎ অংশই এতিয়া আন্দোলনত যোগ দিছে। কিন্তু মই ভাবো, কিবা উপায়েৰে যদি সেইসকল মুছলমানক আমাৰ ফলীয়া কৰিলব পাৰোঁ তেন্তে আমাৰ এটা ডাঙৰ লাভ হব। আমাৰ শক্তি বহুত বাঢ়িব।'

সকলোৱে নিশ্চয় হুছেইন চাহাবৰ কথাখিনিৰ গূঢ়াৰ্থ বুজি পালে। কিন্তু কিয় জানো, হুছেইন চাহাবৰ শেষোক্ত কথাষাৰে চলিহাৰ বুকুখন কঁপাই দিলে। একে পথৰে যাত্ৰী হিচাপে হুছেইন আৰু চৌধুৰীৰ লগত বিভিন্ন সময়ত বিভিন্ন বিষয়ৰ কথা পাতোঁতে চলিহাই লক্ষ্য কৰিছে—বছৰৰ পিচত বছৰ ধৰি অসমত বাস কৰিলেও ৰছিদ চৌধুৰী আৰু মুস্তাক হুছেইনহঁতৰ দলটো যেন মনে-প্ৰাণে অসমীয়া হৈ যাব পৰা নাই। অসমৰ সামাজিক মানচিত্ৰত এতিয়াও যেন তেওঁলোকে পাকিস্তানৰ প্ৰতিচ্ছবি দেখা পায়।

ভাষাৰে প্ৰকাশ নকৰিলেও ৰছিদ চৌধুৰী আৰু হুছেইনহঁতৰ সেই গোপন অভিলাষটোৰ কথা চলিহাই জানে। আৰু সেই ক্ষেত্ৰত সেই বাবেই তেওঁ কঠোৰ সাৱধনতা অবলম্বন কৰি আহিছে। কাৰণ অসমত এখন নতুন পাকিস্তানৰ জন্ম হলেও অসমখন পাকিস্তানৰ অন্তৰ্ভুক্ত হৈ যোৱাটো তেওঁ কেতিয়াও নিবিচাৰে।

হুছেইন চাহাবৰ কথাৰ উত্তৰত চলিহাই নিশ্চয় কিবা এটা কলেহেঁতেন; কিন্তু কবলৈ সুবিধা নেপালে। ইমানপৰে তেওঁলোকৰ কথা-বতৰা শুনি বহি থকা চিকন্দৰে মাত লগালে—'মোৰ বোধেৰে জোনাব হুছেইন চাহাবে ভবা কথাটো কাৰ্য্যত ৰূপায়িত কৰা সহজ নহব; কাৰণ মোৰ তেইশ বছৰীয়া জীৱনৰ অভিজ্ঞতাৰে মই যি উপলব্ধি কৰিছোঁ, অসমীয়া হিন্দুসকলৰ লগত

একদিন একজান হৈ বোবা মুছলমানসকলে অকল ভাষাৰ পাৰ্থক্যৰ কাৰণেই নহয়, আৰু বহুতো কাৰণত আমাক বেয়া পায়। আৰু সেই বাবেই মই ভাবোঁ যে তেওঁলোকে কোনোদিন আমাৰ লগত হাত নিমিলায়।'

চলিহাই অভিমত প্ৰকাশ কৰিলে—'হাত নিমিলালেও তাৰপৰা তোমা-লোকৰ বিশেষ একো ক্ষতি নহয়; কাৰণ বৰ্তমানৰ সমস্যাটো উদ্ভৱ হৈছে বিদেশী নাগৰিকৰ প্ৰশ্ন লৈহে, কোনো জাতি, ধৰ্ম বা ভাষাৰ প্ৰশ্ন লৈ নহয়। গতিকে এই পৰিস্থিতিক ভেটা দিবলৈ এটাই মাথোন উপায় আছে, সি হ'ল আন্দোলনটো সম্পূৰ্ণৰূপে নিৰ্মূল কৰা। তোমালোকৰ এই অঞ্চলৰ বিবোৰ মা'ৰাই আন্দোলনত যোগ দিছে সিইঁতক চলেৰে হওক, বুদ্ধিৰে হওক, তাৰপৰা আঁতৰাই আনিব লাগিব।'

ছিকন্দৰে ক'লে, 'আঁতৰাই অনাটো হয়তো খুব বেছি টান কাম নহব; কিন্তু তাৰপৰা আমাৰ কি লাভ হব সেইটোহে ভাবি চোৱা দৰকাৰ।'

চলিহাই ক'লে, 'শুনা ছিকন্দৰ, মই চাৰিদিনৰ আগতে আকৌ দিল্লীৰ পৰা ঘূৰি আহিছোঁ। এইবাৰ দিল্লীলৈ গৈ মই যি দেখিলোঁ, তোমালোকৰ ধৰ্মীয় সংখ্যালঘুসকলক দিয়া প্ৰতিশ্ৰুতি চৰকাৰে পূৰণ কৰিব নোৱাৰিব। কাৰণ আন্দোলনকাৰীইঁতৰ হাতত থকা পুৰণি নথি-পত্ৰ আৰু সংশ্লিষ্ট আইনে চৰকাৰক যথেষ্ট বিপাঙত পেলাইছে। ধৰ্মীয় সংখ্যালঘুসকলৰ স্বাৰ্থ বজাই ৰাখিবলৈ গলে ভাষিক সংখ্যালঘুসকলৰ স্বাৰ্থ ক্ষুণ্ন কৰা হব। আনহাতে ধৰ্মীয় সংখ্যালঘুতকৈ ভাষিক সংখ্যালঘুসকল সংখ্যাগৰিষ্ঠ বুলি বিভিন্ন মহলে দাবী কৰিছে। এনেস্থলত তোমালোকৰ স্বাৰ্থ অক্ষুন্ন ৰখাত চৰকাৰে কিমান-খিনি সাহস বা সহৃদয়তাৰ পৰিচয় দিব পাৰে মই কব নোৱাৰোঁ।'

চলিহাৰ ঔষধ পালিয়ে এইবাৰ বেছ কাম কৰিলে।

তেওঁৰ কথাই অকল ছিৰাজ আলি, কাচিম মিঞা বা মৌলবীইঁতৰ দৰে বুঢ়া কেইজনকে যে আতংকিত কৰি তুলিলে এনে নহয়, ছিৰাজ আলিৰ শিক্ষিত পুতেক ছিকন্দৰকো কিছু শঙ্কিত আৰু চঞ্চল কৰি তুলিলে।

চলিহাৰ কথাত কিমানখিনি সত্যতা আছে তাক ভালকৈ চিন্তা নকৰাকৈয়ে ছিকন্দৰে সুধিলে—'তেতিয়াহলে আমাৰ কি হব?'

চলিহাই দ্বিতীয় পালি ঔষধ প্ৰয়োগ কৰিলে।

'চৰকাৰৰ মিছা আশ্বাসত নিৰ্ভৰশীল হৈ নেথাকি তোমালোকে তোমা-লোকৰ ৰক্ষাকবচ নিজেই তৈয়াৰ কৰিব লাগিব। মানে আন্দোলনটো ব্যৰ্থ

কৰাত আমি যাতে চৰকাৰক সহায় কৰিব পাৰোঁ, তাৰ বাবে কিছুমান কাৰ্য্য-পদ্ধতি হাতত লব লাগিব।'

ছিকন্দৰে সুধিলে—'সেই কাৰ্য্য-পদ্ধতিসমূহ কেনে ধৰণৰ হ'ব?'

ছিকন্দৰৰ লগতে বাকী কেইজনেও কৌতুহলী দৃষ্টিৰে চলিহাৰ মুখলৈ চালে।

নিজৰ পাৰিপাৰ্শ্বিক অৱস্থাটো এবাৰ ভালদৰে নিৰীক্ষণ কৰি লৈ চলিহাই ক'লে, 'আমি এনে কেতবোৰ কাম কৰিব লাগিব যিবোৰে আন্দোলনটোৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্যক বিভ্ৰান্ত কৰি তুলিব পাৰে। দৰকাৰ হলে হিংসাত্মক কাৰ্য্যও সংঘটিত কৰিব লাগিব।'

চলিহাৰ কথাত ছিৰাজ আলিকে ধৰি বয়সস্থ কেইজনক বেছ অসন্তুষ্ট হোৱা দেখা গ'ল। কাৰণ তেওঁলোকৰ মতে হিংসাত্মক কাৰ্য্যৰ দ্বাৰা এটা শান্তিপূৰ্ণ আন্দোলনৰ গতিপথত হেঙাৰ সৃষ্টি কৰিব পাৰি, কিন্তু সমস্যা সমাধান কৰিব নোৱাৰি। অৱশ্যে আন্দোলনটোৰ তীব্ৰতা হ্ৰাস পোৱাটো তেওঁলোকৰ একান্ত কাম্য।

॥ তেৰ ॥

কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰৰ এজন বিশেষ বিষয়া চৰকাৰী ভ্ৰমণৰ কাৰ্য্যসূচী লৈ অসমলৈ আহিছিল।

বিষয়াজনৰ নাম অমিতাভ অৰ্জুন।

বিমানেৰে আহি গুৱাহাটীত অৱতৰণ কৰিয়েই মিঃ অৰ্জুনে উচ্চ প্ৰশাসনীয় বিষয়াবৰ্গৰ আতিথ্য গ্ৰহণ কৰিলে। তাৰ পিচত আই-জি-পিৰপৰা উপায়ুক্তলৈকে প্ৰায় কেইজন শীৰ্ষস্থানীয় বিষয়াক লগ ধৰি অসমৰ শেহতীয়া পৰিস্থিতিৰ বুজ ললে।

মিঃ অৰ্জুনে অসম আন্দোলনৰ গুৰি ধৰা ছাত্ৰ-সংগঠনৰ দুজনমান বিষয়ববীয়া, জনচেৰেক বিধায়ক আৰু আন দুজনমান নেতৃস্থানীয় ব্যক্তিকো লগ ধৰিলে। তেওঁৰ তিনিদিনীয়া অসম ভ্ৰমণৰ বাৰ্তা আগতীয়াকৈ পাই মানবেন্দ্ৰ চলিহাও যথাসময়ত বিমান বন্দৰত উপস্থিত হৈছিলগৈ আৰু তাৰপৰা চৰকাৰী অতিথিশালাত সম্মানিত অতিথিজনক অন্তৰঙ্গভাৱে সাক্ষাৎ কৰিলেগৈ।

মিঃ অৰ্জুনৰ অনুৰোধক্ৰমে তেওঁ অসমৰ অন্যান্য কেইবাখনো ঠাই পৰিদৰ্শন কৰিবলৈ যাওঁতে তেওঁৰ লগত চলিহাও আন বিষয়াবৰ্গৰ লগত যাবলগীয়া

হৈছিল। কিন্তু তাৰ আগতে স্থানীয় চাৰ্কিট হাউছত কিছু সময় জিৰণি লওঁতে চলিহাই মিঃ অৰ্জুনৰ সতে ঘনিষ্ঠভাবে কথা-বতৰা পাতিবলৈ সুবিধা পাইছিল।

মিঃ অৰ্জুনৰ লগত ডুআৰাৰমান কথা পাতিয়েই চলিহাই গম পাইছিল যে জনসাধাৰণৰ মাজত প্ৰচাৰ হোৱাৰ দৰে চৰকাৰী বিষয়াজনৰ অসম আগমনৰ উদ্দেশ্য অসমৰ শেহতীয়া পৰিস্থিতি অধ্যয়ন কৰাটোৱেই নহয়, তাৰ বাহিৰেও তেওঁৰ এটা বেলেগ উদ্দেশ্য আছে—যিটো চলিহাইতৰ দৰে জনচেৰেক লোকৰ বাহিৰে আন আগত প্ৰকাশ কৰিব নোৱাৰি। আৰু সেইটোহে তেওঁৰ আকস্মিক আগমনৰ আচল উদ্দেশ্য।

চাৰ্কিট হাউছত অন্তৰঙ্গভাবে কথা-বতৰা পাতোঁতে মিঃ অৰ্জুনে চলিহাক ক'লে, 'এই আন্দোলনটো যে এটা অভূতপূৰ্ব গণ-আন্দোলনত পৰিণত হৈছে তাত কোনো সন্দেহ নাই। কিন্তু ইয়াক প্ৰতিৰোধ কৰিবই লাগিব—নহলে আপোনালোক বাচি নেথাকে, আপোনালোকৰ দল বাচি নেথাকে।'

চলিহাই ক'লে, 'সেইটো আমি বুজিছোঁ, কিন্তু ইয়াক প্ৰতিৰোধ কৰাৰ কোনো অস্ত্ৰ আমি বিচাৰি পোৱা নাই।'

'অস্ত্ৰ আপোনালোকৰ হাততেই আছে, কিন্তু আপোনালোকে তাক প্ৰয়োগ কৰিব জনা নাই। বাৰু কওকচোন, এটা শক্তিৰ বিপৰীতে আন এটা শক্তি জানো থিয় কৰাব নোৱাৰি? এটা আন্দোলনৰ বিপৰীতে আন এটা আন্দোলন জানো গঢ়ি তুলিব নোৱাৰি?'

চলিহাই ক'লে 'নিশ্চয় পাৰি, কিন্তু তাৰবাবে কিছু আগতীয়া প্ৰস্তুতিৰ প্ৰয়োজন।'

'আপোনাৰ সমষ্টিৰ এটা বিৰাট অংশ লোক খিলঞ্জীয়া লোক নহয় বুলি শুনিছোঁ। সেইদৰে আন কেইটামান অঞ্চলতো থলুৱা লোকৰ সংখ্যা হেনো বৰ কম। গতিকে সেই মানুহবোৰক লৈ এটা স্বকীয়া আন্দোলন গঢ়ি তোলাটো নিশ্চয় বৰ ডাঙৰ কাম নহব। কেৱল দৰকাৰ হব উপযুক্ত নেতৃত্ব দিব পৰা মানুহ।'

মিঃ অৰ্জুনৰ পৰামৰ্শটোৱে চলিহাক যেন বৰ উৎসাহিত কৰিলে, উদ্দীপিত কৰিলে। তেওঁ তেতিয়াই মিঃ অৰ্জুনক কথা দিলে—সেই সম্পৰ্কে তেওঁ অচিৰেই তেওঁৰ সতীৰ্থসকলৰ সতে আলোচনা কৰিব।

মনত এক নতুন উত্তম আৰু কৰ্ম-প্ৰেৰণা লৈ চলিহা আকৌ ব্যস্ত হৈ পৰিল।

সুৰঞ্জন মাইতি, অসীম গাঙ্গুলী, ভূপতি ঘোষালহঁতৰ বিৰাট গ্ৰুপটোও চলিহাৰ সমৰ্থকৰ অন্তৰ্ভুক্ত। প্ৰত্যেকবাৰেই তেওঁলোকৰ গ্ৰুপটোৱে চলিহাক ভোট দি আহিছে। চলিহাৰ বাহিৰে তেওঁলোকে অসমৰ কোনো নেতাক চিনি নেপায়।

গ্ৰুপটোৰ বেছি সংখ্যকেই ৰেল বিভাগত চাকৰি কৰা মানুহ। কেইজনমানে অৱশ্যে বীমা কোম্পানী, বেংক, সচিবালয়, স্কুল আদিতো কাম কৰে। কোনো কোনোৱে স্বাধীন ব্যৱসায়ো কৰে। চাকৰিৰ দায়িত্বত কোনোবাজন লামডিঙত, কোনোবাজন হাফলঙত, কোনোবাজন গুৱাহাটী বা মালিগাঁৱত বা শ্বিলং, ধুবুৰী, তিনিচুকীয়া আদিত থাকিলেও মাহটোৰ ভিতৰত কমপক্ষেও তেওঁলোক এবাৰ হেড্ কোৱাৰ্টাৰত গোট খায়।

এই গ্ৰুপটোৰ অধিকাংশ লোকেই ষাঠিৰ দশকত ভাৰতলৈ অহা। চলিহাৰ মধ্যস্থতাত পশ্চিম বঙ্গ আৰু ত্ৰিপুৰা চৰকাৰৰ উদাৰ সৌজন্যত তেওঁলোকে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছিল।

ভাষাৰ মাধ্যম লৈ হোৱা বিক্ষিপ্ত ধৰণৰ অশান্তিৰ বাহিৰে ইমান বছৰে তেওঁলোকে অসমত বেছ সুখেৰেই বসবাস কৰি আহিছিল। কিন্তু বিদেশী অনুপ্ৰবেশকাৰীৰ প্ৰশ্ন লৈ হঠাতে সৃষ্টি হোৱা গণ্ডগোলটোৱে তেওঁলোকক আতংকিত কৰি তুলিলে। যদি অসমীয়া বাইজৰ ওচৰত অসম চৰকাৰে, কেন্দ্ৰীয় চৰকাৰে কেনেবাকৈ মূৰ দোঁৱাবলগীয়া হয়? পশ্চিম বঙ্গ আৰু ত্ৰিপুৰা চৰকাৰে অকৰ্তৃত্বশীলভাৱে প্ৰদান কৰা নাগৰিকত্বৰ ৰক্ষাকবচে তেওঁলোকক ধৰি ৰাখিব পাৰিব জানো?

সুৰঞ্জন মাইতি, ভূপতি ঘোষালহঁতৰ গ্ৰুপটো আকৌ তেওঁলোকৰ হেড্ কোৱাৰ্টাৰত সমবেত হ'ল। ইজনৰ আগত সিজনে নিজৰ মনৰ সংশয় প্ৰকাশ কৰিলে, নানান কথা আলোচনা কৰিলে। গ্ৰুপ মিটিঙৰ সিদ্ধান্ত-মৰ্মে চলিহা চাহাবক লগ ধৰা হ'ল। চলিহাই তেওঁলোকক নিশ্চিন্ত হৈ থাকিবলৈ উপদেশ দিলে।

চলিহাই নিৰ্ভয় দি ক'লে, 'মই থকালৈকে আপোনালোকে কোনো চিন্তা নকৰিব। এনেকুৱা আন্দোলন অসমত আগতেও হৈছিল, ভৱিষ্যতেও হৈ থাকিব। গতিকে তালৈ ভয় কৰি কোনো লাভ নাই। মুঠামানক ধৰি

যেতিয়া পুলিচ, চি-আৰ-পিয়ে উত্তৰ-মধ্যম শোধাব, তেতিয়া ক'ৰ আন্দোলন কলৈ উৰি যায়গৈ ঠিক নাইকিয়া হব।'

কিন্তু দুখৰ কথা, মানবেন্দ্ৰ চলিহাৰ সেই নিৰ্ভয়-বাণীৰ এটা শব্দও নফলিয়ালে। অসমীয়া বাইজখনে ল'বাইঁতৰ লগ লাগি ব্ৰহ্মপুত্ৰ উপত্যকাত নিৰ্বাচনকে পাতিবলৈ নিদিলে। চৰকাৰে জোৰকৈ পাতিব খোজাৰ ফলত পৰিস্থিতি বেছি জটিল হ'ল। নানান ঠাইত নানান অবাঞ্ছনীয় ঘটনা ঘটিল। অশান্তিৰ জুই অসমৰ ইমূৰৰপৰা সিমূৰলৈকে বিয়পি পৰিল।

উপায় নেপাই স্বৰঞ্জন মাইতিহঁতৰ এটা সাতজনীয়া দল পশ্চিম বঙ্গ পালেগৈ। পশ্চিম বঙ্গ চৰকাৰে তেওঁলোকক নানা ধৰণে বুদ্ধি-ভৰসা দি অসমলৈ ঘূৰাই পঠালে। লগতে ৰাষ্ট্ৰপতিৰ শাসনৰ কবলত থকা অসমৰ প্ৰশাসনীয় পাৰিষদবৰ্গৰ দুজনমানলৈ পশ্চিম বঙ্গ চৰকাৰে চিঠিও লেখিলে।

সেই চিঠিৰ সূত্ৰ ধৰিয়েই স্বৰঞ্জন মাইতিহঁতৰ দলটোৱে প্ৰশাসনীয় বিষয়া সনাতন নন্দী, বনবিহাৰী কুণ্ডু আদি কেইজনমানক সাক্ষাৎ কৰিলে। তেওঁলোকৰ সাক্ষাৎ সফল হ'ল; কাৰণ তেওঁলোকৰ লগত সাক্ষাৎ কৰি অহাৰ কেইদিনমানৰ পিচতেই মাইতি-ঘোষালহঁতে 'আসাম সংখ্যালঘু সংগ্ৰাম পৰিষদ' নামেৰে এটা সংগঠন গঢ়ি তুলিলে যাৰ প্ৰধান পৃষ্ঠপোষক হ'ল সনাতন নন্দী, বনবিহাৰী কুণ্ডু, মানবেন্দ্ৰ চলিহা, ত্ৰিদিবনন্দন বৰুৱা, খন্দকাৰ বৃন্তাক ছুছেইন আদি কেইজনমান শক্তিমান ব্যক্তি।

লক্ষ্য কৰিবলগীয়া কথা যে উক্ত সংগঠনটো তেওঁলোকে প্ৰথমে ভাষাৰ ভিত্তিতহে অৰ্থাৎ ভাষিক সংখ্যালঘুসকলক সামৰি লৈহে গঢ়ি তুলিছিল; ধৰ্মীয় সংখ্যালঘুসকলক তাত অন্তৰ্ভুক্ত কৰা হোৱা নাছিল। সেইটো কিয় কৰা হৈছিল তলত দাঙি ধৰা গোহাৰি-পত্ৰখনেই প্ৰমাণ কৰিব। মূল বঙলা ভাষাত প্ৰচাৰ কৰা গোহাৰিখনৰ আৰ্হি আছিল এনেকুৱা :

আমাৰ প্ৰিয় আসামনিবাসী বাঙালী বন্ধুসকল,

'আসামৰ বহিৰাগত তথা বিদেশী নাগৰিক বহিষ্কাৰৰ আন্দোলনত দেখা গৈছে যে পূৰ্ব-বঙ্গৰপৰা অহা ভগনীয়াসকলক ভাৰতীয় নাগৰিক হিচাপে ধৰা হোৱা নাই। ভাৰতৰ প্ৰচলিত আইন পৰ্য্যালোচনা কৰি দেখা গৈছে যে এই ক্ষেত্ৰত আইন অস্পষ্ট। কিন্তু দেশ বিভক্ত হোৱাৰ ফলতেই পূৰ্ববঙ্গৰ হিন্দু বাঙালীসকল অসমলৈ আহিবলগীয়া হয়। এই বাঙালী লোকসকলক আসামৰপৰা খেদিবৰ কাৰণেই সাম্প্ৰতিক আন্দোলনটো শক্তিশালী কৰি

তোলা হৈছে। যদিও এই আন্দোলনক বিদেশী বহিষ্কাৰৰ আন্দোলন বুলি সকলোফালে প্ৰচাৰ কৰা হৈছে তথাপি আমি অতি সতৰ্কভাৱে লক্ষ্য কৰি দেখিছোঁ—এইটো আচলতে ‘বঙাল খেদা’ আন্দোলনহে। তাৰ কাৰণ, অসমীয়া লোকসকলে চিৰকালেই বাঙালীসকলক সন্দেহ আৰু অবিশ্বাসৰ চকুৰে চাই আহিছে। ভাষা-সাহিত্য, কলা-সংস্কৃতি আদি সকলো বিষয়তে আগবঢ়া আমাৰ এই বাঙালী সম্প্ৰদায়টোৰ প্ৰতি অসমীয়াসকল সদায়ে ঈৰ্ষান্বিত আৰু শত্ৰুভাবাপন্ন।

‘আমি জনাত, আন্দোলনটো সুৰু হোৱাৰেপৰা বৰ্তমানলৈকে আসামৰ বিভিন্ন ঠাইত প্ৰায় ৪০জন বাঙালী লোকে অসমীয়াৰ হাতত মাৰ খাইছে, প্ৰায় ২০টা পৰিয়াল সম্পূৰ্ণৰূপে গৃহহীন হৈছে, প্ৰায় ১০টা পৰিয়ালক সম্পূৰ্ণ সৰ্বস্বান্ত কৰি, জোৰপূৰ্বক আসামৰ বাহিৰলৈ খেদি দিয়া হৈছে। দুজনী যুৱতীৰ ওপৰত পাশৱিক অত্যাচাৰ চলোৱা হৈছে আৰু নিতাই সৰকাৰ নামৰ এজন ব্যক্তিক ধৰি মুঠ তিনিজন ব্যক্তিক এই পৰ্যন্ত হত্যা কৰা হৈছে। এইবিলাকৰ বাহিৰেও বিভিন্ন স্থানত বিক্ষিপ্তভাৱে ঘটা অগ্নি-সংযোগ, লুটপাত, ভীতি প্ৰদৰ্শন আদি ঘটনাতো আছেই।

‘কিন্তু অতি দুখ, বিস্ময় আৰু আক্ষেপৰ কথা যে অসমত বছৰ বছৰ ধৰি বসবাস কৰি অহা দুৰ্ভগীয়া বাঙালী লোকসকলক বিতাড়িত কৰিবলৈ চলোৱা এই মাৰাত্মক অভিযানৰ প্ৰতি আসাম চৰকাৰ সম্পূৰ্ণ নিৰ্বিকাৰ আৰু উদাসীন। আমি খবৰ পোৱা মতে এই নৃশংস অভিযানটোত কেবাজনো উচ্চপদস্থ অসমীয়া চাকৰিয়াল তথা বুদ্ধিজীৱীও ওতঃপ্ৰোতভাৱে জড়িত আছে।

‘সেয়েহে বঙ্গমাতাৰ বীৰ সন্তানসকলৰ প্ৰতি আমি আকুল আহ্বান জনাওঁ যাতে আমাৰেই ভাতৃ-ভগ্নী-মাতৃসকলৰ সৰ্বনাশৰ বাবে আৰম্ভ হোৱা এই আন্দোলন অধিক শক্তিশালী হৈ উঠাতেই ইয়াক নিৰ্মূল কৰিবৰ বাবে আমি উপযুক্ত কাৰ্য্যব্যৱস্থা হাতত লওঁ।’

তলত ‘আসাম সংখ্যালঘু সংগ্ৰাম পৰিষদ’ৰ আহ্বায়ক সুৰঞ্জন বাবু আৰু সাংগঠনিক সম্পাদক বিধান চন্দ্ৰ ভৌমিকৰ স্বাক্ষৰ।

অপপ্ৰচাৰৰ চূড়ান্ত নিদৰ্শনস্বৰূপ সেই গোহাৰিখন যাতে অসমৰ চুকে-কোণে থকা বাঙালী লোকসকলেও নোপোৱাকৈ নাথাকে তাৰ কাৰণে সংগ্ৰাম পৰিষদৰ কৰ্মকৰ্তাসকলে অধিক তৎপৰতাৰে কাম কৰিবলৈ ধৰিলে। এসপ্তাহৰ ভিতৰতে প্ৰায় বিশ হেজাৰ গোহাৰি প্ৰচাৰ কৰা হৈ গ’ল।

কিন্তু সিমানখিনি কৰিয়েই সুৰঞ্জন বাবুহঁতৰ গ্ৰুপটো ক্ষান্ত নেথাকিল। অসমীয়া মানুহৰ উদাসীনতাৰ সুযোগ লৈ সুৰঞ্জন বাবুহঁতে সাত-আঠজনমান মানুহৰ নাম দি অসমৰ বিভিন্ন অঞ্চলত বাস কৰা কেইজনমান বিশিষ্ট লোকলৈ ব্যক্তিগতভাবে কেইখনমান চিঠি লেখিলে। কেউখন চিঠিৰে ভাব-ভাষা আৰু বক্তব্য আছিল একে ধৰণৰ!

মান্যবৰেষু,

এটা বিশেষ জৰুৰী কথাৰ বাবে আপোনালৈ এই চিঠিখন লিখা হ'ল। আমি আসামৰ বাঙালী অধিবাসীসকলে আসামৰ সাম্প্ৰতিক বিদেশী বহি-ষ্কাৰৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত চলা অন্যায় কাৰ্য্যৰ [যদিও এই পৰ্য্যন্ত কলেও একোনো বিশেষ ধৰণৰ সম্প্ৰীতিকৰ ঘটনা ঘটা নাই, কোনো অশান্তি হোৱা নাই] প্ৰতিবাদকল্পে সন্মিলিতভাবে প্ৰস্তুত হোৱাৰ প্ৰয়োজন হৈ পৰিছে। যিহেতু আমি আসামৰ মাটি এৰি, চাকৰি এৰি, আসামত চলাই থকা ব্যৱসায় বাণিজ্য এৰি ক'লৈকো যাব নোৱাৰোঁ। সেইবাবে এই আন্দো-লনৰ বিৰুদ্ধে আন এটা আন্দোলন গঢ়ি তুলিবই লাগিব। তদুপৰি এই সম্পৰ্কত আমাৰ 'বৃহৎ সোণাৰ বাংলা' গঠনৰ প্ৰশ্নটোও ওতঃপ্ৰোতভাবে নিহিত। যদিও এই ক্ষেত্ৰত আমাৰ দাবী অযুক্তিকৰ হলেও আমি তাক যুক্তিপূৰ্ণ তথ্য-পাতিৰে প্ৰতিপন্ন কৰাৰ চেষ্টা কৰিব লাগিব।

বিশেষ লক্ষ্য কৰিবলগীয়া কথা যে আমি এই সংক্ৰান্তত অতি শীঘ্ৰে এটা সঁজাতী দল নতুন দিল্লীলৈ পঠোৱাৰ দিহা কৰিছোঁ। দলটোৱে প্ৰধান মন্ত্ৰী আৰু অন্যান্য নেতৃবৰ্গক লগ ধৰি আমাৰ অনিশ্চিত ভবিষ্যতৰ বিষয়ে বুজাই কব। জগতে আন্দোলনটো যে কোনেপধ্যে অহিংস, শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক নহয় সেই বিষয়েও নতুন দিল্লীক প্ৰত্যয় নিয়াবলৈ যত্ন কৰিব। আমাৰ সঁজাতী দলটো অহা সপ্তাহতে দিল্লীলৈ ৰাওনা হোৱাৰ কথা; কাৰণ তেওঁলোক যাওঁতে এদিনৰ বাবে হলেও কলিকতাত বৈ যাব লাগিব। কাৰণ পশ্চিম বঙ্গ চৰকাৰে আমাক মাতি পঠাইছে।

সঁজাতী দলটোত কমপক্ষেও কুৰিজন লোক যোৱা উচিত হব বুলি আমি বিবেচনা কৰোঁ। গতিকে এজন বিচক্ষণ বক্তা আৰু আইন, ৰাজনীতি আদি বিষয়ত ব্যাপক জ্ঞান থকা বিশিষ্ট নাগৰিক হিচাপে আমি সঁজাতী দলটোত আপোনাক অন্তৰ্ভুক্ত কৰিব খোজোঁ। এইখিনিতে আপোনাক জনাই থোৱা উচিত হব যে সঁজাতী দলটো দিল্লীলৈ অহা-যোৱাৰ সমূদায় খৰচ 'আসাম

সংখ্যালঘু সংগ্ৰাম পৰিষদে' বহন কৰিব। সেয়ে আপোনাৰ নামটো আমাৰ 'সগ্ৰাম পৰিষদ'ৰ সদৰ কাৰ্য্যালয়'লৈ অতি সোনকালে পঠাব বুলি আশা কৰিলোঁ। ইতি—

ভবদীয়—

....

॥ চৈধ্য ॥

ইতিহাসে কি কয় নেজানো, কিন্তু কেতবোৰ কথাৰ পম খেদি গলে দেখা যায় পূৰ্ববঙ্গৰ হিন্দুসকলে মুছলমান সম্প্ৰদায়ৰ লোকসকলক পেটে পেটে ঘিণ কৰে আৰু পৰাপক্ষত তেওঁলোকৰ সাহচৰ্য্যৰপৰা আঁতৰি থাকিবলৈ বিচাৰে। হয়তো তাৰ আচল কাৰণ ঐতিহাসিক সম্প্ৰদায়িক সংঘৰ্ষ।

সেই ভয়াবহ সাম্প্ৰদায়িক সংঘৰ্ষৰ ৰক্তাক্ত বিভীষিকাই কেৱল যে অখণ্ডিত ভাৰতবৰ্ষৰ কেইটামান অঞ্চলতেই গভীৰ সন্ত্ৰাস আৰু তিক্ততাৰ সৃষ্টি কৰিছিল এনে নহয়, গোটেই বিশ্বকে সি আতংকিত কৰি তুলিছিল। এজন মহামানৱৰ অসীম প্ৰচেষ্টাত এদিন সেই ৰক্তাক্ত সংঘৰ্ষৰ ওৰ পৰিছিল; কিন্তু সুৰঞ্জন মাইতি, অসীম গাঙ্গুলীহঁতৰ সমাজখনত দকৈ শিপাই যোৱা বিৰোধৰ ভাবটো যেন চিৰদিনৰ বাবে বৈ গ'ল।

আজিও সুৰঞ্জন মাইতি, অসীম গাঙ্গুলীহঁতৰ ৰক্ষণশীল সমাজখনে ছিৰাজ আলি, কাচিম মিঞা, ৰেকিবুদ্দিন মৌলবীহঁতৰ সমাজখনক পেটে পেটে ভয় কৰে, ঘিণ কৰে। অথচ দেশ বিভাজনৰ পিচত একেটা উদ্দেশ্য লৈয়ে দুয়োটা সম্প্ৰদায়ৰ লোক ভাৰতলৈ আহিছিল।

কোনোবা আহিছিল কাৰোবাৰ নেতৃত্বত দেখাদেখিকৈ ৰাজপথেদি—কোনোবা আহিছিল লুকাই লুকাই গোপন পথেদি। উদ্দেশ্য কিন্তু আটাইৰে একে : এমুঠি ভাত, এডুখৰি কাপোৰ, এটা নিৰাপদ জীৱনৰ আশা। হয়তো সেইখন দেশত থাকোঁতে ছিৰাজ আলি, কাচিম মিঞাহঁতৰ সমাজখনে সুৰঞ্জন মাইতি, অসীম গাঙ্গুলী, বিধান ভৌমিকহঁতৰ সমাজখনৰ ওপৰত কৰা নৃশংস অত্যাচাৰ, গুণ্ডামিয়েই মাইতি, গাঙ্গুলী, ভৌমিকহঁতক অভিশপ্ত স্বাৰ্থপৰ কৰি তুলিলে। পুৰুষি ভাতৃদ্বক নিষ্ঠুৰ নৃশংসভাবে ক্ষত-বিক্ষত কৰা ছিৰাজ

আলি, কাচিম হিঞ্চাইহঁতক সুৰঞ্জন মাইতিহঁতে যেন কোনোদিনেই বিশ্বাস নকৰে, কোনোদিনেই সহজ চকুৰে নেচায়।

গতিকেই নিশ্চয় সুৰঞ্জন বাবুহঁতে দলীয় নেতা আৰু চৰকাৰী সমৰ্থনৰ পৃষ্ঠপোষকতাত গঢ়ি তোলা জাতীয়তাবাদী সংগঠন 'আসাম সংখ্যালঘু সংগ্ৰাম পৰিষদ'ত ছিৰুদ্দৰ আলি, ফজলুল হুছেইন, ইক্ৰামুল হকহঁতক অন্তৰ্ভুক্ত নকৰিলে। কিন্তু তাৰ প্ৰতিক্ৰিয়া হ'ল বেয়া ধৰণৰ।

বহুতৰে হাত বাগৰি গৈ এদিন সুৰঞ্জন বাবুহঁতৰ গোহাবিথন কঠালগুৰি, নগাভেটা, বালিচাপৰি আদি অঞ্চলৰ বাইজৰ হাততো পৰিলগৈ। এই অঞ্চলৰ বহুলো লোকৰ মাজত গোহাবিথনে যেনেকুৱা প্ৰতিক্ৰিয়াই নকৰক, ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলক কিন্তু বেছ চিন্তিত আৰু উদ্বিগ্ন কৰি তুলিলে। বিশেষকৈ ছিৰুদ্দৰ আলি, ইমদাদ হক, ফজলুল হুছেইন, হানিফ আলিহঁতৰ শিক্ষিত ডেকা চামটোৰ মাজত বেছ এটা আলোড়ন সৃষ্টি হ'ল। ডেকা চামটোৱে সুৰঞ্জন মাহঁত, অসীম গাঙুলীহঁতৰ সেই স্বাৰ্থপৰতাৰ আঁৰত কিবা এটা ষড়যন্ত্ৰ থকা যেন অনুভৱ কৰিলে।

এদিন প্ৰাণজিতৰ লগত চলিহা নগাভেটাৰফালে যাওঁতে ডেকা চামটোৰ কেইজনমানে বাটতে তেওঁক আগচি ধৰিলে। খুব চমুকৈ কথাটো বৰ্ণনা কৰি হানিফে ক'লে, 'আমি ছাৰ 'অসাম সংখ্যালঘু সংগ্ৰাম পৰিষদ'ৰ পৃষ্ঠভূমিত আপুনিও আছে বুলি গন্ধ পাইছোঁ। বৰ্তমান পৰিস্থিতিত তেনে এটা সংগঠন গঠিত হোৱাত আমিও বৰ ভাল পাইছোঁ। কিন্তু প্ৰশ্ন হ'ল, তাত অন্তৰ্ভুক্ত হোৱাৰপৰা আমাক কিয় বঞ্চিত কৰা হ'ল ছাৰ?'

চলিহাই প্ৰত্যুৎপন্নমতিত্বাৰে উত্তৰ দিলে—'কোনে কৈছে তোমালোকক বঞ্চিত কৰা হৈছে বুলি? অৱশ্যে গোহাবিথনত তোমালোকৰ কথা পৰিষ্কাৰকৈ উল্লেখ কৰা হোৱা নাই। তাৰ কাৰণ হ'ল, কামটো বৰ লৰাধপৰাকৈ কৰিব লগা হ'ল। পিচত অৱশ্যে সুৰঞ্জন মাইতিহঁতে মোক লগ ধৰি সেই বিষয়ে বিশদভাবে আলোচনা কৰিছে।'

আচলতে চলিহাই এটাও সঁচা কথা কোৱা নাছিল; গোটেই কথাখিনি তেওঁৰ মনে-সজা। কিন্তু তেওঁৰ ওপৰত সেই অঞ্চলৰ ৰাইজৰ গভীৰ বিশ্বাস আৰু আস্থা থকা কাৰণেই ল'ৰাহঁতে তেওঁৰ কথা নিৰ্বিবাদে সঁচা বুলি ধৰি ললে।

অৱশ্যে নগাভেটাৰপৰা ঘূৰি আহি চলিহাই সুৰঞ্জন মাইতি, ভূপতি ঘোষালহঁতক লগ ধৰাৰ উদ্দেশ্যে গাড়ী দৌৰালে। মাইতি, ঘোষাল আৰু

ভৌমিকক তেওঁ একেলগে লগ পালে। তিনিওৱে আগত ইমদাদ-হানিফহঁতৰ আশংকা আৰু অভিযোগটোৰ বিষয়ে বিৱৰি কৈ চলিহাই গহীন সুৰত ক'লে, 'সেইটো অৱশ্যে আপোনালোকৰেই ভুল হৈছে। সেই মানুহখিনিক অন্তৰ্ভুক্ত কৰি নললে সংগঠনটো কেতিয়াও শক্তিশালী নহয়। মনত ৰাখিব, সেই অঞ্চলৰ বাইজ আপোনালোকতকৈও আগতে অসমলৈ অহা।'

চলিহাৰ উদ্দেশ্য পূৰণ হ'ল।

সুৰঞ্জন বাবু, ভূপতি বাবুহঁতে সেই সংক্ৰান্তত আকৌ গ্ৰুপ মিটিং পাতিলে। মিটিঙত সেই গুৰুত্বপূৰ্ণ কথাটোৰ ওপৰত বিতং আলোচনা হ'ল। এটা কথাত সুৰঞ্জন বাবুহঁত সম্পূৰ্ণৰূপে একমত হ'ল যে যিহেতু এমুঠি ছাত্ৰই গুৰি ধৰা আন্দোলনটোৱে অতি কম দিনৰ ভিতৰতে সমগ্ৰ অসমীয়া ৰাইজৰ অকুণ্ঠ সমৰ্থন আৰু সহযোগিতাত এক সৰ্বাত্মক গণ-আন্দোলনলৈ ৰূপান্তৰিত হৈ অসমৰ ইমুৰৰপৰা সিমুৰলৈ তোলপাৰ লগাই দিছে গতিকে তাক প্ৰতি-ৰোধ কৰিবলৈ যিটো শক্তিৰ প্ৰয়োজন হব সিও হব লাগিব অসাধাৰণ প্ৰতিক্ৰিয়াশীল। তেনে এটা শক্তি আহৰণ কৰিবলৈ হ'লে সংগঠনটো আৰু 'মজবুত' কৰি তুলিব লাগিব। আৰু সিও নিশ্চয় সম্ভৱ হব ধৰ্মীয় সংখ্যা-লঘুসকলৰ সহযোগিতাতহে।

ধৰ্মীয় সংখ্যালঘুসকলৰ লগত হাত মিলালে তেওঁলোকৰ আৰু এটা ডাঙৰ লাভ হব পাৰে : প্ৰয়োজন ক্ষেত্ৰত সিহঁতক অস্ত্ৰ হিচাপেও ব্যৱহাৰ কৰিব পৰা যাব। হয়তো চলিহায়ো তেনে এটা সম্ভাৱনীয়তাৰে ইঙ্গিত দিছে।

গতিকেই সুৰঞ্জন মাইতিহঁত আৰু বহি নাথাকিল।

এদিন সুৰঞ্জন বাবুহঁতৰ চাৰিজনীয়া প্ৰতিনিধি দল এটাই চলিহাক ঘৰতেই লগ ধৰি খবৰ দি গ'লহি যে 'আসাম সংখ্যালঘু সংগ্ৰাম পৰিষদ'ৰ সৌজন্যত তেওঁলোকে এটা বিৰাট গণ সমাবেশৰ আয়োজন কৰিছে। সমাবেশৰ ঠাই হব নগাওঁতো। যি কোনো ঠাইতে তেনে এটা সমাবেশ পতাটো ঠিক নহব কাৰণেই তেওঁলোকে সেই ভিতৰুৱা গাওঁখন নিৰ্বাচন কৰিছে।

চাৰিজনীয়া প্ৰতিনিধি দলটোৱে চলিহাক ইয়াকো জনালে যে সেই সমা-বেশলৈ 'সংগ্ৰাম পৰিষদ'ৰ সংগঠনমূলক কামৰ লগত ঘনিষ্ঠভাৱে জড়িত বিশিষ্ট ব্যক্তিসকলৰ উপৰিও পশ্চিম বঙ্গৰ দুজন মাৰ্ক্সবাদী নেতাকো আমন্ত্ৰণ জনোৱা হৈছে। যথা সময়ত তেওঁলোক আহি গুৱাহাটী পুলিচৰ খবৰ পোৱা গৈছে। গতিকে চলিহাৰ দলৰ বিধিবদ্ধ মৰুৱা, নিৰ্মল ভাগৱতী, মুস্তাক হুছেইন

আৰু শেখ মহম্মদ ৰছিদ চৌধুৰীকে প্ৰমুখ্য কৰি কেইজন ব্যক্তি সমাবেশত উপস্থিত থকাটো একান্ত বাঞ্ছনীয়।

চলিহাই হাঁহিমুখে তেওঁৰ সতীৰ্থবৃন্দৰে সতে উপস্থিত থকাৰ পূৰ্ণ প্ৰতিশ্ৰুতি দি উদ্যোক্তা কেইজনক বিদায় দিলে।

উদ্যোক্তাসকলে আন্দোলনৰ আৰু এক নতুন কাৰ্য্যসূচী ঘোষণা কৰিলে।

তিনিটা পৰ্য্যায়ত ভাগ কৰা কাৰ্য্যসূচীখনৰ আন আন বিষয়ৰ ভিতৰত তেল অৱৰোধৰ বিষয়টোতেই সৰ্বাধিক প্ৰাধান্য আৰোপ কৰা হৈছিল। কাৰণ আন্দোলনৰ নেতৃত্ব দিয়া ছাত্ৰ সংগঠন কেইটাৰ প্ৰতিনিধি আৰু কেন্দ্ৰীয় নেতৃবৰ্গৰ মাজত ইতিমধ্যে কেইবাবাৰো আলোচনা অনুষ্ঠিত হৈছিল; কিন্তু অসমৰ ক্ষেত্ৰত চৰকাৰৰ অন্তঃসাৰশূন্য আৰু দিল্লীৰপৰা দিছপুৰলৈকে ব্যাপৃত আন্দোলন-বিৰোধী চক্ৰটোৰ অদৃশ্য ষড়যন্ত্ৰত প্ৰতিবাৰৰ আলোচনাই অসম্পূৰ্ণ অৱস্থাত স্থগিত হৈ ৰৈছিল।

অসমৰ বাহিৰে এটা কথা ভালকৈয়ে বুজিব পৰা হৈছে যে অসমত এনে এচাম মানুহ আছে যিয়ে অসমৰ উন্নতি কোনোদিনেই কামনা নকৰে। অসমত ভাল কিবা এটা হব খোজা যেন দেখিলেই সেইচাম মানুহ জেই-পুৰি মৰে। বোধহয় সেইচাম মানুহৰ কাৰণেই অসমত হব পৰা বহুতো উন্নয়নমূলক কাম হৈ উঠা নাই; সেইচাম মানুহৰ কাৰণেই অসমখন আজি ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত দেশৰ ভিতৰতে পিচপৰি আছে।

অসমৰ জনসাধাৰণে আন্দোলন কৰি কিবা এটা কেন্দ্ৰৰপৰা আদায় কৰিব খুজিলেও সেইচাম অন্তৰ্ঘাতকীয়ে নানান অসুবিধাৰ অজুহাত দেখুৱাই তাক গুৰিতেই নাশ কৰি থয়।

অথচ সেইচাম মানুহৰ লগতেই মানবেন্দ্ৰ চলিহা, ত্ৰিদিবনন্দন বৰুৱা ইতৰ দৰে লোকসকলৰ মধুৰ সম্পৰ্ক; নিবিড় ঘনিষ্ঠতা।

অসমক বিদেশী অনুপ্ৰৱেশকাৰীৰ ভূ-স্বৰ্গত পৰিণত কৰিবলৈ অহৰ্নিশে চেষ্টা চলাই অহা দলটোক মানবেন্দ্ৰ চলিহা বা তেওঁৰ দলটোৱে ভালকৈয়ে চিনি পায়। কিন্তু সেই ক্ষেত্ৰত তেওঁলোক সদায় নিৰুত্তৰ—নিৰ্বিকাৰ। কাৰণ সেই ক্ষেত্ৰত তেওঁলোকে কিবা মাত মাতিবলৈ যোৱা মানেই তেওঁলোকৰ ৰাজনৈতিক জীৱনলৈ বিপৰ্য্যয় মাতি অনা।

বিদেশীৰ প্ৰশ্ন লৈ গা কৰি উঠা ছাত্ৰ-আন্দোলনটোৱে অতি কম সময়ৰ ভিতৰতে এক ব্যাপক গণ-আন্দোলনলৈ ৰূপান্তৰিত হৈ গৈছে। দেশৰে আকাশ-বতাহ মুখৰিত কৰি তোলা কথাখিনিয়ে অকল যে সনাতন নন্দী, বন-বিহাৰী কুণ্ডু, শিৱৰাম চক্ৰৱৰ্তী বা সুৰঞ্জন মাইতি, ভূপতি ঘোষালহঁতকে ভীত-সন্ত্ৰস্ত কৰি তুলিছিল এনে নহয়, মণীন্দ্ৰ চলিহা, ত্ৰিদিবনন্দন বৰুৱা, মুস্তাফ হুছেইনহঁতৰ মনোজগততো ভূমিকম্পৰ জোকাৰণি তুলিছিল। সেই ভূমিকম্পত তেওঁলোকৰ সকলো ৰাজনৈতিক স্বপ্ন খানখান হৈ যোৱাৰ আশংকাত তেওঁলোক আশংকিত হৈ উঠিছিল।

এটা ভয়াবহ ৰাজনৈতিক বিপৰ্যয়ৰপৰা পৰিত্ৰাণ পোৱাৰ কাৰণেই তেওঁলোকে আন্দোলনটোৰ বিৰোধিতা কৰিবলৈ ধৰিলে। আৰু তাৰ বাবেই হাত মিলাবলগীয়া হ'ল সনাতন নন্দী, বনবিহাৰী কুণ্ডুহঁতৰ লগত, দিল্লীৰপৰা দিছপুৰলৈকে বিস্তাৰিত হোৱা গোপন চক্ৰটোৰ লগত।

নিৰ্ধাৰিত কাৰ্যসূচীমতেই দুলীয়াজান, নাহৰকটীয়া গেলেকী, নাৰেঙ্গী আদি ঠাইৰ পাইপ লাইনৰ পাম্পিং ষ্টেচনবোৰত ছাত্ৰ ছাত্ৰী আৰু ৰাইজৰ সমূহীয়া উদ্যোগত পিকেটিং আৰম্ভ হৈ গ'ল। লগে লগে তিনিচুকীয়া, মাৰ্ঘেৰিটা আদিৰ প্ৰাইভেট কাৰখানাবোৰতো শ্ৰমিক-কৰ্মচাৰীৰ অসহযোগ কাৰ্যসূচী চলিল। ৰেলে-মটৰে, বাছে-ট্ৰাকে কোনো বস্তু যাতে ৰাজ্যৰ বাহিৰ ওলাই যাব নোৱাৰে তাৰ কাৰণে স্বেচ্ছাসেৱক বাহিনী সজাগ হৈ থাকিল।

নিজৰ চহৰখনৰপৰা প্ৰায় সাত মাইল দূৰৰ পাইপ লাইনৰ পাম্পিং ষ্টেচনটোত বঙ্কিমহঁতেও পিকেটিং আৰম্ভ কৰিলে—নিৰ্ধাৰিত দিনৰপৰা। ওচৰে-পাজৰে অসমীয়া ডেকা-গাভৰু, পুৰুষ-মহিলা নিৰ্বিশেষে সকলোৱে আন্দোলনৰ প্ৰতিটো কাৰ্যসূচীতে অকুণ্ঠ সমৰ্থন আৰু সহযোগিতা আগবঢ়াই অহাৰ ঘটনাই আন্দোলন-বিৰোধী গোপন চক্ৰটোক ক্ষুব্ধ কৰি ৰাখিছিল; এইবাৰ তেওঁলোকৰ ক্ষোভ আৰু উদ্বিগ্নতা তীব্ৰ হৈ উঠিল।

কিন্তু দিল্লীৰপৰা আৱশ্যকীয় নিৰ্দেশ নোপোৱালৈকে ঘপকৈ একো এটা কৰি পেলাব নোৱাৰি। গতিকে দিল্লীৰপৰা কি নিৰ্দেশ আহে তাক চাবলৈকে কেইটামান দিন অপেক্ষা কৰিবলগীয়া হ'ল।

'আপুনি ইয়াত একো কৰিব নোৱাৰে যদি দিল্লীলৈকে যাওকগৈ দেউতা! তেলৰ প্ৰবাহ বন্ধ হৈ গলে, চাহপাত, প্লাইউড আদিৰ সৰবৰাহ বন্ধ হৈ গলে দেশখনৰ সন্মুখত কি এক ভয়ংকৰ পৰিস্থিতি উদ্ভৱ হ'ব, সেইটো

হয়তো দকৈ ভাবি চোৱা নাই। অসমৰ প্ৰশাসনো এই ক্ষেত্ৰত হতবুদ্ধি হৈ পৰিছে যেন লাগিছে। আপুনি সকলো কথা বুজাই কৈ আহিব পাৰিলে কেন্দ্ৰই নিশ্চয় কিবা এটা কৰিব।'

যেন দেশখনৰ ভাল-বেয়াৰ কথা দেউতাকে চিন্তা নকৰিলে আনে কৰোতা নাই ঠিক তেনে এটা ভাবতেই প্ৰাণজিতে কথাকিটা ক'লে।

প্ৰাণজিতৰ কথাত গুৰুত্ব আৰোপ কৰিযেই দেউতাকে উত্তৰ দিলে— 'নেলাগে জিত, মই এতিয়া দিল্লীলৈ নগলেও হব। ইয়াৰপৰাই যি যেনেকৈ যোগাযোগ কৰিব লাগে মই কৰিছো। চাই থাকচোন, আৰু দুই বা তিনি-দিনৰ পিচতে পৰিস্থিতিয়ে বেলেগ ৰূপ লব।'

যেনে কথা তেনে কাম।

তিনিদিনৰ পিচতে তেল নগৰী দুলীয়াজানত নিৰ্দেশ শান্তিপ্ৰিয় পিকেটিং-কাৰী ৰাইজৰ ওপৰত পুলিচৰ নিৰ্মম অত্যাচাৰৰ অভিযান চলিল। লাঠী, গুলী, বন্দুকৰ কুন্দাৰ আঘাত আৰু বুটজোতাৰ গচকত বহুতৰে দেহ চিৰদিনৰ বাবে ঘূণীয়া হ'ল; কাৰোবাৰ কাৰণে তৈলক্ষেত্ৰৰ সেই পবিত্ৰ বেদীয়েই হ'ল জীৱনৰ শেষ আশ্ৰয়।

অৱশ্যে সন্ত্ৰাসৰ সেই বিভীষিকা অকল দুলীয়াজানতেই নহয়, কেইদিন-মানৰ আগা-পিচাকৈ অসমৰ অন্যান্য ঠাইতো তাৰ পুনৰাভিনয় হ'ল। সেই নাটকৰ নেপথ্যত থকা নায়কসকলক ৰাইজে চিনি পালে। পিছে চিনি পায়ো একো কৰিব নোৱাৰিলে; কাৰণ সিহঁতৰ হাতত কোনো অস্ত্ৰ নাই। সিহঁত নিৰস্ত্ৰ। অস্ত্ৰ নোহোৱাকৈয়ে সিহঁতে সংগ্ৰাম চলাইছে।

পিছে লাঠী, গুলী, বেয়নেটৰ বৰ্বৰ শক্তিয়ে অৱৰোধৰ কাৰ্য্যসূচী ব্যৰ্থ কৰিলেও ৰক্তপিপাসুৰ দলে আন্দোলনকাৰী ৰাইজৰ প্ৰকৃত লক্ষ্য ব্যৰ্থ কৰিব নোৱাৰিলে। কাৰণ সেই ঘটনাৰ পিচতে আন্দোলনৰ নেতৃত্বৰ প্ৰতি শ্ৰদ্ধা জনাই শোধনাগাৰৰ সমূহ শ্ৰমিক-কৰ্মচাৰী আৰু কাৰিকৰী বিশেষজ্ঞই সৰ্বাত্মক অসহযোগৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।

এইবাৰ অকল চৰকাৰেই নহয়, চলিহাইতো বিপাঙত পৰিল।

॥ পোন্ধৰ ॥

এদিন দুপৰীয়া ক'ৰবাৰপৰা আহি ৰঞ্জিতে লৰালৰিকৈ দুটামান ভাত খাই ল'লে। তাৰ পিছত অকণমান শুই লওঁ বুলি সি বিছনাখনৰ ওচৰলৈ গ'ল। এৰিব নোৱাৰা দায়িত্বত কেইদিনমানৰপৰা বহুকৈ ঘূৰা-পকা কৰিব লগা হোৱা বাবে আৰু খোৱা-শোৱাৰ অনিয়মতাৰ বাবে সি কিছু শাৰীৰিক অসুস্থতা অনুভৱ কৰিছিল যদিও সময়ৰ নাটনিত জিৰণি লব পৰা নাছিল।

সেইদিনা বাধ্য হৈয়ে সি অলপ বিশ্রাম লোৱাৰ প্রয়োজন অনুভৱ কৰিলে। ঠিক ডেৰ বজাৰপৰা চাৰে তিনি বজালৈকে দুঘন্টা সময় আৰামকৈ শুই লোৱাৰ পিছত পঙ্কজাই তাক জগাই দিলে। চাৰি বজাৰ আগতে সাৰ নেপালে জগাই দিবলৈ পঙ্কজাক সি কৈ থৈছিল।

শুই উঠি মুখ-হাত ধুই চাহ একাপ খাই ৰঞ্জিত আকৌ যাবলৈ ওলাল। এনেতে মাক ওচৰত থিয় হ'লহি।

'আজিও ৰাতি তই নাহ নেকি ৰঞ্জু? সদায় সদায় এনেকৈ টোপনি খতি কৰি শৰীৰটো বেমাৰী কৰিব খুজিছ কিয়? বেমাৰত পৰিলে পিছত কোনে চাব?'

ৰঞ্জিতে সৰল হাঁহি এটা মাৰি ক'লে, 'কেলেই তোমালোক নাই জানো? দেশৰ ডাক্তৰবোৰো আছে নহয়।' কৈয়ে সি খোজ আগবঢ়াব খুজিছিল, এনেতে চলিহানীয়ে আকৌ ক'লে, 'নহয় ৰঞ্জু, কথাবোৰ ইমান পাতলকৈ নলবিচোন। এই এবছৰে কম পৰিশ্রম কৰিছনে তইঁতে? আইনাত মুখখন এবাৰ চাই আহগৈচোন।'

এনে সময়তে চলিহাও উপস্থিত হ'লহি। দেউতাকে যে ঘৰতে আছিল ৰঞ্জিতে গমকে পোৱা নাছিল। কাৰণ আন্দোলনটো তীব্র হৈ অহাৰ লগে লগে সিহঁতৰ ব্যস্ততা যেনেকৈ বাঢ়ি আহিছিল তেনেকৈ দেউতাকো নানা কামত ব্যস্ত হৈ পৰিব লগা হৈছিল।

সমুখত উপস্থিত হৈয়ে চলিহাই ক'লে, 'এবা ৰঞ্জিত, তহঁতে কিছুমান ভুল কৰিছ। আন্দোলন কৰিলি বুলিয়েই যে খোৱা-শোৱা, পঢ়া-শুনা চব

বাদ দিব লাগিব তাৰ কি মানে আছে? আগতে নিজৰটো ঠিক ৰাখি লব লাগে, তাৰ পিচত বাকীবোৰ।'

ৰঞ্জিতে গহীনাই মাত্ৰ সুধিলে—'আপোনাৰ আৰু কিবা উপদেশ দিব-লগীয়া আছে নেকি দেউতা?'

চলিহা সামান্য অপ্ৰতিভ হ'ল যদিও জব্দ নহ'ল।

'উপদেশ মানে...তহঁতক উপদেশ দিও জানো কিবা লাভ আছে? তহঁতে হয়তো নেজানিবও পাৰ, একমাত্ৰ মোৰ কাৰণেই তহঁতৰ কেইটামানে জেলৰ ভাত নোখোৱাকৈ আছ।...বাৰু কচোন, এই আন্দোলন তহঁতে আৰু কিমান দিন চলাবি?'

'আপুনি কিয় সুধিলে?'

'চা ৰঞ্জিত, এটা সমাধানত উপনীত নোহোৱাকৈ এনেকৈ এই আন্দোলন দীঘ-লীয়া কৈ গোৱা খোৱাত কিবা লাভ আছে? ইয়াৰ ফলত অইনৰ কথা বাদেই, তহঁতে লৰা-ছোৱালীবোৰৰ পঢ়া-শুনাত কিমান ব্যাঘাত জন্মিছে চাচোন।

ৰঞ্জিতে ক'লে, 'কিন্তু আন্দোলনটো আমি দীঘলীয়া কৰি নিছোঁ দেউতা?'

'তেন্তে কোনে নিছে?' •

'চৰকাৰে।'

'মিছা কথা। সমস্যাটোৰ সোনকালে এটা নিষ্পত্তি হওক বুলিয়েই চৰকাৰে তহঁতৰ আচল নীডাৰ কেইটাক আলোচনাৰ মেজলৈ মাতি নিছিল। এবাৰ নহয়, দুবাৰ নহয়, এতিয়ালৈকে চাৰি-পাঁচবাৰ আলোচনা অনুষ্ঠিত হ'ল; কিন্তু তহঁতৰ লীডাৰকিটাই খিটো কথাত এবাৰ খুটি পুতি বহিল তাৰপৰা আৰু লৰচৰ নহ'ল। এনেকৈতো সমস্যা সমাধান কেতিয়াও নহয়!'

'সেইবুলি সংবিধানৰ নিৰ্দেশ উলংঘা কৰি যে কোনো সিদ্ধান্তত উপনীত হব পৰা নেযায় সেইটো আপোনালোকৰ চৰকাৰে বুজা উচিত দেউতা!'

হঠাৎ চলিহানীয়ে মাত লগালে—'তই দেখোন দেউতাৰৰ সতে কথা পাতিলেই কথাই পতি আপোনালোকৰ চৰকাৰ আপোনালোকৰ চৰকাৰ বুলি কয় বন্ধু? কিয় চৰকাৰখন জানো অকল দেউতাৰহঁতৰে?'

ৰঞ্জিতে এটা উজ্জল হাঁহি মাৰিলে।

'চোৱা মা, বিখন চৰকাৰে অসমৰ সমস্যাটো এটা সৰ্বভাৰতীয় সমস্যা

বুলি স্বীকাৰ কৰিও কাৰ্য্যক্ষেত্ৰত ৰাষ্ট্ৰীয় দায়বদ্ধতা, মানৱীয় দৃষ্টিকোণ আদি জটিল শব্দৰ কছৰৎ কৰি দলীয় স্বাৰ্থৰ গণ্ডীত সমস্যাটো মূল্যাংকন কৰিবলৈ বিচাৰিছে, যিখন চৰকাৰে এটা জাতিৰ সমুখত চৰম বিপৰ্য্যয় দেখিও নিৰ্বিকাৰ চিত্তে এচাম অদূৰদৰ্শী স্বাৰ্থপৰ লোকৰ হাতত শাসনৰ বাঘজৰী এৰি দি নিশ্চিন্ত হ'বলৈ বিচাৰিছে, সেইখন চৰকাৰক জানো আমি আমাৰ চৰকাৰ বুলি ক'ব পাৰোঁ?'

চলিহাই কথাকিটাৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিও সুধিলে—'কিন্তু আমাৰ চৰকাৰ বুলি কোৱাৰ অৰ্থ কি বুজিছে? আমি জানো কোনোবা বেলেগ জগতৰ মানুহ?'

কিন্তু চলিহাই খুটি প্ৰতি নিজেই উক্তি কৰিলে।

'সেইটো বেই আচল কথা দেউতা! আপুনি এতিয়াহে আচল পইন্টটোলৈ আহিছে। বেলেগ যোৱা নিৰ্বাচন। সময়ত আপোনালোকে যি ৰক্তাক্ত ইতিহাস ৰচনা কৰিলে তালৈ পাহৰি গ'ল নেকি? নিৰ্বাচনৰ বিৰুদ্ধে গোটেই ৰাজ্য জুৰি গঢ়ি উঠা জনমত ভৰিৰে গচকি আপোনালোকে যি ভূমিকা পালন কৰিলে সি আমাৰ সামাজিক ইতিহাসত চিৰস্মৰণীয় হৈ ৰ'ল। কেৱলতো সেয়ে নহয়, বিদেশীৰ গৰাহত প্ৰায় নিশ্চিহ্ন হ'ব খোজা এটা জাতিৰ অন্ধকাৰ ভৱিষ্যতটোকৈ আপোনালোকে কদবাবে ক্ষমতা, দল আৰু গাদী-খন এতিয়াও বহুত ডাঙৰ।'

আহ! সেইবোৰ কথাকেনো আৰু কিমান ক'ব বিচাৰিছ? তহঁতৰ মুখত সেইবোৰ শুনি শুনি মোৰ মূৰৰে ঠিক নোহোৱা হৈছে।'

বলিতে ক'লে, 'ক'তা, আজিকালি দেখোন আমি আপোনাৰ লগত তেনেকৈ কথাই নেপাওঁ দেউতা। পাতিব খুজিলেও সুবিধা নেপাওঁ। নে কি কয় পঙ্কজা?'

ইয়াৰ ভিতৰতে যে পঙ্কজাও উপস্থিত হৈছিলহি সেইটো বোধহয় চলিহাই লক্ষ্য কৰা নাছিল। অৱশেষে মাকে দেখিছিল।

পঙ্কজাই ক'লে, 'কিন্তু দেউতাক হ'লে এটা বিষয়ত ধন্যবাদ দিব লাগিব দাদা। নিৰ্বাচনৰ সেইজাক কাল ধুমুহা পাৰ কটাৰ পিচত অসমৰ ৰাজনৈতিক আকাশৰ প্ৰায়বিলাক উজ্জ্বল তাৰকা সাধাৰণ ৰাইজৰ দৃষ্টিৰ পৰা হেৰাই গ'ল। তেখেতসকলৰ কোনোবাই আশ্ৰয় ল'লে দিল্লীত, কোনোবা লুকাল দিছপুৰৰ চিপাহী পৰিবেষ্টিত লৌহ আবেষ্টনীৰ মাজত। কিন্তু দেউতা হ'লে এতিয়াও

ঘৰতে থাকিল ।'

ৰঞ্জিতে ক'লে, 'সেইবুলি তাৰ অৰ্থই এইটোকে কস্তচায় যে অস্তিত্ব ৰক্ষাৰ এই মহৎ সংগ্ৰামত দেউতাৰ নৈতিক সমৰ্থন আছে। থকা হলে জাতীয় শহীদৰ নামৰ তালিকাত ছাইদুলৰ নামটো নোসোমালহেঁতেন; বেণ্ডামিনৰ বাওঁহাতখন বাহুবপৰা কাটি পেলাব নেলাগিলহেঁতেন, তুলীয়াজান, নাহৰ-কটীয়া, নাৰেঙ্গীত সন্ত্ৰাসৰ বিভীষিকা নচলিলহেঁতেন, লগতে নচলিলহেঁতেন উত্তৰ কামৰূপৰ সেই বৰ্বৰ—'

'ৰঞ্জু!' প্ৰায় অসহিষ্ণুভাবে চলিহানীয়ে কৈ উঠিল—'তইতে দেখিছোঁ মানুহজনক পাগল কৰিহে এৰিবি। কিবা এটা সুবিধা পালেই মানুহজনক গিলি-প্ৰিহি ধৰিব খোজ। মই কিন্তু এই কাৰণেই তইতক খুব বেয়া পাওঁ জান।'

ৰঞ্জিতে ক'লে, জানো মা, তুমি দেউতাৰ সহধৰ্মিণী। গতিকে দেউতাক সমালোচনা কৰিলে তুমি আঘাত পোৱাটোৱেই স্বাভাৱিক। কিন্তু মা, তুমি এটা কথা জানানে যে অসমৰ এই সুবৃহৎ জলন্ত সমস্যাটোৰ এটা সন্মান-জনক সমাধান-সূত্ৰ উদ্ধাৰিব নোৱাৰাত দেউতাহঁতেই ঘাই অন্তৰায়।'

চলিহাই ক'লে 'মিছা' কথা ৰঞ্জিত. তইতে সেইটো বৰ ভুল ধাৰণা পোষণ কৰি আছ '

'হয় নেকি? তেতিয়াহলে চৰকাৰী পৃষ্ঠপোষকতাৰে বিদেশীক ৰক্ষণাবেক্ষণ দিয়াৰপৰা সংখ্যালঘুৰ নামত অবৈধ সংগঠনৰ জন্ম দি আন্দোলন মষিমূৰ কৰিবলৈ চলোৱা কাৰবাৰবোৰ কাৰ? অহিংস আন্দোলনটোৰ চৰিত্ৰত কলংক সানিবলৈ সংখ্যালঘু অধ্যুষিত অঞ্চলবোৰত গোপনে চলা সমৰ-প্ৰস্তুতিৰ গুৰি ধৰা মানুহবোৰ কোন দেউতা? আপোনালোকেই নহয়?'

এনেকুৱা এটা ভয়ানক অৱস্থাত পৰি যাব বুলি চলিহাই কল্পনা কৰিব পৰা নাছিল। সেই মুহূৰ্তত প্ৰাণজিতৰ উপস্থিতিৰ প্ৰয়োজনীয়তা তেওঁ বৰকৈ অনুভৱ কৰিছিল।

'তই—তই বৰ সাংঘাতিক হৈ গৈছ ৰঞ্জিত! সেইবিলাক গোকাট মিছা কথা তইতে ক'ত শুনিছ? কোনে কৈছে?'

একেই নিৰুদ্বেগ ভঙ্গীৰে ৰঞ্জিতে ক'লে, 'প্ৰকাশ কৰিব নোখোজা কিছু-মান সত্য যেতিয়া প্ৰকাশ পাই যায় তেতিয়া ভয় খোৱাই স্বাভাৱিক দেউতা! পিছে সেইবোৰ আত্মঘাতী কাৰ্য্য-কলাপৰ বাবে আমি আপোনালোকক এতিয়া

একো নকৰেঁ৷। আপোনালোকৰ বিচাৰ হ'ব ৰাজহুৱাভাৱে—ৰাজহুৱা বিচাৰ-মঞ্চত। হয়তো সেইটো দিন আহিবলৈ আমি কিছুদিন আৰু বাট চাব লাগিব।'

কৈ উঠি ৰঞ্জিত আৰু নৰ'ল। ভনীয়েকৰ মুখৰপিনে এবাৰ চাই—'পঙ্কজা মই আহিছোঁ দেই' বুলি কোবাকুবিকৈ তলৰ মহলালৈ নামি গ'ল।

॥ ষোল ॥

কঠালগুৰি, নগাভেটা, বালিচাপৰি আদি ভিতৰুৱা অঞ্চলবোৰত কিহৰ আখৰা চলিছিল কোনেও গম পোৱা নাছিল।

কেৱল গম পোৱা গৈছিল—কিছুমান বিভেদকামী শক্তিয়ে অসমৰ ভিতৰুৱা গাওঁ-ভূঁই, চাহ-বাগিচা আৰু জনজাতীয় লোকৰ অঞ্চলবিশেষত প্ৰবেশ কৰি আন্দোলনটোৰ বিপৰীতে তাৰ মানুহবোৰৰ মাজত নানা অপপ্ৰচাৰ, গুজৱ আৰু ভীতি-সঞ্চাৰক কথা কৈ মানুহৰ মনত আতংক আৰু সন্ত্ৰাসৰ ভাব সৃষ্টি কৰি ফুৰিছিল।

ভুৱা বাতৰি পৰিবেশন আৰু ভীতি প্ৰদৰ্শন কৰি সেইবোৰ অঞ্চলৰ সহজ-সৰল, অশিক্ষিত মানুহৰ মাজত আন্দোলন বিৰোধী মনোভাব আৰু তিক্ততাৰ ভাব গঢ়ি তোলাত সেই বিভেদকামী শক্তিবোৰে সক্ৰিয় ভূমিকা পালন কৰি ফুৰিছিল।

গতিকেই সেইবোৰ বিভেদকামী শক্তিৰ অবাঞ্ছনীয় ক্ৰিয়াকলাপৰ বিপৰীতে বাইজৰ মনত বিশ্বাস, শান্তি আস্থা আৰু সমন্বয়ৰ ভাব ঘূৰাই আনিবলৈ আন্দোলনৰ নেতৃবৃন্দই বিশেষ মনোযোগ দিবলগীয়া হৈছিল। আন্দোলনৰ আগশাৰীৰ লোকসকলৰ নিৰ্দেশ অনুসৰি আঞ্চলিক সংগঠনসমূহে সেই ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ দায়িত্ব মূৰ পাতি লৈছিল।

অন্যান্য অঞ্চলৰ দৰে ৰঞ্জিতহঁতৰ ৰূপানগৰ অঞ্চলৰপৰাও এটা পাঁচজনীয়া দল ওলাই গৈ ঘটনাৰ বুজ ললে আৰু নিজৰ দায়িত্ব নিষ্ঠাৰে সৈতে পালন কৰিলে। ৰঞ্জিতহঁতৰ দলটোৰ নেতৃত্ব লৈছিল ৰঞ্জিতে নিজেই।

অসমৰ কেইবাটাও ভিতৰুৱা অঞ্চলৰপৰা ঘূৰি-পকি আহি ৰঞ্জিতহঁতে কঠালগুৰি, নগাভেটা আদি অঞ্চলত প্ৰৱেশ কৰি তাৰ বাইজৰ মাজত বিবেৰ

কাণ্ড-কাৰখানা ঘটি থকাৰ সম্ভেদ পালে ৰঞ্জিতহঁতৰ বুকু কঁপি উঠিল। চলিহা, ত্ৰিদিবনন্দন বৰুৱা, শেখ মহম্মদ ৰছিদ চৌধুৰী প্ৰমুখ্যে কেইজনমান লোকৰ উৎসাহ-উদ্দীপনাত সেই অঞ্চলৰ ডেকা ল'ৰাবোৰে অস্ত্ৰ-শস্ত্ৰৰ প্ৰশিক্ষণ লৈছে। এক ব্যাপক অঞ্চল জুৰি বিয়পি থকা ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ মাজত চেগা-চোৰোকাকৈ যি দুই-চাৰিঘৰ থলুৱা হিন্দু মানুহ আছে তেওঁলোকৰ অৱস্থা অতি শোচনীয়। ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ ডেকা ল'ৰাহঁতৰ অতপালিত তেওঁলোকৰ পেটলৈ ভাত নোযোৱা হৈছে, চকুৰ টোপনি নোহোৱা হৈছে। অথচ সাতাম পুৰুষীয়া মাটি-ভেটি এৰি ক'ৰবালৈ গুচি যোৱাৰো কোনো উপায় নাই।

বালিচাপৰিৰ পুৰণি বাসিন্দা পূৰ্ণ উকীলৰ ল'ৰা পৱন আৰু সেই অঞ্চলৰে মৌজাদাৰ ৰত্ন শৰ্মাৰ পুতেক নৰেনে ৰঞ্জিতহঁতক ক'লে, 'আমি যে ইয়াত কেনেকৈ থাকিম কি কৰিম একো ভাবি নোপোৱা হৈছোঁ। আগতে আহি থিতাপি লোৱা মানুহবোৰ ঠিকেই আছিল, কিন্তু নতুনকৈ অহা মানুহবোৰে আমাৰ হিন্দু মানুহবোৰক দেখিবই নোৱাৰে। তাতে আন্দোলনৰ নেতা বুলি চিনাকি দিয়া কিছুমান মানুহে সাম্প্ৰদায়িক সম্প্ৰীতি গঢ়ি তুলিবলৈ আহি ভলোটাকৈ সাম্প্ৰদায়িক অশান্তি সৃষ্টি কৰাতহে উঠি-পৰি লাগিছে। আমি কেইটামান সত্য ঘটনা বাতৰি কাকতলৈকো পঠাইছোঁ। জানো প্ৰকাশ কৰে নে নকৰে।'

বঠালগুৰিৰ বেটিবজীয়া ৰাজহুৱা নামঘৰৰ দুৱাৰমুখত হঠাতে এটা ভয়ংকৰ ঘটনা ঘটিল। ফাৰুক-জলিল-মুবাৰকহঁতৰ ১০।১২ জনীয়া ডেকা দল এটাই নামঘৰৰ দুৱাৰমুখতে গৰু এটা বধ কৰিলে। অৱশ্যে ঘটনাটো ঘটাৰ আগতে ছিৰাজ আলি, কাচিম মিঞা আৰু ৰেকিবুদ্দিন মৌলবীকে ধৰি জনচেৰেক গাঁৱৰ বয়সস্থ মুখীয়াল লোকে তেনে কাম নকৰিবলৈ সিহঁতক দঢ়াই দঢ়াই কৈছিল। কিন্তু সিহঁতে নুশুনিলে। ফলত ৰোহিনী-দেবেন-ৰাজেশ্বৰহঁতৰ গা জ্বলি উঠিল। একেখন গাঁৱতে একেলগে পঢ়া শুনা কৰি, খেলা-ধূলা কৰি ডাঙৰ দীঘল হোৱা ৰোহিনী-দেবেন-ৰাজেশ্বৰহঁতে খণ্ডৰ ভমকত ফাৰুক জলিল-মুবাৰকহঁতক মাৰিবলৈ খেদি গ'ল।

ফাৰুক-জলিলহঁতেও সেই সুযোগলৈকে বাট চাই আছিল। ৰোহিনী-দেবেনহঁতে অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ আগবাঢ়ি যোৱাত সিহঁতে দা-লাঠী, যাঠী-জোং লৈ ৰোহিনীহঁতক আক্ৰমণ কৰিবলৈ উদ্যত হ'ল। এটা সময়ত

ঘটনাই চৰম ৰূপ ললে। খণ্ডত কোনেও কাকো চিনি নোপোৱা হ'ল। বয়সস্থসকলৰ বুজনি, হকা-বধা, চিঞৰ-বাখৰ সকলো তল পেলাই ছুই জেকা শক্তি সমুখ-সমৰত অৱতীৰ্ণ হ'ল। ফলত যি ঘটিল সেয়া সম্পূৰ্ণ স্বাভাবিক।

নামঘৰৰ পবিত্ৰতা নষ্ট কৰাৰ বিপৰীতে ৰোহিনী দেবেনহঁতে ফাৰুক-জলিলহঁতৰ মছজিদ উৰাই দিয়াৰ সংকল্প লৈ সেইফালে ঢাপলি মেলিলত কুদ্দুছ-কৰিম-ইয়াকুবহঁতে আদ-বাটতে সিহঁতক ভেটা দিয়াত তাতো এখন খণ্ডযুদ্ধ চলিল। যতীন আৰু ধৰ্মানন্দই তাৰিকুদ্দিন মৌলবীৰ ঘৰটোত জুই লগাই দিলে। তাৰ জুই চমুৱাবলৈ পোৱাৰ আগতেই আৰু দুটা ঘৰত জুই লাগিল। জুয়ে পূৰ্ণ কাকতিহঁতৰ ঘৰটোও গ্ৰাস কৰিলে। পূৰ্ণ উকীলৰ পুতেকেই খবৰটো পুলিচত দিলেগৈ।

পুলিচ আহিল। পুলিচৰ হস্তক্ষেপত উত্তেজনা নিয়ন্ত্ৰিত হ'ল যদিও উভয় পক্ষই যথেষ্ট ক্ষতি স্বীকাৰ কৰিবলগীয়া হ'ল। একেখন গাঁৱতে ককাই-ভাইৰ দৰে যুগ যুগ ধৰি বাস কৰি অহা দুটা সম্প্ৰদায়ৰ মাজৰ স্নেহ-প্ৰীতিৰ এনাজৰী-ডাল যেন চিৰদিনৰ কাৰণে ঘূণীয়া হৈ গ'ল। নামঘৰৰ সমুখত হোৱা সংঘৰ্ষত ইতিমধ্যে তিনিটা ধৰাশায়ী হৈছিল।

আচৰিত কথা যে পুলিচে ফাৰুক-জলিল-কুদ্দুছহঁতৰ কাকো গ্ৰেপ্তাৰ নকৰিলে; গ্ৰেপ্তাৰ কৰিলে ৰোহিনী-দেবেনহঁতৰ দলটোকহে।

আৰু এটা ঘটনা :

সেই ঘটনাৰ পটভূমি নগাভেটাৰ নিকটবৰ্তী গাওঁ ৰূপহী।

হিমাংশু-দশৰথ-উৎপল আৰু ইন্দ্ৰজিতৰ লগত ফজল, লুতফুৰ, চালেহ আৰু ইৰফানৰ মাজৰ বন্ধুত্ব অন্যান্য লৰাহঁতৰ বাবে ঈৰ্ষাৰ বস্তু। ইৰফানৰ ভনীয়েক জুলফাক হিমাংশুৱে বিয়া কৰাব খুজি এটা খবৰো ওলাই গৈছিল। পিচতহে গম পোৱা গ'ল যে কথাটো সত্য নহয়; জুলফাহঁতৰ ঘৰখনৰ লগত হিমাংশু-হঁতৰ ঘৰখনৰ মিলা-প্ৰীতি দেখি ভেঁই পুৱি মৰা কেইটামানে কন্দল এখন লগাবৰ বাবেহে সেই গুজব প্ৰচাৰ কৰিছিল।

পিছে সেই অভিন্নহৃদয় বন্ধু কেইজনৰ মাজতো ছিকন্দৰ হাইদৰইতে প্ৰভাৱ বিস্তাৰ কৰিলে। ছিকন্দৰ-হাইদৰইতৰ প্ৰৰোচনাত কাণ্ডজ্ঞান হেৰুৱাই ফজল-লুতফুৰ ইৰফানইতে ষড়যন্ত্ৰ কৰি হিমাংশু আৰু উৎপলক পহু মাংস বুলি গো-মাংস ভক্ষণ কৰালে। উৎপলইতে কথাটো গমেই পোৱা নাছিল; কিন্তু পিচদিনা ফজলইতেই কথাটো ৰাষ্ট্ৰ কৰি দিলে। ফলত গোটেই গাওঁ

জুৰি হিংসাৰ জুই জ্বলি উঠিল। সেই জুই ওচৰৰ গাঁৱলৈকো বিয়পিল।

পুলিচ গ'ল। কিন্তু পুলিচ গৈ পোৱাৰ পূৰ্বেই ফজল-ইৰফানহঁতৰ ফালৰ চাৰিটা আৰু হিমাংশু-দশৰথহঁতৰ ফালৰ দহটা বেয়াকৈ ঘূণীয়া হৈছিল। ইন্দ্ৰজিত, কমল আৰু চালেহৰ অৱস্থা এতিয়াও গুৰুতৰ।

উল্লেখযোগ্য যে ইন্দ্ৰজিত কমলহঁতক ছুৰীৰে আক্ৰমণ কৰা হৈছিল, কিন্তু কমলহঁতৰ হাতত তেনে ধৰণৰ অস্ত্ৰ-শস্ত্ৰ নাছিল। তাতোকৈ আচৰিত কথা, সেই সংক্ৰান্তত পুলিচে এতিয়ালৈকে যিকেইটা ল'ৰাক আটক কৰিছে তাৰ ভিতৰত ফজল মুস্তফাহঁতৰ দল। এটাও নাই। তাৰ কাৰণ হ'ল, ঘটনাৰ তদন্ত কৰিবলৈ যিগৰাকী আৰক্ষী বিষয়া গৈছিল তেওঁ ফজল-ইৰফানহঁতৰ সম্প্ৰদায়ৰে মানুহ। ছিকন্দৰ আৰু হাইদৰে ষ'ৰ যাৰ নাম কৈছিল আৰক্ষী বিষয়া গৰাকীয়ে তাকেই গ্ৰেপ্তাৰ কৰাইছিল।

কিন্তু তাতোকৈ এটা ভয়ংকৰ কথা শুনিহে ৰঞ্জিতহঁত বেছি আতংকিত হৈ উঠিল।

বাংলাদেশৰ মুক্তি-যুদ্ধৰ সময়ত ভাৰতলৈ পলাই অহা, ভগনীয়া হৈ অহা পৰিয়ালবোৰৰ এক বৃহৎ সংখ্যক লোক অসমলৈ আহি কিছুদিন অ'ত ত'ত অনাই-বনাই ফুৰি শেহত কিছুমান জনজাতীয় অঞ্চলত, কিছুমান নতুনকৈ গঢ়ি উঠা চহৰৰ উপকণ্ঠত, কিছুমান ৰেলৰ কলনিত আৰু কিছুমান সংখ্যালঘু নামধাৰী বিদেশী অনুপ্ৰৱেশকাৰীৰ আশ্ৰয়ত খোপনি পুতি থাকি, লাহে লাহে সুবিধা বুজি নতুন ঠাইলৈ উঠি গৈ স্থায়ীভাৱে বসবাস কৰাৰ ব্যৱস্থা কৰে। জীৱন নিৰ্বাহৰ আহিলা হিচাপে সিহঁতে বিভিন্ন পন্থা বাছি লয়।

কোনো কোনোৱে সৰু-সুৰা ব্যৱসায়ত ধৰে, কোনো কোনোৱে ৰেলৰে বা কোনো বেচৰকাৰী শিল্প প্ৰতিষ্ঠান, কাৰখানা আদিৰ কামত সোমায়, কোনোৱে হয়তো একো কৰিবলৈ বিচাৰি নেপাই কোনো ঠগ-প্ৰৱঞ্চকৰ ছত্ৰছায়াত থাকি বিভিন্ন অসামাজিক, অপৰাধমূলক কামত জড়িত হৈ অন্ন-বস্ত্ৰ সংস্থানৰ ব্যৱস্থা কৰে।

লাহে লাহে সিহঁতৰ মাজত এটা শক্তিশালী সংগঠন গঢ়ি উঠে। সংগঠনৰ জৰিয়তেই সিহঁতে নক্সালপন্থীৰ একাংশ লোকৰ লগত গোপন যোগাযোগ স্থাপন কৰে। শুনামতে তেনে এদল লোক নগাভেটা, বালি-চাপৰি, কঠালগুৰি আদি অঞ্চলতো সোমাই পৰে। সেই দলটোৰ লগত

অসমৰ এচাম প্ৰভাৱশালী নেতা আৰু নেতৃস্থানীয় লোকৰো বোলে গোপন সম্পৰ্ক আছে। এতিয়া সেই দল লোকৰ দ্বাৰাই কেতবোৰ আন্দোলন-বিৰোধী কাৰ্য্য চলিব ধৰিছে। সিহঁতেই নগাভেটা, বালিচাপৰি, কঠাল-গুৰি আদিৰ হানিফ চামচুল-ইদ্ৰিছ-নেকিবুৰহঁতক অস্ত্ৰ-শস্ত্ৰৰ শিকনি দিছে।

খুব সম্ভৱ কেইদিনমানৰ ভিতৰতে সিহঁতে এটা সমদল যাত্ৰা বাহিৰ কৰিব। তিনি চাৰিখন গাঁৱৰ ডেকা ল'ৰা গোট খাই যাঠী-জোং-বৰ্শা-লাঠী আদি অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ সমদলটো নগৰ অভিমুখে শোভাযাত্ৰা কৰি যাব। তেনেকৈ শোভাযাত্ৰা কৰি গৈ সিহঁতে নগৰৰ বৰচাহাবৰ হাতত এখন স্মাৰক-পত্ৰ দাখিল কৰিব। সাতদফীয়া দাবী-সম্বলিত স্মাৰক-পত্ৰখনৰ মূল বক্তব্য হ'ব : ব্যাপক গণ-আন্দোলনটোৰ ফলত সৃষ্টি হোৱা অশান্তি আৰু অনিশ্চয়তাৰ পৰা সংখ্যালঘুসকলক মুক্ত কৰি চৰকাৰে তেওঁলোকক উপযুক্ত নিৰাপত্তা আৰু ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰা।

ইতিমধ্যে চলিহা আকৌ এবাৰ দিল্লীৰপৰা আহিলগৈ।

চলিহা দিল্লীলৈ যোৱাৰ আগতেই চৰকাৰে সামৰিক বাহিনীৰ সহায়ত অসমৰ থাকৰা তেল বাহিৰ উলিয়াই নিবলৈ সক্ষম হৈছিল। দিল্লীলৈ গৈ চলিহাই চৰকাৰৰ সেই কৃতকাৰ্যতাৰ বাবে প্ৰধান মন্ত্ৰী প্ৰমুখ্যে সংশ্লিষ্ট মন্ত্ৰী-বৰ্গক শতমুখে প্ৰশংসা কৰিলে।

পিছে এইবাৰ চলিহা দিল্লীলৈ যোৱাৰ উদ্দেশ্য বেলেগ আছিল। আচলতে দিল্লীলৈ তেওঁক মতাইহে নিয়া হৈছিল। কাৰণ তাৰপৰা ঘূৰি আহিয়েই তেওঁ সতীৰ্থসকলৰ আগত এটা কথা প্ৰকাশ কৰিলে : কেন্দ্ৰই অতি শীঘ্ৰে অসমত এখন মন্ত্ৰীসভা গঠন কৰিবলৈ বিচাৰে। কাৰণ নিৰ্বাচিত চৰকাৰ এখন নথকাৰ ফলত অসমৰ অৰ্থনৈতিক প্ৰগতি বেয়া ধৰণে বাধাগ্ৰস্ত হৈ পৰিছে।

খবৰটোৱে ৰাজ্যখনৰ অনেকবোৰ মানুহৰ মনত গোপন ধৰণৰে ক্ৰিয়া নকৰক, সুৰঞ্জন মাহন্তি, ভূপতি ঘোষালহঁতক কিন্তু বেছ আনন্দ দিলে। নিৰ্বাচন হওক বা নহওক, মন্ত্ৰীসভা এখন গঠিত হ'লে তেওঁলোক বহুক্ষেত্ৰত উপকৃত হয়। সেই ক্ষেত্ৰত ত্ৰিদিবনন্দন বৰুৱা আৰু খন্দকাৰ মুস্তাক হুছেইনকো বেছ উৎসাহিত হৈ পৰা দেখা গ'ল। তেওঁলোক দুইজনে ভাবিলে : মন্ত্ৰীসভা

যদি গঠন কৰা হয় তেন্তে নিশ্চয় তেওঁলোকৰ দলৰ সদস্যসকলৰ দ্বাৰাই গঠন কৰা হব। আৰু মুখ্যমন্ত্ৰী হোৱাৰ যোগ্যতাও আছে তেওঁলোক দুজনৰেই। অৱশ্যে প্ৰাক্তন ৰাজ্যমন্ত্ৰী শ্ৰীমতী নাজমা আখতাৰৰ মনতো তেনেকুৱা এটা বাসনা থকা যেন লাগে।

চলিহাই পিছে নিজৰ মনৰ ভাব এতিয়ালৈকে কাকো জানিবলৈ দিয়া নাই। তেওঁৰ যি ৰবনাগীয়া আছিল সকলো দিল্লীতেই কৈ আহিছে।

পিছে এদিন:

সোণোৱাল এফালে থাকক তেওঁতেই হঠাৎ আকৌ তেওঁ মুখামুখি হব-লগীয়া হ'ল বস্তিতৰ। বিশেষ পাতনি নেমেলাকৈয়ে বস্তিতে সুধিলে—'দেউতা, আজিকালি দেখোন আপোনাৰ বন্ধু বান্ধৱ আৰু সতীৰ্থসকল আমাৰ ঘৰলৈ বৰকৈ আহিবলৈ লৈছে? কালিও বোলে বহুত ৰাতিলৈকে কিবা এখন মিটিং পাতিলে। কিহৰ মিটিং দেউতা?'

চলিহাই কব খোজা নাছিল, কিন্তু নকলেও বস্তিতে নেৰিব বুলি জানিয়েই ক'লে, 'তইঁতেতো গম পাইছহ চাগৈ ৰাষ্ট্ৰপতিৰ শাসনৰ ওৰ পেলাই অসমত এখন নতুন, বাৰ্ধাক্ষম চৰকাৰ গঠন কৰাৰ বিষয়ে কেন্দ্ৰত নানান জল্পনা-কল্পনা চলিছে। অসমৰ বুদ্ধিজীৱী মহল তথা কেইবাগৰাকীও শুভবুদ্ধি-সম্পন্ন ব্যক্তিয়ে কেন্দ্ৰৰ ওচৰত আবেদন জনাইছে যে অসমত এখন নিজা চৰকাৰ লাগে। নহলে ৰাজ্যখনৰ পৰিস্থিতি আৰু বেয়াৰ ফালে যোৱাৰ সম্ভাৱনা আছে। কথাটো সঁচা, উন্নয়নৰ নামত আজি প্ৰায় দুবছৰে ৰাজ্যখনত কোনো আঁচনিকে কাৰ্যকৰী কৰিব পৰা হোৱা নাই। তদুপৰি—'

'ৰ'বকে দেউতা, মই শুনি গৈছোঁ।'

পুতেকৰ মনৰ ভাব ঠিক ধৰিব নোৱাৰিলেও চলিহাই তাৰ মুখত কঠোৰতাৰ কোনো আভাস দেখা নেপালে।

'এৰা, বিদেশী সমস্যাটো!' এটা যুক্তিসঙ্গত সমাধান উলিয়াবলৈকো ৰাজ্যখনত এখন নিজা চৰকাৰৰ অত্যন্ত দৰ্কাৰ হৈ পৰিছে। কাৰণ সেই ক্ষেত্ৰত ৰাজ্য চৰকাৰে যি ভূমিকা বা দায়িত্ব পালন কৰিব পাৰিব, কেন্দ্ৰই নোৱাৰে। নে কি কব তইঁতে?'

উত্তৰটো যেন বস্তিতে সাজু কৰিয়েই থৈছিল। লগে লগে ক'লে, 'তাৰ মানে দেখা গ'ল দিছপুৰৰ অমাত্যবৰ্গৰ স্বেচ্ছাচাৰিতাৰ পতন ঘটাই গুৱাহাটী-গোৰে নাচিবলৈকে আপোনালোকৰ দলক এখন নিজা মন্ত্ৰীসভা দৰ্কাৰ। কিন্তু

দেউতা, নিৰ্বাচন নোহোৱাকৈ চৰকাৰ এখন গঠন কৰিব কেনেকৈ ? আৰু কেন্দ্ৰৰ অনুগ্ৰহত গঠন কৰিলেই যেনিবা সাধাৰণ ৰাইজৰ সমৰ্থন নাপালে সি টিকি থাকিব জানো ?'

'সাধাৰণ ৰাইজৰ সমৰ্থন নোপোৱাৰ প্ৰশ্ন উঠিব কেনেকৈ ৰঞ্জিত ? আজি ডেপুটেশ্যনত অহা এদল অনা-অসমীয়া আই-পি-এছ বা আই-এ-এছ বিষয়াই অসমৰ এডমিনিষ্ট্ৰেচন কাঢ়ি লৈ সকলোকে নিজ খুচীমতে উঠা-বহা কৰাইছে। সেই বিষয়াসকলৰ ভিতৰত এনে মানুহো আছে যিয়ে ইয়ালৈ অহাৰ আগতে অসম নামটো ভূগোল বা বুৰঞ্জীত পোৱাৰ বাহিৰে অসমৰ বিষয়ে একো নেজানিছিল। গতিকে তেনেকুৱা মানুহৰ হাতত এডমিনিষ্ট্ৰেচন বৰ্ত্তি থাকিলে অসমৰ ভৱিষ্যত কি হ'বগৈ পাৰে ভাবি চাচোন।'

ৰঞ্জিতে ক'লে, 'কিন্তু আপোনালোকৰ দলৰ হাতত এডমিনিষ্ট্ৰেচন নিয়ন্ত্ৰিত হ'লেই যে অসমৰ ভাগ্য পৰিৱৰ্তন হ'ব সেইটো আমি বিশ্বাস কৰিম কেনেকৈ দেউতা ? ইয়াৰ আগতেতো আপোনালোকৰ দলে তিনি দশকতো অধিক কাল দেশ শাসন কৰিছিল।'

'কৰিছিল। আৰু এতিয়াও শাসনৰ গুৰিবঠা পাট আমাৰ দলেই কট-কটীয়াকৈ ধৰি ৰাখিবলৈ সক্ষম হৈছে। নহ'লে -'

ৰঞ্জিতে ওপৰতে কৈ উঠিল—'মই ৰাজনীতিৰ খেল একো নুবুজো দেউতা। মূঠৰ ওপৰত নিৰ্বাচন নোহোৱালৈকে অসমত কোনো মন্ত্ৰীসভা গঠন হ'ব নোৱাৰে আৰু বিদেশী সমস্যাটোৰ এটা সুস্থ সমাধান নোহোৱালৈকো অসমত কোনো নিৰ্বাচন অনুষ্ঠিত হ'ব নোৱাৰে। এইটো অকল মোৰেই কথা নহয়, মৃত্যু-পণ লৈ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জপিয়াই পৰা প্ৰতিজন অসমীয়াৰে মনৰ কথা।'

আৰু কৈয়ে বুলেট এটাৰ দৰে ৰঞ্জিত দেউতাকৰ কাষৰপৰা আঁতৰি গ'ল

॥ সোতৰ ॥

প্ৰস্তাবিত অবৈধ সমদলটো কোনদিনা কোন সময়ত উলিওৱা হ'ব সেই

বিষয়ে সকলো গোপন প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছিল। কিন্তু. .

কেইবাটাও ৰাজনৈতিক অৰাজনৈতিক ৰাজহুৱা অনুষ্ঠান তথা সংগঠন আৰু ভালেকেইজন বিশিষ্ট ব্যক্তিৰ সুচিন্তিত প্ৰতিবাদ আৰু সতৰ্ক-বাণীৰ প্ৰতি সঁহাৰি জনাই অৱশেষত দিল্লী কৰ্তৃপক্ষই সমদল যাত্ৰাটো বন্ধ কৰিলে।

কাকতত সেই বাতৰিটো প্ৰচাৰ হোৱাৰপৰা গোটেই ৰাজ্য জুৰি যি এক সন্ত্ৰাস আৰু আতংকৰ ভাব চৌদিশে পৰিলক্ষিত হৈছিল সমদল যাত্ৰাটো বন্ধ হোৱাৰ বাতৰিয়ে সেই পৰিবেশ লাহে লাহে সেমেকাই তুলিলে। কিন্তু এনে এটা অবাঞ্ছিত বাতৰিয়ে অসমীয়া ৰাইজক আকৌ ক্ষুব্ধ আৰু উদ্বিগ্ন কৰি তুলিলে।

অসমীয়া ৰাইজৰ অনুভূতি আৰু জনসমৰ্থনৰ প্ৰতি সম্পূৰ্ণ আওকাণ কৰি এচাম ৰাজনৈতিক নেতাৰ স্বাৰ্থ পূৰণৰ উদ্দেশ্যে গঠন কৰিব খোজা মন্ত্ৰীসভাখনৰ বিৰোধিতা কৰি বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানে প্ৰতিবাদমূলক বিবৃতি প্ৰকাশ কৰিলে।

কিন্তু ৰাইজৰ প্ৰতিবাদলৈ কাণ দিয়ে কোনে?

তাতে কিছুদিনৰপৰা অসমৰ এচাম নেতা আৰু নেতৃস্থানীয় লোকে অসমীয়া মানুহবোৰৰ প্ৰতি এনে কেতবোৰ মন্তব্য প্ৰকাশ কৰি ফুৰিছিল যেন ৰাজ্যখনত সৃষ্টি হোৱা অস্থিৰ অৱস্থাটোৰ বাবে অসমীয়া লোকসকলেই একমাত্ৰ জগৰীয়া।

পিছে অসমীয়া ৰাইজে যিটো বিচৰা নাছিল যিটোৰ বিৰোধিতা কৰিছিল, শেষত সেইটোৱেই হ'লগৈ। অসমীয়া ৰাইজৰ অনুভূতি আৰু অন্তৰ্বেদনাক নিষ্ঠুৰভাবে আঘাত কৰি এদিন মানবেন্দ্ৰ চলিহাইতে মন্ত্ৰীসভাখন গঠন কৰি পেলালে। কেন্দ্ৰৰ নিৰ্দেশমতে চলিহায়েই মুখ্যমন্ত্ৰীত্বৰ দায়িত্ব লবলগীয়া হ'ল।

সেই অযুক্তিকৰ আৰু অসাংবিধানিক কাৰ্যৰ প্ৰতিবাদ স্বৰূপে শপত গ্ৰহণ কৰা অনুষ্ঠান সম্পাদিত হোৱাৰ দিনাই সদৌ অসমৰ ৰাইজে নিষ্প্ৰদীপ কাৰ্য্যসূচী পালন কৰিলে। সেইদিনা সন্ধিয়া পাঁচ বজাৰপৰা পিছদিনা ৰাতিপুৱা পাঁচ বজালৈকে গোটেই ৰাজ্যখন এন্ধাৰত ডুব গৈ থাকিল। আনকি শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থকা ৰাজ্যপাল আৰু অন্যান্য বিষয়াসকলেও পেট্ৰমাক্স আৰু মম জ্বলাইহে কাম চলাবলগীয়া হ'ল।

জনতা ভৱনৰ সুৰক্ষিত কক্ষত ৰাজ্যপাল, ৰাজ্যপালৰ উপদেষ্টা আৰু

অন্যান্য উচ্চ পৰ্য্যায়ৰ বিষয়াসকলৰ উপস্থিতিত আনুষ্ঠানিকভাবে শপত গ্ৰহণৰ কাৰ্য্য চলি থাকোঁতেই চলিহাই কিন্তু সন্মানিত অতিথিবৃন্দলৈ চাই ঘোষণা কৰিছিল: 'মই কিন্তু সিংহকো এশিকনি দিহে এৰিম। এই অপমানৰ শোধ লবই লাগিব। চাকৰি যোৱা কিটাৰতো যাবই, নোযোৱাকিটাকো মই উচিত শিক্ষা দিম। আচল লীডাৰকিটাক ঠাণ্ডা কৰি লব পাৰিলেই চব ঠাণ্ডা হৈ যাব।'

সকলোৱে জানে অ'ক চলিহাৰ নিজৰো দৃঢ় বিশ্বাস—ৰাজনীতিৰ দবাখেলত তেওঁক সহজে কোনেও ঘটুৱাব নোৱাৰে। কিন্তু মুখ্যমন্ত্ৰী হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচতে চলিহাই কিছুমান বিস্ময়কৰ অভিজ্ঞতা লাভ কৰিলে। তেওঁ লক্ষ্য কৰিলে তেওঁ মুখ্যমন্ত্ৰী হোৱাটোত যেন তেওঁৰ সতীৰ্থসকলৰে কেইবাজনো সন্তুষ্ট হোৱা নাই। মন্ত্ৰীসভা পৰিচালনাত তেওঁলোকৰপৰা কিমানখিনি সহায়-সহাযোগ বা আনুগত্য লাভ কৰিব সিও সন্দেহৰ বিষয়।

তথাপি চলিহাই নিজৰ মনৰ দৃঢ়তাৰে কাম কৰি যোৱাৰ সংকল্প গ্ৰহণ কৰিলে।

পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি তেওঁ পুত্ৰ-পৰিবাৰ-কন্যা সমন্বিতে গোটেই পৰিয়ালটো লৈ চৰকাৰী বাসভবনলৈ যাবলৈ ওলাল। তাতেই প্ৰথম তেওঁ উজুতি খাবলগীয়া হ'ল। ৰঞ্জিত আৰু পঙ্কজাই একেআষাৰে ক'লে, 'আমি দুটা আপোনালোকৰ লগত নেথাকো দেউতা। আমি বেলেগে থাকিম।'

মাক-দেউতাক দুয়ো সুধিলে—'ক ত থাকিবি? এই প্ৰকাণ্ড ঘৰটোত তো তহঁত দুটা অকলে থাকিব নোৱাৰিবি। তদুপৰি এই ঘৰটো মিলিটাৰী বিভাগৰ অফিচ এটাক ভাৰাত দিবলৈ ঠিক কৰা হৈছে।'

ৰঞ্জিত আৰু পঙ্কজাই ক'লে, 'উত্তম ব্যৱস্থা। আমি তেন্তে কলেজৰ হোষ্টেলত থাকিম।'

সেইমতেই ব্যৱস্থা কৰা হ'ল।

কিন্তু চলিহাৰ মন মুকলি নহ'ল। ৰঞ্জিতৰ ভবিষ্যৎ বাণী যেন অচিৰেই ফলিয়াব—তেনেকুৱা এটা আশংকা তেওঁৰ মনত লাগি থাকিল।

মুখ্যমন্ত্ৰীৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই চলিহাই আগৰ মুখ্যমন্ত্ৰীসকলৰ কাম-কাজৰ এটা খতিয়ান চৰকাৰী ফাইলৰ মাজত বিচাৰি চালে। ব্যক্তিগত সচিব অনিল শৰ্মাই তেওঁক বহুতো তিক্তকৰা কথাৰ সন্ধান দিলে। চলিহাই ঠিক কৰিলে—আন্দোলনটো দমন কৰিবলৈ হলে ৰাজ্যখনত আৰু কিছু

সংখ্যক সশস্ত্ৰ পুলিচৰ প্ৰয়োজন হব।

চলিহাই কথাটো তৎকালীনভাৱে কেন্দ্ৰক জনালে

তেতিয়া ৰাতি আঠমান বাজি গৈছিল।

জপানগৰৰ কাষৰে এটা আচহুৱা অঞ্চলত এজন চৰকাৰী চাকৰিয়ালৰ ঘৰৰ দুটা সৰু সৰু কোঠালী ভাৰাত লৈ ৰঞ্জিতহঁতে সিহঁতৰ সংগঠনটোৰ অস্থায়ী কাৰ্য্যালয় পাতি লৈছিল। ভনীয়েক পঙ্কজাক কলেজৰ ছাত্ৰী আবাসত থকাৰ ব্যৱস্থা কৰি ৰঞ্জিতে নিজেও হোষ্টেলত ছিট এটা লৈছিল—যদিও সি বেছিভাগ হোষ্টেলৰ বাহিৰতহে আছিল। কাৰণ হোষ্টেলত থাকি সংগঠনৰ কাম-কাজ চলোৱা বহুত অসুবিধা।

সিহঁতৰ সংগঠনটোৰ লগত ওতঃপ্ৰোতভাৱে সম্বন্ধ থকা আন এটা সংগঠনৰ ছাত্ৰ-নেতা বেঞ্জামিন, অতুল আৰু আন দুজন ছাত্ৰনেতাৰ সতে সেই ঘৰটোত বহি ৰঞ্জিতে আন্দোলনৰ শেহতীয়া পৰিস্থিতি আৰু ভৱিষ্যৎ কাৰ্য্যপন্থা সম্পৰ্কে আলোচনা কৰি আছিল। এনে সময়তে বাহিৰত এখন গাড়ী ৰ'লহি। গাড়ীখনৰ পৰা নামি আহিল চাৰিজন ডেকা।

কোনো বিশেষ শব্দ নকৰাকৈ সোমাই অহা ডেকা কেইজনক ৰঞ্জিতহঁতে চিনি পোৱা নাছিল যদিও তেওঁলোকৰ পোছাক-কটন সাজপাৰ আৰু ভাব ভঙ্গী দেখি সিহঁতৰ দলেই কোনোবা এটা সংগঠনৰ কৰ্মী বুলি ঠাৱৰ কৰি লৈছিল।

ৰঞ্জিতহঁতৰ লগত সহজ হবৰ বাবেই ডেকা কেইজনে নিজৰ পৰিচয় দি ক'লে 'আমি ··ছাত্ৰ সন্থাৰ সক্ৰিয় সদস্য। আমি এটা বিশেষ কথা লৈ আপোনালোকৰ ওচৰলৈ আহিছোঁ। কথাটো হ'ল অসমত অবৈধভাৱে গঠিত হোৱা নতুন মন্ত্ৰীসভাখনে কাৰ্য্যভাৰ লৈয়েই ৰাজ্যখনৰ বিশেষ বিশেষ অঞ্চল কিছুমানত চি-আৰ-পি আৰু আৰক্ষী বাহিনীৰ লোকৰ দ্বাৰা অভিনৱ ধৰণে সন্ত্ৰাসকাৰ্য্য চলাবলৈ আৰম্ভ কৰিছে। আন্দোলনৰ নেতৃত্ব দিয়া মূল সংগঠন কেইটাৰ বিষয়ববীয়াসকলক ধৰিবলৈ ব্যাপক পুলিচী অভিযান চলাইছে। পুলিচে আমাকো বিচাৰি গৈছিল; কিন্তু দুদিন ধৰি বিচাৰিও আমাক ক'তো বিচাৰি নাপাই আমাৰ কাৰ্য্যালয়টোকে লণ্ডভণ্ড কৰি পেলালে। আমি

কোনোমতে পুলিচৰ চকুত ধূলি দি পলাই আহিছোঁ। আমাক বিচাৰি পুলিচ হয়তো এইখিনিও ওলাবহি পাৰে। ...এতিয়া কথা হ'ল, আমি এতিয়া যাম ক'লৈ? ক'লৈ গ'লে আমি নিৰাপদ হ'ব পাৰিম?'

কথাকিটাত যদিও আচৰিত হবলগীয়া একো নাছিল তথাপি তেওঁলোকৰ অস্থিৰ অৱস্থাটো দেখি বঙ্কিমহঁতে কিছু ভয় খালে। হঠাৎ বঙ্কিমৰ মনত এটা অদ্ভুত প্ৰশ্ন খেলালে: যদি এওঁলোক সঁচাকৈয়ে পুলিচৰ মনত সন্ত্ৰাস সৃষ্টি কৰিব পৰা ছাত্ৰ নেতাই হয় তেন্তে তেওঁলোকৰ নাম সিহঁতে আগতে শুনা নাছিল কিয়? দ্বিতীয় প্ৰশ্ন: যদি এওঁলোক সঁচাকৈয়ে আন্দোলনকাৰী নেতা তেনেহ'লে পুলিচৰ ভয়ত এনেকৈ আহিবলগীয়া হ'ল কিয়? এইটো ভয় লৈ এওঁলোকে তেন্তে কিহৰ আন্দোলন কৰিছে?

বঙ্কিমে সুধিয়ে পেলালে—'আপোনালোকক আমি এতিয়াও চিনি পোৱা নাই। অৱশ্যে অসমৰ প্ৰত্যেক চহৰে-নগৰে, গাঁৱে-ভূঞে যিমান বিলাক আন্দোলনকাৰী ছাত্ৰ সংগঠন গঢ়ি উঠিছে তাৰ প্ৰত্যেকজন সদস্য বা বিষয়-ববীয়াক চিনি পোৱাটো সম্ভৱ নহয়। কিন্তু আপোনালোক—ইয়াৰপৰা মাত্ৰ ১২/১৩ মাইল আঁতৰৰ লৰা হিচাপে আমি নিশ্চয় চিনি পাব লাগিছিল। ধৰি লওঁ বাৰু, চিনি নোপোৱাটো আমাৰেই দুৰ্ভাগ্য। কিন্তু প্ৰশ্ন হ'ল, এই ক্ষেত্ৰত আমি আপোনালোকক কি সহায় কৰিম?'

দলটোৰ এজনে মাত লগালে—'কেলেই, আমাক জাগো ৰাতিটোৰ বাবে ক'ৰবাত অকণমান আশ্ৰয়ৰ ব্যৱস্থা কৰি দিব নোৱাৰিব?'

বঙ্কিমে একো কবলৈ নেপালে; হঠাৎ বেঞ্জামিনৰ মুখৰপৰা ওলাই গ'ল: 'পৰা হলে আমি নিশ্চয় সুখী হলোহেঁতেন; কিন্তু দুখৰ বিষয়, তেনেকুৱা ব্যৱস্থা এটা হঠাতে কৰিব পৰা শক্তি আমাৰ নাই। কাৰণ আমি প্ৰায়কি জনেই হোষ্টেলত থাকোঁ। দুজনৰহে নিজা ঘৰ আছে।'

অতুলে মাত লগালে—'আপোনালোকৰ চাৰিজন নহৈ এজন বা দুজন হোৱা হ'লে মোৰে সমস্যাটো গা পাতি ললোহেঁতেন; কিন্তু চাৰিজন আলহী ৰাখিব পৰাৰ ব্যৱস্থা আমাৰ ঘৰত নহব। তাতে আমাৰ ঘৰত চাৰিজনী গাভৰু ছোৱালী আছে। দেউতাই খুব মদ খায়।'

দলটোৰ মাজৰপৰা আন এজনে মাত লগালে—'তেতিয়াহলে আমি এতিয়া কি কৰিম? কলৈ যাম? আমি যে আপোনালোকৰ ওপৰতে সম্পূৰ্ণ আশা কৰি আহিছিলোঁ।'

ৰঞ্জিতে ক'লে 'এই আচহুৱা ঠাই ডোখৰত আমি যে অস্থায়ীভাবে অফিচ পাতিছোঁ সেইটো বোধহয় এতিয়ালৈকে পুলিচেও গম পোৱা নাই। তেনে-স্থলত আপোনালোক ওলালহি কেনেকৈ?'

হঠাৎ পূৰ্বে কথা কোৱা ডেকাজনে গৰ্জি উঠাৰ দৰে উঠিল—'আপোনালোকে আমাক এটা কথা কওক—আমাক ৰাখিব পাৰিবনে নে আমি অন্য ব্যৱস্থা কৰিব লাগিব?'

ডেকাজনে লগে লগে এনে এটা ভঙ্গী দেখুৱালে যেন ৰঞ্জিতহঁতে তেওঁ-লোকক অপমানহে কৰিছে আৰু অপমান সহ্য কৰিব নোৱাৰি সিহঁতৰপৰা কৈফিয়ৎ তলব কৰিব খুজিছে।

ডেকাজনৰ তেনে অশোভনীয় আৰু অশিষ্টাচাৰজনক আচৰণ দেখি খং উঠিলেও বেঞ্জামিনে কৈ উঠিল 'আমি একো কৰিব নোৱাৰোঁ। আপোনালোকে যি ভাল দেখে তাকে কৰক।'

বোধহয় এইখিনি সময়ৰ ভিতৰতে বেঞ্জামিনে ডেকা-কেইজনৰ আকস্মিক আৰু আচম্বিত উপস্থিতিটোৰ বিষয়ে কিবা এটা সন্দেহ কৰিবলৈ আৰম্ভ কৰিছিল। নহলে সি তেনে এটা খাপচ উত্তৰ দি নিদিলেহেঁতেন।

বেঞ্জামিনৰ মনত যি খেলাইছিল নিশ্চয় সেয়ে সত্য আছিল। কাৰণ তাৰ পৰিষ্কাৰ উত্তৰটোৰ পিছত সেই ডেকাজনেই আকৌ ক'লে, 'তোৰ এখন হাত নাই, এখন হাতো হেৰুৱাব খুজিছ নেকি?'

'কি? কি কলা তুই?' বেঞ্জামিন এককোপে বহাৰপৰা উঠিল। সি যেন মুহূৰ্ততে কিবা এটা অনুমান কৰি ল'লে।

অচিনাকি ডেকাজনে ক'লে 'বাঃ! এখন হাতেৰেই ইমানটো সাহস! মোক মাৰিবি নেকি?' কৈয়ে ডেকাজন এখোজ বেঞ্জামিনৰ ফালে আগুৱাই আহিল।

মুহূৰ্ততে ৰঞ্জিত, অতুল আৰু বাকীকেইটায়ো কিবা এটা বিপদৰ ইঙ্গিত পালে। সিহঁতো গিৰিপকৈ বহাৰপৰা উঠিল।

'ধেৎ বেঞ্জামিন, ইমান খপকৈ খং উঠে নেকি? নেপায় নহয়।' এইবুলি বেঞ্জামিনৰ ফালে এখোজ আগুৱাই অহা ডেকাজনলৈ চাই অতুলে শান্ত সুৰত ক'লে 'বেয়া নেপাব দেই, ইয়াৰ খংটো অলপ বেছি।'

অতুলে ভালক বুলি কথাষাৰ ক'লে যদিও তাৰ ফল কিন্তু ওলোটাহে হ'ল। ডেকাজনে ফেপেৰি পাতি ল'লে।

'খং কেৱল ইয়াৰহে আছে নেকি? আমাৰ নাই?'

অতুলৰ হৈ এইবাৰ ৰঞ্জিতে ক'লে, 'বাদ দিয়ক, ওচৰত বেলেগ মানুহ আছে। হুলস্থুল শুনিলে বেয়া পাব।'

'কিহৰ বেয়াডাল পাবহে?' আন এজনে ৰঞ্জিতক আক্ৰমণ কৰাৰ দৰে ক'লে—'আমাক ৰাতিটোৰ বাবে এটা সুবিধা কৰি দিব নোৱাৰিলে, তাৰ ওপৰত আকৌ বৰ বৰ কথা। মাৰ অ' তাক চৰ এটা।' এইবুলি বেঞ্জামিনৰ সমুখৰ ল'ৰাজনক উচটাই দিলে।

ৰঞ্জিতহঁতে বুজিলে, কথা ভাল হোৱা নাই। নিশ্চয় ল'ৰাকিজনৰ কিবা বেলেগ মতলব আছে। এটা অশুভ পৰিস্থিতিৰপৰা হাত সাৰিবৰ বাবেই ৰঞ্জিতে ভদ্ৰতা বজাই ৰাখি ক'লে, 'আপোনালোকক সহায় কৰিব নোৱাৰি আমি দুখ পালোঁ। আশাকৰোঁ আমাক আক নিগদাৰ নকৰি---'

কিন্তু ৰঞ্জিতৰ কথা শেষ নহ'ল, ক'লা জেকেট আৰু নেভী ব্লু ডিস্কো পেন্ট পিন্ধা ডেকাজনে বিকৃত মাতেৰে অশ্লীল শব্দ এটা উচ্চাৰণ কৰি ৰঞ্জিতৰ গালত ঠাচকৈ এটা চৰ শোধাই দিলে। লগে লগে আন এটাই বেঞ্জামিনৰ ফালে 'চালা কুকুৰ' বুলি ঘোচা দাঙিলে। কিন্তু ঘোচাটো তাৰ গালত নালাগি থুতৰিয়েদি পিছলি গ'ল। চৰটো কিন্তু ৰঞ্জিতৰ গালত ভালকৈ পৰিছিল। সি তালবাল খাই গ'ল। কিন্তু পিচ মুহূৰ্ততে নিজক চম্ভালি লৈ সি আত্ম-ৰক্ষাৰ বাবে সাজু হ'ল। কাৰণ তেতিয়ালৈ সি ভালকৈ বুজি উঠিছিল যে ল'ৰাকেইটাৰ উদ্দেশ্য ভাল নহয়।

বোধহয় তাৰ দৰে বাকীকেইটায়ো একে কথাকে বুজি উঠিছিল। সেয়ে আত্মৰক্ষাৰ বাবে আটাইকেইটা সাজু হ'ল। সিহঁতৰ চিন্তা হ'ল কেৱল বেঞ্জামিনলৈহে। কাৰণ তাৰ বাওঁহাতখন নাই। সিহঁত যদি আৰু আগবাঢ়ে এখন হাতেৰে সি কি কৰিব?

ৰঞ্জিতে চৰটোৰ শোধ কেনেকৈ লব ভাবি ঠিক কৰিবলৈ পোৱাৰ আগতেই ডিস্কোৱালাই ৰঞ্জিতৰ সমুখৰ টেবুলখনত থকা কাগজ-পত্ৰ কিছুমানলৈ আঙু-লিয়াই উগ্ৰ সুৰত ক'লে, 'এইবোৰ কি? ফালি পেলা এইবোৰ। নহলে—'

এইবুলি নিজেই থাপ মাৰি কাগজ-পত্ৰ এসোপা তুলি নি ছিৰাছিৰকৈ ফালি পেলালে। ইতিমধ্যে আন এটাই বেৰৰ গজালত আঁৰি থোৱা 'জয় আই অসম' লিখা ডাঠ কাগজখন একেটানে আজুৰি আনি জোভাৰে গচকিবলৈ ধৰিলে। আন এটাই তাতকৈয়ো বেছি উগ্ৰতা প্ৰদৰ্শন কৰি বেৰত সজাই

খোৱা শহীদ ছাইদুলৰ ফটোখন আজোৰ মাৰি আনি ৰঞ্জিতৰ কাষত থৈ থকা ইন্দ্ৰজিতৰ মূৰলৈ মাৰি পঠিয়ালে। এটা বিশৃংখল শব্দ কৰি ফটোৰ আইনাখোৰ ঝনঝনকৈ চাৰিওফালে সিঁচৰিত হৈ পৰিল। অ-হ বুলি এটা বিকৃত শব্দ কৰি ইন্দ্ৰজিতে ৰঞ্জিতহঁতলৈ চাই চিঞৰি উঠিল—'এই তহঁতে কি চাই আছ? ইহঁতক ধৰ। ইহঁত ভাল মানুহ নহয়।'

এইবুলি নিজৰ অনুচৰলৈ নেচাই সি নিজেই কোনোবা এটাক গৰ মাৰি ধৰিলে। লগে লগে ৰঞ্জিত অতুল, বেঞ্জামিন আৰু আনন্দও আত্মৰক্ষাৰ বাবে সম্পূৰ্ণ সজাগ হৈ সিহঁতক জব্দ কৰিবলৈ চেষ্টা চলালে। কিন্তু ৰঞ্জিত অতুলহঁতে জনা নাছিল যে ল'ৰাকেইটাই অতি জঘন্য উদ্দেশ্য লৈ বেয়া ধৰণে প্ৰস্তুত হৈ আহিছে।

ইন্দ্ৰজিতে এটাক গৰা মাৰি ধৰোঁতেই আন এটাই জাপ মাৰি গৈ তাৰ পিঠিত এখন ছুৰী বহুৱাই দিলে। লগে লগে আন এটাই অতুলৰ ঠিক নাকতে পৰাকৈ এটা প্ৰচণ্ড ঘোঁচা শোধালে। কিন্তু ঘোঁচাটোৰ প্ৰত্যুত্তৰ দিবলৈ পোৱাৰ আগতেই এখন ছুৰী উফৰি অহি অতুলৰ বুকুত সোমাল। একে সময়তে প্ৰচণ্ড কিবা এটা আঘাতত বেঞ্জামিন চকী এখনৰে সৈতে কৰ্কাল খাই পৰিল। আনন্দৰ মুখৰ পৰাও এটা ভয়ংকৰ আৰ্তস্বৰ শুনা গ'ল।

খুব সম্ভৱ ঘৰৰ মালিক ইমান সময়ে ঘৰত নাছিল। ক'ৰবাৰপৰা আহি তেওঁ বোধহয় ঘৰ সোমাইছিলহিহে। এনেতে ভিতৰৰপৰা কোনোবাই চিঞৰি চিঞৰি কিবা কোৱাত তেওঁ টাংহু খাই ঘটনাস্থলীৰ ফালে দৌৰি আহিল। কিন্তু ইতিমধ্যে গুণ্ডাহঁতৰ কাম হৈ গৈছে। সিহঁত হৰমূৰকৈ কোঠাৰপৰা ওলাই গ'ল। ওলাই যাওঁতে কোনোবা এটাই কৈ যোৱা এষাৰ কথা ভদ্ৰলোকৰ কাণত পৰিল: 'মিনিষ্টাৰৰ ল'ৰা বুলি তই ভাল মাৰি গলি; নহলে তোকো ঠাণ্ডা কৰাই গলোহেঁতেন।'

ভদ্ৰলোকৰ কাষেদিয়ে দপদপাই ওলাই গৈ ল'ৰাকেইটা গাড়ীত উঠিলগৈ। বোধহয় গাড়ীত কোনোবা এটা বহি আছিল। সিহঁত উঠাৰ লগে লগে ইঞ্জিনে ষ্টাৰ্ট ললে আৰু কেইছেকেণ্ডমানৰ ভিতৰতে গাড়ীখন উধাও হ'ল।

॥ ওঠৰ ॥

ঘৰৰ মালিক বিপুল শইকীয়াই ৰঞ্জিত-ইন্দ্ৰজিতৰ কোঠালৈ আহি যি দৃশ্য দেখিলে তেওঁ মূৰ্ছা যাবলৈহে বাকী থাকিল।

প্ৰায় পাঁচ মিনিট সময় তেওঁ স্তম্ভিতৰ দৰে কিংকৰ্তব্য বিমূঢ় হৈ ৰ'ল। তাৰ পিচত উপস্থিত কৰ্তব্য সম্পৰ্কে তেওঁ সচেতন হ'ল।

'ককাইদেউ, আপুনি কি চাই আছে? এইত কেইটাক ইমিডিয়েট হস্পিটেলাইজড নকৰিলে কথা সৰ্বনাশ হব। ওচৰত কাৰোবাৰ গাড়ী আছেনে?'

গাড়ী? গাড়ী এখন। কিন্তু ঘটনাটো কি ৰঞ্জিত? সেই ল'ৰা-কেইটা কোন? ক'ৰপৰা আহিছিল?'

ৰঞ্জিতে উন্মাদৰ দৰে ক'লে, 'এতিয়া সেইবোৰ সুধি লাভ নাই ককাইদেউ। সেইবোৰ কথা পিচত শুনিব। এতিয়া মাত্ৰ এখন গাড়ী লাগে। ডাক্তৰ গাড়ী লাগিব।.. অ' ওচৰত কাৰোবাৰ ফোন আছেনে? থানাত এটা খবৰ দিব লাগে।'

সকলো ব্যৱস্থা কৰিবলৈ প্ৰায় কুৰি মিনিটমান সময় লাগিল। বিপুল শইকীয়াই সহায় নকৰা হ'লে অৱশ্যে আৰু পলম হ'লহেঁতেন।

পিছে তেতিয়াও যথেষ্ট পলম হৈ গৈছিল। অতুলৰ বুকুত সোমোৱা ছুৰীখন বুকুতে লৈ এডোখৰ তেজৰ মাজত সি নিঃসাৰ হৈ পৰি আছিল। ইন্দ্ৰজিতৰ অৱস্থাও প্ৰায় তদ্ৰূপ যদিও তাৰ পিঠিত ছুৰীখন লাগি থকা নাছিল। ছুৰীখন পিচত ক'তো বিচাৰি পোৱা নগ'ল। হস্পিটাললৈ নিবলৈ গাড়ীত তোলোঁতে সি একো গম পোৱা নাছিল। সি পৰি থকা ঠাই-খিনিতো এখন তেজৰ নৈ বৈছিল।

হস্পিটালত অতুলক কৰিব লগা একো নাছিল। তাৰ কাম আছিল শ্মশানতহে। ইন্দ্ৰজিত লাহে লাহে হয়তো ভাল হব। আলম আৰু বেঞ্জামিনো হয়তো এদিন সুস্থ হৈ উঠিব। কিন্তু তাৰ মূৰৰ আঘাত গুৰুতৰ। সুস্থ হৈ উঠিলেও সি অকামিলা হৈ যাব পাৰে। তলপেটত পোৱা গুৰুতৰ আঘাতৰ কাৰণে আলমৰো জীৱন ব্যৰ্থ হৈ যাব পাৰে।

বেচেৰা ৰঞ্জিত! মিনিটাৰৰ ল'ৰা বুলিয়েই সি বাচি গ'ল; নহলে

চৰটোতকৈও সাংঘাতিক পুৰস্কাৰ গুণাইতে তাক দি থৈ গলহঁতেন।

কিন্তু এনে ঘটনা ঘটিল কিয় ? কাৰ উচটনিত এনে ঘটনা ঘটিল ? তাৰ দ্বাৰা এই গুণ্ডাৰূপী লৰাকেইটাৰে বা কি লাভ হ'ল ? সিহঁত কোন ? কাৰ প্ৰতিহিংসা চৰিতাৰ্থ কৰিবলৈ সিহঁত ৰঞ্জিতহঁতৰ ওচৰলৈ আহিছিল ?

এইবোৰ প্ৰশ্নৰ সঠিক উত্তৰ কোনেও হয়তো দিব নোৱাৰে। তথাপি বাইজে বুজে—কোনোবা 'দেশহিতৈষী'য়ে আন্দোলনক বিপথগামী কৰিবলৈ খটুওৱা সেইবোৰ একো একোটাহঁত ৰাজনৈতিক কৌশল।

অৱশ্যে পুলিচে যদি নিষ্ঠা আৰু দায়িত্বজ্ঞানসম্পন্নতাৰে অনুসন্ধান চলায় নিশ্চয় সকলো কথা পৰিষ্কাৰ হৈ যাব। কিন্তু পুলিচে জানো নিষ্ঠাৰে পালন কৰিব তেওঁলোকৰ কৰ্তব্য ?

সুৰঞ্জন মাহতি, অসীম গাংগুলীহঁতৰ সক দল এটাই আকৌ মানবেন্দ্ৰ চলিহাক লগ ধৰিলে।

ইয়াৰ আগতে, চলিহাই নতুন মুখ্যমন্ত্ৰীৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিচত তেওঁক সম্বৰ্দ্ধনা জনাবলৈকো সুৰঞ্জন বাবুহঁতৰ সাতজনীয়া দল এটা দিছপুৰলৈ গৈছিল। উক্ত শুভেচ্ছাকামী দলটোৰ নেতৃত্বও বহন কৰিছিল সুৰঞ্জন বাবুৱে নিজে।

চলিহাৰ নিজা চৰকাৰী বাসভৱনত সাক্ষাৎ কৰি শুভেচ্ছাকামী দলটোৱে তেওঁক আন্তৰিক সম্বৰ্দ্ধনা জনোৱাৰ লগতে তেওঁৰ এটা নিৰাপদ আৰু সুদীৰ্ঘ ৰাজনৈতিক জীৱন কামনা কৰিলে।

প্ৰায় কুৰি মিনিট জোৰা সাক্ষাৎ প্ৰসংগৰ কালছোৱাত চলিহাই সুৰঞ্জন বাবুহঁতক নগাঁভেটাত অনুষ্ঠিত সমাবেশত দিয়াৰ দৰে কেবাটাও বিষয়ত সক্ৰিয় সহায়-সহযোগ আগবঢ়োৱাৰ পূৰ্ণ প্ৰতিশ্ৰুতি দিলে। এটা নিৰাপদ ভবিষ্যতৰ নিশ্চয়তা লৈ শুভেচ্ছাকামী দলটো উভতি আহি চলিহাই দিয়া পৰামৰ্শমতেই কামত লাগি গ'ল। কিন্তু হঠাতে ঘটি গ'ল এটা অনৰ্থ।

কথাটো অলপ আঁত মাৰি কোৱা ভাল হব।

ৰেল বিভাগৰ এটা ডাঙৰ কাৰ্য্যালয়, কেইটামান গুদামঘৰ, এখন ৰেলৱে হস্পিটাল, এটা ৰাষ্ট্ৰীয়কৃত আৰু এটা ৰাষ্ট্ৰীয়কৃত নোহোৱা বেংক, এটা

ডাকঘৰ, বাণিজ্যিক বিদ্যুৎ বৰ্ডৰ এটা অফিচ, এটা চিনেমা হল আৰু ৰেল ষ্টেচনটোকে ধৰি কেইটামান সৰু সুৰা চৰকাৰী-বেচৰকাৰী কাৰ্যালয় যুক্ত সামৰি লৈ গঢ়ি উঠা সেই চহৰখনো চলিহাৰ নিৰ্বাচনী সমষ্টিৰ অন্তৰ্ভুক্ত।

চহৰখনত অসমৰ থলুৱা লোকৰ বসতি বৰ কম। যি কেইঘৰ আছে তেওঁলোক প্ৰায়বোৰেই বাহিৰৰ মানুহ অৰ্থাৎ সুৰঞ্জন বাবু, ভূপতি বাবুহঁতৰ সমগোত্ৰীয়। চহৰখনত থলুৱা লোকৰ দোকান-পোহাৰ বুলিবলৈকো তেনেকৈ নাই। আনকি প্ৰাইমাৰী আৰু উচ্চ মাধ্যমিক পৰ্যায়ৰ স্কুলকেইখনো বঙলা মাধ্যমৰহে।

গোপাল চক্ৰবৰ্তী, যোগেশ দে, মুকুন্দ ঘোষ, নিবাৰণ সৰকাৰ আদি লোকসকল এই চহৰৰ গণ্য-মান্য ব্যক্তি।

গোপাল চক্ৰবৰ্তী, যোগেশ দে, মুকুন্দ ঘোষহঁত প্ৰথম যেতিয়া ইয়ালৈ আহে তেতিয়া ইয়াত ঘৰ-দুৱাৰ সাজি থাকিব পৰাকৈ যথেষ্ট মাটি-বাৰী আছিল। কিন্তু লাহে লাহে প্ৰব্ৰজনকাৰীৰ সোঁত ইমান প্ৰবল হৈ পৰিল যে চহৰখনৰ কথা বাদেই, ওচৰে পাজৰেও বাসোপযোগী মাটি নোহোৱা হৈ আহিল। অগত্যা কিছুমানে ৰেলৰে মাটিকে দখল কৰিবলৈ ধৰিলে। তাতো ক্ৰমান্বয়ে ঠাই নাইকিয়া হৈ আহিল।

এনেতে গম পোৱা গ'ল বামুণীজানৰ কথা। বামুণীজান হ'ল প্ৰায় সাতশ বিঘা মাটিৰ এটা চৰকাৰী সংৰক্ষিত বনাঞ্চল। আজি ইমান বছৰে বামুণীজান বিজাৰ্ভলৈ কোনেও লক্ষ্য কৰা নাছিল।

বামুণীজানৰপৰা কিছু নিলগত ভালেকেইখন অসমীয়া মানুহৰ গাঁও আছে। পিছে ওচৰেদি বৈ যোৱা নদীখনে দুখনমান গাঁৱৰ বাইজক প্ৰতি বছৰে বাৰিষা কালত বৰ জুলুম দিয়ে। নৈখনৰ অত্যাচাৰত কেইবাটাও কৃষক পৰিয়ালৰ অৱস্থা না-জল না-থল হোৱাত কোনোবাই তেওঁলোকক বামুণী-জান বিজাৰ্ভখনলৈ আঙুলিয়াই দি চৰকাৰী বিষয়াৰ ওচৰত আবেদন জনা-বলৈ পৰামৰ্শ দিলে।

সেইমতেই তেওঁলোকে কাম কৰিলে। ২৫/৩০টা পৰিয়ালৰ দুখ-দুৰ্দশাৰ প্ৰতি সহানুভূতিশীল হৈ চৰকাৰে বামুণীজানৰ কেইবিঘামান মাটি তেওঁলোকৰ মাজত ভগাই দিবলৈ স্থানীয় কৰ্তৃপক্ষক নিৰ্দেশ দিলে। নিৰ্দেশ কাৰ্য্যকৰীও হৈছিল। কিন্তু এনে সময়তে ঘটিল এক অনৰ্থ। মানবেন্দ্ৰ চলিহা আৰু তেওঁৰ লগৰে দুজনমান মানুহ লৈ উক্ত দুৰ্দশাগ্ৰস্ত পৰিয়ালকেইটাক চৰকাৰে

দিব খোজা মাটিখিনি তেওঁলোকক নিদি বেলেগ মানুহক দিবৰ বাবে মণ্ডল, এছ-ডি-চি আৰু সংশ্লিষ্ট আন আন বিষয়াসকলৰ ওপৰত কৰ্তৃত্ব চলালে।

মানবেন্দ্ৰ চলিহা আৰু আন কেইজন চৰকাৰী মহলত যথেষ্ট হাত থকা মানুহ। গতিকে তেওঁলোকৰ বিৰুদ্ধে কাম কৰিবলৈ কাৰো সাহ নহ'ল। ফলত সেই দুৰ্দশাগ্ৰস্ত মানুহখিনিয়ে পোৱা মাটিও হেৰুৱালে। তেওঁলোকৰ হৈ মানবেন্দ্ৰ চলিহাহঁতৰ বিৰুদ্ধে যুজিবলৈ কোনো নোলাল।

গতিকে তেতিয়াৰপৰাই বামুণীজান বিজাৰ্ভৰ মাটিত এঘৰ-দুঘৰকৈ গোপাল চক্ৰৱৰ্ত্তী, যোগেশ দেহঁতৰ দলৰ মানুহ বহি যাবলৈ ধৰিলে। কিন্তু ইতিমধ্যে অসমত পৰিস্থিতি সলনি হ'ল। 'আমাৰ চৰকাৰৰ মাটিত আমি নবহি বাহিৰা মানুহক বহিবলৈ দিম কিয়?' বুলি দুঃসাহস কৰি আগুৱাই অহা এদল মানুহে দুজোৰকৈ বামুণীজানৰ মাটি দখল কৰিবলৈ ধৰিলে। এফালৰপৰা মাটি ভাঙি তেওঁলোকে ঘৰ সজাৰো কামো আৰম্ভ কৰি দিলে।

চাওঁতে চাওঁতে বামুণীজানৰ কেইবাবিঘাও মাটি তেওঁলোকৰ দখলাধীন হ'ল। তেওঁলোকে তাত ঘৰ-বাৰী পাতি নিজৰ নিজৰ মাটিত সীমা নিৰ্ধাৰণো কৰি ল'লে। অৱশ্যে নিজে নিজে নহয়, মাটিৰ মণ্ডল-কানুনগু আৰু সংশ্লিষ্ট চৰকাৰী বিষয়াৰ সহযোগিতাত।

থলুৱা লোকৰ তেনে দুঃসাহস দেখি গোপাল চক্ৰৱৰ্তীহঁতৰ দল গৰ্জি উঠিল। তেওঁলোক গোটায়ে গুণা-গথা কৰি কথাটো সুৰঞ্জন মাইতি, অসীম গাঙুলীহঁতক জনালে। ইতিমধ্যে গোপাল চক্ৰৱৰ্তীহঁতৰ দল সুৰঞ্জন বাবুহঁতৰ সংগঠন আসাম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ অন্তৰ্ভুক্ত হৈ গৈছিল। গতিকে তেওঁলোকৰ শক্তি এনেয়ে বাঢ়ি গৈছিল।

চলিহা মুখ্যমন্ত্ৰী হোৱাৰ পাছে নগাঁওটাত হোৱা সেই গণ-সমাবেশত উক্ত বিষয়টোৱে প্ৰাধান্য লাভ কৰিছিল। পশ্চিম বঙ্গৰপৰা অহা বামপন্থী নেতা দুজনৰ গাইডেন্সত চলিহা আৰু তেওঁৰ অনুগামীসকলে সেই সন্দৰ্ভত 'ভয় নকৰিবলৈ' সকলোকে অনুৰোধ জনাই সেই সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু প্ৰতিশ্ৰুতিমতে কাম নোহোৱা বাবেহে সুৰঞ্জন বাবুহঁতৰ সাতজনীয়া দল এটাই আকৌ 'মুখ্যমন্ত্ৰী'ক লগ ধৰিবলগীয়া হ'ল।

কিন্তু মুখ্যমন্ত্ৰী চলিহাক লগ ধৰি আহি তেওঁৰ পৰামৰ্শমতেই সুৰঞ্জন বাবুহঁতে তেতিয়া সেই অঞ্চলৰ মণ্ডল গোবিন্দ দাস আৰু এছ-ডি-চি ধ্ৰুৱ

ৰাজখোৱাক লগ ধৰিলে, তেওঁলোক বৰ হতাশ হবলগীয়া হ'ল।

গোবিন্দ দাসে ক'লে, 'মাটি কিয় নেপাব? পাব। কিন্তু তাৰ কাৰণে কিছু টকা-পইচা খৰচ কৰিব লাগিব। পৰিয়ালে প্ৰতি দুহেজাৰৰপৰা আঢৈ হেজাৰ টকা মোক আগতে দিব লাগিব। তেতিয়াহে মই কাম কৰিব পাৰিম।'

ধ্ৰুব ৰাজখোৱাই ক'লে, 'মুখ্যমন্ত্ৰী নেলাগে তাতকৈ ডাঙৰ এজনে ক'লেও মই বামুণীজানৰ মাটি আপোনালোকৰ মানুহক দিব নোৱাৰোঁ। কাৰণ সেই মাটি চৰকাৰেই এবাৰ থলুৱা মাটিহীন মানুহক ভগাই দিবলৈ নিৰ্দেশ দিছিল। আগৰ কোনোবা অফিচাৰে ভুল কৰি কিবা এটা কৰিলে বুলি ময়ো কৰিম নে?'

সুৰঞ্জন মাইতিহঁতে দেখিলে, ৰাজখোৱাই অকল মুখেৰে তেনেকৈ কৈয়েই বহি থকা নাই; চৰকাৰৰ নতুন নিৰ্দেশ ওফৰাই দি তেওঁ বামুণীজানত নিজৰ মনোমত লোকৰ মাজত মাটি বিতৰণ কৰিবলৈ আৰম্ভ কৰি দিছে; অৰ্থাৎ গোপাল চক্ৰবৰ্তী, মুকুন্দ ঘোষহঁতৰ দলৰ মানুহক মাটি নিদি তেওঁ বেলেগ মানুহকহে মাটি দিছে।

মনৰ ক্ষোভ দমাই ৰাখিব নোৱাৰি সুৰঞ্জন মাইতিহঁতে ৰাজখোৱাক জনাই দিলে—'তেতিয়াহলে আপুনি নিজৰ বিপদ নিজেহ চপাই লৈছে। চাই থক থাক আমি কি কৰিব পাৰোঁ।'

ৰাজখোৱায়ো নিৰ্ভীক সুৰত উত্তৰ দিলে—'কিভাল কৰিব; খুব বেছি কৰিলে মোক হয়তো ইয়াৰপৰা ট্ৰেন্সফাৰ কৰাব পাৰিব। তাৰ বাহিৰে আৰু কিটো কৰিব?'

কিন্তু ধ্ৰুব ৰাজখোৱাই বোধহয় গম পোৱা নাছিল তেওঁৰ বিৰুদ্ধে অকল সুৰঞ্জন মাইতি, গোপাল চক্ৰবৰ্তীহঁতেই সংগঠিত হোৱা নাই, তেওঁৰ সতীৰ্থ-সকলৰ মাজতো তেনে এদল লোক সংগঠিত হৈছিল, যিয়ে তেওঁক এটা অন্ধকাৰ ভবিষ্যতলৈ ঠেলি দিবলৈ অহৰহ প্ৰচেষ্টা চলাই গৈছিল।

॥ উনৈশ ॥

গোপাল চক্ৰবৰ্তীহঁতৰ সমগোত্ৰীয় সন্তোষ সোম, খালেদ চৌধুৰী, শচীন মল্লিক, শ্যামল দাস, ৰতন শীলহঁতক সুৰঞ্জন বাবুহঁতে বুজাই ক'লে,

'আপোনালোকে যদি চিৰস্থায়ীভাবে অসমত থাকিব খুজিছে তেন্তে এতিয়াই কিবা এটা কৰি লওক। মণ্ডলক টকা-পইচা খুৱাই হলেও বিজার্ডৰ মাটি দখল কৰকগৈ। মনত ৰাখিব, নিজৰ নামত ঘৰ-মাটি থাকিলেহে আপোনা-লোকে ভাৰতীয় নাগৰিক বুলি দাবী কৰিব পাৰিব; নহলে বিপদাৰ আছে।'

সেইমতেই শচীন মল্লিক, সন্তোষ সোমইতৰ এটা বিশজনীয়া দল গোবিন্দ দাসৰ কাষ চাপিলগৈ। তেওঁলোকে নিজৰ নিজৰ আৰ্থিক দুৰৱস্থাৰ কথা মণ্ডলৰ আগত বিবৰি ক'লে।

তেওঁলোকৰপৰা সকলো শুনি লৈ গোবিন্দ দাসে ক'লে, 'আপোনালোকক কোৱাৰ দৰ্কাৰ নাই, তথাপি কওঁ শুনক। আপোনালোকক মাটি দিব খোজা দেখি বৰ্তমানৰ এছ-ডি-চি জন বৰ ক্ষুন্ন হৈছে। তাৰ উপৰিও অসমৰ ভালে কেইজন ডাঙৰ ডাঙৰ লোক এই ক্ষেত্ৰত নাৰাজ। চৰকাৰেও শেহতীয়াকৈ নিৰ্দেশ দিছে—বিজার্ডৰ মাটি বিতৰণ কৰাৰ ক্ষেত্ৰত যেন বিশেষ সাৱধানতা অৱলম্বন কৰা হয়। কিন্তু মোৰ কথা হ'ল, আপোনালোকো মাটি-বাৰী নোহোৱা মানুহ। নিজৰ দেশত মাটি বাৰী থকা হলে জানো ইয়াত মৰিবলৈ আহিলহেঁতেন? মোৰ বোধেৰে আমাৰ থলুৱা বাইজতকৈ আপোনালোককহে মাটি দিয়া বেছি দৰ্কাৰ।'

মণ্ডলৰ কথা শুনি মুকুন্দ ঘোষ, শচীন মল্লিকহঁত বৰ সুখী হ'ল। তেওঁ-লোকৰ এজনে কলে, 'তেতিয়াহলে বৰ ভাল কথা মণ্ডল বাবু। আপুনি এতিয়া আমাৰ কুৰিটামান পৰিয়ালৰ মাজত আধা বিঘা, এবিঘামানকৈ মাটি বিলাই দিয়ক। তাৰ পিচত যাক যেনেকৈ সুবিধা হয় দিব। নহয় জানো?'

গোবিন্দ মণ্ডলে ক'লে, 'হব বাৰু, পিছে এতিয়া আপোনালোকে গাইপতি কিমান টকাকৈ দিব পাৰিব কওক। দুহেজাৰৰ কম মই কাৰোপৰা নলওঁ কিন্তু।'

দলটোৰ হৈ শচীন মল্লিকে ক'লে, 'নহয় মণ্ডলবাবু, আমি সিমান টকা একেলগে ক'ৰপৰা দিম? আমিতো ইয়ালৈ নতুনকৈ অহা মানুহ। আমাৰ মাজৰ বহুতৰে কোনো সংস্থানেই হোৱা নাই। তদুপৰি মাটি পালে জুপুৰী এটা সাজিবলৈকোতো টকা দৰ্কাৰ হব! গতিকে আমি এটা কাম কৰিব খোজোঁ।'

'কি কাম?' টকাৰ কাৰণে বি কোনো নীচ কাম কৰিবলৈকো কুণ্ঠিত নোহোৱা আদহীয়া বয়সৰ গোবিন্দ মণ্ডলে সুধিলে।

শচীন মল্লিকে আগন্তুকৈয়ো কোমল মাতেৰে ক'লে 'আমি প্ৰথমতে আপোনাক গাইপতি পাঁচশৰপৰা এহেজাৰমানকৈ দিম; তাৰ পিচত নতুন মাটিত ঘৰ-দুৱাৰ সাজি উঠি বাকী টকা পৰিশোধ কৰিম। লাগিলে আমাৰ-পৰা আপুনি লিখা লব।'

মণ্ডলে ভাবিলে, তেওঁৰ টকা কেতিয়াও নেহেৰায়। টকা কেনেকৈ আদায় কৰিব লাগে সেই বুদ্ধিও তেওঁ জানে। কিন্তু কামটো কৰাত পলম কৰিলেহে বিপদ হব। ৰাজখোৱা হাকিমে কেনেবাকৈ এই ফন্দীৰ কথা গম পালে তেওঁক সুদাই নেৰে। গতিকে কামটো যিমান পাৰি সোনকালে কৰি দিয়া ভাল।

তাকেই ঠিক কৰি মণ্ডলে শচীন মল্লিকহঁতৰ কথাত অনিচ্ছাৰে হলেও সন্মতি জনালে। কথা হ'ল, দুদিনৰ ভিতৰত মল্লিকহঁতৰ বিশজনে গাইপতি পাঁচশ বা এহেজাৰকৈ টকা তেওঁক ঘৰতে দি থৈ যাবহি। কথামতে কামো হ'ল। কিন্তু অঘটন এটা ঘটিল অন্যফালৰপৰা।

দেওবাৰ কাৰণে মণ্ডল ঘৰতে আছিল। কোনোবাই তেওঁক হঠাতে খবৰ দিলেহি যে বামুণীজান ৰিজাৰ্ভৰ মাটি কোনোবাই আকৌ দখল কৰিবলৈ ওলাইছে। ৰাতি পুৱাই ৪০/৫০ জনমান মানুহৰ দল এটাই হুৰমুৰকৈ আহি ৰিজাৰ্ভত প্ৰবেশ কৰি হাতে হাতে দা-কুঠাৰ, কোৰ-কটাৰী আদি লৈ হাবি-বন কাটি তহিলং কৰি যাবলৈ ধৰিছে। খবৰটো শুনি মণ্ডল ৰব নোৱাৰিলে। চাইকেলখন লৈ তেওঁ তেতিয়াই তিনিমাইল দূৰৰ বামুণীজানলৈ বুলি ওলাল।

কিন্তু তেওঁৰ দুৰ্ভাগ্য, তেওঁ ঘৰৰপৰা ওলাওঁতেই ৰাজখোৱা হাকিমৰ চাপ্ৰাচীটোৱে খবৰ দিলেহি যে হাকিমে তেওঁক এতিয়াই বঙলালৈ মাতি পঠাইছে। হাকিমৰ লগত মণ্ডল হেনো এফালে যাব লাগিব। খং উঠিলেও কৰিবলৈ একো নথকাত অগত্যা মণ্ডলে ৰাজখোৱা হাকিমৰ চৰকাৰী বঙলা অভিমুখে চাইকেল পোনাই দিলে।

সেইদিনা প্ৰায় গোটেই দিনটো মণ্ডল ৰাজখোৱাৰ লগত গাড়ীত ঘূৰি ফুৰোতেই গ'ল। আবেলি তিনিমান বজাত ভোকে-পিয়াহে ক্লান্ত-শ্ৰান্ত হৈ ঘৰ পাই দেখিলে মল্লিকহঁতৰ এদল মানুহে তেওঁলৈ অপেক্ষা কৰি আছে। উদ্দেশ্য—আগদিনাৰ কথামতে মণ্ডলক টকা দি যোৱা। কথাটো শুনি মণ্ডলৰ ভোক-পিয়াহ কেনিবা পলাল। মণ্ডলে কিন্তু বামুণীজানৰ কথাটো মল্লিকহঁতৰ আগত একো নুলিয়ালে।

পিচদিনা বাত্তিপুৱাই মণ্ডল বাবুৰীজানত উপস্থিত হ'লগৈ।

ঘটনা দেখিয়েই তেওঁৰ চকু কপালত উঠিল। কাৰণ তেওঁ দেখিলে বিজাৰ্ত-খনৰ প্ৰায় চাৰিভাগৰ এভাগ মাটি হাবি-বন ভুৰি মোকোলোৱা হৈছে আৰু দহ কি বাৰটামান খেৰী জুপুৰী ইতিমধ্যে থিয় কৰোৱা হলেই। আগতে বহা মানুহবোৰ অৱশ্যে অলপ নিলগত আছে।

মণ্ডল যাওঁতেও মানুহবোৰে কাম কৰি আছিল। কোনোবাই হাবি ভুৰিছে, কোনোবাই নলা খান্দিছে, কোনোবাই জেওৰা দিছে, কোনোবাই হয়তো কৰা-কামি চাঁচিছে, কোনোবাই ঘৰৰ ওপৰত উঠি চাল চাইছে। মুঠতে কোনো বহি থকা নাই; প্ৰত্যেকেই কামে কামে ব্যস্ত।

মানুহবোৰ যে ওচৰৰ গাঁৱৰ মানুহ মণ্ডলে দুৰৰপৰা দেখিয়েই গম পালে। তেওঁৰ সন্দেহ হ'ল, মানুহবোৰক নিশ্চয় খাজখোৱা হাকিমে সহায় কৰিছে। আন একো নকৰিলেও এনে কাম কৰিবলৈ উচটাই দিছে। নহলে এনে দুঃসাহসিক অভিযান কেতিয়াও সম্ভৱ নহলহেঁতেন। আগৰ মানুহবোৰৰ কথা অৱশ্যে বেলেগ।

মনত সাহ বান্ধি লৈয়ে মণ্ডল এখোজ-দুখোজকৈ আগবাঢ়ি গ'ল। কৰা-কামি চাঁচি থকা আধা-বয়সীয়া মানুহ চাৰিজনলৈ লক্ষ্য কৰি মণ্ডলে কেইহাতমান নিলগৰপৰা সুধিলে—'হেৰা, তোমালোকে এইবোৰ কি ল'ৰা-ধেমালি আৰম্ভ কৰিছা? কাৰ হুকুমত এইদৰে চৰকাৰী মাটি বেদখল কৰিছাহি? হেঁ। কোনে উচটাই দিছে তোমালোকক?'

মানুহ কেইজনে মণ্ডলক চিনি পাইছিল। তেওঁ যে বন্দল লগাবলৈকে আহিছে সেইটোও বুজি পাইছিল। গতিকে এজনে মাত লগালে—'আমাক কোনেও উচটোৱা নাই মণ্ডল ডাঙৰীয়া! আমি নিজেই আহিছোঁ।'

'কিন্তু তোমালোকে গম পোৱানে নোপোৱা এইবোৰ চৰকাৰী মাটি বুলি? চৰকাৰৰ হুকুম নোহোৱাকৈ যে এইবোৰ মাটি জধেমধে দখল কৰিব নোৱাৰি তোমালোকে নেজানা নেকি?'

'কিয় নেজানিম?' আন এজনে দাখন হাতত লৈ থিয় হৈ মণ্ডললৈ চাই ক'লে—'আমি সেইটো জানো। আৰু লগতে এইটোও জানো যে এই বিজাৰ্তৰ কেইবা বিঘাও মাটি চৰকাৰে আমাৰ দৰুৱা মাটিহীন, দুখীয়া খাইজৰ মাজত বিলাই দিবলৈ আদেশ দিছিল। কিন্তু আপুনি আৰু আপোনাৰ দৰে জনচেৰেক মহৎ লোকে সেই আদেশ ওফৰাই দি টকা ঘটাৰ

বাস্তা উলিয়াই লৈছে।'

'কি কলা? কোনে কৈছে হে এইবোৰ কথা তোমালোকক?'

'শুনকচোন। আমাৰ বাইজক মাটি দিয়াৰ সলনি আপোনালোকে শচীন পাল, সন্তোষ সোমইতৰ দৰে মানুহবোৰৰ হেজাৰ হেজাৰ টকা লৈ এই মাটিবোৰ সিহঁতক ভগাই দিয়াৰ ষড়যন্ত্ৰ চলাইছে। গতিকে আমি হাত সাবটি বহি থাকিলে কেনেকৈ চলিব মণ্ডল ডাঙৰীয়া? আপুনি বোধহয় গমেই পোৱা নাই, অসমত এইবাৰ নতুন চেতনাৰ ঢল নামিছে।'

আৰু শুনাৰ ধৈৰ্য নহ'ল গোবিন্দ মণ্ডলৰ।

'ঠিক আছে, ময়ো ইয়াৰ উচিত ব্যৱস্থা কৰিম। কিন্তু যোৱাৰ আগতে এষাৰ কথা কৈ যাওঁ। যদি বিপদলৈ ভয় আছে তেনেহ'লে সন্ধে সন্ধে ইয়াৰপৰা উলটি যোৱাঁ। পুলিচ আহিবলৈ পালে কিন্তু ৰক্ষা নেপাবা।' কৈয়ে মণ্ডল আঁতৰি আহিল।

তাৰ দুদিনৰ পিচত।

স্থানীয় আৰক্ষী বিষয়া অমল ভৌমিক, আঞ্চলিক পঞ্চায়তৰ সভাপতি চম্পক হাজৰিকা আৰু এদল লাঠীধাৰী পুলিচ লৈ গোবিন্দ মণ্ডল বামুণীজানত উপস্থিত হ'লগৈ। আগতে ঘৰ-দুৱাৰ সাজি বহা মানুহখিনিৰ ফালে নগৈ মণ্ডলৰ দলটো নতুনকৈ মাটি ভাঙি ঘৰ সাজিবলৈ লোৱা মানুহবিলাকৰ ওচৰ পালেগৈ। তেওঁলোকতকৈ আগতে গৈ শচীন মল্লিক, যতীন পালহঁতৰ দহ-বাৰজনীয়া এটা দলে তেওঁলোকৰ বাবেই অপেক্ষা কৰি ৰৈ আছিল। মণ্ডলক দল-বলে যোৱা দেখি মল্লিকহঁতৰ দলটোৱে বৰ ভাল পালে। তেওঁলোক মণ্ডলৰ দলটোৰ ফালে আগবাঢ়ি আহিল।

মণ্ডলে দেখিলে, তেওঁৰ সাৱধান-বাণীলৈ মানুহবোৰে সমূলি কেৰেপ নকৰিলে। তেওঁ সিদিনা আহোঁতে মাত্র দহোটা নে বাৰটা সৰু সৰু খেৰী ঘৰ উঠিছিল; এতিয়া তেনেকুৱা ঘৰ তাৰ তিনিগুণমান উঠিল। অকল সেয়ে নহয়, মানুহবিলাকে নিজে নিজেই মাটিৰ সীমা ভাগ কৰি লৈ জেওৰা-জপনা দি লৈছে। হাবিও সিদিনাতকৈ বহুত কটা হ'ল। কোনো কোনোৱে নিজৰ ঘৰৰ আগত কল-তামোল-নাৰিকল আদিৰ গছো ৰুই লৈছে। পানীৰ বাবে কুঁৱাও খান্দিছে।

নিজৰ সান্দহ খোৱা বাণী ভুল যোৱা দেখি, মানুহবিলাকৰ দুঃসাহস দেখি গোবিন্দ মণ্ডলৰ গা জ্বলি উঠিল। আৰক্ষী বিষয়া ভৌমিক আৰু

পঞ্চায়তৰ সভাপতি হাজৰিকালৈ লক্ষ্য কৰি তেওঁ ক'লে, 'দেখিছে সিহঁতৰ কাণ্ড? মই সিদিনা আহি বাৰ্নিং দি যোৱা সত্ত্বেও সিহঁতে মোৰ কথা শুনিলে। এতিয়া আপোনালোকক লৈ আহিছোঁ, যি কৰে তাকে কৰক।'

এইবুলি দলটোৰপৰা আগবাঢ়ি গৈ কামত ব্যস্ত হৈ থকা দুজনমান মানুহক উদ্দেশ্য কৰি মণ্ডলে চিঞৰি চিঞৰি ক'লে, 'হেৰা, তোমালোক অলপ এইফালে আহাচোন। কোন ক'ত আছা গোটেইবোৰকে মাতি আনা। পঞ্চায়তৰ সভাপতি আৰু থানাৰ বৰবাবু আহিছে—তোমালোকক বোলে কিবা শুধিব। আহঁা, বেলি নকৰিবাইক।'

সকলোৱে মণ্ডলৰ দলটোক আৰু শচীন মল্লিকহঁতক দেখা নাছিল যদিও যি কেইজনে দেখিছিল তেওঁলোকে বোধহয় ভালকৈয়ে বুজিব পাৰিছিল যে আজি নিশ্চয় কিবা এটা ঘটিব; বিশেষকৈ পুলিচৰ উপস্থিতিয়ে তেওঁলোকক কিছু আশংকিত কৰি তুলিছিল।

মানুহ কেইজনে মণ্ডলৰ কথা শুনিও শুনাৰ ভাও জুৰি নিজৰ কামত লাগি থকা দেখি এইবাৰ মণ্ডলৰ দলটো নিজেই আগবাঢ়ি গ'ল। সক জান এটাৰ কাষত কাটি থোৱা ডাঙৰ গছ এডালৰ বুন্দা এটাৰ কাষত উপস্থিত হৈ চম্পাক হাজৰিকাই এজন ডেকা মানুহলৈ চাই ক'লে, 'হেৰা, তোমালোকে কাৰ পাৰ্মিচন লৈ ইয়াত মাটি দখল কৰিছাহি? যদি প্ৰাণলৈ মায়া আছে তেন্তে এই মুহূৰ্তে এই ঠাই ত্যাগ কৰা।'

ডেকাজনে উত্তৰ দিলে, আপুনি আৰু কোন নপতা ফুকনজন ওলালহি আমাক এই ঠাই ত্যাগ কৰিবলৈ কবলৈ? আমাক প্ৰাণৰ ভয় দেখুওৱাৰ আগতে আপুনি নিজেহে সাৱধান হওক।'

ডেকাজনৰ উত্তৰ শুনি দলটোৰ আটাকেউজনে চমক্ খালে। এইবাৰ অমল ভৌমিকে মাত লগালে—'তুমালোকক মই সাবধান কৰি দিছু—যদি এই ৰকম বেআইনী কাজ বন্ধ না কৰা তেন্তে আমি চৰ্কাৰৰ নিৰ্দেশত যি কোনো কঠোৰ ব্যৱস্থা লবাৰ বাধ্য হম।'

ডেকাজনৰ ওচৰতে এজন আদ-বয়সীয়া মানুহ থিয় হৈ আছিল। এইবাৰ তেওঁ ক'লে, 'আমি জনাত আমি কোনো বেআইনী কাম কৰা নাই দেউতা-সকল! বেআইনী কাম কৰিছে যদি মণ্ডল আৰু আপোনালোকেই কৰিছে। কাৰণ, আমি জনাত চৰকাৰে এই সংৰক্ষিত ভূমিখণ্ড আমাৰ দৰে নিঃকিন সকলৰ মাজত ভগাই দিবলৈকে হুকুম দিছিল; কিন্তু সেই হুকুম তলিয়াই

পেলাই কোনোবা অজীণ-পাতকীয়ে ইয়াক অবৈধ অনুপ্ৰৱেশকাৰীৰ চাৰণ ভূমিত পৈণত কৰাৰ চেষ্টা কৰিছে। এতেকে—'

তেওঁ আৰু কবলৈ নেপালে; ভৌমিকে হাতৰ বেতডালেৰে লাৰৌপ কৰে এটা কোব তেওঁৰ গাত লগাই দিলে। চকুৰ আগতে সম্বন্ধীয়া খুৰাক এজনক তেনেকৈ কোবোৱা দেখি ডেকাজনৰ গা জ্বলি গ'ল। তেওঁ বুকু ফিন্দাই ভৌমিকৰ ফালে চাই ক'লে, আপুনি এখেতক কিয় মাৰিলে? এখেতে কি দোষ কৰিছিল?'

'কি দোষ কৰিছিল আবাৰ জিজ্ঞাস কৰিবলৈ আহিছা! তুমাকো লাগে নাকি?' বুলি তেওঁকো এক কোব লগাই দিলে।

লগে লগে ঘটি গ'ল এটা ঘটনা। বিনা কাৰণত তেওঁলোকক কিয় মাৰিব বুলি কেইজনমান মানুহ দৌৰি আহিল। সমূহীয়াভাবে তেওঁলোকে সেই অন্যায় কাৰ্যাৰ প্ৰতিবাদ জনালে। তাকে দেখি মণ্ডলে ক'লে, 'তোমালোকক এই বেআইনী কামৰ বাবে কোনে উৎসাহ যোগাইছে মই জানো। কিন্তু তোমালোকে নেভাবিবা যে তেওঁৰ ইচ্ছামতেই চৰ্কাৰে কাম কৰিব। তোমালোকক তেওঁ নিশ্চয় ভাল উপদেশ দিয়া নাই। চৰ্কাৰৰ ইচ্ছাৰ বিৰুদ্ধে কাম কৰিবলৈ উচটাই দি তেওঁ তোমালোকক নিজে খন্দা খালত পৰিবলৈহে দিছে। গতিকে তোমালোকৰ মঙ্গলৰ বাবেই কৈছোঁ—তোমালোকে সজে সজে এই কাম বন্ধ কৰা, নহলে এইবোৰ দেখিছাই নহয়!' এইবুলি মণ্ডলে পুলিচৰ দলটোলৈ ইঙ্গিত কৰিলে।

মণ্ডলৰ কথাতে হয়ভৰ দি হাজৰিকায়ো কিবাকিবি ক'লে। কথাৰ মাজেদি তেওঁ তেওঁলোকৰ কথামতে কাম নকৰিলে পুলিচ লগাই দি এশিকনি দিয়াৰ বুলিও ভাবুকি দিলে। কিন্তু তেওঁলোকৰ ভাবুকিলৈ ভয় কৰি মানুহবোৰ পাচ হুঁহকি যাওক চাৰি বুকু যিন্দাই আগুৱাইহে আহিল। কিবা এটা গণ্ডগোল লগাৰ গম পাই কামে-কাজে লাগি থকা আনবোৰ মানুহো য'বে কাম ত'তে এৰি আগবাঢ়ি আহিল। কাম এৰি থৈ আহিলেও তেওঁলোকে হাতৰ দা-কুঠাৰ, কোৰ-কটাৰী এৰি থৈ অহা নাছিল। সেইবোৰ হাতে হাতে লৈ আহিছিল।

গতিকে মণ্ডলৰ বাহিনীত নিয়ে স্বাভাহিবতে এটা সন্ত্ৰাসৰ ভাব সৃষ্টি কৰিলে। মানুহবোৰে ঘটনাটো কি বুজ লবলৈ চেষ্টা কৰিলে।

'তাহলে তুমালোকে মাটি এৰি নিদিয়া? ঠিক আছে, আমিও দেখে

চাই নেথাকো। চৰ্কাৰৰ আদেশ আমি মানিবই লাগিব।' এইবুলি পুলিচ বিষয়া অমল ভৌমিকে শচীন মল্লিকহঁতলৈ চাই ক'লে, 'আপনাৰা দেখলেন তো এদেৰ দুঃসাহস! এৰ মধ্যে কিছু ঘটে থাকলে আপনাৰা কিন্তু সাক্ষী থাকতে হইবে।'

শচীন মল্লিকৰ দলে 'নিশ্চয়' 'নিশ্চয়' বুলি চিঞৰি উঠিল।

গতিকে মণ্ডলৰ দলে যি পৰিকল্পনা কৰি গৈছিল সেইমতেই কাম আৰম্ভ কৰি দিলে। বেদখলকাৰী মানুহখিনিৰ মাজত এটা উত্তেজনা সৃষ্টি কৰিবৰ বাবে মণ্ডলে তেওঁলোকক কটু ভাষাৰে গালি পাৰিবলৈ ধৰিলে। এনেয়ে মণ্ডলৰ ওপৰত মানুহবোৰৰ খং উঠি আছিল, তাতে শ্লীলতাৰ সীমা চেৰাই গৈ তেওঁ নিষিদ্ধ ভাষাৰে গালি বৰষিবলৈ ধৰাত মানুহবোৰৰ সংযমৰ বান্ধ ছিগি গ'ল। দুজনমানে মণ্ডলৰ ফালে চোচা লৈছিলেই, এনেতে ভৌমিকৰ চকুৰ ইঙ্গিতত লাঠীধাৰী পুলিচৰ দল তেওঁলোকৰ ওপৰত জপিয়াই পৰিল। ভৌমিকৰ নেতৃত্বত পুলিচৰ দলটোৱে বিপক্ষৰ দলক নিৰ্মমভাবে প্ৰহাৰ কৰিব ধৰিলে। বিপক্ষ দলৰো সাহস কম নাছিল। আত্মৰক্ষাৰ বাবে তেওঁলোকেও নিজৰ নিজৰ হাতৰ অস্ত্ৰ ব্যৱহাৰ কৰিলে। ফলত এটা তাণ্ডৱ সংঘৰ্ষ আৰম্ভ হৈ গ'ল।

ইফালে অমল ভৌমিক আৰু হাজৰিকাৰ ইঙ্গিত পাই শচীন মল্লিকৰ দলে বিপক্ষৰ দললৈ শিলগুটি, ইটাৰ টুকুৰা, দলি চপৰা আদি দলিয়াবলৈ ধৰিলে। কোনোবা এজনে মোনা এটাত কিছুমান ভগা আইনা আৰু কাপ-প্লেটৰ টুকুৰা লৈ আহিছিল, সুবিধা বুজি সেইবোৰো দলিয়াবলৈ ধৰিলে।

হয়তো লাঠী, টোকোন, শিলগুটি, ভগা আইনা আৰু দা-কুঠাৰ-কোৰৰ সংঘৰ্ষত এক ভয়ংকৰ পৰিস্থিতিয়েই উদ্ভৱ হৈ গলহেঁতেন। ইতিমধ্যে যি ঘটিছিল সিও নিচেই সাধাৰণ নাছিল। লাঠীৰ প্ৰহাৰত দুজনমান ধৰাশায়ীয়েই হৈছিল। সেইদৰে দা আৰু কোৰৰ আঘাততো দুজনমানৰ দেহা থৰক্-বৰক্ হোৱাৰ উপক্ৰম ঘটিছিল।

পিছে ঠিক সেই সময়তে ঘটনাস্থলীত এখন জীপগাড়ী উপস্থিত হ'লহি। জীপৰপৰা নামি আহিল এছ-ডি-ও শ্ৰী ৰাজখোৱা আৰু তেওঁৰে বন্ধু আন এজন চৰকাৰী বিষয়া। গাড়ীৰপৰা নামিয়েই ৰাজখোৱাই প্ৰথমে মণ্ডলক, তাৰ পিছত পুলিচ বিষয়া ভৌমিক আৰু চম্পক হাজৰিকাক তিৰস্কাৰ কৰি কিৰাকিৰি কৰবলৈ ধৰিলে। শচীন মল্লিকহঁতকো ৰাজখোৱাই কিৰাকিৰি ক'লে। ৰাজখোৱা আৰু আনজন চৰকাৰী বিষয়াৰ উপস্থিতিত পৰিস্থিতিয়ে

তত্তালিকে বেলেগ ৰূপ ললে। সংঘৰ্ষ বন্ধ হ'ল। কিন্তু সংঘৰ্ষৰ পৰিণাম হ'ল অতি ভয়াবহ।

'আপোনালোকে কি কাৰণে ইয়াত পুলিচ লগাই নিৰীহ মানুহখিনিৰ ওপৰত অত্যাচাৰ চলাইছেহি? কওক মণ্ডল, এই মাটি, এই ৰিজাৰ্ভখন কাৰ? আপোনাৰ নে চৰকাৰৰ?'

ৰাজখোৱাক দেখিয়েই গোবিন্দ মণ্ডলৰ বুকুৱে ধান বানিবলৈ ধৰিছিল; এইবাৰ তেনে এটা প্ৰশ্নৰ উত্তৰ দিবলগীয়া হোৱাত তেওঁৰ বুকুৰ স্পন্দন আৰু খৰ হ'ল। কোনোমতে সেপ ঢুকি ঢুকি ক'লে, 'মোৰ কেনেকৈ হব ছাৰ? চৰকাৰৰেই, কিন্তু '

'তেনেহলে চৰকাৰৰ নিৰ্দেশৰ বিপৰীতে আপুনি কাম কৰিছে কিয়? কওক, মোৰ প্ৰশ্নৰ উত্তৰ দিয়ক বেগেতে।'

গোবিন্দ দাসে দেখিলে, এই সময়ত নিজৰ শক্তিৰ পৰাকাষ্ঠা দেখুৱাবলৈ যোৱাতকৈ গোপাল চক্ৰবৰ্তী, শচীন মল্লিকহঁতৰ গাত ভেজা দি সাৰিবলৈ চেষ্টা কৰাই বেছি ভাল হব। তাকে বিবেচনা কৰি তেওঁ ভয়ে ভয়ে ক'লে, 'নহয় ছাৰ, গোপাল চক্ৰবৰ্তী, মুকুন্দ ঘোষহঁতৰ মুখত শুনিছোঁ—এতিয়াৰ চৰকাৰে বোলে এই ৰিজাৰ্ভৰ মাটি এওঁলোকৰ নামত বিলাই দিবলৈকে ঠিক কৰিছে। অলপতে বোলে ছাৰ সুৰঞ্জন মাইতি, ভূপতি ঘোষালহঁতৰ এটা সভাতো দলে মুখ্যমন্ত্ৰী চলিহা ডাঙৰীয়াক লগ ধৰিবলৈ যাওঁতেও ...'

'মুখ বন্ধ কৰক।' ৰাজখোৱাই একেই কঠিন সুৰত ক'লে—'দেশখন বদমাইচেৰে ভৰি পৰিল। নিজৰ ককাই-ভাই, আই-বোপাইৰ মুখৰ ভাত কাটি নি আনক খুৱাবলৈ যায়। মই কৈ দিছোঁ, মুখ্যমন্ত্ৰী নেলাগে স্বয়ং প্ৰধান মন্ত্ৰীয়ে ক'লেও এই ৰিজাৰ্ভৰ মাটি যাকে তাকে দিব নোৱাৰে। এই মাটি প্ৰকৃত থলুৱা মাটিহীন মানুহেহে পাব। উৰি আহি জুৰি বহাবোৰে পাব নোৱাৰে।'

কৈয়ে ৰাজখোৱা জীপলৈ উলটিল। উলটিবৰ সময়ত আকৌ ক'লে, 'দল-বল লৈ আপুনি উলটি যাওক। আৰু যেন ভৱিষ্যতে এই মানুহবোৰক জুলুম কৰিবলৈ নাহে। মনত ৰাখিব, এই মানুহবোৰ আপোনাৰ শত্ৰু নহয়, আপোনাৰ ভাই-ককাই, বন্ধু-বান্ধৱ।'

বন্ধুজনৰ সতে জীপত উঠি ৰাজখোৱা অহা বাটে গুচি গ'ল।

ৰাজখোৱাৰ কথাকিবাৰে গোবিন্দ মণ্ডলৰ কলটোৰ মাজত দাৰুণ প্ৰতিক্ৰিয়াৰ

সৃষ্টি কৰিছিল। প্ৰাণহানিত বেংখলকাৰী হিচাপে পৰিগণিত হোৱা মানুহখিনিয়ে লাভ কৰিছিল গভীৰ উৎসাহ।

কিন্তু সেই ঘটনাৰ ঠিক দুদিন পিচতে ঘটিল দুটা বেলেগ ঘটনা। ডাইনিং টেবুলত বহি ৰাতি জীয়েকৰ সৈতে ভাত খাই থাকোঁতে হঠাৎ ডাইনিং ৰুমৰ চুক এটাত এটা বোমা বিস্ফোৰণ হ'ল। বোমাটোৱে মাজুখোৱাৰ নিজস্ব বিশেষ ক্ষতি সাধন কৰিব নোৱাৰিলে যদিও একেলগে বহি ভাত খাই থকা আঠ বছৰীয়া ছোৱালীজনীক চিৰদিনৰ বাবে ঘূণীয়া কৰিলে। বোমাৰ বিষাক্ত পদাৰ্থই ছোৱালীজনীৰ মুখখন তেনেই বিকৃত কৰি পেলালে। চকু দুটা অন্ধ হ'ল। ছোৱালীজনী এতিয়াও সংকটাপন্ন অৱস্থাত চৰকাৰী হস্পিটালত।

আনটো ঘটনা ঘটিল বামুণীজানত।

গোবিন্দ মণ্ডল আৰু ইস্পক হাজৰিকাই শিকাই দিয়া মতে কেইটামান লৰাই বামুণীজানৰ নতুন ঘৰবোৰৰ দুটামানত জুই লগাই দিলে। ৰাতি তেতিয়া দুই বাজি গৈছিল। জুই লগা গম পাই মানুহবোৰে হুৰাহুৰা লগাই বাহিৰলৈ ওলাই আহি বয়-বস্তুবোৰ উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিলে যদিও বিশেষ একো বচাব নোৱাৰিলে। জুয়ে খন্তেকতে কেবাটাও ঘৰ আগুৰি ললে।

এইতো চেষ্টা কৰি জুই চমাব পৰা গ'ল যদিও সম্পূৰ্ণ হৈ উঠা বত্ৰিশটা খনৰ ভিতৰত মাত্ৰ সাতোটা ঘৰহে ৰক্ষা পৰিল। বাকী গোটেই সোপা জুইৰ মুখত জাহ গ'ল। জুই নুমুৱাবলৈ চেষ্টা কৰোঁতে মানুহৰ ফালেও আঘাত পৰিল। কেইজনমান এতিয়াও হস্পিটালত। দুই এঘৰত গৰু-ছাগলীও আছিল। সেইবোৰবো নিলাহ নাইকিয়া হ'ল।

দুইটা ঘটনাৰ অনুসন্ধান কৰিবলৈ পুলিচ আহিল। কিন্তু পুলিচে আচল দোষী বিচাৰি নেপালে। বিচাৰি পালেগৈ ভিতৰৰ গাঁৱৰ কেইটামান স্কুলীয়া ল'ৰা। সেইকেইটাক ধৰি আনি হাজোতত ভৰাই থলে।

॥ বিশ ॥

এটা ভাল ঘৰ সাজিবলৈ হলে প্ৰথমেই ঘৰৰ ভেটি আৰু খুটাকেইটা ঠিক হব লাগিব। ভেটি আৰু খুটা মজবুত নহলে বৰ-চাল যিমানেই মজবুত নহওক, সি বেছিদিন নিটিকে। লৰক্-ফৰক্ হৈ এদিন হয়তো সামান্য এজাক ধুমুহাতে বাগৰি পৰিব।

নিজৰ দলৰ ভাবমূর্তি উজ্জ্বল কৰিবৰ কাৰণেই কেন্দ্ৰই অসমৰ বাইজে নিৰ্বাচিত এখন 'জনপ্ৰিয়' চৰকাৰ থৰখেদাকৈ অসমত গঠন কৰি দিলে। কিন্তু পুৰা তিনিটা মাহ নৌ হওঁতেই মন্ত্ৰীসভাৰ ধৰণী লৰিল। চৰকাৰ থৰক্-বৰক্ হ'ল। মন্ত্ৰীসকলৰ মাজত প্ৰবল হৈ উঠা পাৰস্পৰিক অসন্তুষ্টি, মতবিৰোধ আৰু বিভেদকামী বাতাবৰণে পৰিবেশ বিষাক্ত কৰি তুলিলে।

এদিন মুখ্যমন্ত্ৰী চলিহাৰ প্ৰতি সতীৰ্থসকলে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিলে। তদুপৰি বাইজৰ চোকা সমালোচনা আৰু তীব্ৰ অবজ্ঞাসূচক মন্তব্যতো আছিলেই।

সকলো মিলি চলিহাক এদিন লোভনীয় মুখ্যমন্ত্ৰীৰ গাদীৰ মোহ ত্যাগ কৰি ঘৰৰ মানুহ ঘৰলৈ উলটি আহিবলৈ বাধ্য কৰালে। অৱশ্যে গাদী ত্যাগ কৰিয়েই তেওঁ পোনে পোনে ঘৰলৈ আহিব নোৱাৰিলে। সাময়িক বিভাগৰ যিটো অফিচক তেওঁৰ ঘৰটো ভাৰাত দি থৈ গৈছিল, অফিচে ঘৰটো তৎক্ষণিকে খালী কৰি দিবলৈ স্বাভাৱিকতে নহৈ দুমাহ সময় বিচাৰিলে। গতিকে সেই দুমাহো চলিহা সপৰিয়ালে সুৰক্ষিত চৰকাৰী বাসভৱনতে থাকিবলগীয়া হ'ল।

ইপিনে তেওঁ মুখ্যমন্ত্ৰীত্বৰ পদ ইস্তফা দিয়াৰ পিচত সেই পদ অধিকাৰ কৰা লৈ তেওঁৰ সতীৰ্থসকলৰ মাজত খোৱা-কামোৰা লাগিল। বিষয়টো নিজৰ ভিতৰত মীমাংসা কৰিব নোৱাৰি কেন্দ্ৰৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰা হ'ল। কেন্দ্ৰই সকলো দিশ বিবেচনা কৰি চাই খালী হোৱা আসনখন গৃহদপ্তৰৰ দায়িত্বত থকা শ্ৰীমতী নাজমা আখতাৰকে দিবলৈ থিৰাং কৰিলে। কিন্তু চলিহাৰ অন্তৰঙ্গ বন্ধু মুস্তাক হুচেইন সেই কথাত বৰ ক্ষুণ্ণ হ'ল। তেওঁৰ মতে চলিহাই এৰি অহা সেই আসনখনত বহাৰ যোগ্যতা একমাত্ৰ তেওঁৰেইহে আছে। গতিকে সেই পদত অধিষ্ঠিত হৈ মন্ত্ৰীসভাৰ স্তূপীকৃত আবৰ্জনাবোৰ নিকা কৰাৰ দৃঢ় সংকল্প লৈ হুচেইন চাহাবে কেন্দ্ৰক কাকুতি-মিনতি কৰিবলৈ ধৰিলে।

কিন্তু তেওঁৰ কাকুতি-মিনতিলৈ কাণ নকৰি কেন্দ্ৰই পূৰ্বৰ সিদ্ধান্তকে বাহাল ৰাখি কেন্দ্ৰৰ মনোনীত প্ৰাৰ্থী শ্ৰীমতী আখতাৰকে সেই পদত অধিষ্ঠিত কৰিব খোজাত হুছেইন চাহাবে শ্ৰীমতী আখতাৰত প্ৰাণনাশৰ ভাবুকি দিলে। তেপন্ন বছৰীয়া শ্ৰীমতী আখতাৰে হুছেইন চাহাবৰ ভিতৰৰ মানুহটোক ভালকৈয়ে চিনি পাইছিল। বহুত দিনৰ আগতে এবাৰ শ্বিলঙৰ এখন হোটেলত একেলগে একেটা কোঠালীতে থাকিবলৈ ৰাজী নোহোৱা বাবে হুছেইন চাহাবে দুজন খাছীয়া ডেকা লগাই দি শ্ৰীমতী আখতাৰক যি অত্যাচাৰ কৰালে সেই কথা তেওঁ কেতিয়াও নেপাহৰে। নিষিদ্ধ কামনা চৰিতাৰ্থ কৰিব নোৱৰাৰ সেই ক্ষোভ শ্ৰীমতী আখতাৰৰ প্ৰতি তেওঁৰ এতিয়াও নিশ্চয় সঞ্জীৱিত হৈ আছে।

গতিকে তেনে এজন মানুহৰ বিৰুদ্ধে গৈ সুখেৰে ৰাজপাট খাব নোৱাৰিব বুলি শংকিত হৈয়েই শ্ৰীমতী আখতাৰে সেই লোভ জোঁৰকৈ দমন কৰিলে।

শ্ৰীমতী আখতাৰৰ বিপৰীতে আন এজন ব্যক্তি ত্ৰিদিবনন্দন বৰুৱায়ো কেন্দ্ৰৰ মনোযোগ আকৰ্ষণ কৰাৰ চেষ্টা কৰিলে। বৰুৱাই নিজে গৈ কেন্দ্ৰক কৈ আহে মতে চলিহাৰ পিচত বৰ্তমান অসমত এজনেই মুখ্যমন্ত্ৰী হৈ নিষ্কণ্টকভাবে কাৰ্য্যনিৰ্বাহ কৰিব পৰা উপযুক্ত লোক আছে—আৰু সেইজনেই হ'ল তেওঁ। তেওঁৰ পৰিবৰ্তে যদি আন কাৰোবাক সেই মৰ্যাদা দিয়া যায় তেন্তে অচিৰেই মন্ত্ৰীসভাৰ পতন ঘটিব। তেওঁক সেই মৰ্যাদা দিলে দলীয় ভাবমূৰ্তিও পুনৰ উজ্জ্বল হৈ উঠাৰ সম্ভাৱনা আছে।

কিন্তু অতি নিৰ্মমভাবে কেন্দ্ৰই সকলোৰে ওপৰত মাধমাৰ শোধালে। নিজৰ নিজৰ স্থিতিত কোনোজনেই ৰাজহাড় পোন কৰি থিয় দিব পৰাৰ লক্ষণ নেদেখি কেন্দ্ৰই মন্ত্ৰীসভাখনকে বাতিল কৰি দিলে। কেন্দ্ৰৰ সেই কাৰ্য্যত আটাইতকৈ প্ৰফুল্লিত হ'ল চলিহা।

দুটা মাহ বেচৰকাৰীভাবে চৰকাৰী বাসভৱনত কটোৱাৰ পিচত চলিহাই আপোন গৃহলৈ প্ৰত্যাবৰ্তন কৰিলে। বঞ্জিত আৰু পঙ্কজাকো হোটেলৰপৰা লৈ অহা হ'ল।

চলিহাই ভাবিছিল, পুনৰ ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ হোৱা কথাই অসমৰ ৰাইজক নিশ্চয় চিন্তিত কৰি তুলিব। অসমৰ সমস্যাটোৰ মীমাংসা নহলেও নিৰ্বাচনৰ যোগেদি নিজাকৈ এখন সুস্থিৰ মন্ত্ৰীসভা গঠন কৰাই ৰাষ্ট্ৰপতিৰ শাসনৰ বিভীষিকা অন্ত পেলাবলৈ প্ৰয়াস কৰিব। কিন্তু

বাস্তৱ ক্ষেত্ৰত সেইটোৱে হৈ উঠাত বৰং ল'ৰাহঁতৰ কথামতেই গোটেই ৰাইজখনে বাট বুলিবলৈ লোৱাত চলিহাৰ ক্ষোভ বাঢ়ি গ'ল। অৱশ্যে কেন্দ্ৰীয় মন্ত্ৰীবৰ্গৰ তৎপৰতাত এইকেইদিনৰ ভিতৰতে অসমৰ ৰাজনীতিত এজাক নতুন বতাহ বলৈ ধৰাত চলিহাৰ ভাল লাগি গ'ল।

চলিহাই লক্ষ্য কৰিলে—তেওঁৰ সমষ্টিৰ এক বৃহৎ সংখ্যক লোকৰ বাহিৰেও অসমৰ কোনো কোনো অঞ্চলৰ ৰাইজে আন্দোলনৰ বিপক্ষে জনমত গঠন কৰি অসমৰ ৰাজহুৱা জীৱন-যাত্ৰাত কেন্দ্ৰৰ পোনপটীয়া হস্তক্ষেপ বিচাৰিছে। নিজৰ বাসভৱনত থকা কটকটীয়া চিপাহী-চন্তৰীৰ পৰিবেষ্টনীৰপৰা ওলাই চলিহাই আকৌ প্ৰাণজিতৰ সতে নিজৰ সমষ্টিৰ ৰাইজৰ মাজত ঘূৰিবলৈ আৰম্ভ কৰি দিলে।

স্বাভাৱিক অৱস্থা ঘূৰি অহা দূৰৰ কথা, অৱস্থা দিনে দিনে বেয়াৰ ফালেহে আহিবলৈ ধৰিলে।

সাধাৰণ ৰাইজৰ লগত সম্বন্ধ ছিঙি চৰকাৰী ৰক্ষণাবেক্ষণত আত্মগোপন কৰি থকা এচাম ৰাজনৈতিক নেতা, মন্ত্ৰী তথা নেতৃস্থানীয় ব্যক্তি আৰু উদণ্ড প্ৰশাসনীয় বিষয়াৰ স্বেচ্ছাচাৰিতাত, এচাম গুণ্ডা-গোৰে নচা পুলিচ বিষয়াৰ উস্কানিত, চৰকাৰী পৃষ্ঠপোষকতাত সংগঠিত হোৱা এদল সমাজ-বিৰোধী দুষ্কৃতিকাৰীৰ নৃশংস কাৰ্য্যকলাপত জনসাধাৰণৰ জীৱন-যাত্ৰা দিনে দিনে অসহনীয় হৈ আহিবলৈ ধৰিলে। বিশেষকৈ পুলিচ, চি-আৰ-পিৰ বৰ্বৰ অত্যাচাৰ-উৎপীড়ন আৰু দুৰ্বৃত্তৰ আক্ৰমণত পঙ্গু হোৱা, নিহত হোৱা, সন্ধানহীন হোৱা অলেখ নৰ-নাৰীৰ যন্ত্ৰণাকাতৰ প্ৰাণৰ করুণ আৰ্তনাদে অসমৰ আকাশ-বতাহ বিষাদিত কৰি তুলিলে।

ছাইফুলৰ হৃদয়-বিদাৰক মৃত্যুৰ শোক পাতলিবলৈ নৌ পাওঁতেই বৰ্জিতে আকৌ দুটা উপৰ্য্যুপৰি আঘাত পালে—সেয়া হ'ল ছদ্মবেশী দুৰ্বৃত্তৰ হাতত অতুল আৰু ইন্দ্ৰজিতৰ সকৰুণ মৃত্যু। ইন্দ্ৰজিতক বচাব পাৰিব বুলি ডাক্তৰে আশা কৰিছিল; কিন্তু নোৱাৰিলে। পুৰা পঞ্চাশ ঘণ্টা সময় হস্পিটালত অজ্ঞান হৈ থকাৰ পিচত ইন্দ্ৰজিতে শেষ নিশ্বাস ত্যাগ কৰিলে।

বেঞ্জামিন আৰু আলমো মৃত্যুৰ দুৱাৰদলিৰপৰাহে উভতি আহিল। পিছে বেঞ্জামিন উভতি নহা হলেই ভাল আছিল; কাৰণ তাৰ হাত এখন আগতেই

হেৰাইছিল, মূৰত পোৱা মাৰাত্মক আঘাত আৰু তাৰ ফলত হোৱা সাংঘাতিক ৰক্তপাতৰ কাৰণে সি সুস্থ হৈও চিৰঅসুস্থ হৈ ৰ'ল। এতিয়াই সি মানসিক ভাৰসাম্য প্ৰায় হেৰুৱাই পেলাইছে। তাৰ বাবে গোটেই ঘৰখন পাগল।

তলপেটত পোৱা দাৰুণ আঘাতৰ বাবে আলমৰ কিডনিৰ ভয়ংকৰ ক্ষতি সাধন হৈছে বুলি ডাক্তৰে সন্দেহ কৰিছে। ডাক্তৰৰ মতে আলমৰ চিকিৎসা ইয়াত নহব, বাহিৰতহে হব। কিন্তু ভাৰা ঘৰত থাকি বেচৰকাৰী প্ৰতিষ্ঠান এটাত মাহে চাৰে চাৰিশ টকা দৰমহাৰ চাকৰি কৰা দেউতাকে পুতেকক অসমৰ বাহিৰলৈ নি চিকিৎসা কৰাৰ কি সাহসত? চাকৰি কৰি সাতজনীয়া পৰিয়ালটো পোহপাল দিয়াৰ বাহিৰে আৰু ধাৰ-ধুপাৰ কৰি ডাঙৰ পুতেকক মেডিকেল পঢ়ুওৱাৰ দায়িত্ব লোৱাৰ বাহিৰে মোবাৰক আলিয়ে যে জীৱনত আন একোকে কৰিব নোৱাৰিলে। তদুপৰি তেওঁৰ ককায়েক-ভায়েকৰ অৱস্থাও সিমান টনকীয়াল নহয় যে তেওঁলোকৰপৰা কিবা সহায় পাব।

তথাপি ৰঞ্জিত বহি নেথাকিল। আলমৰ লগত একেলগে মেডিকেল পঢ়া কেইজনমান ছাত্ৰ আৰু ডাক্তৰৰ সহায়-সহযোগিতাত আলমক বাহিৰলৈ নি চিকিৎসা কৰোৱাৰ ব্যৱস্থা এটা সিয়েই সম্পূৰ্ণ কৰিলে।

সংগঠনৰ কামতেই ৰঞ্জিতহঁতৰ পাঁচজনীয়া ছাত্ৰ-দল এটা আকৌ অসমৰ বিভিন্ন ঠাইত ভ্ৰমণ কৰিবলৈ ওলাইছিল। ৰাজ্যখনৰ বিশেষ বিশেষ কেইটামান অঞ্চলত ঘূৰি-পকি ৰঞ্জিতহঁতে ভালেমান দৰকাৰী খবৰ সংগ্ৰহ কৰিলে। সেহতীয়া পৰিস্থিতিৰ ভুভা লবলৈ সিহঁতে নগাভেটা, বালিচাপৰি আদি ভিতৰুৱা ঠাইবোৰৰ ফালেও ভয়ে ভয়ে গাড়ী দৌৰালে। বালিচাপৰিৰ গাতে লগা কঠালগুৰি গাঁৱত সোমাই এটা দৃশ্য দেখি সিহঁত সঁচাকৈয়ে বৰ আচৰিত হ'ল।

এটা মছজিদৰ সমুখত কিছুমান মানুহ গোট খাই কিবা কৰি থকা দেখি সিহঁতে কিছু নিলগত গাড়ী ৰখালে আৰু তাৰপৰাই ঘটনাটো বুজিবলৈ চেষ্টা কৰিলে। সিহঁতে যি ধাৰণা কৰিছিল ঘটনা সেইটোৱেই। কিছুমান মানুহ আগত লৈ এজন মানুহে অনৰ্গল বক্তৃতা দি গৈছে। মানুহজন কোন চিনি পাবলৈ ৰঞ্জিতহঁতৰ ভালেখিনি সময় লাগিল। বহুত পিচতহে সিহঁতে ধৰিব পাৰিলে যে মানুহজন আন কোনো নহয়, সেয়া মানবেন্দ্ৰ চলিহা। কিন্তু চলিহাই যিটো ছদ্মবেশ ধাৰণ কৰিছিল প্ৰাণজিত ওচৰত নথকা হলে ৰঞ্জিতহঁতে কিজানি তেওঁক চিনিয়েই নেপালেহেঁতেন।

চলিহাই কৈ গৈছিল : 'আপোনালোক ভাগি পৰিলে নচলিব বাইজ ! মনত ৰাখিব, আপোনালোকৰ পিচত এখন শক্তিশালী চৰকাৰ আছে ; আমি আছোঁ। আমি আপোনালোকক কেতিয়াও এই মাটি এৰি, এই ঠাই এৰি যাবলৈ নিদিওঁ। দৰকাৰ হলে……'

পিছে বাঘৰ চোঙৰপৰা ৰঞ্জিতহঁত কথমপিহে ৰক্ষা পৰি আহিল। গাড়ীৰ ভিতৰত বহি থকাৰপৰাই চলিহাৰ ভাষণৰ কিয়ৎ অংশ শ্ৰৱণ কৰি দহ মিনিটমানৰ পিচতে সিহঁতে গাড়ী ঘূৰালে। কাৰণ সেইখিনিৰপৰা আৰু আগলৈ যোৱাটো ঠিক নহব বুলি সিহঁতে বুজিব পাৰিছিল।

যোৱা বাটেদিয়েই সিহঁত ঘূৰি আহিছিল ; কিন্তু দুই ফাৰ্লংমান আহিয়েই সিহঁত এটা অকল্পনীয় অৱস্থাৰ সন্মুখীন হ'ল। এজাক ল'ৰাই সিহঁতৰ গাড়ীখন আগভেটি ধৰিলে। ল'ৰাজাকৰ হাতে হাতে যাঠী বৰ্শী-টোকোন আৰু ধেনু-কাঁড় আদি।

গোটেই ৰাস্তাটো আগুৰি ধৰা বাবেই ৰঞ্জিতহঁতে গাড়ী ৰখাই দিবলৈ বাধ্য হ'ল। ল'ৰাজাকে চাৰিওফালৰপৰা গাড়ীখন আগুৰি ধৰিলে। দুটামানে অভদ্ৰ ভাষাৰে সুধিলে—'বেটাহঁত, ইয়ালৈ কি কৰিবলৈ আহিছিলি ? বিদেশী নাগৰিক বিচাৰি আহিছিলি নেকি ? তহঁতে বোলে নিজেই বিদেশী নাগৰিক বাছি উলিয়াব খুজিছ ? আহ তেন্তে বিদেশী নাগৰিক দেখুৱাই দিওঁগৈ।'

ৰঞ্জিতহঁতে দেখিলে, আজি ইহঁতৰ হাতৰপৰা সাৰি যোৱাহে যোৱা। কিয় বাৰু সিহঁত ইয়ালৈ আহিছিল ? এতিয়া সাৰিব কেনেকৈ ? পলাই সৰাৰতো কোনো উপায় নাই ! গাড়ী আগুৱাব খুজিলেই সিহঁতে আক্ৰমণ আৰম্ভ কৰি দিব।

ভয়ত সিহঁত কেউটাৰে বুকু ঢপ্ ঢপাবলৈ ধৰিলে। লাহে লাহে বুকুৰ কঁপনি সমগ্ৰ শৰীৰলৈ সম্প্ৰসাৰিত হ'ল। ডিঙি শুকাই কাঠ যেন হ'ল। কিন্তু হঠাৎ ৰঞ্জিতৰ মগজুত এটা বুদ্ধি খেলালে। বিপদৰপৰা হাত সাৰিবৰ কাৰণে সিহঁত প্ৰত্যেকেই জেপত একোটা পিস্তল লৈ ফুৰিছিল। হাতত লৈ ভালকৈ লিৰিকি-বিদাৰি নেচালে সেইকিটা যে পুতলা পিস্তল ধপকৈ ধৰিব নোৱাৰি।

ৰঞ্জিতৰ চকুৰ ইঙ্গিতমতেই সিহঁতে হাতে হাতে পিস্তলকিটা উলিয়াই ললে আৰু 'যি হয় হব, তহঁতক গুলিয়ায়েই থৈ যাওঁ' বুলি ভীষণ

মূৰ্তি একোটা ধাৰণ কৰি সিহঁতৰ ফালে পিস্তল টোঁৱালে। তেনেকুৱা এটা পৰিস্থিতিত পৰিব বুলি দুৰ্বৃত্তহঁতে নিশ্চয় কল্পনা কৰা নাছিল; সেয়ে সিহঁতে ভয় খাই তৎক্ষণাৎ আত্মৰক্ষাৰ বাবে গাড়ীৰ আগৰপৰা আঁতৰি দিলে। দুটামান দৌৰি পলালেই। সেই সুযোগতে ড্ৰাইভাৰৰ ছিটত বহি থকা ৰশ্মিতে এখন হাতেৰে ষ্টিয়াৰিং পোনাই গাড়ী চেকুৰাই দিলে। মুহূৰ্ততে সিহঁতৰ গাড়ী বিপদ-সীমা পাৰ হৈ বহুদূৰ আগুৱাই আহিল।

নিৰাপদ ঠাই এডোখৰত উপস্থিত হৈ সিহঁতে স্বস্তিৰ নিশ্বাস পেলালে আৰু সাধাৰণ বুদ্ধি এটাৰে সাংঘাতিক বিপদ এটাৰপৰা হাত সাৰিব পাৰি পাৰেমানে হাঁহিলে।

সেইটো মাত্ৰ এটা উদাহৰণহে, তেনে ঘটনা আৰু অলেখ আছে।

॥ গ্ৰেকৈশ ॥

বহুতো সংঘাতময় ঘটনা আৰু দুৰ্ঘটনাৰ কলংকিত স্বাক্ষৰ বহন কৰি দিন, মাহ, বছৰবোৰ বাগৰি যাবলৈ ধৰিলে।

আন্দোলন কিন্তু চলিয়েই থাকিল। আন্দোলনৰ পৰিপ্ৰেক্ষিতত চৰকাৰী কৰ্মচাৰী আৰু বিষয়াসকলৰ ওপৰত নতুন নতুন দমনমূলক, শাস্তিমূলক, প্ৰতিহিংসামূলক ব্যৱস্থা বলবৎ হবলৈ ধৰিলে। ব্যাপক হাৰত অশান্তি আৰু গ্ৰেপ্তাৰ কাৰ্য্যও অব্যাহত থাকিল। গ্ৰেপ্তাৰৰ ভয়ত দিহিঙে দিপাঙে পলাই ফুৰিব লগা হোৱা বেইৰাচনো আগশাৰীৰ ছাত্ৰ-নেতাক বিচাৰি গৈ পুলিচে বহুতো নিৰপৰাধী লোকক মাৰধৰ কৰিলে, লঘু-লাঞ্ছনা কৰিলে, অপমান কৰিলে, হাৰাশাস্তি কৰিলে।

শেষত যেনিবা কেইজনমানক আটক কৰা হ'ল। চলিহা মুখ্যমন্ত্ৰী হৈ থকাৰ সময় কালছোৱাতে জাৰি কৰা এখন অধিসূচনা অনুসৰি ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত আটক কৰা তেনেকেইজন ছাত্ৰ-নেতাক এতিয়াও বন্দী কৰি ৰখা হৈছে। আটক বন্দী কেইজনৰ ওপৰত যি শাৰীৰিক আৰু মানসিক নিৰ্য্যাতন চলোৱা হৈছে, তাক বৰ্ণনা কৰাৰ উপায় নাই। তেওঁলোকৰ ভিতৰৰ কেইজনমানক অসমৰ বাহিৰৰ ভিন্ ভিন্ কাৰাগাৰত কিছুদিন কিছুদিন ৰাখি আকৌ নিজ ৰাজ্যলৈ ঘূৰাই অনা হৈছে।

এইবাৰ তেওঁলোকৰ ওপৰত চলিছে অবৰ্ণনীয় মানসিক অত্যাচাৰ। ক্ষমতাত নেথাকিলেও চলিহাই সংশ্লিষ্ট কৰ্তৃপক্ষক সতৰ্ক কৰি দিছে— কোনো পৰিস্থিতিতে সেই ছাত্ৰ-নেতা কেইজনক যেন মুক্ত কৰি দিয়া নহয়। তাৰ আচল কাৰণ কি সি সহজেই অনুমেয়।

মানবেন্দ্ৰ চলিহাকে ধৰি ভালেকেইজন 'গুণী পুৰুষে' লোকসভাত খালী হৈ থকা অসমৰ বাৰখন আসন আৰু কেন্দ্ৰই বাতিল কৰি দিয়া বিধান সভাৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ দিল্লীত তালফাল লগাই আছেগৈ। কেন্দ্ৰয়ো সেই সুযোগলৈকে বাট চাই আছিল। কিন্তু বিপদ হৈছে অসমৰ থলুৱা মানুহখিনিক লৈ। অসমৰ প্ৰকৃত অসমীয়া'সকলে অসমত কেতিয়াও নিৰ্বাচন পাতিবলৈ নিদিয়ে। তেওঁলোকৰ এক কথা: প্ৰথমে বিদেশী নাগৰিকৰ প্ৰশ্নটো সমাধান হওক, তাৰ পিচত নিৰ্বাচন। সেই ক্ষেত্ৰত ৰাইজে আন্দোলনকাৰী নেতৃত্বৰ অভিমতকে শিৰোধাৰ্য্য কৰি লৈছে।

চলিহাই কিন্তু ভাবিছিল, অশেষ সাৱধানতাৰে বিস্তাৰিত কৰি থোৱা চৰকাৰী প্ৰলোভনৰ জাল আৰু বন্দীত্বপৰা নিজক বচাই ৰখা নেতাকেইজনক কেনেবাকৈ বন্ধ কৰিব পাৰিলেই তেওঁলোকৰ কন্টকিত পথ নিষ্কন্টক হৈ পৰিব। সেই উদ্দেশ্যে তেওঁ এদল ভাৰতীয় অনুগামী লোককো গোপনে সাজু কৰি থৈছে। কিন্তু সিহঁতেও কোনো 'সুবিধা' কৰিব পৰা নাই।

এদিন চলিহাৰ সুৰক্ষিত বাসভৱনত তেওঁৰ ভালেকেইজন সতীৰ্থ আৰু প্ৰশাসনীয় মুৰব্বী আৰু দুজনমান শীৰ্ষস্থানীয় পুলিচ বিষয়া আকৌ সমবেত হ'ল: কবলৈ গলে প্ৰাণজিতৰ মধ্যস্থতাতেই উক্ত বিশিষ্ট ব্যক্তিসকল চলিহাৰ ঘৰত উপস্থিত হৈছিল। ৰাতি তেতিয়া প্ৰায় আঠ।

প্ৰাসঙ্গিক বক্তব্যৰ অৱতাৰণা কৰি চলিহায়ে প্ৰথমতে ক'লে, 'মোৰ বোধেৰে অসমীয়া মানুহখিনিৰ সহযোগিতা নেপালেও আমি নিৰ্বাচনৰ কাম সুকলমে চলাই যাব পাৰিম। আমাৰ মনোবলৰ ওপৰতেই কেন্দ্ৰই কি ভূমিকা লব সেইটো নিৰ্ভৰ কৰিছে।'

এজন প্ৰশাসনীয় বিষয়াই সুধিলে—'আপুনি বোধহয় মনোনয়ন দিলে লোকসভালৈহে দিব?'

চলিহাই 'নিশ্চয়' বুলি শলাগি কিছু কৰ্তৃত্বৰ সুৰত ক'লে, 'আপোনালোকে কিন্তু কিছুমান কাম খুব সাৱধানে আৰু আগতীয়াকৈ কৰিব লাগিব। এই জনাত অসমৰ দুখনমান বাতৰিকাকতে আন্দোলনটোক অধিক শক্তিশালী

কৰি তোলাত বিশিষ্ট ভূমিকা পালন কৰিছে। আপোনালোকে সেই কাকত কেইখনৰ মুখ বন্ধ কৰিব লাগিব। দ্বিতীয়তে, অসম পুলিচ বা আসাম বেটেলিয়ানৰ ঠাইত অধিক সংখ্যক কেন্দ্ৰীয় সংৰক্ষিত পুলিচ, অৰ্ধ সামৰিক বাহিনী আৰু নিৰাপত্তা বাহিনীৰ লোক অসমলৈ অনাৰ ব্যৱস্থা কৰিব লাগিব।'

এজন বিষয়াই টপৰাই উত্তৰ দিলে—'সেই ব্যৱস্থাৰ বিষয়ে আমি ইতিমধ্যে চিন্তা কৰিছোঁৱেই।'

তেওঁক ধন্যবাদ জনাই চলিহাই আকৌ ক'লে, 'অকল সেইটো কৰিলেই নহব, আপোনালোকৰ আৰু বহুত কাম আছে। অসমীয়া মানুহে নিৰ্বাচনৰ কাম কৰিব খুখুজিলে বাহিৰৰপৰা মানুহ আনি কাম চলোৱা, অসম্পূৰ্ণ ভোটাৰ লিষ্ট সম্পূৰ্ণ কৰা, নিৰ্বাচনৰ কামত লগাবলৈ গাড়ী-মটৰ-বাছ আদি অধিগ্ৰহণ কৰা আদি কামবিলাকৰ বাবে আপোনালোক এতিয়াৰপৰা সাজু হবল্ হ'ল।'

'হয় ছাৰ,' আন এজন অনা-অসমীয়া প্ৰশাসকে মাত লগালে—'কেন্দ্ৰৰ নিৰ্দেশ আমি আখৰে আখৰে পালন কৰাৰ চেষ্টা কৰিছোঁ।'

চলিহাই আকৌ ক'লে, 'দেখা কথা যে এইবাৰ এটা অতি বেয়া পৰিস্থিতিৰ মাজেদি নিৰ্বাচনৰ কাম চলাই যাব লাগিব। হয়তো জৰুৰী অৱস্থাৰ দৰে এটা অৱস্থাও সময়ত চন্তালিবলগীয়া হবগৈ পাৰে। সেই দৃষ্টিভঙ্গী লৈয়েই আপোনালোকে কাম কৰি যাব লাগিব।'

এজন সতীৰ্থই অভিমত দিলে—মই এটা কথা ভাবিছোঁ। অসমীয়া মানুহে নিৰ্বাচনৰ কামত বাধা দিবই যেতিয়া আমি ঠিকমতে নিৰ্বাচনী অভিযান চলাব নোৱাৰিম। হয়তো প্ৰতিটো কামতে আমি পুলিচ এছকোৰ্ট লৈহে আগবাঢ়িব পাৰিম। গতিকে নিৰ্বাচনৰ সঠিক তাৰিখ ঘোষণা কৰাৰ লগে লগে আমি নিজৰ নিজৰ ঘৰ এৰিব লাগিব। তেতিয়াহলে ল'ৰাইতে আমাৰ ঘৰ অৱৰোধ কৰাৰো সুবিধা নেপাব।'

চলিহাই উছাহেৰে ক'লে, 'আপুনি ঠিক কথা কৈছে শৰ্মা! ভেৰী গুড্ আইডিয়া। ময়ো মনে মনে তেনেকুৱা এটা কথাকে চিন্তা কৰি আছিলোঁ।'

তাৰ পিচত তেওঁৰ আলোচনাত বদলি হৈ অহা নতুন পুলিচ বিষয়া ধৰ্ম শইকীয়াৰ ফালে চাই চলিহাই সুধিলে—'বাৰু আপুনি কওকচোন শইকীয়া, আপোনাৰ শক্তিৰ ভিতৰত আপুনি কিমান ল'ৰা এৰেষ্ট কৰিব পাৰিব?'

তেনে এটা জটিল প্ৰশ্নৰ বাবে পুলিচ বিষয়াজন নিশ্চয় সাজু নাছিল। সেয়ে উত্তৰটো দিবলৈ তেওঁ অলপ চিন্তা কৰিবলগীয়া হ'ল। শেহত ক'লে,

'মই এতিয়াই খাটাংকৈ একো কব নোৱাৰোঁ। তথাপি এনমান ল'ৰাৰ নাম মোৰ লিষ্টত আছে।' তাৰ পিচত চলিহাৰ মুখলৈ চাই অলপ পাতল সুৰত ক'লে—'এইবাৰ কিন্তু আপোনাৰ ল'ৰাও সাৰি নেযাব দেই! সুবিধা পালে তাকো এৰেষ্ট কৰিম।'

চলিহাই ক'লে, 'মোৰ ল'ৰা হ'ল বুলিয়েই যে এৰেষ্ট কৰিব নোৱাৰিব তাৰ কি মানে আছে? অকল ল'ৰাটোকে কিয়, দৰ্কাৰ পৰিলে ছোৱালী-জনীকো ধৰি নিব পাৰিব। কেৱল চাব যাতে সিহঁতে কাৰোপৰা বেয়া ব্যৱহাৰ নেপায়। খোৱা-লোৱাত কষ্ট নেপায়।'

তাৰ পিচত তেওঁলোকৰ মাজত আৰু বহুতো কথা আলোচনা হ'ল। আলোচনাত মুখ্য নিৰ্বাচনী বিষয়া গৰাকীয়েও ভাগ লৈছিল। লগতে প্ৰাণজিতেও। নিশা এঘাৰ বজালৈকে তেওঁলোকৰ মাজত আলোচনা চলি থাকিল।

ভালৰ কাৰণেই হওক বা বেয়াৰ কাৰণেই হওক, সেইদিনা ৰঞ্জিতো অলপ সোনকালে ঘৰলৈ উলটিছিল।

গেটৰ মুখত গাড়ীৰ লাইন দেখিয়েই সি বুজিছিল যে ঘৰত নিশ্চয় কিবা এটা হৈছে। ঘৰ সোমোৱাৰ লগে লগে পঙ্কজায়ে তাক খবৰটো দিলে। খবৰটো শুনি ৰঞ্জিত সেই কোঠাটোলৈ যাবলৈকে সাজু হ'ল। কিন্তু পঙ্কজাই বাধা দি ক'লে, 'তুমি সেইটো চেষ্টা নকৰাই ভাল দাদা! কাৰণ দেউতাইতে সেইটো কমৰ দুৱাৰ-খিৰিকী ভিতৰৰপৰা ভালকৈ মাৰি লৈছে। কিন্তু ময়ো তেনেই কেঁচা বুদ্ধিৰ ছোৱালী নহয়; আলোচনাৰ আয়োজনৰ কথা আগতেই গম পাই মোৰ টেপ ৰেকৰ্ডাৰটো তাত খুলি হৈ আহিছোঁ। গতিকে তোমাক দৰ্কাৰ হব পৰা সকলো খবৰ তাৰপৰাই পাই যাবা।'

ভনীয়েকলৈ ৰঞ্জিতৰ ইমান মৰম লাগিল যে সৰু ছোৱালী হোৱা হলে সি তাইক কোলাত তুলি লৈ নাচ এটাকে দিলেহেঁতেন।

অৱশেষে সেই সময়ত ৰঞ্জিতৰ নাচিব পৰাৰ মানসিক অৱস্থা সমূলি নাছিল। অতি শৃংখলাৰ মাজেদি পৰিচালিত হৈ অহা আন্দোলনটোৰ মাজত হঠাতে কিছুমান বিশৃংখলাই গা কৰি উঠাত সিহঁত বৰ চিন্তিত হৈ পৰিছিল। বিশেষকৈ আন্দোলনকাৰী ল'ৰা কিছুমানৰ ভিতৰত গুপ্তচৰৰ চৰিত্ৰ প্ৰস্ফুটিত হৈ উঠাত ৰঞ্জিতহঁত বৰ উদ্বিগ্ন হৈ পৰিছিল।

॥ বাইশ ॥

নিতাই সৰকাৰৰ ঘৈণীয়েকক লৈ চলিহাই প্ৰথমতে বিশেষ চিন্তা কৰা নাছিল যদিও পিচলৈ চিন্তা কৰিবলৈ বাধ্য হ'ল।

নানান ব্যস্ততাৰ মাজেদিয়েই চলিহাই বিধবা মানুহজনীক কিবা এটা গতি লগাই দিয়াৰ কথা চিন্তা কৰিলে। এদিন সুৰঞ্জন মাইতিহঁতৰ সেই ফালে যাওঁতে কথাটো ঘপকৈ মনত পৰি যোৱাত তেওঁ তেওঁলোকৰ দুজনমানৰ আগত কথাটো উলিয়ালে।

চলিহাই ক'লে, 'সাধাৰণ দোকানী হ'লেও নিতাই বৰ ভাল মানুহ আছিল। তিনিটা ল'ৰা-ছোৱালীৰে তাৰ পাঁচজনীয়া সংসাৰখন বেছ সুখেৰেই চলি গৈছিল। কিন্তু সিহঁতৰ সুখ দেখি ভগবানৰ বোধহয় সহ্য নহ'ল। ভগবানে চয়তান জাপি দিলে সিহঁতৰ সংসাৰখনত। নিতাইৰ চাৰিত্ৰিক নিৰ্মলতাৰ সুবিধা লৈ ইউছুফ নামৰ বদমাচ এটাই তাইক পাবলৈ লোভ কৰিলে। তাৰ পৰিণতি স্বৰূপেই এদিন নিতাই সেই বদমাচৰ প্ৰতিহিংসাৰ বলি হ'বলগীয়া হ'ল। কিন্তু তাৰপৰাও ইউছুফৰ কোনো লাভ নহ'ল; নিতাইৰ বিধবা পত্নীয়ে তাৰ পাপ-লালসা পূৰণ কৰাৰ কোনো সুবিধা নিদিলে। মানুহজনী বৰ ভাল। চৰিত্ৰত কোনো কলুষ নাই। সেইবাবেই মই তাইৰ এটা ভাল সংস্থান লগাই দিয়াৰ কথা চিন্তা কৰিছোঁ।'

চলিহাৰ ফাকি ধৰা নপৰিল।

ভূপতি ঘোষালৰ ভায়েক নৃপতিৰ বয়স এতিয়াও ৩৫/৩৬ৰ বেছি হোৱা নাই। চাকৰিও বৰে ককায়েকৰ লগতে অৰ্থাৎ ৰেলৱেত। বিয়া কৰোৱাৰ ছমাহমানৰ পিচতে ঘৈণীয়েকজনী হঠাতে মৰি থাকিল। ভূপতিয়ে ভায়েকক পুনৰ ঘৰখন পাতি দিব খুজিছিল; কিন্তু নৃপতি ৰাজী নহ'ল। সি একেআষাৰে দ্বিতীয় বিবাহ নকৰাও বুলি জবাব দি দিলে। কিন্তু আজি কিছুদিনৰপৰা নৃপতিয়ে আৰ-তাৰ আগত কৈ ফুৰিছে যে সি বিয়া কৰাব, তাক এজনী ছোৱালী লাগে। ঠিক ছোৱালীও নহয়, ল'ৰা-ছোৱালী নথকা বা এটা বা দুটা ল'ৰা-ছোৱালী থকা বিধবা তিৰোতা এজনী হলেও হব। কেৱল মানুহজনী দেখনিয়াৰ আৰু স্বাস্থ্যৱতী হব লাগে। বয়স ত্ৰিশৰ ভিতৰত হলেই ভাল।

সুৰঞ্জন বাবুৰ জৰিয়তে কথাটো ভূপতি বাবুৰ কাণ চোওৱা হ'ল। ভূপতি বাবুৱে আৰ-তাৰ যোগেদি কাণ চোৱালে নৃপতিৰ। নৃপতিয়ে সন্মতি জ্ঞাপন কৰিলে। গতিকে চলিহাৰ সৌজন্যত এদিন সুৰঞ্জন বাবুৰ লগতে আহি নৃপতিয়ে 'ছোৱালী' চাই গ'লহি।

নিতাইৰ যৈণীয়েক অমান্তি হব নোৱৰাকৈ চলিহাই সকলো ব্যৱস্থা কৰি থৈছিল। গতিকে নৃপতিক দেখি তাই কোনো আপত্তি নকৰিলে। ভূপতি বাবুহঁতৰ সুবিধামতেই এদিন শুভকাৰ্য্যফেৰা সম্পন্ন কৰি পেলোৱা হ'ল।

এটা ডাঙৰ চিন্তাৰপৰা মুক্তি পাই চলিহাই এটা স্বস্তিৰ দীৰ্ঘ নিশ্বাস পেলালে। কিন্তু কামটো চলিহাই ইমান সাৱধানতাৰে আৰু গোপনীয়তাৰে কৰিছিল যে ৰঞ্জিতে গম পাওঁতে বহুত পলম হৈ গ'ল। সি একো কৰিব নোৱাৰিলে।

মনত এটা নতুন উদ্যম লৈ চলিহা নিৰ্বাচনৰ আয়োজনত লাগি গ'ল। ইফালে পঙ্কজাৰ বুদ্ধিটোৱেও বেছ কাম দিলে। টেপ ৰেকৰ্ডাৰৰ মুখত চলিহাহঁতৰ গুপ্ত আলোচনাৰ সকলো সম্ভেদ পাই সিহঁতে ভৱিষ্যৎ কাৰ্য্যসূচী ৰচনা কৰিবলৈ নতুন প্ৰয়াস পালে। অৱশ্যে আন্দোলনৰ কাৰ্য্যসূচী ৰঞ্জিতহঁতে নিজে যুগুত নকৰে; নেতৃত্ব বহনকাৰী মূল সংগঠন দুটাইহে কৰে। ৰঞ্জিতহঁতে দৰকাৰ হলে দুই-এটা পৰামৰ্শহে দিয়ে। সেই বাবেই যাই সংগঠন দুটাৰ কাৰ্য্যনিৰ্বাহকৰ সভাত ৰঞ্জিতহঁত প্ৰায়ে উপস্থিত থাকিবলগীয়া হয়। পিছে আজি কিছুদিনৰপৰা আন্দোলনকাৰী নেতাসকলক ধৰিবলৈ চৰকাৰে যি অভিযান চলাইছে আৰু সভা-সমিতি পতা গম পালেই যেনেকৈ পুলিচৰ মানুহ উপস্থিত হৈ জুলুম কৰিবলৈ আৰম্ভ কৰিছে তাৰ ফলত মূল সংগঠন দুটাৰ সতে যোগাযোগ ৰক্ষা কৰাই টান হৈ পৰিছে। তাতে পুলিচবিলাকৰ দয়া-মায়া একো নাই।

তথাপি টেপ-ৰেকৰ্ডাৰত ধৰি থোৱা কথাখিনি ৰঞ্জিতে মূল সংগঠন দুটাক জনাবলৈ চেষ্টাৰ ক্ৰুটি নকৰিলে। এটা কথাই ৰঞ্জিতক বৰ দুখ দিলে। চৰকাৰী চাকৰিয়াল বিপুল শইকীয়াৰ ভাৰাঘৰত হৈ যোৱা সেই মৰ্মান্তিক হত্যাকাণ্ডটোৰ তদন্ত কৰিবলৈ এদল পুলিচ আহিছিল। পুলিচে সেই ঘটনাটোৰ সংক্ৰান্তত শইকীয়াক ঘূৰাই-পকাই ওলোটাই-ওভোতাই বহুত কথা সুধিলে। শইকীয়াই সেই সম্পৰ্কত বিশেষ একো নেজানো বুলি কোৱাত পুলিচে তেওঁৰ ওপৰত যি দুৰ্ব্যৱহাৰ চলালে সি এখন স্বাধীন গণতান্ত্ৰিক দেশৰ এজন নাগৰিকৰ বাবে পৰম দুৰ্ভাগ্যৰ বিষয়।

তদন্তকাৰী পুলিচ বিষয়া গৰাকীয়ে শইকীয়াক হাত-কেৰেয়া লগাই থানালৈ লৈ আহিল। থানাতো হাত-কেৰেয়া লগাই থোৱা অৱস্থাত তেওঁক চাৰি ঘণ্টামান সময় থিয় কৰাই ৰখালে। তাৰ পিচত আৰম্ভ হৈ গ'ল মানসিক অত্যাচাৰ। পুলিচ বিষয়াজনে শইকীয়াক এনেকুৱা কিছুমান অলাগতিয়াল কথা সুধিবলৈ আৰম্ভ কৰি দিলে যেন সেই দুৰ্ভাগ্যজনক ঘটনাৰাজীৰ বাবে শইকীয়াহে একমাত্ৰ দায়ী। অৱশেষত অলপ পিচতে বিষয়াজনৰ কথাৰ সুৰ সলনি হ'ল। শইকীয়াৰ প্ৰতি এক নতুন দৃষ্টিভঙ্গী প্ৰদৰ্শন কৰি তেওঁ শইকীয়াক আন্দোলনৰ এজন প্ৰধান নেতা হিচাপে অভিহিত কৰিলে।

শইকীয়াই সেই কথা অস্বীকাৰ কৰি ক'লে, 'মই আন্দোলনৰ নেতা নহয়, কিন্তু এজন সমৰ্থক। কাৰণ মই অসমীয়া।'

'অসমীয়া হ'ল বুলিয়েই যে আপুনি আন্দোলনটো সমৰ্থন কৰিব লাগিব তাৰ কি মানে আছে? আপোনাৰ চিনিনা বহুত অসমীয়াইতো আন্দোলন সমৰ্থন কৰা নাই?'

শইকীয়াই ক'লে, 'নকৰিব পাৰে, কাৰণ প্ৰত্যেক মানুহৰে একোটা নিজস্ব বিচাৰ-বুদ্ধি তথা বিবেচনা আছে; নিজা একোটা নীতি আৰু দৃষ্টিভঙ্গী আছে। হয়তো তেওঁলোকৰ নীতিৰ লগত আন্দোলনকাৰীৰ নীতি খাপ খোৱা নাই।'

'তেনে দৃষ্টিভঙ্গী বা নীতিতো আপোনাৰো থাকিব পাৰিলেহেঁতেন! আপুনি কিয় তেনে দৃষ্টিভঙ্গী বা নীতিৰ পোষকতা নকৰিলে?'

শইকীয়াই এইবাৰ খঙেৰেই ক'লে, 'মোক অযথা হাৰাশাস্তি নকৰিব। যদি আইন কথা আৰু সুধিবলগীয়া নাই তেন্তে মোক যাবলৈ দিয়ক।'

এটা বিদ্ৰূপৰ হাঁহি মাৰি বিষয়াজনে ক'লে, 'আপোনাক ইমান সহজে যাবলৈ দিয়া নহব মিঃ শইকীয়া! আপোনাৰ বিৰুদ্ধে আৰু অভিযোগ আছে।'

'কিন্তু মোৰ বিৰুদ্ধে প্ৰথম আৰু প্ৰধান অভিযোগ কি মই দেখোন আজিকৈ এতিয়ালৈকে জানিব পৰা নাই?'

বিষয়াজনে উত্তৰ দিলে—'আপোনাৰ বিৰুদ্ধে থকা প্ৰথম আৰু প্ৰধান অভিযোগ হ'ল—আপুনি গণতন্ত্ৰ আৰু ৰাষ্ট্ৰবিৰোধী কাৰ্য্যকলাপত লিপ্ত থকা এটা সংগঠনক আপোনাৰ ঘৰত আশ্ৰয় দিছিল।'

শইকীয়াৰ ডিঙি শুকাই গৈছিল। কোনোমতে তেওঁ কলে, 'মোক এগিলাচ পানী খুৱাব পাৰিবনে?'

বিষয়াজনে একেআষাৰে উত্তৰ দিলে—'এইখন পুলিচ থানাহে, ইয়াত পানী পোৱা নাযায়।'

অৱস্থা যে ক্ৰমাৎ বেছি জটিল হৈ পৰিব সেইটো সকলোৱে বুজিব পাৰিছিল।

চলিহায়ো বুজিছিল। সেয়ে তেওঁ আনৰ কথা চিন্তা নকৰি নিজৰ ফালটো নিজে ঠিক কৰি লোৱাৰ কথা চিন্তা কৰিলে। সেই ক্ষেত্ৰত পত্নী অসীমায়ো তেওঁক সজ পৰামৰ্শকে দিলে।

'যোৱাবাৰৰ নিচিনা এটা পৰিস্থিতি মই কেতিয়াও সৃষ্টি হবলৈ দিব নোৱাৰোঁ। মোৰ বিশ্বাস, এইবাৰ অৱস্থা আৰু বেয়াহে হব। গতিকে সময় থাকোঁতেই নিৰাপদ হৈ লোৱা ভাল।'

চলিহাই ক'লে, 'মই সেই কাৰণেই এতিয়াই দিল্লীলৈ যাবলৈ ওলাইছোঁ। ঘৰলৈ কেতিয়া আহিব পাৰোঁ তাৰো একো ঠিক নাই। কিন্তু এটা কথা, ল'ৰাইতে এইবাৰ যেনেকুৱা পৰিকল্পনা হাতত লৈছে, শেষ মুহূৰ্তত হয়তো ইলেকচন নহবগৈও পাৰে।'

'ল'ৰাবোৰেনো কি পৰিকল্পনা হাতত লৈছে?'

'এইবাৰ হেনো সিহঁতে কোনো কেণ্ডিডেটৰ ঘৰ ঘেৰাও নকৰে। কেৱল নমিনেচন ছাবমিট কৰাৰ সময় ছোৱাৰ ভিতৰত প্ৰত্যেকজন কেণ্ডিডেটক অনুৰোধ কৰিব—নমিনেচন ছবমিট নকৰিবলৈ। তাৰপৰা যদি কোনো ফল নাপায় তেন্তে চূড়ান্ত ব্যৱস্থা গ্ৰহণ কৰিব।'

'মানে?'

'পোলিং এজেণ্ট আৰু প্ৰিজাইডিং অফিচাৰবোৰক এনে ধৰণে জব্দ কৰি ৰাখিব যে কোনো এজন এজেণ্ট বা অফিচাৰ কোনো পোলিং চেণ্টাৰলৈ যাব নোৱাৰে। তদুপৰি পোলিঙৰ দিনা গাঁও বা নগৰ কোনো অঞ্চলৰ মানুহ যাতে ঘৰৰপৰা বাজ ওলাব নোৱাৰে তাৰ বাবেও অভিনৱ কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব।'

চলিহানীয়ে অলপ চমক্ খোৱাৰ দৰে সুধিলে—'আপোনালোকে তেন্তে কি কৰিছে? চৰকাৰে একো কৰিব নোৱাৰিবনে?'

চলিহাই ক'লে, 'চৰকাৰে কৰিব নোৱৰা কাম কি আছে অসীমা?

কিন্তু সংবিধানখনতো একেবাৰে দলিয়াই পেলাব নোৱাৰি! তোমালোকেতো গম পাইছাই, যি পৰিস্থিতিৰ মাজেদি আমি ইলেক্চন পাতিবলৈ ওলাইছোঁ প্ৰকৃততে ইয়েই এটা অযুক্তিকৰ আৰু অগণতান্ত্ৰিক কাম হৈছে। কিন্তু ঘটনা হ'ল, সংবিধানৰ মৰ্যাদা সম্পূৰ্ণ বজাই ৰাখি কাম কৰিবলৈ গলে আমি সৰ্বস্ব হেৰুৱাব লাগিব। ভোটাৰ লিষ্টত অবাঞ্ছিত বুলি ধৰা মানুহবোৰৰ নামবোৰ কাটি দিবলৈ গলে—'

'বুজিছোঁ, সেইবোৰ মানুহৰ নাম আপোনালোকে কেতিয়াও বাদ দিব নোৱাৰে। কিন্তু মই সুধিব খুজিছোঁ, ভোটাৰ লিষ্ট সংশোধন নকৰাকৈ ইলেক্চন পাতিবলৈ দিব নোখোজা মানুহবোৰক আপোনালোকে একো কৰিব পৰা নাই কিয়? কিহৰ কাৰণে আপুনি ইলেক্চন বন্ধ হৈ যাব পাৰে বুলি আশংকা কৰিছে?'

চলিহাই চিগাৰেট হুপি হুপি ক'লে, 'চোৱাঁ অসীম', আন্দোলনটোক বাধা দিবৰ বাবেই চৰকাৰে এনে কেতবোৰ কটকটীয়া আইন উদ্ভাৱন কৰি উলিয়াইছে যিবোৰ অসমৰ বাহিৰে আন ক'তো প্ৰয়োগ কৰা হোৱা নাই। আনকি অসমৰ এক বুজন সংখ্যক মানুহে ইলেক্চনৰ কামত সহযোগ নকৰে বুলি ঘোষণা কৰাত বাহিৰৰপৰা মানুহ আনিও কাম চলোৱাৰ যি ব্যৱস্থা লোৱা হৈছে তাতো বহুত সমস্যাই দেখা দিছে।'

'কি সমস্যা?'

'তুমি কথাবোৰ নিজেই চিন্তা কৰি চাবলৈ যত্ন নকৰা কিয়? চব প্ৰশ্নৰে উত্তৰ ময়ে দি যাব লাগিবনে?'

চলিহাই বিৰক্তি পোৱা যেন দেখি মিছেছ চলিহাই কব খুজিছিল: কথা এটা সুধিলেও যদি জগৰ লাগে তেন্তে মোৰ আগত এইবোৰ কথা উলিয়াইছে কিয়? মোৰ লগত এইবোৰ কথা আলোচনা নকৰিবওতো পাৰে!

কিন্তু তাকে নকৈ তেওঁ ক'লে, 'মই ঘৰৰ ভিতৰত থকা মানুহজনীয়ে বাহিৰৰ পৃথিৱীখনৰ খবৰ কেনেকৈ জানিম? আৰু মোক জানো আপুনি ৰাজনীতিৰ কিবা শিকাইছে?'

চলিহাৰ খং পানী হৈ গ'ল।

'সেইটো অৱশ্যে সঁচা কথা; মই তোমাক বহুত সুবিধাৰপৰা বঞ্চিত কৰিছোঁ। ...বাৰু শুনা, আমি ৰাজ্যখনৰ বাহিৰে-ভিতৰে ইলেক্চন পাতিব

পৰা পৰিবেশ আছে বুলি যিমানেই চিঞৰ বাখৰ নলগাওঁ কিয় বাহিৰৰ বহুত মানুহে কিন্তু অসমৰ প্ৰকৃত অৱস্থা বুজিছে। গতিকে বাহিৰৰ ভালেকেইখন কাগজৰ লগত যোগাযোগ কৰিও আমি আশানুৰূপ ফল লাভ কৰিব পৰা নাই। ইয়ালৈ আহিবলৈ মানুহবোৰে ভয় কৰিছে।'

'তেতিয়াহলে কি আৰু নৈ আপোনালোকে ইলেকচন পাতিব খুজিছে?'

'বৰ্তমান সেইটোৱেই আমাৰ সমুখত এক বিৰাট প্ৰশ্ন হৈ থিয় দিছে অসীমা! এতিয়া আকৌ বিৰোধী দল কিছুমানেও আমাৰ বিৰুদ্ধে কিছুমান অবাঞ্ছনীয় কাৰ্যকলাপ চলাবলৈ আৰম্ভ কৰিছে। ... বাৰু সেইবোৰ এতিয়া বাদ দিয়া; দিল্লীলৈ ঘোৰাটো তোমালোকেও ভাল হ'ব বুলি কৈছা যেতিয়া মই যাওঁ। এই সময়ত ইয়াত থকাতকৈ দিল্লীখনেই মোৰ বাবে বেছি নিৰাপদ।'

চলিহানীয়ে তেতিয়ালৈকে প্ৰাণজিতৰ লগত কোনো কথা-বতৰা পতা নাছিল। সেইবাবেই সুধিলে—'কিন্তু জিত জানো সোনকালে গুচি নাহিব? সিতো তাত বেছিদিন থাকিব নোৱাৰিব চাগে।'

'সি কেনেকৈ থাকিব? তাৰ অফিচ আছে নহয়। নিৰ্বাচনৰ দিন আৰু নমিনেচন ছাবমিটৰ তাৰিখটো গম পোৱাৰ পিছতে সি গুচি আহিব। নহলে এইফালৰ কামবোৰ চম্ভালিব কোনে?'

চলিহানীয়ে আকৌ সকিয়াই দিলে—'আপুনি কিন্তু দিছপুৰলৈ আহোঁতেও খুব সাৱধানে আহিব আৰু কোনদিনা আহি পায় আমাক জনাব। চাব যাতে জিত আৰু মোৰ বাহিৰে আপুনি দিছপুৰত থকাৰ খবৰটো আন কোনেও গম নেপায়।'

চলিহাই বুদ্ধিমানৰ হাঁহি এটা মাৰি ক'লে, 'সেইটো আৰু মোক কব লাগিছেনে?'

॥ তেইশ ॥

কাৰবাৰটো ইমান সংগোপনে কৰা হৈছিল যে একেখন ঘৰতে থাকিও ৰঞ্জিত আৰু পঙ্কজাই একো গম নেপালে।

প্ৰাণজিতৰ সতে চলিহা দিল্লীলৈ যাত্ৰা কৰাৰ পিছতহে ৰঞ্জিত আৰু পঙ্কজাই গম পালে যে দেউতাক এতিয়া ঘৰতে নাই। দিল্লীৰপৰা বাহিৰে বাহিৰে

দিছপুৰত সোমাবহি আৰু তাৰপৰাই পুলিচ পহৰা লৈ মনোনয়ন দাখিল কৰিব। তেওঁক সেই কামত বিশেষভাৱে সহায় কৰিব প্ৰাণজিতে।

অৱশ্যে নিৰ্বাচনৰ দিন এতিয়াও চৰকাৰীভাৱে ঘোষণা কৰা হোৱা নাই। চৰকাৰীভাৱে ঘোষিত নহলেও ৰঞ্জিতহঁতে অৱশ্যে সেই বিষয়ে ভিতৰুৱাকৈ কিছু কিছু খবৰ পাইছে। আৰু তাৰ পটভূমিত কি ব্যৱস্থা লোৱা হব সেই বিষয়েও মূল সংগঠন কেইটাৰপৰা গোপন সংকেত পাইছে।

চলিহা দিল্লীলৈ যোৱাৰ চাৰি দিনৰ পিচত।

সেইদিনাই বাতৰি কাকতত নিৰ্বাচনৰ তাৰিখ চূড়ান্তভাৱে প্ৰকাশিত হ'ল। লগতে মনোনয়ন দাখিলৰ তাৰিখো নিৰ্ধাৰণ কৰি দিয়া হ'ল। খবৰটোৱে গোটেই ৰাজ্যজুৰি এক উত্তপ্ত পৰিবেশৰ সৃষ্টি কৰিলে।

সেইদিনা আবেলি ৰঞ্জিতহঁতে প্ৰাণজিতৰপৰা এক তাঁৰ-বাৰ্তা পালে: পিচদিনা ৰাতি ৯ টাতে তেওঁ ঘৰলৈ আহিব। তাঁৰ-বাৰ্তাটোৱে চলিহানীৰ মন উৎফুল্ল-পুলকিত কৰালে। তাঁৰ-বাৰ্তাত প্ৰাণজিতে দিয়া নিৰ্দেশমতেই চলিহানীয়ে পিচদিনা ৰাতিপুৱাই ৰঞ্জিতক বিমানবন্দৰলৈ গাড়ী লৈ হাজিৰ হবলৈ আদেশ দি থলে। হাকিম সাজু হৈ থাকিল।

সেইদিনা গধূলি ৰঞ্জিত আৰু মিহিৰ সংগঠনৰ আৰু কেইটামান এঠাইত গোপনে মিলিত হৈ ইতিমধ্যে লৈ থোৱা সিদ্ধান্তটো কাৰ্যকৰী কৰা সম্পৰ্কে পুনৰ গভীৰভাৱে আলোচনা কৰিলে। আলোচনাৰ অন্তত প্ৰত্যেকেই সেই সম্পৰ্কত গোপনীয়তা ৰক্ষাৰ অঙ্গীকাৰ কৰি নিজ নিজ ঘৰলৈ উভতিল।

পিচদিনা।

ৰাতিপুৱা ঠিক আগবঢ়াই আনিবলৈ হাকিমক লগত লৈ ৰঞ্জিতে বিমান কোঠলৈ ৰওনা। কিছুদূৰ যোৱাৰ পিচত হাকিমে দেখিলে এখন পাণ দোকানৰ সমুখত এজন পুলিচ ইন্সপেক্টৰ থিয় হৈ আছে। সেই পুলিচ ইন্সপেক্টৰজনে হাতৰ লাঠিডাল দাঙি গাড়ী ৰখাবলৈ সংকেত দিলে। স্বয়ং পুলিচ বিষয়া এগৰাকীয়ে গাড়ী ৰখাবলৈ সংকেত দিয়াত হাকিম ভয় খাই গ'ল। সি পাছৰ চিটত বহি থকা ৰঞ্জিতলৈ মুখ ঘূৰাই গাড়ী ৰখাবনে নৰখাব ইঙ্গিত বিচাৰিলে। ৰঞ্জিতে ইঙ্গিত দিয়াত হাকিমে গাড়ী ৰখাই দিলে।

'অ' ৰঞ্জিত দেখোন? ক'লৈ যোৱা?'

'নমস্কাৰ দাদা!' ৰঞ্জিতে অকণো অপ্ৰস্তুত হোৱা যেন নেদেখুৱাই ক'লে— 'মোৰ দাদা প্ৰাণজিত চলিহা আজি দিল্লীৰপৰা আহিব। তাক বিচিত্

কৰিবলৈকে এয়াৰ পৰ্টলৈ যাওঁ। আপুনি কলৈ যাব দাদা?’

হাসিনে দেখিলে, পুলিচ ইন্সপেক্টৰজন ৰঞ্জিতৰ বেছ চিনাকি। সি নিশ্চিন্ত হ’ল।

‘মোৰো এয়াৰ পৰ্টত অলপ কাম আছিল। কিন্তু থানাৰ গাড়ীখন এতিয়াও আহি পোৱা নাই। সেইদেখি বৈ আছোঁ। যাক ৰঞ্জিত, মইো তোমাৰ লগতে গলে কিবা অসুবিধা হব নেকি?’

ৰঞ্জিতে উৎসাহেৰে ক’লে ‘নহয় দাদা কি অসুবিধা হব? মই ভাগ্যহে পাম! অ’ মই এটা ডাঙৰ কথা পাহৰি গৈছিলোঁ। বন্ধু এজনে মোক ঠিক ইমান সময়তে লগ ধৰাৰ কথা কৈছিল। লগ নধৰিলে বৰ বেয়া পাব। ঠিক আছে দাদা, আপুনি অকলেই যাওকগৈ, মই আৰু নেযাওঁ। হাসিন, গাড়ী ভালকৈ চলাবা দেই। পুলিচ চাহাব লগত আছে কিন্তু।’

কৈয়ে হাসিনে তৰ্কিব নোৱাৰাকৈ চকুৰ ইঙ্গিতেৰে কিবা এটা কৈ ৰঞ্জিত কে বাকুৰিকৈ এফালে গুচি গ’ল। হাসিনে গাড়ী চলাই দিলে।

বিমানৰ সময় হৈছিলেই। গতিকে হাসিনৰ বেছিপৰ ৰখিবলগীয়া নহ’ল। লাউনজত ঠাই পাই থকা মানুহবোৰলৈ চাই পুলিচ ইন্সপেক্টৰৰূপী আজত বৰাই হাসিনক ক’লে, ‘তোমাৰ চাহাব আহিছেনে নাই চোৱাগৈ। মইও মানুহ এজনক লগ ধৰি আহোঁগৈ। সেইবুলি মোক আকৌ এৰি থৈ নেযাবা। দেৰী হলেও অকণমান ৰবা।’

কৈয়ে তেওঁ গাড়ীৰপৰা নামি কিছু ব্যস্তভাবে এফালে গুচি গ’ল। হাসিনেও তেওঁৰ কথামতেই কাম কৰিলে। ইতিমধ্যে বিমান যাত্ৰী আৰু বিমান যাত্ৰীসকলক আগবঢ়াই আনিবলৈ যোৱা মানুহৰ সমাবেশটোত এক স্বাভাৱিক ব্যস্ততা আৰম্ভ হৈ গৈছিল। হাসিনৰ গাড়ী য’ত পাৰ্ক কৰা হৈছিল তাৰ আশে-পাশে আৰু ভালেকেইখন গাড়ী গোট খাইছিল।

নিজৰ হাতৰ বেগ আৰু ভি-আই-পি ছুটকেছটো হাসিনৰ হাতত দি প্ৰাণজিত নিজৰ গাড়ীৰফালে আগুৱাই আহিল। ইতিমধ্যে পুলিচ ইন্সপেক্টৰ বৰাও ঘূৰি আহি গাড়ীৰ কাষত উপস্থিত হৈছিল। প্ৰাণজিতলৈ চাই তেওঁৱেই আগধৰি মাত লগালে—আহক মিঃ চলিহা! আপোনাক ৰিচিভ্ কৰিবলৈ ময়ে আহিলোঁ।’

কিন্তু তেনে সম্ভাৱণত প্ৰাণজিত বৰ অপ্ৰস্তুত হৈ পৰা যেন দেখি ইন্স-পেক্টৰ বৰাই পৰিস্থিতিটো পাতল কৰি দিলে—‘মোক আপুনি চিনি পোৱা

নাই নিশ্চয়। মই পুলিচ ইন্সপেক্টৰ বৰা। ইয়ালৈ অৱশ্যে নতুনকৈ আহিছোঁ।'

তাৰ পিচত বিমান কোঠত তেওঁৰ কি কাম আছিল তাক চমুকৈ বৰ্ণনা কৰি ক'লে, 'মানুহজনক লগ পালোঁ। যেতিয়া মোৰ আৰু বেলেগ কাম নাই। গতিকে ব'লক যাওঁ।' কৈয়ে তেওঁ প্ৰাণজিতৰ অনুমতিলৈ বাট নেচাই পোনে পোনে গাড়ীত উঠি বহিল।

প্ৰাণজিতে লক্ষ্য কৰিলে—মানুহজনৰ বয়স তেওঁৰ প্ৰায় সমানেই হব। অলপ চিনাকি-চিনাকি লগা অথচ নাম-ধাম একো মনত নপৰা, ডেকা সুদৰ্শন চেহেৰাৰ পুলিচ বিষয়াজনৰ মুখৰ ফালে এবাৰ তীক্ষ্ণ সন্দিগ্ধ দৃষ্টিৰে চাই লৈ প্ৰাণজিতো সাৱধানে গাড়ীত উঠি বহিল। পাচৰ ছিটত বহা ইন্সপেক্টৰ বৰাৰ ঠিক কাষতেই।

বেগ, ছুটকেছ আদি যথাস্থানত থৈ হাবিলে নিজৰ ছিটত বহিল। তাৰ পিচত প্ৰাণজিতৰ নিৰ্দেশমতেই গাড়ীখন চহৰৰ ফালে গতি ল'লে।

বিমান কোঠৰপৰা নগৰ অভিমুখে কিছু বাট অহাৰ পিচত প্ৰাণজিতৰ লগত পৰিচয় কিছু সহজ কৰিবৰ বাবে ইন্সপেক্টৰ বৰাই ইটো-সিটো কথা উলিয়ালে। কথা-প্ৰসঙ্গত তেওঁ ক'লে, 'আপোনাৰ দেউতাক আৰু মোৰ দেউতা প্ৰায় সম-বয়সীয়া হব কিজানি। তেখেত দিল্লীৰপৰা ঘূৰি আহিলেই মই দেখা কৰিবলৈ যাম।'

সুধিবলগীয়া বহুত কথা থাকিলেও প্ৰাণজিতে সোধো-নোসোধোকৈ সুধিলে, 'আপুনি ইয়ালৈ অহা কিমান দিন হ'ল?'

'দুসপ্তাহ।'

'কোন থানাত আছে?'

'..................'

প্ৰাণজিত অকণমান সময় ৰ'ল। কিবা এটা ভাবি ল'লে।

'মোক কেনেকৈ চিনি পালে?'

'আপোনাৰ ভায়েক ৰঞ্জিতৰ যোগেদি।'

'ৰঞ্জিতৰ যোগেদি? আপুনি তাকো চিনি পায়?'

'শুনক মিঃ চলিহা, ইয়ালৈ অহাৰ পিচতে মোৰ ওপৰত দায়িত্ব পৰিল আন্দোলনৰ লগত বিশেষ ভাবে জড়িত থকা কিছুমান ল'ৰাক গ্ৰেপ্তাৰ কৰাৰ। মোৰ হাতত থকা লিষ্টখনত ৰঞ্জিতৰ নামটো প্ৰথম পাঁচোটা নামৰ ভিতৰতে আছে। কিন্তু মই তাক এতিয়াও গ্ৰেপ্তাৰ কৰিব পৰা নাই।'

'কেলেই?'

'প্ৰথম কাৰণ, ৰঞ্জিত আপোনাৰ ভায়েক, মানবেন্দ্ৰ চলিহাৰ ল'ৰা। শ্ৰদ্ধেয় চলিহাদেৱ এনে এজন ব্যক্তি যাৰ নাম শুনিলে আনৰ কথা বেলেগেই, আমাৰ পুলিচ ডিপাৰ্টমেণ্টৰে বুকু কঁপি যায়। দ্বিতীয় কাৰণটো অৱশ্যে মোৰ নিতান্ত ব্যক্তিগত।'

ইন্সপেক্টৰ বৰাৰ কথা শুনি প্ৰাণজিতৰ ভাল লাগিল। বিশেষকৈ দেউতাকৰ বিষয়ে তেওঁ তেনে এটা অভিমত প্ৰকাশ কৰাত প্ৰাণজিতৰ বেছি ভাল লাগি গ'ল। মানুহজনে কবলৈ টান পোৱা কথাষাৰ জানিবলৈ তেওঁৰ কৌতূহল জন্মিল।

'যদি বেয়া নেপায়, আপোনাৰ ব্যক্তিগত কাৰণটো কব পাৰে।'

ইতস্ততঃ বোধ কৰাৰ দৰে ইন্সপেক্টৰ বৰাই অকণমান হাঁহাৰ নিচিনা কৰিলে। তাৰ পিচত ক'লে, 'আপুনি শুনি হয়তো ভাল নেপাব পাৰে, আনেও বেয়া পাব; আন্দোলনটোৰ প্ৰতি মোৰ গভীৰ সমৰ্থন আছে।'

চকুৰ আগতে দৌৰ মাৰি ৰাস্তা পাৰ হব খোজোতে হঠাৎ এখন চলন্ত মটৰৰ আগত পৰি যোৱা সৰু ল'ৰা এটা দেখিলে মানুহৰ মনত যিটো আতংক সৃষ্টি হয়, প্ৰাণজিতৰ ক্ষেত্ৰতো যেন ঠিক তেনেকুৱাই হ'ল। কিছু সন্ত্ৰস্তভাবে তেওঁ ইন্সপেক্টৰ বৰাৰ মুখলৈ চালে।

বোধহয় বৰায়ো তেওঁৰ মনৰ অৱস্থাটো ধৰিব পাৰিছিল। সেয়ে পিচ মুহূৰ্ততে তেওঁ বেলেগ কথা উলিয়ালে।

তেওঁলোকৰ গাড়ী ভৰলুৰ দলং পাৰ হৈ আহিল। পল্টন বজাৰখনো পাৰ হ'ল। চাৰিআলিটোৰ ওচৰ পাই প্ৰাণজিতে সুধিলে— আপুনি ইয়াতে নানামিব জানো?'

বৰাই ক'লে, 'নামিব লাগিছিল, কিন্তু মোৰ আৰু এটা কাম আছে। ব'লকচোন বাৰু।'

সন্দেহ হব নেলাগিছিল, কিন্তু হঠাৎ জানো কিয় প্ৰাণজিতৰ ইন্সপেক্টৰ বৰাৰ প্ৰতি সন্দেহ উপজিল। তেওঁৰ ধাৰণা হ'ল বৰাই যেন তেওঁৰ লগ এৰিব খোজা নাই। হয়তো ঘৰ পায়ো বৰাৰপৰা তেওঁ আজি নিস্তাৰ নেপাব।

নতুন অভাৰ ব্ৰীজখনৰ ফালে যোৱা ৰাস্তাটো পাৰ হৈয়ে প্ৰাণজিতে হঠাৎ সুধি পেলালে—'আপোনাৰ অভিপ্ৰায় কি মই এতিয়াও ধৰিব পৰা নাই ইন্সপেক্টৰ বৰা। আপুনিতো বহুত আগতেই নামিব লাগিছিল।'

ইমান পৰে গহীন হৈ থকা মানুহজন যেন হঠাৎ বৰ ৰহস্যময় হৈ পৰিল।

দুৰ্বোধ্য হাঁহি এটা মাৰি তেওঁ প্ৰাণজিতৰ মুখলৈ চালে।

'আপোনাক ইমান দেৰী কোৱা নাছিলোঁ, কিন্তু এতিয়া কওঁ। আপুনি মোৰ লগতে এতিয়া এঠাইলৈ যাব লাগিব।'

হঠাৎ জাপ মাৰি উঠাৰ দৰে প্ৰাণজিত বহাৰপৰা এবেগেতমান পাচ হুঁহকি গ'ল। তীক্ষ্ণ, সন্ত্ৰস্ত দৃষ্টিৰে বৰালৈ চাই সুধিলে—'তাৰ মানে?'

একেই ৰহস্যময় সুৰত বৰাই ক'লে, 'ভয় নেখাব মিঃ চলিহা। কোনো অপৰাধৰ বাবে আপোনাক সেই ঠাইলৈ নিব খোজা নাই। এজন মানুহৰ আগত আপুনি দুটামান প্ৰশ্নৰ উত্তৰ দিব লাগিব। তাৰ পিচত আপোনাৰ মুক্তি।'

কৈয়ে বৰাই হাসিনক কোনটো বাটেদি গাড়ী নিব লাগিব তাৰ নিৰ্দেশ দিলে। বেচেৰা হাসিন! সিও ঘটনা একো গম ধৰিব পৰা নাছিল। ভয়ত তাৰ অণ্ঠ-কণ্ঠ শুকাই গৈছিল। ষ্টিয়েৰিঙত থকা হাত দুখন তাৰ অকামিলা হৈ যাব খুজিছিল।

কিন্তু প্ৰাণজিত কাৰো ওচৰত সহজে বশ্যতা স্বীকাৰ কৰা বিধৰ মানুহ নহয়। ইন্সপেক্টৰ বৰাৰ কথাই তেওঁক অতিশয় উদ্বিগ্ন আৰু অস্থিৰ কৰি তুলিলে যদিও ভিতৰৰ ভয় বাহিৰত সমূলি প্ৰকাশ হবলৈ নিদি তেওঁ ক'লে, 'মই আজিলৈকে মা আৰু দেউতাৰ বাহিৰে কাৰো কৰ্তৃত্ব স্বীকাৰ কৰা নাই। মোক যদি কিবা বিপদৰ মুখলৈ টানি লৈ যোৱাৰ ফন্দী পাতিছে তেন্তে এতিয়াও কৈছোঁ, সেই দুঃসাহস বা দুৰ্বুদ্ধি পৰিত্যাগ কৰক।'

কিন্তু প্ৰাণজিতে তেতিয়াও গম পোৱা নাছিল যে তেওঁ এটা বৰ অভাৱনীয় পৰিস্থিতিৰ মুখলৈ ক্ৰমাৎ আগবাঢ়ি গৈছে য'ৰপৰা হেজাৰ চেষ্টা কৰিলেও সহজে ওলাই আহিব নোৱাৰিব।

ইন্সপেক্টৰ বৰাৰ নিৰ্দেশমতেই ঘাই আলিৰপৰা এটা সৰু আলিয়েদি গাড়ীখন সোমাই গ'ল। চহৰৰ এই আওহতীয়া অঞ্চলটো প্ৰাণজিতৰ একেবাৰে অচিনাকি নহলেও ৰাস্তা-ঘাটবোৰ যেন চিনাকি নাছিল।

॥ চৌবিশ ॥

সৰু, ঠেক আলিটোৱেদি আধামাইলমান সোমাই যোৱাৰ পিচত এটা ধুনীয়া দুমহলীয়া ঘৰৰ গেটৰ মুখত গাড়ীখন ৰৈ গ'ল।

প্ৰাণজিতে বহাৰপৰাই চাৰিওফালৰ পৰিবেশটো এবাৰ চাই ললে। হঠাৎ তেওঁৰ চকুত পৰিল, মৰম লগা দুমহলীয়া ঘৰটোৰ তলৰ মহলাৰ দুৱাৰ-খিৰিকীবোৰ সম্পূৰ্ণৰূপে বন্ধ। ওপৰ মহলাৰ সমুখৰ ফালৰ এখন দুৱাৰ আৰু দুখনমান খিৰিকী খোলা আছে। ঘৰটোৰ ৰংটো বিশেষ মন কৰিবলগীয়া নহলেও দুৱাৰ-খিৰিকীত দিয়া ৰংটো কিন্তু বেছ আকৰ্ষণীয়। বেৰৰ পাতল বেঙুনীয়া ৰংটোৰ লগত মিলাকৈ এটা ডাঠ বেঙুনীয়া ৰং। চালত এশাৰী ফুলৰ টাব। ঘৰটোৰ কোনো নাম নাই।

গাড়ীখন ৰোৱাৰ লগে লগে দুজন ডেকা খট্‌খটিয়েদি কিছু বাস্ততাৰে ওপৰ মহলাৰপৰা নামি অহা প্ৰাণজিতৰ চকুত পৰিল। দূৰৰপৰাই ডেকা দুজনৰ এজনক তেওঁৰ চিনাকি যেন লাগিল।

নামি দুজন গেটৰ মুখ আহি পোৱাৰ আগতেই প্ৰায় জাপ মাৰি নমাৰ দৰে ইন্সপেক্টৰ বৰা গাড়ীৰপৰা নামিল আৰু সেই ফালৰ দৰ্জাখন সজোৰে বন্ধ কৰি লৰালৰিকৈ প্ৰাণজিতৰ ফালৰ দৰ্জাখন খুলি দিলে।

'আহক মিঃ চলিহা! আপোনাক অনধিকাৰ কষ্ট দিব লগা হোৱা বাবে মই বৰ দুখীত।'

কোনো উত্তৰ নিদি এক অনিশ্চিত বিপদৰ আশংকা বুকুত লৈ প্ৰাণজিত গাড়ীৰপৰা নামিল। হাসিনকো নামিবলৈ আদেশ দিয়া হ'ল। কিন্তু প্ৰাণজিতৰ বেগ আৰু ছুটকেছটো?

ইন্সপেক্টৰ বৰাৰ নিৰ্দেশক্ৰমে হাসিনেই সেই দুটা বস্তুৰ দায়িত্ব ললে।

লোৰ গেটখনৰ এটা ভাগ ইতিমধ্যে খুলি দিয়া হৈছিল। প্ৰাণজিত আৰু হাসিনৰ সতে বৰা গেটৰ ভিতৰ সোমোৱাৰ লগে লগে ডেকা দুজনে বিশেষ এটা ভঙ্গীৰে প্ৰাণজিতক সম্ভাষণ জনালে। প্ৰাণজিতে কিন্তু তাৰ কোনো উত্তৰ নিদিলে। তেওঁ বাৰে বাৰে চিনাকি-চিনাকি লগা ডেকাজনৰ মুখলৈহে চাবলৈ ধৰিলে।

এটা সময়ত দলটো ওপৰ মহলা পালেগৈ। ডেকা দুজনেই প্ৰাণজিতক সমুখৰ কোঠালীটোৰেদি ভিতৰলৈ মাতি লৈ গ'ল। কিন্তু হাসিনক তেওঁৰ লগত যাবলৈ দিয়া নহ'ল। বৰাই তাক এটা বেলেগ কোঠালৈ মাতি লৈ গ'ল। বেগ আৰু ছুটকেছটোৰ সতে তাক এটা সৰু কোঠাত সুমুৱাই বহিবলৈ দি দুৱাৰখন তৎক্ষণাৎ বাহিৰৰপৰা বন্ধ কৰি দিয়া হ'ল।

প্ৰাণজিতক যিটো কোঠালৈ মাতি নিয়া হৈছিল তালৈ সোমাই গৈ

বৰাই ক'লে, "মিঃ চলিহা, আপুনি বহক। মই অলপ পিচতহে আপোনাৰ সতে কথা পাতিব পাৰিম।' তাৰ পিচত ডেকা দুজনলৈ চাই—"নীৰেণ, অমূল্য, তোমালোকে মিঃ চলিহাক অলপ বেষ্ট লবলৈ দিয়া। এখেতৰ ভাগৰ পলায় মানে মই বেগেগ এটা কাম কৰি আহোঁগৈ।' এইবুলি সাউৎকৈ কোঠাৰপৰা ওলাই আহিল।

এইবোৰ কি হবলৈ ধৰিছে একো বুজিব নোৱাৰি প্রাণজিতে ডেকা দুজনলৈ চাই সুধিলে—'মোক কিয় ইয়ালৈ ধৰি অনা হৈছে মই একো বুজিব পৰা নাই। ইন্সপেক্টৰ বৰা নে কি সেইজন! তেওঁ কৈছিল, কোনোবাই হেনো মোক দুটামান কথা সুধিব। কিন্তু কোনে? ইয়াত তো আৰু অন্য মানুহ কোনো নাই।'

প্রাণজিতৰ চিনাকি চিনাকি লগা ডেকাজনে মৃদু হাঁহি এটা মাৰি ক'লে, 'ধৈৰ্য্য ধৰা প্রাণজিত, আমাৰ কাম হৈ নেযায় মানে তুমিতো ইয়াৰপৰা যাবও নোৱাৰা! মিছাকৈ উচ্‌পিচথন লগাইছা কিয়?'

'কিয়? মই ইয়াৰপৰা যাব নোৱাৰিম?' বুলি গিৰিপকৈ প্রাণজিত বহাৰপৰা উঠিল: 'তোমালোকৰ·· তোমালোকৰ উদ্দেশ্য কি?'

'উদ্দেশ্য কিছু মহৎ বুলিয়েই কব পাৰা। কিন্তু তুমি উঠিলা কিয় আৰু চোৰৰ দৰে পুলুং-পুলুং কৰিছা দেখোন? পলাবলৈ বাট বিচাৰিছা নেকি?'

দুজন ডেকাই ক'লে, 'বহা বহা প্রাণজিত! পলাবলৈ বাট বিচাৰিলেও তুমি আমাৰ হাতৰপৰা পলাই সাৰিব নোৱাৰা। কাৰণ তুমি এতিয়া আমাৰ বন্দী। আমি নিজ ইচ্ছামতে মুক্তি নিদিয়ালৈকে তুমি ইয়াতেই থাকিব লাগিব।'

হঠাৎ কিবা এটা ভাবি প্রাণজিত আকৌ চকীখনত বহি পৰিল।

'বুজিছোঁ, সেই বদমাচটোৱেও মোক প্রবঞ্চনা কৰিলে। বোধহয় সি পুলিচৰ মানুহ নহয়; পুলিচ ইন্সপেক্টৰৰ ভেশছন ধৰি......কিন্তু...কিন্তু তোমালোকৰ মতলব কি?'

'কলোঁৱেই দেখোন আমাৰ উদ্দেশ্য কিছু মহৎ। কিন্তু সকলো কথা তোমাক এতিয়াই কৈ দিব নোৱাৰি। কাৰণ আমাৰ আচল নেতা এতিয়াও আহি পোৱা নাই। মুঠতে এতিয়া এইটোকে জানি থোৱা যে তুমি আমাৰ এটা ডাঙৰ কাৰ্য্য সাধন কৰি দিব লাগিব।'

'মানে?'

কিন্তু প্ৰাণজিতৰ সেই মানেটোৰ উত্তৰ দিয়া নহ'ল; ঠিক সেই সময়তে ট্ৰে এখনত একাপ চাহ আৰু প্লেটত কিছু খোৱা বস্তু লৈ এটা ল'ৰা ভিতৰ-ফালৰপৰা ওলাই আহিল। ডেকা দুজনৰ এজনে চাহ আৰু খোৱা বস্তু-খিনি প্ৰাণজিতৰ সমুখত তালকৈ সজাই দিলে।

মনত সংকোচ থাকিলেও এই সময়ত একাপ চাহৰ প্ৰয়োজন প্ৰাণজিতে বাৰুকৈয়ে অনুভৱ কৰিছিল। সেয়ে তেওঁ একো আপত্তি নকৰিলে।

॥ পঁচিশ ॥

ঘৰটো কাৰ, কেইটা কোঠালী আছে, মাইকী মানুহ থাকেনে নেথাকে সেইবোৰতো প্ৰাণজিতে একো গমেই পোৱা নাছিল; আনকি তেওঁক নজৰ-বন্দী কৰি ৰখা ডেকা কেইজনৰ পৰিচয়ো তেওঁ সমূলি পোৱা নাছিল।

এটা সময়ত তেওঁক কোঠাটোত অকলশৰে এৰি থৈ ডেকা দুজন আঁতৰি গৈছিল। সেই সুযোগতে কোঠাটোৰ ভিতৰখন তেওঁ ভালকৈ চাই ললে। দিনতেই লাইট জ্বলাই থোৱা কোঠাটোৰ ভিতৰত পাঁচখন কাঠৰ চকীৰে সতে লোহাৰ খুৰা আৰু ওপৰত ৰঙীন ছানমাইকা লগোৱা এখন টেবুল আৰু বেৰৰ একাষে পাৰি থোৱা এখন মজলীয়া ৰঙৰ পালেঙৰ বাহিৰে আন আচবাব বুলিবলৈ একো নাছিল। বেৰত আঁৰি থোৱা আছিল এখন পুৰণি কেলেণ্ডাৰ আৰু এখন ফ্ৰেমবন্ধ মহাত্মা গান্ধীৰ ছবি। গান্ধীৰ ছবি-খনত এধাৰ সজীব ফুলৰ মালা ওলমি আছিল।

চকীত আঁউজি, চকু দুটা মুদি আকাশ-পাতাল চিন্তা কৰি কৰি কিমান সময় কটাই দিলে প্ৰাণজিতে কব নোৱাৰিলে। হঠাৎ কোঠালীৰ বাহিৰত একেলগে হোৱা বহুতো জোতাৰ শব্দ কাণত পৰাত তেওঁ সচেতন হ'ল। অজান বিপদৰ আশংকাই আচ্ছন্ন কৰি ৰখা মনটোক সবল কৰি তুলিবলৈকে তেওঁ গিৰিপকৈ বহাৰপৰা উঠিল আৰু কোঠাটোৰ ভিতৰত যিকণ মুকলি ঠাই আছিল তাতেই ইফালৰপৰা সিফাললৈ অহা-যোৱা কৰিবলৈ ধৰিলে।

দুবাৰ কি তিনিবাৰমানহে সেইদৰে অহা-যোৱা কৰিবলৈ পালে, এনেতে বাহিৰফালৰপৰা দুৱাৰ খোলাৰ শব্দ শুনিলে প্ৰাণজিতে। তেওঁ এবাৰ ভাবিছিল, দুৱাৰ খোলোঁতেই তেওঁ ছেগ বুজি ওলাই দৌৰ মাৰিব নেকি?

কিন্তু সেই সুযোগ তেওঁৰ ভাগ্যত নঘটিল।

দুৱাৰখন খুব সাৱধানে খুলি এজন এজনকৈ চাৰিজন মানুহ ভিতৰলৈ সোমাই আহিল। লগে লগে দুৱাৰখন ভিতৰফালৰপৰা বন্ধ কৰি দিয়া হ'ল। প্ৰাণজিতে দেখিলে, প্ৰায় সমবয়সীয়া ডেকা কেইজনৰ ভিতৰত এখনহে নতুন মুখ আছে। নতুন মুখৰ গৰাকীজন বাকী কেইজনতকৈ ওখ আৰু স্বাস্থ্যবান। গাত এটা ক'লা কোট। চকুত শকত ক'লা ফ্ৰেমৰ চছমা। ইন্সপেক্টৰ বৰা দলটোৰ একেবাৰে শেষত আহিল।

চাৰিওজনে তীক্ষ্ণ, সতৰ্ক দৃষ্টিৰে এবাৰ প্ৰাণজিতক ভালদৰে চাই ল'লে। প্ৰাণজিতক থিয় হৈ থকা দেখি বহিবলৈ কোৱা হ'ল। তেওঁলোকো বহিল।

'বাৰু মিঃ চলিহা,' ক'লা কোট, ক'লা চছমা পিন্ধা হৃষ্ট-পুষ্ট ডেকাজনেই প্ৰথমে আৰম্ভ কৰিলে—'আপোনাৰ দেউতাক কোনদিনা দিল্লীৰপৰা আহিব আপুনি জানেনে?'

'সঠিক নেজানো।' প্ৰাণজিতৰ স্পষ্ট উত্তৰ।

'কিয়? আপুনিতো আজি দিল্লীৰপৰা আহিছে। সকলো খবৰেই আপুনি লৈ অহা নাই জানো?'

'আনিব পাৰো, কিন্তু সকলো খবৰেই যে আপোনালোকক দিব লাগিব তাৰ কোনো মানে নাই।'

'কিন্তু আমি আপোনাৰপৰা সকলো খবৰ বিচৰা নাই। আমাক মাত্ৰ এতিয়া এটা খবৰৰ লাগে: তেওঁ কোন দিনা আহিব।'

'মই নেজানো। দেউতাই সময়ত জনাম বুলি কৈছে।'

'ঠিক আছে, এতিয়া আপুনি এটা কাম কৰক।'

'কি কাম?'

'এটা জৰুৰী বাৰ্তা পঠিয়াই দি আপুনি দেউতাকক জনাই দিয়ক যে তেওঁ তেতিয়া দিল্লীৰপৰা দিছপুৰলৈ নাহি পোনে পোনে যেন ঘৰলৈ আহে।'

'কাৰণ?'

'অবৈধ নিৰ্বাচনৰ প্ৰতিবাদত আজি গোটেই অসম অশান্ত। এই অশান্ত অৱস্থাক শান্ত কৰাৰ এটা মাথোঁ উপায় আছে। সেয়া হ'ল নিৰ্বাচনৰ প্ৰস্তুতি বন্ধ কৰি দিয়া।'

প্ৰাণজিতে নিৰ্ভয়েৰে সুধিলে—'কিন্তু নিৰ্বাচনৰ প্ৰস্তুতি বন্ধ কৰাৰ লগত দেউতা ঘৰলৈ অহাৰ সম্পৰ্ক কি?'

'সম্পৰ্ক নিশ্চয় আছে মিঃ চলিহা! প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহৰ

সমৰ্থন নেপালে চৰকাৰে অকলে নিৰ্বাচন পাতিব নোৱাৰে। অৱশ্যে এই-খিনিতে আপোনাক এটা কথা জনাই থোৱা ঠিক হব যে আমাৰ আচল প্ৰয়োজন আছিল আপোনাৰ দেউতাককহে। তেখেতক পোৱা হ'লে আমি আপোনাক একো নকৰিলোহেঁতেন। কিন্তু কি কৰিম, দিল্লীৰপৰাতো তেখেতক আমি ধৰি আনিবগৈ নোৱাৰোঁ। গতিকে আমাক আপুনি সহায় কৰিবই লাগিব।'

ডকাইতৰ উদ্দেশ্য বুজিবলৈ প্ৰাণজিতৰ আৰু বাকী নেথাকিল। তথাপি তেওঁ যে সহজে কাৰো ওচৰত এনেদৰে স্বীকাৰ কৰা মানুহ নহয় তাকে দেখুৱাবলৈকে খঙেৰে ক'লে, 'মই কি সহায় কৰিব লাগে?'

'বিশেষ একো নহয়, কেৱল দেউতাৰাক এখন আৰ্জেণ্ট টেলিগ্ৰাম কৰিব লাগিব। তাত এটা কথাকে স্পষ্টকৈ উল্লেখ কৰিব লাগিব যে নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ সিদ্ধান্ত তেখেতে যেন ত্যাগ কৰে।'

প্ৰাণজিত জাপ মাৰি উঠিল।

'নেভাব। মই তেনে কাম কেতিয়াও কৰিব নোৱাৰোঁ।'

'আপুনি কৰিবই লাগিব মি. চলিহা! নহ'লে আপোনাৰ কোনো গত্যন্তৰ নাই। মনত ৰাখিব, ইয়াৰ লগত আপোনাৰ জীৱন-মৰণৰ প্ৰশ্নও গভীৰ-ভাৱে সাঙোৰ খাই আছে।'

একোলৈকে ভ্ৰূক্ষেপ নকৰাৰ দৰে প্ৰাণজিত চিঞৰি উঠিল। 'মোক তোমালোকে যি খুচী তাকে কৰিব পাৰা। তথাপি তেনেকুৱা এটা ভুল, তেনেকুৱা এটা অন্যায় মই কেতিয়াও কৰিব নোৱাৰোঁ।' কৈ কৈ প্ৰাণজিত বহাৰপৰা উঠি থিয় হ'ল।

তেওঁৰ সেই আচৰণ স্বাভাৱিক বুলিয়েই ধৰি লৈ নীৰৱেণে মাত লগালে—'চোৱাঁ প্ৰাণজিত, আমি একো ভুল কৰা নাই। বিদেশীৰ নামেৰে পৰিপুষ্ট ভোটাৰ লিষ্টৰ ওপৰত নিৰ্ভৰ কৰি পাতিব খোজা নিৰ্বাচন যে কোনোপধ্যে সাংবিধানিক হব নোৱাৰে, নিৰ্বাচন বন্ধ কৰাৰ প্ৰস্তুতিৰে আমি তাকে দেখুৱাই দিব খুজিছোঁ। গতিকে তুমি আমাক এইখিনি সহায় কৰিবই লাগিব।'

'নকৰোঁ, নকৰোঁ, মই কেতিয়াও নকৰোঁ।'

'তুমি কৰিবই লাগিব প্ৰাণজিত! নহ'লে এই বন্ধ কোঠালীৰপৰা ওলাই যোৱাৰ তোমাৰ কোনো ৰাস্তা নাই।' এইবুলি ক'লা কোট পিন্ধা সুদৰ্শন

যুৱকজনলৈ চাই নীৰেণে ক'লে, 'কৰাইদেউ, আপুনি আইন জনা মানুহ। কথাখিনি কেনেকৈ লিখিলে ভাল হব আপুনিয়েই এওঁক বুজাই দিয়ক। অমূল্য, তই কাগজ-কলম লৈ আহগৈ।'

আনিবলৈ যোৱা'ৰ দৰ্কাৰ নহ'ল। কাগজ-কলম অমূল্যাৰ জেপতে আছিল। সি উলিয়াই দিলে। আইনৰ ব্যৱসায় কৰা ডেকাজনে ক'লে, 'ইয়াত আইনৰ কথা একো নাই। দেউতাৰক মাত্ৰ মিঃ চলিহাই জনাই দিলেই হ'ল যে—'

'Shut up!' প্ৰাণজিতে বিকৃত স্বৰত চিঞৰি উঠিল—'এইবোৰ গুণ্ডামি কৰিবলৈকে মোক airportৰ পৰা ধৰি আনিছিলা নহয়? চাবা কিন্তু, মই কেনেবাকৈ ইয়াৰপৰা ওলাই যাব পাৰিলেই—'

প্ৰাণজিতৰ কথা শেষ নহ'ল, এপাট কঁাডৰ দৰে প্ৰাণজিতৰ কাষত উপস্থিত হৈ নীৰেণে পাঁচ বাৰে এটা চৰ তেওঁৰ গালত শোধাই দিলে— 'তই নিজে গুণ্ডা বাবে আমাকো গুণ্ডা বুলি ভাবিছ হবলা? আকৌ যদি তেনেকুৱা শব্দ উচ্চাৰণ কৰ তোৰ নাক-মুখ সমান হৈ যাব।'

কিন্তু প্ৰাণজিতো গুণ্ডামি কৰা ল'ৰাই। আনে তাক নেজানিলেও প্ৰাণজিতৰ চৰিত্ৰ সেইটো দিশ নীৰেণে ভালকৈ জানে। কলেজৰ বহুতো ল'ৰাই প্ৰাণজিতলৈ পেটে পেটে ভয় কৰিছিল।

মিতালি কাকতি এতিয়া ক'ত আছে বাৰু? বিয়া-বাৰু হৈ এতিয়া চাগৈ ঘোৰ সংসাৰী হ'ল। হবই, বয়সতো তাইৰ কম হোৱা নাই। একেখন কলেজৰে ছাত্ৰী মিতালি আৰু তাৰ মাজত গঢ়ি উঠা মধুৰ আত্মীয়তাখিনি প্ৰাণজিতে কিন্তু সমূলি সহ্য কৰিব পৰা নাছিল। বিশেষকৈ প্ৰাণজিতৰ প্ৰতি মিতালিয়ে সততে দেখুৱাই অহা অশ্ৰদ্ধা আৰু অৱজ্ঞাই প্ৰাণজিতক বৰ ক্ষুণ্ণ কৰিছিল। এদিন তাইৰ ওপৰত প্ৰতিশোধ লবলৈ গৈ ব্যৰ্থ হৈ প্ৰাণজিতে তাৰ ওপৰতে প্ৰতিহিংসা পূৰণ কৰিবলৈ উদ্যত হৈছিল। প্ৰথমে ধৈৰ্য্য ধৰি থাকিলেও শেহত প্ৰাণজিতৰপৰা পোৱা উচ্ছৃংখল ব্যৱহাৰে তাকো উচ্ছৃংখল হবলৈ বাধ্য কৰাইছিল। শক্তিযুদ্ধত অৱশ্যে তাৰেই পৰাজয় ঘটিছিল। প্ৰাণজিতৰ হাতৰ এটা ডুম্ভুৰ ঘোচাত তাৰ ওপৰ পাৰি দাঁতৰ এটা দাঁত স্খলকি পৰিছিল।

আজি, এই মুহূৰ্তত সি প্ৰাণজিতৰ গালত বহুওৱা চৰটো যে সেই দুৰ্জয় ঘোচাটোৰে যোগ্য প্ৰত্যুত্তৰ সেইটো বুজিবলৈ প্ৰাণজিতৰ নিশ্চয় পলম

নহ'ল। বহুত দিন যোগাযোগ নথকা কাৰণেই নীৰেণৰ কথা প্ৰাণজিতে পাহৰি গৈছিল। কিন্তু আজি তেওঁৰ সকলো মনত পৰি গ'ল।

হয়তো পুৰণি ক্ৰোধ নতুন ৰূপত প্ৰকাশ কৰাৰ প্ৰতিদান প্ৰাণজিতে ভালকৈয়ে দিলেহেঁতেন; কিন্তু বাকী কেইজন ডেকাৰ বাবেই সেই সুযোগ নেপালে। প্ৰাণজিতক জোৰকৈ বহুৱাই দি মৃদুলাই ক'লে, 'আপোনাক জুলুম কৰিবলৈ পাই আমি নিজেই কষ্ট পাইছোঁ মিঃ চলিগা! কিন্তু কি কৰিম, কৰ্তব্যাই আমাক কিছু নিষ্ঠুৰ হবলৈ বাধ্য কৰাইছে। বাৰু কওকচোন, বিদেশীৰ গৰাহত এটা জাতিৰ সমগ্ৰ পৰিচয় বিলুপ্ত হব খোজাৰ সময়ত গাদী আৰু ক্ষমতাৰ স্বপ্ন ডাঙৰ হব পাৰেনে, জাতিৰ প্ৰতি কৰ্তব্য ডাঙৰ হব পাৰে?'

প্ৰাণজিতে কঠোৰ স্বৰত ক'লে, 'এইবিলাক অনাগতিয়ান কথাৰ উত্তৰ দিবলৈ মই বাধ্য নহয়।'

'তাৰ মানে আপুনি আমাৰ কথা নুশুনে?'

'নুশুনো। দৰকাৰ হলে মোক মাৰি পেলাব পাৰে।'

'ঠিক আছে তেন্তে, আমিও আৰু আপোনাৰ লগত তৰ্ক নকৰোঁ। কিন্তু মনত ৰাখিব চলিহা, আপুনি সহায় নকৰিলেও আগন্তুক নিৰ্বাচনত যাতে মানবেন্দ্ৰ চলিহাই অংশ গ্ৰহণ কৰিব নোৱাৰে তাৰ ব্যৱস্থা আমি কৰিম।'

নীৰেণে ক'লে, 'আৰু যেতিয়ালৈকে আমি এনে কৰিব নোৱাৰোঁ তেতিয়ালৈকে তোৰো মুক্তি নাই। তোৰ গাড়ী আৰু ড্ৰাইভাৰো এতিয়া আমাৰ হাতৰ মুঠিত।'

আশা কৰা সময়তকৈয়ো যেতিয়া বহুখিনি সময় উকলি গ'ল তেতিয়া স্বাভাৱিকতে চলিহানীৰ মনটো উচ্‌পিচাবলৈ ধৰিলে।

তেওঁ এবাৰ ভাবিছিল, হয়তো বিমান কোঠৰপৰা প্ৰাণজিত বাহিৰে বাহিৰে দিছপুৰৰ ফালে গৈছে। নিৰ্বাচন আৰু মনোনয়ন দাখিলৰ দিন ঘোষণা কৰা হৈছে যেতিয়া চলিহাই হয়তো কিবা জৰুৰী খবৰ তাৰ হাতত দি পঠাইছে। কিন্তু সেয়ে হ'লেওতো ইমান সময়ে আহি পাব লাগিছিল! সে নি আজি নাহিলেই নেকি? বৰ্জিতৰো দেখাদেখি নাই। বিমান কোঠলৈ সিও গৈছিল নহয়!

পিছে চলিহানী অসীমাই যিটো কল্পনা কৰা নাছিল শেহত সেইটোৱেই হ'ল — দুপৰীয়া প্ৰায় দেৰটামান বজাত ৰঞ্জিত উপস্থিত হ'লহি। তাক অকলে দেখি চলিহানী আৰু আচৰিত হ'ল।

'কি হ'ল বন্ধু, সি নাহিল নেকি? গাড়ী কি হ'ল?'

মাকৰ লগতে পঙ্কজাও আহিল। খবৰটো শুনিবলৈ সকলো উদ্বিগ্নতা প্ৰকাশ কৰিলে।

ৰঞ্জিতে কিন্তু অসাধাৰণ ধৈৰ্য্য দেখুৱালে। সি ক'লে 'মই কব নোৱাৰোঁ। Air port-লৈ মই ওলোৱা নহ'ল! ঘৰৰপৰা অলপ দূৰ যোৱাৰ পিছতে আমাৰ সন্মুখত ... গাড়ীখনৰপৰা মোক নমাই লৈ গ'ল। গাড়ীতে হাসিনক অকলেই পঠাই দিলোঁ। সি অহাতো ইমান দেৰী ঘুৰি আহিব নোৱাৰিলে নাজানো কি হৈছে।'

এইবুলি ৰঞ্জিত নিজৰ কোঠাৰ ফালে গুচি গ'ল। কথাটোত সি সমলি গুৰুত্ব আৰোপ নকৰা দেখি চলিহানীৰ খং উঠিল। তেওঁ ৰঞ্জিতৰ কোঠালৈ গৈ আকৌ কিবাকিবি আৰম্ভ কৰিলে। তেতিয়ালৈ ঘৰৰ কোনেও ভাত খোৱা নাছিল। মাকে তাক ক'লে, 'তই এনেয়ে ভাতকিটা খাই বেগেতে শুনাই যাচোন। এনেকুৱা ঘটনা আগে-পিছে কেতিয়াও ঘটা নাই। আমি বুলি খবৰ দি সি কিয় নাহিব? ধৰি লওঁ বাৰু কিবা অসুবিধাৰ বাবে সি আহিব নোৱাৰিলে। হয়তো চেকেণ্ড ফ্লাইটতো আহিব পাৰে। কিন্তু হাসিনৰ 'কি হ'ল? গাড়ীখন লৈ সিতো আহি ওলাব লাগিছিল!'

কিন্তু চলিহানীৰ সকলো উদ্বিগ্নতা সৰলে অস্থিৰতাৰ অৱসান ঘটালে এক অকল্পনীয়, অপ্ৰত্যাশিত খবৰে। ৰঞ্জিত আৰু পঙ্কজাই তেতিয়া ডাইনিং টেবুলতে বহি বহা ... পাছি ভাত খাইছিল এনেতে বেডৰুমৰ টেলিফোনটো বাজি উঠিল। চলিহানী দৌৰি গৈ ৰিচিভাৰ তুলি ল'লে: 'হেল্লো' ... কোনে কৈছে?'

সিফালৰপৰা উত্তৰ আহিল: 'আপুনি মিষ্টাৰ চলিহা নেকি? শুনক মিষ্টাৰ চলিহা, আপোনাৰ ডাঙৰ ল'ৰা প্ৰান্তিক আৰু ড্ৰাইভাৰ হাসিনক আমি আটক কৰিছোঁ। তেওঁলোকক যদি ঘূৰাই পাবলৈ বিচাৰে তেন্তে আপুনি আমাৰ এটা চৰ্ত পূৰণ কৰিব লাগিব।'

'কি চৰ্ত?' বুলি চলিহানীয়ে কঁপা কঁপা মাতেৰে চিঞৰি সোধাত সিফালৰপৰা উত্তৰ আহিল—'আপোনাৰ গাড়ী, ড্ৰাইভাৰ আৰু পুতেকক

ঘূৰাই পাবলৈ হ'লে মিঃ চলিহাক নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ পৰা বিৰত ৰাখিব লাগিব। যেখেত নিৰ্বাচনত অৱতীৰ্ণ নোহোৱাৰ সিদ্ধান্তটো বাতৰি কাকতত প্ৰচাৰ কৰাৰ পিছত আমি আমাৰ মুক্তি-পণ ৰক্ষা কৰাৰ ব্যৱস্থা কৰিম। ...মনত ৰাখিব 'মেছ চলিহা, আমাৰ আদেশ যদি অমান্য কৰে তেন্তে তাৰ পৰিণাম হ'ব অতি ভয়ংকৰ। এটা কথা এইখিনিতে আপোনাক জনাই থওঁ: আমি কোনো দুৰ্বৃত্ত, ডকাইত বিশ্বা [illegible]দলৰ মানুহ নহয়; নিজৰ জাতি তথা মাতৃভূমিক ভালপোৱা, নিজৰ ভাষা-কৃষ্টি-সংস্কৃতিক ভাল-পোৱা আমি একো একোজন শিক্ষিত ও সমৰ্থীয়া ডেকা।'

চলিহানীয়ে কিবা এটা কবলৈ খুজিছিল যদিও কবলৈ সুবিধা নেপালে; সংযোগ লগে লগে বিচ্ছিন্ন হৈ গ'ল।

ৰিচিভাৰ থৈ দিয়েই উন্মাদিনীৰ দৰে চলিহানী কোঠাৰপৰা ওলাই আহিল। ডাইনিং ৰুমলৈ দৌৰি গৈ তেওঁ খবৰটো ৰঞ্জিতহঁতক জনালে। কিন্তু খবৰটো শুনি ৰঞ্জিত আৰু পঙ্কজাৰ মনত যেনে প্ৰতিক্ৰিয়া হ'ব বুলি তেওঁ আশা কৰিছিল তাৰ কোনো আভাসেই নেদেখিলে। নিৰ্বিকাৰভাৱে ভাত খাই থকা ৰঞ্জিতে কেৱল গহীনভাৱে মন্তব্য কৰিলে: 'এইটো পৰিস্থিতিত তেনেকুৱা হোৱাটোৱেই স্বাভাৱিক মা। পিছে তুমি কি কৰিম বুলি ভাবিছা?'

উৎকণ্ঠাভৰা দৃষ্টিৰে পঙ্কজায়ো মাকৰ মুখলৈ চালে। অৱশ্যে ৰঞ্জিতৰ মুখৰপৰা তাই ইতিমধ্যে সকলো খবৰ পাইছে।

শংকাবিহ্বল মাতেৰে মাকে ক'লে, 'কি কৰিম, পুলিচত এতিয়াই খবৰ দিম। এনেকুৱা অৱস্থাত পুলিচৰ সহায় লোৱাৰ বাহিৰে আন কিবা উপায় আছে জানো?'

ৰঞ্জিতে ক'লে, উপায় 'নিশ্চয় আছে মা! পুলিচৰ সহায় নোলোৱাকৈয়ো তুমি এই বিপদৰপৰা ৰক্ষা পৰিব পাৰিবা। অৱশ্যে তাৰ বাবে তোমাৰ কিছু ত্যাগ, কিছু উদাৰতাৰ প্ৰয়োজন হ'ব। লগতে দেউতাৰ প্ৰতি থকা অন্ধ আনুগত্যও বিসৰ্জন দিব লাগিব।'

'তই—তই কি কৈছ ৰঞ্জু? ইমান এটা বিপদতো তই মোক তুচ্ছ-তাচ্ছিল্যহে কৰিবলৈ ওলাইছ?'

'নহয় মা, মই ঠিক কথাহে কৈছোঁ। তোমাৰ পুত্ৰ, ড্ৰাইভাৰ আৰু গাড়ী যদি অক্ষত অৱস্থাত ঘূৰাই পাবলৈ বিচাৰা তেন্তে তেওঁলোকৰ মুক্তি-পণ

অনুসৰি কাম কৰাটোহে বেছি ভাল হব। পুলিচৰ সহায় লৈ কোনো লাভ নাই মা।'

মাকে ক'লে, 'নাই, নাই, মোক তোৰ কথা নেলাগে বন্ধু! মই এতিয়াই পুলিচলৈ ফোন কৰোঁগৈ।' কৈয়ে চলিহানী ডাইনিং হলৰপৰা বেগেৰে শোৱা কোঠাৰ ফালে খোজ লোৱা দেখি ভাতৰ পাতৰপৰাই পঙ্কজাই চিঞৰি ক'লে, 'মা শুনাচোন, পুলিচত এতিয়াই খবৰ নিদিবা। কি ঠিক, পুলিচত খবৰ দিলে সিহঁতে কিজানি দাদাইতক মাৰি পেলায়? তেতিয়া জানো কিবা লাভ হব মা?'

মাক বৈ গ'ল। কথাষাৰে তেওঁৰ মনত যেন বৰ বেলেগ ধৰণে ক্ৰিয়া কৰিলে। তেওঁ আকৌ উলটি গ'ল ডাইনিং ৰুমলৈ।

মাকক উলটি যোৱা দেখি ৰঞ্জিতে ক'লে, 'চোৱা মা, পুলিচত খবৰ দিয়াৰ কথা মযো ভাবিছোঁ; কিন্তু তাৰপৰা যদি কোনো কাম নহয়? মানে ধৰা, পুলিচত খবৰ দিয়া বুলি গম পাই দুৰ্বৃত্তইঁতে যদি দাদাইতৰ সৰ্বনাশ কৰি দিয়ে? সেয়ে কৈছোঁ, অনৰ্থক দুটা প্ৰাণীৰ জীৱন নাশ কৰাৰ ব্যৱস্থা কৰাতকৈ দেউতাক টেলিগ্ৰাম কৰি সোনকালে মাতি অনাই ভাল।'

চলিহানীৰ যেন মূৰটো ঘূৰাবলৈ ধৰিলে। তেওঁ কি কৰিব, কি নকৰিব একো ঠিক কৰিব নোৱৰাত পৰিল। খেলিমেলি চিন্তাবোৰেৰে তেওঁ ক'লে, 'কিন্তু দেউতাৰে জানো আমাৰ কথা শুনিব? আহি পেলাই যদি হুলস্থুল এখন আৰম্ভ কৰি দিয়ে?'

ৰঞ্জিতে ক'লে, 'সেইটো যাতে নহয় আমি তাৰ কাৰণে আগৰপৰাই সাৱধান হব লাগিব।'

॥ ছাব্বিশ ॥

সম্পূৰ্ণ তিনিটা দিন বন্ধ কোঠালীৰ বন্ধ পৰিবেশত আবদ্ধ হৈ থাকিও প্ৰাণজিতে নিজৰ সিদ্ধান্ত লৰচৰ নকৰিলে।

প্ৰাণজিতৰ মানসিক দৃঢ়তাই সকলোকে আচৰিত কৰিলে। আনকি ৰঞ্জিতেও প্ৰমাদ গণিলে। ককায়েক যে দেউতাকৰ একান্ত অনুগামী আৰু কিছু ক্ষেত্ৰত পথ-প্ৰদৰ্শকো সেইটো সি সৰুৰেপৰাই দেখি আহিছে; কিন্তু তেওঁৰ ভিতৰত যে

ইমান এটা দৃঢ় মনোবল লুকাই আছিল সেইটো সি কোনোদিনে গম পোৱা নাছিল।

প্ৰাণজিতক লুকুৱাই থৈ বঞ্জিতহঁত সমস্যাতহে পৰিল।

অৱশ্যে মাকৰ মনোভাবৰ কিছু পৰিবৰ্তন হোৱা বঞ্জিতহঁতে লক্ষ্য কৰিছে। বঞ্জিত আৰু পঙ্কজাৰ বুজনিত পতিয়ন গৈ চলিছানীয়ে খবৰটো এতিয়াও পুলিচত নজনোৱাকৈ আছে। সেইবুলি তেওঁ যে শান্তিৰে খাব-শুব পাৰিছে সেইটোও নহয়। এই তিনিদিন তেওঁ ভাতৰ পাতত কেৱল বহিছেহে, ভাত এটাও পেটলৈ যোৱা নাই। টোপনিও নাই। আটাইকেইদিন বিছনাত পৰি ছট্-ফটাই আছে, ইবাগৰ সিবাগৰ কৰি ৰাতি পুৱাই দিছে।

মাজে মাজে বঞ্জিত আৰু পঙ্কজাক সুধিছে—'তহঁতে বাৰু কিবা গম পাইছ নেকি সি ক'ত আছে? কোনে অপহৰণ কৰিছে?'

বঞ্জিত আৰু পঙ্কজাই একেলগে উত্তৰ দিছে—'আমি জনা হলে জানো এনেকৈ বহি থাকিলোহেঁতেন মা? পিছে এনেকুৱা ঘটনা অকল এইটোৱেই নহয়, ঠায়ে ঠায়ে আৰু ঘটিছে। খবৰ কাগজত পাইছা নহয়!'

এই তিনিদিনৰ ভিতৰত প্ৰাণজিতৰ স্বাস্থ্যৰো অৱনতি নঘটাকৈ থকা নাই। অনাহাৰ, অনিদ্ৰা আৰু মানসিক নিৰ্য্যাতনে তেওঁৰ চেহেৰা বদলাই দিছে। তাতে তিনি-চাৰিদিন ডাটি কমাব পৰা নাই, গা ধুব পৰা নাই। এইবিলাক কষ্ট তেওঁক অৱশ্যে দিও বুলিয়েই দিয়া হৈছে। সেইবুলি ভাতৰ কষ্ট তেওঁক দিয়া হোৱা নাছিল। বন্দী কৰাৰ মুহূৰ্তৰপৰাই তেওঁক সময়মতে ভাত আৰু চাহৰ যোগান ধৰা হৈছিল। কিন্তু মাজে মাজে একোকাপ চাহ আৰু ঠাণ্ডা পানীৰ বাহিৰে প্ৰাণজিতে এতিয়ালৈকে একো গ্ৰহণ কৰা নাই। তেওঁ যেন প্ৰতিজ্ঞা কৰিছে—'তহঁতে দিয়া ভাত মই নেখাওঁ। চাওঁচোন ভাত নোখোৱাকৈ কিমান দিন থাকিব পাৰোঁ। কিন্তু মোৰ এই অৱস্থাৰ কথা মোৰ ঘৰখনে গম পাইছেনে, নাই? মাই গম পাইছেনে? বঞ্জিত আৰু পঙ্কজাই? নে বঞ্জিতো এই দলত লিপ্ত আছে? যদি আছে তাক দেখা নাই কিয়?'

তেওঁক বন্দী কৰা দলটোত যে বঞ্জিতো লিপ্ত আছে সেই কথা তেওঁক জানিবলৈ দিয়া দূৰৰ কথা, সন্দেহ কৰিবলৈকো সুবিধা দিয়া হোৱা নাই। নিচেই কাষত থাকিও বঞ্জিত যেন তেওঁৰপৰা বহুত দূৰত আছে।

নানা প্ৰকাৰে ভাবুকি দিও, অশেষ মানসিক নিৰ্য্যাতন চলায়ো যেতিয়া প্ৰাণজিতক দৈমান কৰিব পৰা নগ'ল তেতিয়া দলটোৰ হৈ বঞ্জিতেই সেই কামটো কৰিবলৈ দায়িত্ব ললে।

বঞ্জিতৰ তাঁৰ বাৰ্তা পাই চলিহা ঘৰ পালেহি। আহিয়েই তেওঁ সবিশেষ জানিবলৈ বিচাৰিলে। চলিহানী অসীমাই টেলিফোনত শুনা কথাখিনিকে ভালকৈ বুজাই-মেলি কোৱাত চলিহা খঙত যেন টিঙিৰি তুলা হ'ল।

তেওঁ সুধিলে, 'তোমালোকে দেখোন কি কৰিছা? মোক টেলিগ্ৰাম কৰি মাতি অনাৰ আগতে পুলিচত খবৰ এটা দিব নোৱাৰিলা? তোমালোকৰ এইখেৰা কাণ্ডজ্ঞানো নহ'লনে?'

চলিহানীয়ে উত্তৰ দিলে—'শুনকচোন, মই দেখোন তেতিয়াই পুলিচত খবৰ দিব খুজিছিলোঁ, কিন্তু ইহঁতে দুটাই মানা কৰিলে, বোলে পুলিচত খবৰ দিলে কথা বেছি বেয়াকৈহে যাব। এহাতৰ হলে দুহাতে কাটিবলগীয়া হব পাৰে।'

'হয়নে? সিহঁতৰ কথামতেই তুমি ইমান এটা ডাঙৰ কৰ্ত্তব্যৰ অৱহেলা কৰিলা? কিহৰ এহাতৰ হলা দুহাতে কাটিবলগীয়াত হৈছে? ছিঃ ছিঃ, তুমি ইমান দুৰ্বলেছ বুলি মই ভবা নাছিলোঁ। ৰবা মই এতিয়াই ডি-এছ-পি শইকীয়ালৈ ফোন কৰি—'

কিন্তু চলিহাই ফোন কৰিবলৈ নেপালেই, তাৰ আগতেই বেডৰুমৰ টেলিফোনটো জনজনাই বাজি উঠিল। চলিহাই নিচিভাৰ তুলি ল'লে: হেল্লো—

নমস্কাৰ চলিহা ডাঙৰীয়া! আপুনি এইমাত্ৰ আহি পাইছে বুলি খবৰ পাই টেলিফোন হাতত লৈছোঁ।'

'আপুনি মানে তুমি কোন? ক'ৰপৰা কৈছা?'

'মই ক'ৰপৰাই নকওঁ আৰু যেয়েই নহওঁ লাগিলে আপোনাৰ জনাৰ বিশেষ দৰকাৰ নাই। মুঠতে মই যে আপোনাৰ শত্ৰু নহয় সেই বিষয়ে আপুনি নিশ্চিন্ত থাকিব পাৰে। এতিয়া শুনক: আপোনাৰ পুত্ৰ প্ৰাণজিত আৰু ড্ৰাইভাৰ কাসিমৰ অৱস্থা বৰ ভাল নহয়। গাড়ীখন অৱশ্যে নিৰাপদে আছে। প্ৰাণজিত আৰু ড্ৰাইভাৰটোক যদি খুৱাই পাবলৈ বিচাৰে তেন্তে আজিৰ ভিতৰতে আপুনি মত পৰিবৰ্ত্তন কৰক। আপোনাৰ নতুন সিদ্ধান্ত খবৰ কাগজত প্ৰচাৰ হোৱাৰ লগে লগে আৰু সংশ্লিষ্ট বিভাগৰপৰা আপোনাৰ পৰিবৰ্ত্তিত সিদ্ধান্তৰ বিষয়ে নিশ্চিত হোৱাৰ লগে লগে আমি আমাৰ পূৰ্ব্বোৰ্থিত

চৰ্ত অনুসৰি সকলো ব্যৱস্থা কাৰ্য্যকৰী কৰিম। কিন্তু আমাৰ নিৰ্দেশ উলংঘা কৰিলে আপুনি আপোনাৰ পুতেক বা ভ্ৰাইভাৰটোকে নেহেৰুৱাব, আৰু বহুত কিবাকিবি হেৰুৱাব লাগিব'।

সিফালৰ কথা বন্ধ হোৱাত চলিহাই কিবা এটা কব খুজিছিল, কিন্তু হেল্লো-হেল্লোকৈ কেবাবাৰো চিঞৰিও কোনো সঁহাৰি নেপালে। সংযোগ তৎক্ষণাৎ বিচ্ছিন্ন হৈ গ'ল। শেষত একো কৰিব নোৱাৰি চলিহাই ৰিচিভাৰটোকে থেকেচা মাৰি থলে।

চলিহানী কাষতে আছিল যদিও ফোনত কোনে কি ক'লে তেওঁ একো ধৰিব নোৱাৰিলে। সেয়ে সুধিলে, কি হ'ল, কিবা অনুসন্ধান পালে নেকি ?'

'নাই, একো ধৰিব নোৱাৰিলোঁ। মুঠতে হাসিন আৰু তাক সিহঁতেই ক'ৰবাত বন্দী কৰি থৈছে। কিন্তু সিহঁত কোন ? যিটোৱে ফোন কৰিছিল তাৰ মাতটো একেবাৰে ধৰিব নোৱাৰিলোঁ।'

চলিহানীয়ে গভীৰ উদ্বিগ্নতাৰে সুধিলে—'তেতিয়াহলে এতিয়া কি কৰিম বুলি ভাবিছে ?'

'মই এতিয়াই ওলাই যাম। প্ৰথমতে থানালৈকে যাওঁ। যদি থানাই ইতিমধ্যে তদন্তৰ কিবা ব্যৱস্থা কৰিছে তেনেহলেতো ভালেই, যদি একো কৰা নাই তেন্তে তাৰ বাবে জোৰ দি লাগিব লাগিব। অন্ততঃ সেই মানুহটোৱে মোলৈ ক'ৰপৰা ফোন কৰিছিল সেইটো জানিব পাৰিলেও বহুত কামত আহিব।'

চলিহানীয়ে দকৈ যেন কিবা এটা চিন্তা কৰিলে।

'নাই, নাই, মই আপোনাক এতিয়া এনেকৈ ওলাই যাবলৈ নকওঁ। শত্ৰুৰ কোনো সন্দেহ পোৱা নাই যেতিয়া আপুনিও নিৰাপদ নহয় বুলি জানি লব। তাতেকৈ আপুনি এটা কাম কৰক—'

'কি ?'

'থানালৈ এটা ফোন কৰি সকলো কথা জনাই দিয়ক। লগতে এইমাত্ৰ আপোনালৈ অহা ফোনটোৰ কথাও উল্লেখ কৰিব। ফোনটো ক'ৰপৰা কৰা হৈছিল বা কোন নম্বৰপৰা কৰা হৈছিল তাকো ততালিকে অনুসন্ধান কৰিবলৈ কওক। মোৰ বিশ্বাস, ফোন নম্বৰটো আবিষ্কাৰ কৰিব পাৰিলেই সকলো বহস্য ওলাই পৰিব।'

অসীমাৰ কথাকিটাই চলিহাক যেন বৰ আকৰ্ষিত কৰিলে। দোধোৰ-মোধোৰ ভাবটো যেন তেওঁৰ থিতাতে নাইকিয়া হৈ গ'ল। তেওঁ ক'লে, 'এৰা, সেইটো কথা মই ভাবিবলৈকে পাহৰি গৈছিলোঁ। তুমি বেছ মনত পেলাই দিলা।'

সময় নষ্ট নকৰি চলিহাই তেতিয়াই থানালৈ টেলিফোন কৰিলে। কিন্তু থানাৰ যিজন মানুহৰ সতে কথা পাতি তেওঁ বেছি ভাল পালেহেঁতেন সেই-জন মানুহ ধৰ্ম শইকীয়া তেতিয়া থানাত নাছিল। কিবা এটা জৰুৰী কেছৰ তদন্তত তেওঁ এফালে ওলাই গৈছিল। গতিকে চলিহাৰ কথাখিনি আন এজন ভাৰপ্ৰাপ্ত বিষয়াৰ আগতহে কবলগীয়া হ'ল।

যিয়েই নহওক, থানাৰ সেই বিষয়া গৰাকীয়ে চলিহাক সম্পূৰ্ণ সন্মানেৰে সৈতে আশ্বাস দি ক'লে যে তেওঁ এতিয়াই সেই বিষয়ে ব্যাপক অনুসন্ধান চলাব আৰু ডি-এছ-পি ধৰ্ম শইকীয়াকো সকলো কথা জনাব।

কিন্তু চলিহাৰ দুৰ্ভাগ্য যে গোটেই দিনটো অসীম ধৈৰ্য্যৰে বাট চোৱাৰ মূৰতো থানাৰপৰা কোনো উত্তৰ নেপালে। অগত্যা তেওঁ আকৌ থানালৈ ফোন কৰিলে। সেই বেলিও তেওঁ হতাশ হ'ল: ধৰ্ম শইকীয়া থানালৈ অহাই নাই। আনজন পুলিচ বিষয়াই আক্ষেপৰ সতে তেওঁক জনালে: 'আমি সেই ক্ষেত্ৰত জোৰ অনুসন্ধান চলাইছোঁ; কিন্তু এতিয়ালৈকে কোনো সুফল লাভ কৰিব পৰা নাই।'

এইবাৰ পত্নী অসীমাৰ কথামতেই চলিহাই পুলিচৰ উৰ্দ্ধতন কৰ্তৃপক্ষৰ লগত যোগাযোগ চলালে। উৰ্দ্ধতন কৰ্তৃপক্ষক চলিহাই এইবুলিও ভাবুকি দি থলে: যদি সেই সম্পৰ্কত উপযুক্ত তদন্ত চলাই কৰ্তৃপক্ষই শীঘ্ৰেই তেওঁক এটা সন্তোষজনক সমিধান দিব নোৱাৰে তেন্তে তেওঁৰ সাধ্যানুসৰি তেওঁ যি কোনো কঠোৰ ব্যৱস্থা লবলৈ বাধ্য হব।

আলেঙে আলেঙে হ'লেও পঙ্কজাই মাক-দেউতাকৰ সকলো কাৰ্য্য নিৰীক্ষণ কৰি আছিল। এবাৰ তাই দেউতাকৰ ওচৰ চাপি ক'লে, 'আপোনালোকে দেখিছোঁ এতিয়া বিপদ বঢ়াইহে লব দেউতা! থানাত এইবোৰ কথা নজনোৱা হলেই ভাল আছিল।'

ছুৱলীয়া জীয়েক বুলি বেছি মৰমৰ বাবেই হওক বা যি কাৰণেই নহওক, চলিহাই পঙ্কজাক কেতিয়াও টান কথা নকয়। কিন্তু আজি তেওঁৰ মনৰ অৱস্থা ইমানেই বেয়া যে মৰমৰ জীয়েকৰ উপস্থিতিটোৱেই তেওঁৰ বাবে

অসহৃকৰ হৈ পৰিল। তেওঁ ক'লে, 'এই আকৌ আহিলিনে ওকালতি কৰিবলৈ? হেৰ' এনেবুৰা বিপদত থানাৰ সহায় নলৈ কাৰ সহায় লম?'

পঙ্কজাই উত্তৰ দিলে—'কিন্তু থানাই জানো জীৱন্ত অৱস্থাত আপোনাৰ পুতেক বা ড্ৰাইভাৰক বিচাৰি আনি দিব পাৰিব? যদি নোৱাৰে?'

চলিহাই তাৰ কোনো উত্তৰ দিব নোৱাৰিলে।

ৰেডিঅ' শুনাৰ বিশেষ আগ্ৰহ নাথাকিলেও পঙ্কজাই ৰেডিঅ'টো 'অন' কৰি থৈছিল। এটা অশান্ত অস্থিৰ মন লৈ দিনটো তেনেকৈ কটাই দিয়াৰ পিছত চলিহা এটা সময়ত ৰেডিঅ'টোৰ কাষত বহিলগৈ। দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এজন নাগৰিকে প্ৰচাৰ কৰা এটা চমু আলচৰ পিচত হঠাতে চলিহাৰ কাণত পৰিল: 'এয়া আকাশ বাণী, গুৱাহাটী কেন্দ্ৰ। এতিয়া শুনক সন্ধিয়াৰ আঞ্চলিক বাতৰি কৈছে ...'

চলিহাই কাণ দুখন সজাগ কৰিলে।

'আমালৈ অহা এটা নিৰ্ভৰযোগ্য সূত্ৰৰ বাতৰি মতে ডিব্ৰুগড় জিলাৰ এটা বিধান সভা সমষ্টিৰ প্ৰাৰ্থী শ্ৰীঅজয়ানন্দ হাতী কাকতিৰ এজন দহ বছৰীয়া পুতেকক কোনো লোকে আলিবাটৰপৰা অপহৰণ কৰি নিছে। আন এটা সূত্ৰৰ বাতৰিমতে যোৰহাট বিধান সভা সমষ্টিৰ প্ৰাৰ্থী কৰুণাকান্ত পানীফুকনৰ এজনী সাত-আঠ বছৰীয়া ছোৱালীকো অনুৰূপ পদ্ধতিৰে কোনো দুৰ্বৃত্তই অপহৰণ কৰি নিছে। দুয়োটা অপৰাধমূলক ঘটনাৰ সম্পৰ্কত পুলিচে জোৰ তদন্ত চলাইছে যদিও কোনো ঘটনাৰ ক্ষেত্ৰতে একো উৎ-সূত্ৰ উলিয়াব পৰা নাই। উল্লেখযোগ্য যে দুষ্কৃতিকাৰীসকলে দুয়োজন প্ৰাৰ্থীকৈকে মুক্তি-চৰ্ত আৰোপ কৰি দাবী জনাইছে তেওঁলোকৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰিবলৈ। অন্যথায় হেনো দুয়োজন প্ৰাৰ্থীয়ে তেওঁলোকৰ পুত্ৰ আৰু কন্যাক হেৰুৱাব লাগিব।'

চলিহাৰ মন বেছি অশান্ত হৈ পৰিল। বাকীছোৱা বাতৰি শুনাৰ্কৈয়ে তেওঁ গিৰিপকৈ বহাৰপৰা উঠিল। ৰেডিঅ'টো বন্ধ কৰি তেওঁ কোঠাৰপৰা ওলাই যাব খোজোতেই গৃহিণীয়েকে ক'লে, ৰবচোন, ক'লৈ যায়?'

থানালৈ।' চলিহাই দৃঢ়ভাৱে ক'লে।

'নেলাগে।' এই ৰাতিখন মই অকলে আপোনাক কতোকো ওলাই যাবলৈ দিব নোৱাৰোঁ। তাতকৈ আপুনি এটা কাম কৰক।'

কি কাম?'

'কম, কিন্তু আপুনি মোৰ কথা শুনিব লাগিব। মই বহুত চিন্তা কৰিহে সেইটো ঠিক কৰিছো।'

'আহ! কি কব খুজিছা বেগেতে নোকোৱা কিয়? মোৰ এতিয়া বাজে কথা শুনিবৰ সময় নাই, ধৈৰ্য্যও নাই।'

চলিহানীয়ে ক'লে, 'কিন্তু মোৰ কথামতে কাম কৰিবলৈ হ'লে আপুনি ধৈৰ্য্য ধৰিবই লাগিব। সকলো কথা সুস্থিৰভাবে চিন্তা কৰিব লাগিব।'

'কি কব খুজিছা কোৱা।'

মাতত অলপো জড়তা নৰখাকৈ চলিহানীয়ে ক'লে 'পৰিস্থিতিটোৰ কথা এবাৰ ভালকৈ চিন্তা কৰি চাওক। নিজৰ জেদ পূৰাবলৈ গৈ যদি লৰা'কে হেৰুৱাবলগীয়া হয় তেন্তে আপুনি জানো কিবা লাভ হ'ব? মোৰ দেলিৰ কথাটো এবাৰ ভাবি চাওকচোন। কোনো বাধা-বিঘিনিলৈ ভ্ৰূক্ষেপ নকৰি নমিনেচন ছাবমিট কৰিবলৈ গৈছিল নহয়; কিবা লাভ হ'ল জানো?'

'তুমি এইবোৰ কি আৰম্ভ কৰিছা অসীমা?' চলিহাৰ কণ্ঠত তীব্ৰ অসন্তুষ্টি ফুটি উঠিল।

'সেইবাৰ কাৰো কথা নুশুনি ওলাই গৈ লোকৰ লৰা মাৰিলে, এইবাৰ—'

'এইবাৰ নিজৰ ল'ৰা মৰে বুলি ভয় কৰিছা নহয়? কিন্তু তোমাৰ মনলৈ হঠাৎ এই উপলব্ধি আহিল কেনেকৈ? অলপ আগতে তুমিয়েইতো মোক থানাৰ লগত যোগাযোগ কৰিবলৈ বুদ্ধি দিছিলা?'

'দিছিলোঁ, কিন্তু এতিয়া মোৰ মনত বেলেগ কথা খেলাইছে — পঙ্কজহঁত কোৱাৰ দৰে যদি সঁচাকৈয়ে থানাই সিহঁত দুটাক জীৱিত অৱস্থাত ঘূৰাই আনিব নোৱাৰে? যদি গাড়ীখনো ঘূৰি নাহে?'

'হুঃ! কি ক'লা? সিহঁত দুটা যদি ঘূৰি নাহে। গাড়ীখন যদি ঘূৰি নাহে? ··· তুমি ··· তুমি এইবোৰ কি কৈছা অসীমা? তোমাৰ মগজুৰ কিবা বিকৃতি ঘটা নাইতো?'

'কব নোৱাৰোঁ', অসীমাই খুব স্বাভাৱিক সুৰত কোৱাদি ক'লে, 'দুখ আৰু চিন্তাই যদি মোৰ মগজু বেয়া কৰিছে মই তাকো কব নোৱাৰোঁ। কেৱল মনৰ মাজত হঠাৎ উদয় হোৱা আশংকাৰ কথাটোহে প্ৰকাশ কৰিছোঁ।'

'চোৱা অসীমা, এই মানবেন্দ্ৰ চলিহা কি সাংঘাতিক মানুহ তুমি নিশ্চয় জানা। তুমি নিশ্চয় ইয়াকো জানা যে এই মানবেন্দ্ৰই কাৰো আবুকিলৈ, কাৰো

threatening লৈ পৰোৱাই নকৰে। তুমি ভাবা নেকি মই ইচ্ছা কৰিলে আজি ৰাতিটোৰ ভিতৰতে পুলিচ লগাই দুৰ্বৃত্তৰ সন্ধান উলিয়াব নোৱাৰিম ?'

'নোৱাৰিব দেউতা।' সেই কাম খুব সহজ নহব।' হঠাৎ কোঠাৰ দুৱাৰ মুখত ৰঞ্জিতক দেখি চলিহা-চলিহানী দুয়ো যেন চক খাই গ'ল। ৰঞ্জিত কোন মুহূৰ্তত ঘৰ সোমাইছিলহি তেওঁলোকে কোনেও গম নেপালে। দুৱাৰমুখৰ পৰাই ৰঞ্জিতে কথাকিটা শেষ কৰিলে—'ফোনত আপোনাক পৰিষ্কাৰকৈ জনাই দিয়া হৈছে যে আপোনাৰ পৰিবৰ্তিত সিদ্ধান্তৰ কথা কাগজত প্ৰচাৰ হোৱাৰ লগে লগে তেওঁলোকে অপহৃত মানুহ আৰু সম্পত্তি আপোনাক ঘূৰাই দিব। সেই সহজ কামটোকে নকৰি অনৰ্থক কিছুমান বিপদ আৰু অশান্তি বঢ়াই লোৱাৰ প্ৰয়োজন কি দেউতা ?'

ৰঞ্জিতৰ উপস্থিতিত যিমান অপ্ৰস্তুত হৈছিল চলিহা তাতকৈ বেছি অপ্ৰস্তুত হ'ল তাৰ সুস্পষ্ট স্বৰৰ কথাকিটাত। ক্ৰুদ্ধভাবে পুত্ৰকৰ মুখলৈ চাই তেওঁ ক'লে, 'তই আকৌ আহিলিনে জ্বলা জুইত ঘিউ ঢালিবলৈ ? নে সেই গুণ্ডা-দগাবাজৰ দলত তয়ো আছ ?'

সেই প্ৰশ্নৰ বাবে ৰঞ্জিত প্ৰস্তুতেই আছিল। সি হাঁহি এটা মাৰি ক'লে, 'আপোনাৰ লগত পুত্ৰকৰ মানুহত কেনেকুৱা তিনি বেকিয়াৰা পাইছে জানো দেউতা ? যদি আপুনি হঠাৎ ফিৰ পাইছে তেন্তে মোৰ কৰণীয় একো নাই।'

'তই বাৰু কিবা সন্ধান পাইছ নেকি ৰঞ্জু ?' বাপেৰ পুত্ৰৰ সৃষ্টি কৰিব খোজা অবাঞ্ছনীয় পৰিস্থিতিটো চলিহানীয়ে অত্যন্ত কৌশলে চাপ দি দিলে।

ৰঞ্জিতে একেই স্বাভাৱিক মাতেৰে ক'লে, 'নাই মা, মই একো সন্ধান পোৱা নাই। কিন্তু মোৰ দৃঢ় ধাৰণা, দাদা আৰু হাসিনক এনেকুৱা এডোখৰ ঠাইত আবদ্ধ কৰি ৰখা হৈছে য'ৰপৰা সিহঁতক উদ্ধাৰ কৰি অনা পুলিচৰ পক্ষেও বৰ সহজ নহব। গতিকেই মই দেউতাক কৰ খুজিছোঁ—অনৰ্থক কিছুমান জটিলতাৰ সৃষ্টি কৰাতকৈ সিদ্ধান্তটো সলনি কৰাই ভাল।...... তোমালোকে গম পাইছানে নাই নেজানো, ইতিমধ্যে ডিব্ৰুগড় আৰু যোৰহাটৰ বি দুজন প্ৰাৰ্থীৰ ক্ষেত্ৰত এই একে ধৰণৰ ঘটনা ঘটিছে তাৰ পৰিপ্ৰেক্ষিতত দুয়োজন ব্যক্তিয়ে হেনো তেওঁলোকৰ সিদ্ধান্ত সলনি কৰিছে। কাৰণ পুলিচে হেনো অপহৃত ল'ৰা-ছোৱালী দুটাৰ কোনোটোকে উদ্ধাৰ কৰিব নোৱাৰিলে।'

হঠাৎ চলিহাই সুধি পেলালে—'তই এইবোৰ খবৰ ক'ত পালি ৰঞ্জিত ?'

ৰঞ্জিতে উৎসাহেৰে ক'লে, 'খবৰ কাগজৰ অফিচত। কাইলৈ আপোনা-লোকেও পঢ়িবলৈ পাব।' কৈয়ে ৰঞ্জিত দুৱাৰমুখৰপৰা আঁতৰি গ'ল। যেন সেই খবৰটো দিবলৈকেহে সি দেউতাকৰ ওচৰলৈ আহিছিল।

যি নহওক, অপ্ৰত্যাশিত খবৰটোৱে চলিহাৰ মনত সাধাৰণভাৱে হলেও প্ৰতিক্ৰিয়া নকৰাকৈ নেথাকিল।

পিচদিনা বাত্তিপুৱা ৰঞ্জিতে কোৱামতেই খবৰ কাগজত তেওঁ সেই খবৰ ছুটা পঢ়িবলৈ পালে। বাতৰি দিওঁতাই পুলিচৰ অকৰ্মণ্যতাক তীব্ৰ ভাবাৰে সমালোচনা কৰিছিল। বাতৰি ছুটা পঢ়ি চলিহানীয়ে তেওঁক বাৰে বাৰে কবৈল ধৰিলে—'ৰঞ্জুৱে ঠিকেই কৈছে, পুলিচে সহজে সিহঁতক বিচাৰি উলিওৱা টান। গতিকে আপুনিও একেটা কথাতে লাগি থাকি লাভ নাই। সোন-কালে কিবা এটা কৰি পেলাওক।'

কিন্তু চলিহাই তেতিয়াও পুলিচ বিভাগৰ ওপৰত আস্থা হেৰুওৱা নাছিল। প্ৰাণজিতহঁতক জীৱন্তে উদ্ধাৰ কৰিবলৈ দুৰ্বৃত্তহঁতৰ গোপন ঘাটী উদ্‌ঘাটন কৰিবলৈ পুলিচৰ ম'হুহ যে উঠি-পৰি লাগিছে সেই খবৰ তেওঁ প্ৰায় মুহূৰ্তে মুহূৰ্তেই পাই আছিল। কিন্তু...

।। সাতাইশ ।।

অত্যন্ত হতাশাৰে পুলিচৰ উৰ্দ্ধতন কৰ্তৃপক্ষই প্ৰেৰণ কৰা এটা সংবাদে চলিহাৰ সকলো আশা ধূলিসাৎ কৰি দিলে।

কি? পুলিচে এতিয়াও প্ৰাণজিতহঁতৰ কোনো সন্ধান উলিয়াব পৰা নাই? দুৰ্বৃত্তহঁতৰ কোনো সুং-সূত্ৰ পোৱা নাই? হ'পলেছ!

চলিহা খঙত অস্থিৰ হৈ উঠিল। নাই, নাই, এনেকুৱা হ'পলেছ, এনে-কুৱা অকৰ্মণ্য ডিপাৰ্টমেন্ট এটা থকাতকৈ নথকাই ভাল। চলিহাই খঙতে পুলিচৰ উৰ্দ্ধতন মহলৰ কেইবাজনো বিষয়াক টেলিফোনেৰে গালি পাৰি দিলে। ক'লে, 'আপোনালোকৰ দৰে 'দায়িত্বশীল' পুলিচ বিষয়াক কেনেকৈ পানী খুৱাব লাগে মই জানো। মাত্ৰ কেইটামান দিন বাট চাওক।'

কিন্তু ভাগ্যৰ কি অপূৰ্ব লীলা! সেই ঘটনাৰ ঠিক এঘন্টামানৰ পিচতে চলিহালৈ হঠাতে এটা টেলিফোন আহিল। এইবাৰ তেওঁলৈ বিটো খবৰ

আছিল যেনে এটা খবৰ তেওঁ শুনিবলৈ পাব বুলি ভাবিবই পৰা নাছিল। আনন্দত তেওঁৰ গাৰ প্ৰতি অংগ-প্ৰত্যংগ নাচি উঠিল। ৰোমাঞ্চিত হৈ উঠিল।

খবৰটো প্ৰেৰণ কৰিছিল পুলিচৰ স্পেচিয়াল ব্ৰাঞ্চৰ এজন শীৰ্ষস্থানীয় বিষয়াই। খবৰটো জনাই তেওঁ কৈছিল: 'আমাৰ মানুহে অতি দক্ষতাৰে অভিযান চলাই আপোনাৰ পুত্ৰ আৰু ড্ৰাইভাৰক উদ্ধাৰ কৰিছে। লগতে গাড়ীখনো পোৱা গৈছে। কিন্তু অতি দুখ আৰু আক্ষেপৰ কথা যে দুৰ্বৃত্ত-ইতৰ ঘাটী অৱৰোধ কৰিবলৈ পোৱাৰ আগতেই সিহঁত পলাল। মাত্ৰ সাধাৰণ দুটা চ'ৰা ধৰা পৰিছে। তাৰে এটাৰ নাম হেনো নীৰেণ, আন-টোৰ নাম বিশ্বেশ্বৰ। বিশ্বেশ্বৰ বোলাজনে কোনোবা কলেজত কাম কৰে বুলি শুনিছোঁ। যিয়েই নহওক, দুৰ্বৃত্তইত যে সাধাৰণ গুণ্ডা দগাবাজ বা চোৰ-ডকাইত নহয়, আমি সেই তথ্যও আবিষ্কাৰ কৰিব পাৰিছোঁ।...যি নহওক, আমি আমাৰ কাম কৰিলোঁ, এতিয়া আপুনি আপোনাৰ কাম কৰক।'

পুলিচ বিষয়াজনক আন্তৰিক ধন্যবাদ জনাই চলিহাই বিচিন্তাৰ মাজত থ'লে। 'আপুনি আপোনাৰ কাম কৰক' বুলি বিষয়াজনে তেওঁক কি ইঙ্গিত দিলে চলিহাই তাকো বুজিলে।

গতিকে দৈণীয়েৰক ওচৰলৈ মাতি আনি তেওঁ ক'লে, 'চোৱাঁ, জীৱনত মই কেতিয়াও পৰাজয় বৰণ কৰা নাই। বিপদত ধৈৰ্য্যইহে আচল কথা বুইছা।'

প্ৰাণজিত আৰু হাসিনক নিজৰ গাড়ীৰেই ঘৰত থৈ যোৱা হ'ল—অৱশ্যে সম্পূৰ্ণ পুলিচ পহৰাৰ মাজেদিহে।

সম্পূৰ্ণ চাৰিদিন আঠ ঘণ্টা সময় অজ্ঞাতবাস খাটি উলটি অহা পুতেকক দেখি চলিহানীৰ যিমান আনন্দ লাগিল সিমান দুখো লাগিল। এই চাৰিটা দিন যে পুতেকে অনাহাৰ-অনিদ্ৰা আৰু অশেষ মানসিক অশান্তিৰ মাজেদি কটাবলগীয়া হৈছিল, সেইটো তেওঁৰ চেহেৰা দেখিয়েই বুজি পোৱা গ'ল। হাসিনকো নিশ্চয় খুব কষ্ট দিয়া হৈছিল; নহলে সেই হেন পাহোৱাল ডেকা ল'ৰাটোৰ অৱস্থা এনেকুৱা হয়নে?

অৱশ্যে প্ৰাণজিতৰ মুখৰপৰা চলিহা চলিহানীয়ে বহুত খবৰ পালে। পুলিচ সূত্ৰই জনোৱা মতে তেওঁলোকক বন্দী কৰি থোৱা দলটো যে সঁচাকৈয়ে কোনো গুণ্ডা দগাবাজৰ দল নহয়, সেইটোও প্ৰাণজিতৰ কথাৰ দ্বাৰা প্ৰতীয়মান হ'ল। কিন্তু এটা কথাত প্ৰাণজিতৰ এতিয়াও সন্দেহ বৈ গৈছে: কেইবাজনো

শিক্ষিত, বুদ্ধিমান আৰু সাহসী ডেকাৰে গঠিত সেই দলটোত বহিৰ্ভো লিপ্ত আছে নেকি ?

সময়ৰ শৰ সময়ত মানিব জনা চলিহাই এইবাৰ আকৌ নতুন শৰ নিক্ষেপ কৰিলে। প্ৰাণজিত আৰি পাবল দিনাই তেওঁ টালি-টোপোলা লৈ পুলিচৰ সহায় লৈ অতি অভিনৱ কৌশলেৰে দিহপুৰ পালেগৈ।

তেনে এটা ঘটনা ঘটিব বুলি এক্ষিতইতে অনুমান কৰিব পাৰিছিল যদিও তাৰ বিৰুদ্ধে যাবতীয় কাৰ্য্য-ব্যৱস্থা গ্ৰহণ কৰিবলৈ সুবিধা নাপালে। গতিকে খবৰটো প্ৰচাৰ হৈ পৰাৰ লগে লগে গোটেই অঞ্চলটোতে এটা উত্তেজনাপূৰ্ণ পৰিবেশ সৃষ্টি হৈ গ'ল।

আন্দোলনকাৰী মূল সংগঠন দুটাৰ ঘোষিত কাৰ্য্যসূচী মতে আগতেই প্ৰস্তাৱ লোৱা হৈছিল যে অসমীয়া ৰাইজে নিবিচৰা সত্বেও চৰকাৰে যদি জোৰকৈ নিৰ্বাচন পাতিব খোজে আন্দোলনকাৰী ৰাইজে তাত পাৰ্যমানে বাধা দিব। ইতিমধ্যে চৰকাৰী-বেচৰকাৰী সকলো স্তৰৰ, সকলো পৰ্য্যায়ৰ বিষয়া-কৰ্মচাৰীয়ে নিৰ্বাচন-বিষয়ক সকলো ধৰণৰ কাম কাজৰপৰা স্বেচ্ছাই বিৰত থাকিব বুলি লোৱা সিদ্ধান্তই আন্দোলনকাৰী মূল সংগঠন দুটাৰ সিদ্ধান্তৰ সতে একাত্মতা প্ৰকাশ কৰিছিল।

আন্দোলনৰ নতুন কাৰ্য্যসূচীখনত এটা কথা স্পষ্ট কৰি দিয়া হৈছিল যে এইবাৰ কোনো পৰিস্থিতিতে প্ৰাৰ্থীসকলৰ ঘৰ ঘেৰাও কৰা নহয়। তাৰ পৰিবৰ্তে তেওঁলোকক অনুৰোধ কৰা হব যাতে ৰাইজৰ মত আৰু ইচ্ছাৰ বিৰুদ্ধে গৈ পৰিস্থিতিৰ অৱনতি নঘটায়।

সেই সংকল্প শিৰোধাৰ্য্য কৰিয়েই সমূহ ছাত্ৰ-সমাজ আৰু আন্দোলনকাৰী ৰাইজে নিজৰ নিজৰ অঞ্চলত একো একোটা সৰু সৰু দল গঠন কৰি প্ৰাৰ্থী সকলৰ উদ্দেশ্যে একো একোখন গোহাৰি-পত্ৰ প্ৰচাৰ কৰিলে। গোহাৰি-পত্ৰবোৰ যাতে প্ৰতিজন প্ৰাৰ্থীৰ ঘৰে ঘৰে দিব পৰা যায় তাৰো ব্যৱস্থা কৰা হৈছিল; কিন্তু চৰকাৰী প্ৰশাসনে তাকো সহ্য নকৰিলে। গোহাৰি-পত্ৰ দিবলৈ যোৱা ভালেমান ছাত্ৰ-ছাত্ৰীক পুলিচে অসৎ ব্যৱহাৰ কৰি খেদি পঠিয়ালে, বহুতকে মাৰপিট কৰিলে, বহুতকে গ্ৰেপ্তাৰ কৰিলে। ফলত বহু ঠাইত ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ অঞ্চলৰ প্ৰাৰ্থীৰ দুৱাৰমুখখনকে নেদেখিলে।

অকল সেয়ে নহয়, নিৰ্বাচন-বিৰোধী ৰাইজ আৰু ছাত্ৰ-সমাজৰ প্ৰতি ধৰ্ম্মহৃত হৈ চৰকাৰী প্ৰশাসন তথা পুলিচ বিভাগে এনেকুৱা কিছুমান দুৰ্নীতি

কাম কৰিবলৈ ধৰিলে যিবোৰৰ দ্বাৰা ৰাজ্যখনত অশান্তি বঢ়াই তোলা হ'ল। নিৰ্বাচনৰ কামত সহযোগ কৰিব নোখোজা চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ ওপৰত এনে ধৰণৰ অত্যাচাৰ চলিবলৈ ধৰিলে যে তেওঁলোকে ঘৰৰ ভিতৰত খোৱা-শোৱা কৰা দূৰৰ কথা, স্বাধীনভাৱে আলিবাটলৈ ওলাবলৈকো ভয় কৰিবলগীয়া হ'ল।

জোৰকৈ নিৰ্বাচনৰ কাম কৰাবলৈ কোনো কোনো পুলিচ বিষয়াই দলে-বলে গৈ কোনো কোনো চৰকাৰী চৰবিষয়ালক ৰাতি ভাতৰ পাতৰপৰা কিম্বা শোৱাপাটীৰপৰাও টানি আজুৰি লৈ আহিল। কাৰোবাক কাৰোবাক কেইবা-দিনৰ আগতে অফিচতে বন্ধ কৰি ৰখা হ'ল। কাৰোবাক হয়তো চাকৰিৰ ক্ষেত্ৰত অযৌক্তিকভাৱে অধিক সা-সুবিধা আৰু প্ৰমোচন দিয়াৰ লোভ দেখুওৱা হ'ল।

অসংশোধিত ভোটাৰ তালিকাৰ ওপৰত ভিত্তি কৰি নিৰ্বাচন নাপাতিবলৈ অসমৰ বিভিন্ন অঞ্চলৰ বিশিষ্ট ব্যক্তি, বিশিষ্ট অনুষ্ঠান-প্ৰতিষ্ঠান আৰু অজস্ৰ সংগ্ৰামী ৰাইজে কৰা অনুৰোধলৈ কেন্দ্ৰীয় চৰকাৰে কৰ্ণপাত নকৰিলে, বৰং অসমীয়া ৰাইজৰ সহায়-সহযোগ নোলোৱাকৈয়ে যে নিৰ্বাচন অনায়াসে অনুষ্ঠিত কৰিবলৈ চৰকাৰ সমৰ্থ হয় সেইটো প্ৰমাণ কৰিবলৈহে যেন চৰকাৰ উঠি-পৰি লাগিল। চৰকাৰৰ সেই জেদ আৰু একোৰোখোজ মনোভাৱৰ আগত নিৰ্বাচনী আয়োগেও যেন অসহায় বোধ কৰিলে।

যথা সময়ত লোকসভা আৰু বিধান সভাৰ আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ওলোৱা প্ৰাৰ্থীসকলৰ প্ৰায় দুই তৃতীয়াংশই মনোনয়ন দাখিল কৰিলে।

নিৰ্বাচনৰ দিন চমু চাপি আহিল

অসমীয়া ৰাইজৰ প্ৰবল বিৰোধিতা আৰু অসহযোগিতা সত্ত্বেও অসমৰ গোটেই চৰকাৰী প্ৰশাসনটো নিৰ্বাচনৰ প্ৰস্তুতিত ব্যস্ত হৈ পৰিল। আনকি আইন-শৃংখলাৰ বাবে নিয়োজিত সমগ্ৰ পুলিচ বাহিনীটোকো নিৰ্বাচনৰ কামতহে বেছি গুৰুত্ব সহকাৰে নিয়োগ কৰা হ'ল। ফলত কোনো কোনো অঞ্চলত নাগৰিকৰ জীৱনৰ নিৰাপত্তা একেবাৰে নোহোৱা হৈ পৰিল।

নিৰ্বাচন পৰিচালনা কৰিবলৈ দেশৰ বিভিন্ন অংশৰপৰা নাই কমেও দহ হেজাৰ কৰ্মচাৰী বিষয়া আমদানি কৰা হৈছিল। সেই মানুহবোৰক যথোচিত সুৰক্ষা দি ৰাখিবৰ বাবে চৰকাৰে বিভিন্ন শিক্ষানুষ্ঠান আৰু ছাত্ৰাবাসসমূহ ইতিপূৰ্বেই অধিগ্ৰহণ কৰি লৈছিল। সেই শিক্ষানুষ্ঠান আৰু ছাত্ৰাবাসসমূহক

আগেদি যাতে যি কোনো মানুহ যেতিয়াই তেতিয়াই যাব নোৱাৰে তাৰ কাৰণে কিছুমান অঞ্চল 'সংৰক্ষিত এলেকা' হিচাপেও ঘোষণা কৰা হৈছিল। তেনেকুৱা এলেকাবোৰত ৰুট্‌-কটয়াকৈ পুলিচ পহৰাৰ ব্যৱস্থা কৰা হৈছিল।

ৰূপানগৰ অঞ্চলত চাৰিটা ভোটকেন্দ্ৰ স্থাপন কৰা হব বুলি শুনা গৈছিল যদিও মুঠতে দুটা ভোটকেন্দ্ৰহে স্থাপন কৰা হ'ল। উল্লেখযোগ্য যে এই কেন্দ্ৰ দুটাত যিদিনা ভোট লোৱা হব বুলি থিৰাং কৰা হৈছিল তাৰ দুদিনৰ আগৰপৰাই অঞ্চলটোত প্ৰচুৰ পৰিমাণে সশস্ত্ৰ পুলিচৰ ব্যৱস্থা কৰা হৈছিল। শান্তিপূৰ্ণ অঞ্চল এটাত হঠাতে বিয়য়মান পুলিচ দিবলগীয়া হ'ল তাৰ পম খেদি গৈ ৰঞ্জিতহঁতে গম পালে যে অঞ্চলটোৰ এচাম মানুহে অতি গোপনে কেইজনমান প্ৰশাসনীয় বিষয়াক লগ ধৰি অঞ্চলটোত অচিৰেই কিবা এটা 'ডাঙৰ ঘটনা' ঘটিব বুলি তেনো সংকেত দিছিল।

ৰূপানগৰৰ অন্তৰ্গত 'নতুন বস্তি'ৰ সেই মানুহখিনি এতিয়াও যেন অঞ্চলটোৰ অন্যান্য মানুহখিনিৰ লগত লীণ যাব পৰা নাই। প্ৰশাসনীয় বিষয়াক লগ ধৰিবলৈ যোৱা দলটোৰ অধিকাংশ লোকেই যে 'নতুন বস্তি'ৰ নতুন বাসিন্দা সেই কথাৰ বুজ লবলৈ ৰঞ্জিতহঁতৰ বেছি সময় নেলাগিল। সংখ্যালঘুৰ ছদ্মবেশ ধাৰণ কৰি এই বৃহৎ অঞ্চলটোত কিবা এটা ডাঙৰ অশান্তি সৃষ্টি কৰিবলৈকে যে সেই মানুহখিনিয়ে নতুন বস্তিত খোপনি পুতিছেহি, ৰঞ্জিতহঁতে তাৰো সঙ্কেত পালে।

গতিকে পৰিস্থিতিৰ সন্মুখীন হব পৰাকৈ ৰঞ্জিতহঁতৰ স্বেচ্ছাসেৱক বাহিনীটো সাজু হৈ থাকিল।

চৰকাৰী ঘোষণা এটাত কোৱা হৈছিল যে ভোটকেন্দ্ৰসমূহ ৰাতিপুৱা আঠ বজাৰপৰা বিয়লি তিনি বজালৈকে খোলা থাকিব। সেইদেখি স্বেচ্ছাসেৱক বাহিনীটোৱে পৰম তৎপৰতাৰে নিজৰ কৰ্তব্য সম্পাদন কৰিবলৈ সাজু হৈ থাকিল।

নিৰ্ধাৰিত সময়তকৈ প্ৰায় এঘণ্টা পলমকৈ পুলিচ পহৰা লৈ কেইখনমান অচিনাকি মুখ ভোটকেন্দ্ৰ পালেহি। তেওঁলোকৰ লগত আছিল ভোটৰ বাকচ আৰু কিবাকিবি কাগজ-পত্ৰ কিছুমান। সেইবিলাক যথাস্থানত থৈ পুলিচৰ গাড়ী উলটি গ'ল। অৱশ্যে ভোট লোৱা মানুহ কেইজনক সহায় কৰিবলৈ দুয়োটা কেন্দ্ৰতে চাৰিজন চাৰিজনকৈ মুঠ আঠজন সশস্ত্ৰ পুলিচ ৰখোৱা হ'ল।

প্ৰায় এঘাৰমান বজালৈকে দুয়োটা ভোটকেন্দ্ৰ সম্পূৰ্ণ খালী হৈ থাকিল। কোনো এজন মানুহ ঘৰৰপৰা ওলোৱা নাই—যেন কিবা এটা ডাঙৰ বিপদৰ

বাবে সেইদিনা কাকো ঘৰৰপৰা বাহিৰ নোলাবলৈ সাৱধান কৰি দিয়া হৈছে। আনকি দোকান-পোহাৰবোৰো বাতিপুৱাৰপৰা বন্ধ। কান্ধত ৰাইফল লৈ টহল দি থকা পুলিচ আৰু চোৰাং চিনিব নোৱৰাকৈ মুখত ক'লা কাপোৰ বান্ধি পুলিচৰ গাড়ীত টহল দি ফুৰা কেইজনমান মানুহৰ বাহিৰে ৰূপানগৰৰ বাট-পথ সম্পূৰ্ণ জনশূন্য। মানুহ আৰু যান-বাহনৰ কোনো ছিটছাট নথকা মুকলি আলিবাটত হেলাৰঙে বিচৰণ কৰিবলৈ পাই কুকুৰ আৰু গৰু-ছাগলীবোৰে যেন বৰ আনন্দ পাইছে। আজি ৰ'দটোও বেচ চোকা। আকাশ ফৰকাল।

হঠাৎ নতুন বস্তিৰ ফালৰপৰা এদল মানুহ ওচৰৰ ভোট কেন্দ্ৰটোৰ ফালে আগুৱাই আহিল। জনশূন্য পথৰ নিৰ্জনতা ভঙ্গ কৰি দলদোপ-হেন্দোলদোপকৈ আগবাঢ়ি অহা বাঠি-সত্তৰ জনীয়া দলটোত কেইজনীমান মাইকী মানুহো আছিল। দলটো ক'ত একত্ৰিত হৈছিল বা হঠাৎ ক'ৰপৰা ওলাই আলিবাটত উপস্থিত হ'ল সঠিক ধৰিব পৰা নগ'ল।

দহ-বাৰ জনীয়া ৰাইফলধাৰী পুলিচৰ দল এটাকো সমাবেশকাৰী দলটোৰ লগত দেখা গ'ল। সমাবেশটোৰ নিৰাপত্তাৰ খাতিৰতে যেন সশস্ত্ৰ বাহিনীটো লগত আহিছিল।

বস্তাহতে খবৰটো পাই বস্তিতইতৰ স্বেচ্ছাসেৱক বাহিনীৰ বিশজনীয়া দল এটা ভোটকেন্দ্ৰমুখী সমাবেশকাৰী দলটোক আগভেটা দিবলৈ আগবাঢ়ি গ'ল। নিৰ্দিষ্ট ঠাইৰপৰা কিছুদূৰ আগবাঢ়ি গৈয়ে স্বেচ্ছাসেৱক বাহিনীটো সমাবেশ-কাৰী দলটোৰ মুখামুখি হ'ল।

আঞ্চলিক স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক গৌতম কাকতি বুলিবৰ ল'ৰা-জনে সমাবেশকাৰী দলটোৰ এজনক সুধিলে—'আপোনালোক ক'লৈ যায়? ভোট দিবলৈ?'

সাধাৰণ পাঞ্জাবী-পায়জামা পিন্ধা চেকা মানুহজনে নিৰ্ভয়ে উত্তৰ দিলে—'হয়, আমি ভোট দিবলৈ আহিছোঁ।'

স্বেচ্ছাসেৱক বাহিনীটোৱে সমুখৰ ফালৰপৰা আগভেটি ধৰা কাৰণেই সমাবেশকাৰী দলটো ৰৈ যাবলৈ বাধ্য হৈছিল।

'কিন্তু আপোনালোকক বোধহয় নতুনকৈ কোৱাৰ প্ৰয়োজন নহব যে এইবাৰ আমি সকলোৱে নিৰ্বাচন বৰ্জন কৰাৰ সিদ্ধান্ত লৈছোঁ; কিয়নো এই নিৰ্বাচন বহুতো দিশৰপৰা অবৈধ।' স্বেচ্ছাসেৱক বাহিনীৰপৰা আন এজনে ক'লে।

সমাবেশকাৰী দলটোৰ সেই এজেজন চেকাজনেই উত্তৰ দিলে—'আপোনালোকৰ

কথা বেলেগ, আমিতো তেনে সিদ্ধান্ত লোৱা নাই। আমাৰ ব্যক্তি স্বাধীনতাৰ ওপৰত হস্তক্ষেপ কৰাৰ আপোনালোকৰ নিশ্চয় কোনো অধিকাৰ নাই।'

তৰ্ক হয়তো বাঢ়ি গ'লহেঁতেন, কিন্তু এনে সময়তে সমাবেশকাৰী দলটোৰ লগত অহা সশস্ত্ৰ পুলিচ বাহিনীটোৱে স্বেচ্ছাসেৱক বাহিনীটোক আগুৰি ধৰিলে। বোধহয় স্বেচ্ছাসেৱকসকলক দেখিয়েই পুলিচ বাহিনীটোৱে তেওঁলোকৰ উদ্দেশ্যৰ কথা বুজিব পাৰিছিল; সেয়ে তেওঁলোকৰ উদ্দেশ্য ব্যৰ্থ কৰি দিবলৈ সিহঁত লগে লগে সক্ৰিয় হৈ পৰিল।

দুৰ্বোধ্য ভাষাৰে কিবাকিবি কৈ সিহঁতে স্বেচ্ছাসেৱকসকলক খেদি পঠাবলৈ চেষ্টা কৰিলে। কিন্তু স্বেচ্ছাসেৱকসকল পাচ হুহঁকিল। শান্ত, নম্ৰ ভাষাৰে সমাবেশকাৰী দলটোক বুজাই-বঢ়াই তেওঁলোকে উলটি যাবলৈ অনুৰোধ কৰিলে। কিন্তু তাৰ ফল হ'ল বিপৰীত। সিহঁতৰ হকা-বধালৈ ভ্ৰূক্ষেপ নকৰি সমাবেশকাৰী দলটোৱে তেওঁলোকৰ ওপৰত অসৎ আচৰণ আৰম্ভ কৰি দিলে।

সিমানতো স্বেচ্ছাসেৱকসকলে কোনো প্ৰকাৰৰ উত্তেজনাৰ আশ্ৰয় নলৈ তেওঁলোকৰ কৰ্তব্য কৰি গ'ল। সমাবেশকাৰী দলটোৱে এইবাৰ হিংসাৰ আশ্ৰয় ললে। শক্তি প্ৰয়োগৰ দ্বাৰা বিশৃংখলাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি কৰি সিহঁত আগুৱাই আহিবলৈ উদ্যত হ'ল। সম্ভৱ সশস্ত্ৰ বাহিনীটোক কোন পৰিস্থিতিত কি কৰিব লাগিব সকলো নিৰ্দেশ দি থোৱা হৈছিল। সেয়ে সমাবেশকাৰী দলটোৱে অনৰ্থক এটা বিষম পৰিস্থিতি সৃষ্টি কৰি লব খোজা সত্বেও পুলিচে সিহঁতক একো নকৰি স্বেচ্ছাসেৱকসকলকহে ছত্ৰভংগ দিয়াবলৈ চেষ্টা কৰিলে।

বিছুমান লকশ, দুৰ্বোধ্য শব্দ প্ৰয়োগ কৰি পুলিচৰ দলটোৱে গৌতম কাকতিহঁতক চুলত ধৰি, গচকিয়াই-ভুকুৱাই আতৰ কৰিবলৈ চেষ্টা চলালে। পুলিচ নিজেই তেনে কাম কৰিবলৈ লোৱাত সমাবেশকাৰী দলটোৰ সাহস বাঢ়ি গ'ল। সিহঁতেও পুলিচৰ লগত সহযোগ কৰিবলৈ ধৰিলে।

এটা অশুভ পৰিস্থিতিৰ বাবে সজাগ হৈ থকাৰ কাৰণেই হওক বা যেনেকৈয়ে নহওক হঠাতে ঘটনাটো গোটেই জগানগৰতে বিয়পি পৰিল। প্ৰায় সকলোৰে মনত এটা আশংকা আৰু সন্ত্ৰাসৰ ভাব সৃষ্টি হ'ল। বাতিপুৱাৰ পৰা নিজৰ নিজৰ চৌহদৰ ভিতৰতে আবদ্ধ হৈ থকা মানুহবোৰে যেন কিবা এটা কৰাৰ প্ৰয়োজন বোধ কৰিলে। হয়তো নিৰ্বাচন বৰ্জনৰ প্ৰতি সৰ্বাধিক লোকৰ সমৰ্থন থকাৰ কাৰণেই সমাবেশকাৰী দলটোৰ কাৰ্যকলাপত সকলো ক্ষুব্ধ হৈ উঠিল।

স্বেচ্ছাসেৱক বাহিনীটোক সহায় কৰিবৰ কাৰণেই এদল মানুহ খৰখেদাকৈ আলিবাটলৈ ওলাই আহিল। হাতত কোনো অস্ত্ৰ-শস্ত্ৰ নোহোৱাকৈয়ে তেওঁলোক ঘটনাস্থলীৰ ফালে আগুৱাই গ'ল। তাৰ মানুহবোৰৰ লগত ডেকা-গাভৰু আৰু সেমনীয়া ল'ৰাছোৱালী কিছুমানেও যোগ দিলে।

ৰূপনগৰৰ প্ৰায় তিনি হেজাৰ জনসংখ্যাৰ ভিতৰত এক হেজাৰমানেই ঘটনাস্থলীৰ ফালে দৌৰিল। শেহতীয়াকৈ কেইগৰাকীমান মাইকী মানুহেও মন টাপাৰিব নোৱাৰি ৰাইজৰ লগ ল'লে।

এটা কোলাহলপূৰ্ণ পৰিৱেশে ৰূপনগৰৰ আকাশ-বতাহ কঁপাই তুলিলে।

মানুহবোৰ ঘটনাস্থলী পাইছিলহে—কিছুমান তেতিয়াও আধা-বাটতে আছিল—এখন গাড়ীত এগাড়ী সশস্ত্ৰ চিপাহী লৈ স্বয়ং জিলা দণ্ডাধীশ ঘটনাস্থলীত উপস্থিত হ'লহি। দণ্ডাধীশৰ লগত দুজন পুলিচৰ উচ্চ বিষয়া আৰু এজন স্থানীয় প্ৰাক্তন বিধায়ক। অৱশ্যে বিধায়কজনে মুখখন চিনিব নোৱাৰাকৈ গোটেই মুখমণ্ডল কলা কাপোৰেৰে ঢাকি লৈছিল।

ঘটনাস্থলীত উপস্থিত হৈয়ে দণ্ডাধীশে পুলিচৰপৰা ঘটনাৰ বিষয়ে জানিবলৈ বিচাৰিলে। তেওঁক সকলো জনোৱা হ'লত তেওঁ স্বেচ্ছাসেৱক বাহিনী আৰু ৰূপনগৰৰ সমূহ সমবেত ৰাইজক উদ্দেশ্য কৰি হিন্দী আৰু ইংৰাজী মিহলি ভাষাৰে ক'লে, 'এদল স্বাধীন নাগৰিকৰ ন্যায্য অধিকাৰত বাধাৰ সৃষ্টি কৰিবলৈ আহি আপোনালোকে দাৰুণ অন্যায় কৰিছে। গতিকে আপোনালোকক অনুৰোধ নহয়, কঠোৰ আদেশ দিয়া হ'ল, যিসকলে ভোট দিবলৈ আহিছে তেওঁলোকক ৰাস্তা এৰি দিয়ক; নহলে পৰিণাম খুব বেয়া হ'ব।'

কিন্তু ৰাইজে দৃঢ়ভাৱে জনাই দিলে: তেওঁলোকে ৰাস্তা এৰি নিদিয়ে। তেনে অগণতান্ত্ৰিক কাম বন্ধ কৰিবই লাগিব।

দণ্ডাধীশে বোধহয় জানিছিল এইসকল ৰাইজৰ লগত তৰ্ক কৰি কোনো লাভ নাই। এওঁলোকক ঠাণ্ডা কৰাৰ এটাই মাথোন উপায় আছে। দেখা হ'ল......

দণ্ডাধীশৰ কথাৰ সুৰতে সুৰ মিলাই পুলিচ বিষয়া দুজন আৰু মুখা-পিন্ধা প্ৰাক্তন বিধায়ক গৰাকীয়েও ৰাইজক পশ্চাদগামী কৰাৰ উদ্দেশ্যে কিবাকিবি কৈ ভাবুকি দিলে। তাতো কোনো ফল নধৰাত দণ্ডাধীশে শেষবাৰৰ কাৰণে সকলোকে সাৱধান কৰি দিলে: 'আপোনালোকে আমাৰ কথা নুশুনিলে আমি যি কোনো ধৰণৰ কঠোৰ ব্যৱস্থা লবলৈ বাধ্য হ'ম। বাজক, আপোনালোক ঘূৰি যাওক।'

কিন্তু ৰূপানগৰৰ বাইজ আতৰি আহক চাৰি আগুৱাইহে গ'ল। ইতিমধ্যে সমাবেশকাৰী দলটোও পুলিচৰ সহায় পাই উগ্ৰ আৰু উচ্ছৃংখল হৈ পৰিছিল। কোনোবাই ছেগ বুজি পুলিচৰ গালৈ শিলগুটি দলিয়ালে; ভগা আইনা আৰু কাপ-প্লেটৰ টুকুৰা দলিযালে।

গতিকে পৰিস্থিতি স্বাভাৱিকতে বেয়াৰ ফালে ঢাল খালে। ৰূপানগৰৰ বাইজৰ ওপৰত প্ৰথমতে মৃদু লাঠীচালনা কৰা হ'ল, তাৰ পিচত আৰম্ভ হ'ল প্ৰহাৰ, প্ৰচণ্ড মাৰধৰ, বুটজোতাৰ গোৰ, সাঙীনৰ খোচ আৰু গ্ৰেপ্তাৰ।

সন্ত্ৰাসকাৰী পুলিচৰ দলে মহিলা আৰু ল'ৰা-ছোৱালীইঁতকো এৰি নিদিলে। সকলো অত্যাচাৰ উৎপীড়ন আৰু বৰ্বৰ আচৰণলৈকো ভ্ৰূক্ষেপ নকৰি ৰূপা-নগৰৰ বাইজে শোষবাৰৰ বাবে নিজৰ কৰ্তব্য সম্পাদন কৰিবলৈ গৈ সাহসেৰে ৰাইফলৰ গুলী বুকু পাতি লবলৈকো সাজু হ'ল।

পুলিচে তাতো কেনো ধৰণৰ বেদনা, কোনো ধৰণৰ সহৃদয়তা অনুভৱ নকৰি উন্মাদৰ দৰে সমুখত যাকে পালে তাকে গুলিয়াই গ'ল। ৰাইফলৰ গৰ্জন, চিঞৰ-বাখৰ ক্ৰন্দন ধ্বনি আৰু দৌৰা-ঢাপৰা কৰোঁতে হোৱা দুৰ্যোগৰ বিভীষিকাই ৰূপানগৰৰ বতাহ উদভ্ৰান্ত কৰি তুলিলে। তথাপি পুলিচৰ দল শান্ত নহ'ল।

দণ্ডাধীশৰ কঠোৰ নিৰ্দেশ পালন কৰিবলৈ গৈ পুলিচে আঠ বছৰীয়া ল'ৰাকো ৰাইফলৰ আঘাতৰপৰা সাৰি যাবলৈ নিদিলে। যেনেকৈ নিদিলে মহিলাসকলকো। গুলীৰ আঘাতত ধৰাশায়ী হোৱা দুজনী গাভৰু ছোৱালীৰ মাজত পঙ্কজাও আছিল। আৰু বঞ্চিত? গৌতম, নৃপেন, মমতাজ, ৰূপেশ্বৰহঁতৰ সৰু দলটো?

সিহঁতৰ খবৰ অৱশ্যে বহুত পিচত পোৱা গ'ল। কিন্তু যি পোৱা গ'ল সেয়া অতি মৰ্মান্তিক, অতি হৃদয়-বিদাৰক, অতি কৰুণ। × × ×